# সোণালী

সোণাৰি মহাবিদ্যালয় আলোচনী

২০১৮-১৯ বৰ্ষ





তত্ত্বাৱধায়ক


মনোৰঞ্জন কোঁৱৰ

ভাৰপ্ৰাপ্ত সম্পাদক

বিকল্প কোঁৱৰ

# মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাসমূহ








বিভাগসমূহ - গণিত বিভাগ, অৰ্থনৈতিক বিভাগ বুৰঞ্জী আৰু শিক্ষা বিভাগ -

# তুলিকাই কোৱা মনৰ কথা









ৰেখা শিল্পীসকল - ১। ৰবীন গগৈ, ২। কাশ্যপ বৰুৱা
৩। নিলোৎপল শইকীয়া, ৪। নূৰ য়াচমিন বেগম

# সোণালী

একত্ৰিছ সংখ্যক

## সোণাৰি মহাবিদ্যালয়ৰ আলোচনী

## ২০১৮-১৯ বৰ্ষ

প্ৰতি,

..........................................................................................

..........................................................................................

ভাৰপ্ৰাপ্ত সম্পাদক
বিকল্প কোঁৱৰ

# সম্পাদনা সমিতি

| | | |
|---|---|---|
| পৃষ্ঠপোষক | ঃ | ড° বিমল চন্দ্ৰ গগৈ |
| তত্ত্বাৱধায়ক | ঃ | শ্ৰীযুত মনোৰঞ্জন কোঁৱৰ |
| উপদেষ্টা | ঃ | ড° ৰীতা দত্ত<br>শ্ৰীযুতা পদ্মাকুমাৰী গগৈ |
| ভাৰপ্ৰাপ্ত সম্পাদকঃ | | বিকল্প কোঁৱৰ |
| সহযোগী | ঃ | শচীন দত্ত<br>প্ৰযোজ্য মাধৱ দত্ত<br>কাশ্যপ বৰুৱা<br>আৰিফ হুছেইন |
| পৰিকল্পনা | ঃ | বিকল্প কোঁৱৰ<br>শচীন দত্ত |
| আলোক চিত্ৰ | ঃ | আৰিফ হুছেইন<br>কাশ্যপ বৰুৱা |
| প্ৰচ্ছদ | ঃ | কাশ্যপ বৰুৱা |
| অন্তঃভাগৰ চিত্ৰণ | ঃ | শচীন দত্ত |
| প্ৰকাশ কাল | ঃ | ২০২১ চন |
| অলংকৰণ,<br>অক্ষৰ বিন্যাস | ঃ | জিয়াউদ্দিন আহমেদ |
| মুদ্ৰণ | ঃ | জিয়া অফছেট প্ৰেছ<br>ধোঁদৰ আলি<br>সোণাৰি, চৰাইদেউ। |

ছাত্ৰ একতা সভা ২০১৮-১৯ বৰ্ষ, সোণাৰি মহাবিদ্যালয়

সোণাৰি মহাবিদ্যালয়ৰ আলোচনী,২০১৮-১৯ বৰ্ষ

৩১ সংখ্যক প্ৰকাশ

# উচৰ্গা



প্ৰয়াত উৎপল কোঁৱৰ
জন্ম ঃ ০১-১২-১৯৬৪
মৃত্যু ঃ ২৬-০১-২০১৮



মুহিবুল হক
জন্ম ঃ ৭-০২-১৯৬৩
মৃত্যু ঃ ১৯-০৪-২০১৯

সোণাৰি মহাবিদ্যালয়ৰ
পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক
প্ৰয়াত উৎপল কোঁৱৰ
আৰু কৰ্মচাৰী মুহিবুল হকলৈ আত্মাৰ
সদ্‌গতিৰ অৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা
জনাই ৩১ সংখ্যক বাৰ্ষিক আলোচনী
'সোণালী'
উৎসৰ্গা কৰা হ'ল।

# শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষসমূহত আমাৰ মাজৰ পৰা দেশ
তথা সমাজৰ বিভিন্ন দিশত অৱদান
আগবঢ়াই পৰলোকগামী হোৱা বিশিষ্ট
ব্যক্তি সকললৈ ৩১ সংখ্যক বাৰ্ষিক
আলোচনী **'সোণালী'**ৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি
নিবেদিছোঁ।

# মহাবিদ্যালয় সংগীত

✍ৰচনা আৰু সুৰ ঃ ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই



*সাৰে আছো আমি*
*হেজাৰ সেনানি*
*জ্ঞানৰ পূজাৰী হৈ,*
*কলা বিজ্ঞানৰ দুগছি বন্তি*
*দুখনি হাতত লৈ।*

*সেউজী আমাৰ মনৰ পৃথিৱী*
*জ্ঞানেৰে জীপাল কৰা,*
*দুখ দৈন্য দূৰতে বিদূৰি*
*হৰষে উপচাওঁ ধৰা,*
*দৃষ্টি আমাৰ দূৰ দিগন্ত*
*পাখি মেলি উৰি যাওঁ*
*শান্তিৰ পখী হৈ।।*

*সৃষ্টিৰ কঁঠিয়া আহাঁ গুজি দিওঁ*
*আমাৰ মনৰ পথাৰতে,*
*অন্ধকাৰৰ প্ৰাচীৰ ভাঙি*
*পোহৰৰে ঢল বোৱাওঁ আমি*
*জ্ঞানৰ পূজাৰী হৈ*
*জ্ঞানৰ পূজাৰী হৈ।।*




অধ্যক্ষ - ড° বিমল চন্দ্ৰ গগৈ




উপাধ্যক্ষ - শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা

# সম্পাদনা সমিতি



ড° বিমল্ চন্দ্ৰ গগৈ
মুখ্য পৃষ্ঠপোষক



শ্ৰীযুত মনোৰঞ্জন কোঁৱৰ
তত্ত্বাৱধায়ক



ড° ৰীতা দত্ত
উপদেষ্টা



শ্ৰীযুতা পদ্মাকুমাৰী গগৈ
উপদেষ্টা



বিকল্প কোঁৱৰ
ভাৰপ্ৰাপ্ত সম্পাদক



শচীন দত্ত
সদস্য



প্ৰযোজ্য মাধৱ দত্ত
সদস্য



কাশ্যপ বৰুৱা
সদস্য



আৰিফ হুছেইন
সদস্য

।।জয় আই অসম।।

# সদৌ অসম ছাত্ৰ সন্থা
# ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্যলয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

H.Q.: GUWAHATI UNIVERSITY, Guwahati - 781014

Website : htta\\aasu.m2014.net

দিনাঙ্কঃ ১৯-১১-২০২০



## শুভেচ্ছাবাণী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি অতিশয় সন্তোষিত হৈছো।

শিক্ষানুষ্ঠান এখনৰ মুখপত্ৰই শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অঞ্চলটোৰ তথা সামগ্ৰিক ভাৱে সমগ্ৰ অসমৰে বৌদ্ধিক চিন্তা-চৰ্চাৰ পৰিৱেশ উন্নত কৰে।

আশাকৰো মুখপত্ৰ 'সোণালী'ত প্ৰকাশিত হবলগীয়া লিখনীসমূহেও শৈক্ষিক সমস্যাৱলীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা লব।

শেষত, মহাবিদ্যালয়খনৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জনালো।

ইতি

(দীপাঙ্কৰ কুমাৰ নাথ)

সভাপতি

সদৌ অসম ছাত্ৰ সন্থা

Nabanita Handique
Member of Legislative Assembly
106 No. Sonari LAC
New MLA Hostel, Room No. 202
Dispur, Guwahati- 781006

सत्यमेव जयते

**RESIDENTIAL ADDRESS**
1 No. Kathia Khunda
P.O. & P.S. Sapekhati
Dist: Charaideo, Pin: 785692
Cell: 9954972976/ 9954654903



# শুভেচ্ছা বাণী

দিনাংকঃ ১৮ ছেপ্তেম্বৰ ২০২০

ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী'ৰ (২০১৮-১৯ বৰ্ষ) সংখ্যক প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই অত্যন্ত আনন্দিত হৈছো।

এখনি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক সত্বাৰ পূৰ্ণ বিকাশৰ বাবে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন নিত্যান্তই প্ৰয়োজনীয়। মই ভাবো ভৱিষ্যতৰ প্ৰতিভাশালী লেখক-লেখিকা সকলৰ বাবে ই হ'ল এক উৰ্বৰ ভূমি।

সোণাৰি মহাবিদ্যালয়ৰ সৈতে মোৰ পূৰ্বৰে পৰাই এক আবেগিক সম্পৰ্ক আছে, সেয়েহে ইয়াৰ সৈতে সংগতি থকা আলোচনীখনি এখনি দলিল হৈ ৰওক এই কামনাৰে।

ইতি
বিনীতেৰে
N. Handique
(নৱনীতা হান্দিকৈ)
বিধায়িকা,
১০৬ নং সোণাৰি বিধান সভা সমষ্টি

**Palash Ranjan Gharphalia, ACS,**
Deputy Commissioner, Charaideo.

**Office of the Deputy Commissioner,**
**Charaideo District, Sonari-785690**
**Assam (India)**

প্ৰসংগ নং চি.ডি.চি. ২৭/২০১৪/অংশ-৪

দিনাংকঃ ২৮-০৯-২০২০



## শুভেচ্ছাবাণী

বিগত বৰ্ষৰ দৰে এই বছৰো সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন উন্মোচন কৰিবলৈ লোৱা বুলি জানিব পাৰি নথৈ আনন্দিত হৈছো।

বাৰ্ষিক আলোচনীসমূহে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক তথা বৌদ্ধিক বিকাশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে।

আশা কৰিছো এই বৰ্ষৰ আলোচনীখনে আমাৰ সকলোৰে সমাদৰ লাভ কৰিব আৰু ৰসোত্তীৰ্ন প্ৰাসঙ্গিক আলোচনাৰ বাট মুকলি কৰিব।

আপোনালোকৰ এই প্ৰচেষ্টালৈ আমাৰ আন্তৰিক শুভকামনা জনালো আৰু ইয়াৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

(পলাশ ৰঞ্জন ঘৰফলীয়া, অ.অ.সে.)
উপায়ুক্ত,
চৰাইদেউ জিলা।

# কৃতজ্ঞতা

- মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ আৰু উপাধ্যক্ষ শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা মহোদয়।
- আলোচনীৰ সকলো লেখক লেখিকা।
- তত্বাৱধায়ক শ্ৰীযুত মনোৰঞ্জন কোঁৱৰ,
- উপদেষ্টা ড° ৰীতা দত্ত আৰু শ্ৰীযুতা পদ্মাকুমাৰী গগৈ
- ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰী।
- জিয়া অফছেট প্ৰেছৰ পৰিয়ালবৰ্গ।





# অধ্যক্ষৰ মেজৰপৰা

সময় বৰ মূল্যৱান। সময়ৰ কাম সময়মতে কৰিব পাৰিলে জীৱনত উন্নতি কৰিব পাৰি। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অবাবত খৰছ কৰাৰ সময় একেবাৰেই নাই। আজি পঢ়িব লগাখিনি আজিয়েই পঢ়ি শেষ কৰিব লাগে। কালিলৈ কৰিব বুলি থৈ দিলে শেষত কামটো নহ'বও পাৰে। 'লংকাৰ ৰজা ৰাৱণে স্বৰ্গলৈ যাবৰ বাবে এডাল জখলা তৈয়াৰ কৰিব কৰিব বুলি ভাবি থাকোঁতেই ৰামচন্দ্ৰৰ লগত যুদ্ধ কৰিব লগা হয় আৰু যুদ্ধত মৃত্যু বৰণ কৰে। গতিকে কোনো কাম পিছত কৰিব বুলি থব নালাগে। শ্ৰেণীত সময়মতে উপস্থিত হ'ব লাগে। মহাবিদ্যালয়লৈ আহি লগৰীয়াৰ লগত কথাপাতি সময় নষ্ট কৰিব নালাগে। কাৰণ মহাবিদ্যালয়লৈ অহাৰ উদ্দেশ্য হ'ল জ্ঞান অৰ্জন কৰা। অফপিৰিয়দত গ্ৰন্থাগাৰত কিতাপ, আলোচনী আদি অধ্যয়ন কৰিব লাগে। মুঠতে সময়ৰ সৎব্যৱহাৰ কৰিব লাগে।

ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা সময় ছোৱাতেই নিয়ম শৃংখলা মানি চলিবলৈ শিকাটো অতি প্ৰয়োজন। মহাবিদ্যালয়ৰ নিৰ্ধাৰিত ইউনিফৰ্ম পিন্ধি, ৰুটীন মতে ক্লাছ কৰি, শৈক্ষিক পৰিৱেশ বিনষ্ট নকৰাকৈ শিষ্টাচাৰ পালন কৰা ছাত্ৰ বা ছাত্ৰীসকলে জীৱনত উন্নতি কৰিব পাৰে। বাইক বা স্কুটি চলোৱা সকলে লাইচেঞ্চ লৈ হেলমেট পিন্ধিহে কলেজলৈ আহিব লাগে। নিৰ্দিষ্টকৈ দিয়া ষ্টেণ্ডত বাইক-স্কুটি ৰাখিব লাগে। মহাবিদ্যালয়ৰ গেটৰ সমুখত ৰখোৱাতো বিশৃংখল মানসিকতাৰ পৰিচায়ক। আনহাতে অধিক শব্দ কৰি বাইক চলোৱাটো দুৰ্বল ব্যক্তিত্বৰ পৰিচায়ক। ঠিক তেনেদৰে চুলি ভালদৰে কাটি পৰিপাটিকৈ কলেজলৈ আহিব লাগে। দাড়ি-চুলি নাকাটি জপৰা হৈ থকাজনে নিজে হীনমন্যতাত ভোগে।

সোণাৰি মহাবিদ্যালয়খন অৰুণাচল আৰু নাগালেণ্ডৰ সীমান্তত অৱস্থিত হোৱাৰ বাবে ইয়াৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকল বহুক্ষেত্ৰত পিছপৰা। মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে নিজকে আৰু সমাজখনক অলপ হ'লেও পৰিবৰ্তন কৰিবলৈ চেষ্টা কৰিব লাগে। বজাৰ কৰিবলৈ আহি মহাবিদ্যালয়ত প্ৰৱেশ কৰা অনুচিত। মহাবিদ্যালয়ত প্ৰৱেশ কৰোঁতে ছাত্ৰ-ছাত্ৰীয়ে ইউনিৰ্ফম পিন্ধি আহিব লাগে আৰু যদি অভিভাৱক আহে তেন্তে মাৰ্জিত সাজ-পোছাক পৰিধান কৰিব লাগে। হাফ-পেণ্ট পিন্ধি, টুপী লগাই এজন অভিভাৱক কলেজলৈ অহাটো দেখিবলৈ বেয়া লাগে। এই কথাবোৰ শিকিবলৈ বা সোণাৰিৰ দৰে পিছপৰা অঞ্চলটোক শিক্ষাৰ পোহৰেৰে আলোকিত কৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যত্ন কৰিব লাগিব।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' ৰ এই সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত বিশেষ ভাৱে দায়িত্ব বহন কৰা সাধাৰণ সম্পাদক প্ৰযোজ্য মাধৱ দত্তৰ লগতে ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া সকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন ক্ষেত্ৰত সহায় আগবঢ়োৱা অধ্যাপক-অধ্যাপিকা সকললৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি অধ্যক্ষৰ একলম ইয়াতে সামৰিলোঁ।

ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়



# তত্ত্বাৱধায়কৰ একলম

শিক্ষাৰ অবিহনে সমাজ এখন আগুৱাই যাব নোৱাৰে। সমাজ উত্তৰণত আলোচনীৰ ভূমিকা অপৰিসীম। আলোচনীপাতত প্ৰকাশিত সৃষ্টিশীল লিখনিবিলাকে সমাজ জীৱনত এক পৰিৱৰ্তনৰ বিপ্লৱ সূচনা কৰে। "সোণালী" আলোচনীখন হৈছে সোণাৰি মহাবিদ্যালয়ৰ দাপোনস্বৰূপ। ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা প্ৰতিফলিত হয় এই আলোচনীখনৰ জৰিয়তে। আশাকৰিছো 'সোণালী'ৰ জৰিয়তে জন্ম হওঁক হাজাৰ হাজাৰ জন সাহিত্যৰ অনুৰাগী আৰু বিকশিত হওঁক ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ সুপ্ত প্ৰতিভা।

সমাজ উত্তৰণত সমাজৰ প্ৰতিজন ব্যক্তিৰে দায়িত্ব আৰু কৰ্তব্যবোধৰ প্ৰয়োজন। অতিদুখৰ বিষয় যে অভিজিৎ গগৈ আলোচনী সম্পাদকে ছাত্ৰ একতা সভাৰ ইমান এটা গধূৰ দায়িত্বলৈয়ো আলোচনীখন প্ৰকাশৰ বাবে আৰম্ভনিতে কিছু আগভাগ লৈছিল যদিও পিছত সম্পূৰ্ণৰূপে যোগাযোগ বিচিন্ন কৰি আলোচনীখন আধাৰুৱা কৰি ৰখাৰ বাবে সময়মতে আলোচনীখন প্ৰকাশ নোহোৱাত তত্ত্বাৱধায়ক হিচাপে মই অত্যন্ত দুখিত। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰৰ সু-পৰামৰ্শ অবিহনে আলোচনীখনৰ প্ৰকাশ সম্ভৱ নহলহেঁতেন। সেয়ে আলোচনীখন প্ৰকাশত সকলো সহযোগিতা কৰি দিয়াৰ বাবে ছাৰলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিকল্প কোঁৱৰ, শচীন দত্ত, প্ৰযোজ্য মাধৱ দত্ত, কাশ্যপ বৰুৱা, আৰিফ হুছেইনহঁতে অশেষ কষ্ট কৰি আধাৰুৱা আলোচনীখনৰ কামখিনি সম্পূৰ্ণ কৰি উলিওৱাৰ বাবে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। যি সকল ব্যক্তিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে আলোচনীখনৰ প্ৰকাশত সহায় সহযোগিতা আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মনোৰঞ্জন কোঁৱৰ
তত্ত্বাৱধায়ক
সোণাৰি মহাবিদ্যালয়

# সম্পাদকীয়



আৰম্ভণিতে, নিজৰ জীৱন আহুতি দি সীমান্তত দেশ সুৰক্ষা দি থকা দেশ মাতৃৰ সেইসকল বীৰ সন্তান আৰু আই মাতৃৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ গৈ নিজৰ বৰ্তমানক আহুতি দিয়া সকলক গভীৰ শ্ৰদ্ধা।

আমি প্ৰত্যেকেই একো একোজন কাহিনীৰ কথক, যি সময়ৰ ওচৰত চিৰপ্ৰবাহিত। সময়ৰ কোবাল সোঁতত সুখ-দুখ, হাঁহি-কান্দোন, জয়-পৰাজয় অজস্ৰ কাহিনী য'ত নিৰবিচ্ছিন্ন গতিত ঘূৰি থাকে সময়ৰ দোলক আৰু সলনি হয় আমাৰ জীৱনৰ ছন্দ।

“মই সুপ্ত শীতল গ্ৰহ হোৱাতৈতকৈ এটা উজ্বল উল্কা হ'ম।  
আৰু সেই উল্কাৰ প্ৰতিটো কথা দীপ্ত হৈ থাকিব।  
মই কেৱল বাচি থাকিবলৈ সময় নষ্ট নকৰো।  
সেইখিনি সময় মই কামত লগাম।  
মই হ'ম এক লাভ, লোকচান নহওঁ।  
মই হ'ম সৎ, দুষ্ট নহওঁ।  
মই হ'ম সফল, বিফল নহওঁ”

-ড° ভৱেন্দ্ৰনাথ শইকীয়া

এই বাণীয়ে জগাই তোলে অন্তৰাত্মাক, জীৱন কৰি তোলে সুপ্ত হৈ থকা আগ্নেয়গিৰি আৰু দ্ৰুত বেগি কৰি তোলে আমাৰ তেজত তগবগাই থকা হাজাৰটা ৰণুৱা ঘোঁৰাক।

মহাবিদ্যালয়ৰ জন্ম-লগ্নৰে পৰা নৱ নৱ প্ৰজন্মৰ চিন্তা ধাৰাৰ পৰশত প্ৰাণ পাই উঠা মহাবিদ্যালয়ৰ আলোচনীখন কাৰ্য্যক্ৰমে আহি বৰ্তমান অৱস্থাত উপনীত হৈছেহি ইয়াত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিটো লেখাতেই আছে অৰ্পণত হাতৰ পৰশ। তথাকথিত এইচাম লিখকৰ সৃষ্টিৰ

প্ৰতিভাতেই আলোচনীখনে উজ্বলতা লাভ কৰিছে। উটি-ভাহি ডেউকা কোবাই মোৰা পখী জাকৰ দৰেই মুখৰিত কৰি তুলিছে আলোচনীখনৰ অন্তভাগ। এই সকলৰ মাজৰেই পৰাই বহু কেইজন হয়তু ভৱিষ্যত জীৱনত একোজন সুপ্ৰতিষ্ঠিত সাহিত্যিক, সুচিন্তাবিদ হ'ব।

বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে উজ্জীৱিত হৈ থকা সোণাৰি মহাবিদ্যালয়খন কেৱল শিক্ষাৰ ক্ষেত্ৰতে আগবঢ়া তেনে নহয়, ই সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি সকলো দিশতে আগবঢ়া, আলোচনীখনৰ অন্তভাগত ইয়াৰে প্ৰতিফলন দেখিবলৈ পোৱা যাব।

সৰ্বশেষত নজনাকৈ হৈ যোৱা ভুল-ভ্ৰান্তিবোৰৰ মাজেৰে আলোচনীখন আপোনালোকৰ হাতলৈ আগবঢ়াই দিয়া হৈছে। হয়তু কিমান সফল হৈছো সেইয়া আপোনালোকৰ বিচাৰ্য্য।

এজন সম্পাদকৰ একক প্ৰচেষ্টাত এখন আলোচনী কেতিয়াও সফল হ'ব নোৱাৰে। আলোচনী সম্পাদকৰ দায়িত্বভাৰ লোৱাৰ পৰা প্ৰকাশ কৰা লৈকে সকলো সময়ত পথ-প্ৰদৰ্শক হিচাপে পৰামৰ্শ আগবঢ়োৱা ড° ৰীতা বাইদেউ, পদ্মাকুমাৰী বাইদেউ, মনোৰঞ্জন ছাৰৰ লগতে প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰী তথা মোৰ শিক্ষাগুৰু সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু লগতে মোক সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা প্ৰতিজন জ্যেষ্ঠ দাদা-বাইদেউ তথা বন্ধু-বান্ধৱীসকলোলৈ ধন্যবাদ জনাইছো। বহু মূল্যৱান সময় মোৰ নামত উৎসৰ্গা কৰা প্ৰতিজন বিষয়-ববীয়া আৰু সদস্য সকলক মোৰ বিশেষ ধন্যবাদ।

"মানুহ মাত্ৰেই ভুল হয়- আলোচনীখন প্ৰকাশৰ বাটত মোৰ যদি অনিচ্ছাকৃত ভাৱে কিবা ভুল হৈ গৈছে সেইখিনি ক্ষমা কৰিব বুলি আশা ৰাখিলো।"

সদৌ শেষত মহাবিদ্যালয়ৰ উন্নতি কামনাৰে মোৰ সম্পাদকৰ একলম সামৰণি মাৰিলো।

বিকল্প কোঁৱৰ
ভাৰপ্ৰাপ্ত সম্পাদক

# সূচীপত্ৰ

## প্ৰবন্ধ


সোণাৰি মহাবিদ্যালয়ৰ জন্মকথা ✍ গোলাপ বৰগোহাঁই ১৯

গ্ৰন্থ সমীক্ষা ঃ- এজন বিষন্ন ডেকা ল'ৰা" ✍ ড° ৰীতা দত্ত ২৩

প্ৰমূল্য ভিত্তিক শিক্ষা আৰু শৈক্ষিক প্ৰমূল্যৰ অৱিহণা ✍ ড° প্ৰণীতা কলিতা ২৬

প্ৰাচীন ভাৰতত গণিত চৰ্চা আৰু ভাৰতীয় ... ✍ টঙ্কেশ্বৰ বৰুৱা ২৭

Portrayal of Gandhian Movement in Raja ... ✍ Dr. Anita Konwar ৩০

Geoffrey Chaucer-The father of ... ✍ Jebin Sultana ৩৪

Statue of Unity- A Tribute to ... ✍ Nabajyoti Dutta ৩৫

Important Aspects of Women Empowerment in ... ✍ Deepjyoti Borah ৩৬

জীৱন্ত মৃতদেহ ✍ দীপাঞ্জলী ডেকা ৩৯

নাৰী শিক্ষাৰ প্ৰাসঙ্গিকতা ✍ সুৰজিৎ কোঁৱৰ ৪০

নাৰী আৰু নাৰীয়ে সন্মুখীন হোৱা কিছু সমস্যা ✍ মিতালী গগৈ ৪১

নাৰী আৰু সামাজিক নিৰাপত্তা ✍ কশ্মিতা খনিকৰ ৪২

নাৰী আৰু আমাৰ দায়বদ্ধতা ঃ ✍ প্ৰেৰণা গগৈ ৪৩

বৰ্তমান সময়ত মানৱতা ✍ বিপাশা গগৈ ৪৪

Awareness on abandonment of animals ✍ Sarupa Tamuli ৪৫

অসমীয়া ভ্ৰমণ সাহিত্য ঃ এটি সংক্ষিপ্ত মূল্যায়ন ✍ কল্পনা বৰুৱা ৪৮


## কবিতা


বোপা তই সুখী হ ✍ ভাস্কৰজ্যোতি গগৈ ৫৬

কাকতি পখিলা আৰু কবি ✍ ৰবীন গগৈ ৫৭

জয় আই অসম ✍ জাহিৰুল হুছেইন ৫৮

দোষী মই ✍ নেহা পাৰবিন ৫৯

আই ✍ স্তুতি গগৈ ৬০

শ্বহীদৰ গান ✍ অনুপম শইকীয়া ৬০

ছাঁ ✍ ৰঘুনাথ কাগয়ুং ৬১

সোণাৰু দেশত এক অনুভৱ ✍ মিতালী গগৈ ৬১

নিস্তব্ধতাৰ আঁৰৰ দুটা প্ৰেক্ষাপট ✍ দ্বীপাঞ্জলী ডেকা ৬২

বিষাদ বাঁহীৰ সুৰ ✍ লাবণ্য দাস ৬৩

সন্ধ্যাৰাগ ✍ পূৰৱী গগৈ ৬৩

বসন্তৰ ৰসাল অনুভূতি ✍ পিংকী ছেত্ৰী ৬৪

আই ✍ মনীষা গগৈ ৬৪

শাৰদীৰ ৰং ✍ অংকুৰিকা গগৈ ৬৫

উত্তৰবিহীন প্ৰশ্নবোৰ আৰু তুমি ✍ নাৰায়ণ বসুমতাৰী ৬৫

শাওণ জীৱনৰ ✍ হোমেন গগৈ ৬৬

## গল্প


| | | |
|---|---|---|
| সঁচা প্ৰেমৰ প্ৰতিদান | ✍ নাৰায়ন বসুমতাৰী | ৬৯ |
| স্বাধীনতা | ✍ বিতুমণি বুঢ়াগোহাঁই | ৭২ |
| ছেহনাজ | ✍ নিমিষা মহন | ৭৪ |


## অনুভৱৰ একলম


| | | |
|---|---|---|
| কৃষ্ণচূড়া আৰু সোণাৰুৰ দেশত হেঁপাহৰ... | ✍ ভাস্কৰজ্যোতি গগৈ | ৭৭ |
| ছাত্ৰ-জীৱনৰ অভিজ্ঞতা | ✍ সৌৰভ দেব | ৭৮ |
| স্মৃতিৰ একলম | ✍ ৰে হম পাংয়ুক | ৭৯ |
| অনুভৱৰ টুকুৰাবোৰ | ✍ লোপামুদ্ৰা মহন | ৮১ |
| নষ্টালজিয়াৰ এপৃষ্ঠা | ✍ এলিশা শৰ্মা | ৮২ |
| ৯৬'ৰ সেই বিশেষ দিনকেইটা... | ✍ স্নিগ্ধাশিখা | ৮৩ |
| স্মৃতিৰ পাতত সোণাৰি মহাবিদ্যালয় | ✍ প্ৰিয়ংকা শৰ্ম্মা | ৮৫ |


## ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকলৰ প্ৰতিবেদন


৮৯-১০৬

| | | |
|---|---|---|
| নীলা খামৰ চিঠি | ✍ পল্লৱী শৰ্মা | ১০৭ |
| নীলা খামৰ চিঠি | ✍ স্মৃতি গগৈ | ১০৮ |
| দেউতালৈ.. | ✍ বিপাশা গগৈ | ১০৯ |


## একাংকিকা নাট


| | | |
|---|---|---|
| প্ৰতিজ্ঞা | ✍ ডিম্বেশ্বৰ কোঁৱৰ | ১১০ |

# প্ৰবন্ধ

যি বুৰঞ্জীয়ে শ্ৰষ্টা লিখক আৰু তেওঁৰ সৃষ্টিৰ মাজৰ অবিচ্ছেদ্য আত্মীক সম্পৰ্ক উদঙাই দেখুৱাব নোৱাৰে, সি কেতিয়াও সাহিত্যৰ সঁচা বুৰঞ্জী হ'ব নোৱাৰে। যি কোনো মানুহেই নিজৰ সাহিত্যৰ বিষয়ে কব পাৰে...

The wonderful history of our literture sarpasses most fiction not only in its drama but in the fascination and diversity of its living personalities.

সাহিত্যৰ বুৰঞ্জীয়ে সৰ্বসাধাৰণ পাঠকক এটা জাতিৰ যুগৰ আধ্যাত্মিক সাধনা আৰু সৌন্দৰ্য্যৰ অভিজ্ঞতাৰ পৰিচয় দিবলৈ হলে আৰু তাৰ দ্বাৰাই সেই সাহিত্যৰ ৰসৰ ভোগলৈ নিমন্ত্ৰণ কৰিবলৈ হ'লে সেই বুৰঞ্জীৰ মাজত স্ৰষ্টা লিখকৰ বিচিত্ৰ জীৱন নাট তাৰ বৰ্ণাঢ্য পটভূমিৰে সৈতে ফুটি উঠিব লাগিব।

✍ হোমেন বৰগোহাঞি



# সোণাৰি মহাবিদ্যালয়ৰ জন্মকথা

✍ গোলাপ বৰগোহাঁই
প্রতিষ্ঠাপক অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়
কাৰ্যকাল- ১৯৭০-৯৬



অৱস্থানৰ দিশৰ পৰা সোণাৰি নগৰখন অসমৰ আন ঠাইৰ লগত নিমিলে। আহোম স্বৰ্গদেউ খোৰা ৰজাৰ বৰ কুঁৱৰী ঢুকালত তেওঁৰে পাচনী সোণাৰিৰ দুই জীয়ৰীক বৰ মেচ্‌লৈ আৰু সৰু মেচ্‌লৌ নাম দি ৰজাই কুঁৱৰী পাতিলে। ক্রমে ৰজাৰ সোণাৰিৰ প্রতি প্রীতি বাঢ়িল। ৰজাই শহুৰেক দলৈ সোণাৰিক চক্রাই নৈৰ উজনিত মাটি ভেটি দি পুখুৰী খনাই সোণাৰি নগৰ পাতি দিলে। এই দুয়ো সোণাৰি কুঁৱৰীয়ে তোলনীয়া পুতেক নাহৰৰ নামেৰে সোণাৰিৰ পৰা নাহৰকটীয়ালৈ নাহৰ আলি বন্ধালে। পৰৱৰ্তী সময়ত স্বৰ্গদেৱ গদাধৰ সিংহই নামনিৰ ধনশিৰি নৈৰ পৰা গড়গাঁও, চৰাইদেউ, সোণাৰি, বৰহাট আদি বিশেষ নগৰসমূহ চুই উজনিৰ দিহিং নৈ পৰ্যন্ত ধোদৰ আলি বন্ধালে। ব্রিটিছ চাহ খেতিয়কসকলে সোণাৰিৰ আশে-পাশে ভালেকেইখন চাহ বাগিছা খুলি আলি পদূলি, নৈ নগৰৰ সুবিধা দেখি সোণাৰিক এখন সৰু ব্যৱসায় কেন্দ্র কৰি গঢ়ি তুলিলে। তেওঁলোকৰ দৈনন্দিন ব্যৱহাৰ্য সামগ্রীসমূহ যোগান ধৰিবৰ বাবে ঢাকা, কলিকতা আদি ঠাইৰ পৰা দোকানী, বেপাৰী, কচা, কচোৱান, নাপিত, কমাৰ আদি বৃত্তিধাৰী লোক আনি বহুৱালে। নাজিৰা শিৱসাগৰ আদিৰ পৰা বাগানত চাকৰি কৰিবলৈ অহা ৪ টা মান অসমীয়া পৰিয়ালে অৱসৰৰ পাচত সোণাৰিতে বসতি কৰিলে। চাহ উদ্যোগৰ ফলত সোণাৰিত সৃষ্টি হোৱা বজাৰখনৰ প্রতি আকৃষ্ট হৈ চিলেট, কাছাৰ আদি ঠাইৰ পৰা কিছু বৃত্তিধাৰী পৰিয়াল আহি সোণাৰিত থিতাপি ললেহি। অভয়পুৰ আৰু বৰুৱাছালি মৌজাৰ ভূমি ৰাজহ সংগ্রহৰ সুবিধাৰ্থে মৌজাদাৰ প্রয়াত ৰাধিকা প্রসাদ বৰুৱাৰ পৰিয়াল শিৱসাগৰৰ পৰা সোণাৰিলৈ উঠি আহে। মাত্র এই কেইটা পৰিয়ালেই বৰ্তমান সোণাৰি নগৰ অঞ্চলৰ বাসিন্দা। কাষৰ ঠাইবোৰ কেৱল চাহবাগানেৰে পৰিপূৰ্ণ থিতাতে কিছু গাঁও, এখন বহল সমাজ নাথাকিলে-ৰাজহুৱা অনুষ্ঠান পতাত অসুবিধাৰ মাত্রা বাঢ়ে। এই অসুবিধাৰ বাবেই ভগৱতী প্রসাদ বৰুৱা সোঁৱৰণী মধ্য ইংৰাজী বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাত বহুত পলম হৈছিল।

দেশ স্বাধীন হোৱাৰে পৰা বিভিন্ন মেলে মিটিঙে সোণাৰিত এখন মহাবিদ্যালয় খোলাৰ কথা প্রায়ে উত্থাপন হয় যদিও১৯৬৯ চন পৰ্য্যন্ত এই দিশত কোনো কাৰ্যকৰী পদক্ষেপ লোৱা হোৱা নাছিল। পোনপ্রথমে সোণাৰিত এখন মহাবিদ্যালয় খোলা সম্পৰ্কে আলোচনা কৰিবলৈ শ্রী প্রণৱিৰাম বৰুৱা, শ্রী ডিম্বেশ্বৰ গগৈ, প্রয়াত কনক বৰুৱা, প্রয়াত চান্তালাল আগৰৱালা আৰু প্রয়াত আফতাবুল হুছেইনে ১৯৬৯ চনৰ ১৬ আগষ্টত এখন ৰাজহুৱা সভা আহ্বান কৰে। সাপেখাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তদানীন্তন প্রধান শিক্ষক প্রয়াত সুকুমাৰ বৰুৱাৰ সভাপতিত্বত সোণাৰি টাউন এল পি স্কুলৰ প্রাঙ্গনত বহা সভাখনত বৰ্তমান চৰাইদেউ জিলা এলেকাৰ প্রায় ৪০ জন মুখীয়াল ব্যক্তিৰ উপস্থিতিত ১৯৭০ চনত সোণাৰিত এখন মহাবিদ্যালয় খোলাৰ সিদ্ধান্ত গ্রহণ কৰা হয়। এই উদ্দেশ্যে চক্রাই, মথুৰাপুৰ, বৰহাট, সাপেখাতী আদি অঞ্চলৰ গণ্যমান্য ৭০ জন সদস্যক লৈ এখন প্রস্তুতি সমিতি গঠন কৰা হয়। এই প্রস্তুতি সমিতিয়ে

৩১ (১৯৬৯) আগষ্ট তাৰিখে বহা প্ৰথমখন বৈঠকতে অভয়পুৰ মৌজাৰ মৌজাদাৰ প্ৰয়াত কামাখ্যা প্ৰসাদ বৰুৱাক সভাপতি, প্ৰয়াত টংকেশ্বৰ বৰুৱাক উপ-সভাপতি, চক্ৰাইৰ প্ৰয়াত প্ৰদ্যোত কুমাৰ সিংহক সাধাৰণ সম্পাদক, প্ৰয়াত কনক বৰুৱা আৰু ডিম্বেশ্বৰ গগৈক যুটীয়া সম্পাদক হিচাপে লৈ ৩৩ জনৰ এখন কাৰ্য্যকৰী সমিতি গঠন কৰে। এই কাৰ্য্যকৰী সমিতিখনে কলেজৰ বাবে পুঁজি সংগ্ৰহৰ অভিযান আৰম্ভ কৰে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কলেজ খোলাৰ অনুমতি বিচাৰি আৱশ্যকীয় মাচুলসহ ইং ২০-০১-১৯৭০ তাৰিখে আবেদন পত্ৰ জমা দিয়ে।


পূৰ্বতে কোৱা হৈছে যে, সোণাৰি এখন চাহ শিল্প কেন্দ্ৰিক সৰু নগৰ। চাহ বাগিচাৰ ব্ৰিটিছ কৰ্মচাৰীসকলে অৱসৰ বিনোদনৰ বাবে বৰ্তমান ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ আৰু তাৰ দাঁতি কাষৰৰ ঠাইখিনি সামৰি এখন গ'ল্ফ ফিল্ড প্ৰস্তুত কৰিছিল। ক্লাৱ ঘৰটো এই খেল পথাৰৰ পূবত বৰ্তমান চাহ কৰ্মচাৰী সংঘৰ অফিচ থকা ঠাই টুকুৰাত আছিল। ইয়াত মাজে মাজে টাওকাক নদীৰ বানে আমনি কৰাৰ বাবে ১৯ শতিকাতে সত্তৰৰ দশকত ইয়াৰ পৰা ক্লাৱটো উঠাই আনি বৰ্তমান সোণাৰি কলেজে ছোৱালী হোষ্টেল হিচাপে ব্যৱহাৰ কৰা ঘৰটোত পাতেহি। এই ক্লাৱৰ সমুখৰ বৰ্তমান সোণাৰি কলেজৰ সমুদায় এলেকা, বৰ্তমানৰ ৰাজহুৱা খেলপথাৰ, সোণাৰি বাণিজ্য মহাবিদ্যালয়ৰ কিছু অংশ অফিচাৰ্চ ক্লাৱ বহা ঠাই, পাৰ্ক আৰু ৰাজহুৱা বাচ আস্থানক সামৰি প্ৰায় ৪৪ বিঘা মাটিৰ এখন প'ল' ফিল্ড প্ৰস্তুত কৰে। এই সমুদায় মাটি টিয়ক বাগিছাৰ আছিল। দেশ স্বাধীন হোৱাৰ পাছৰে পৰা ক্ৰমান্বয়ে ব্ৰিটিছ মালিকসকলে চাহ বাগানবোৰ বিক্ৰী কৰিবলৈ ধৰিলে আৰু লগতে প'ল' খেলো নোহোৱা হ'ল। যোৰহাট চাহ কোম্পানীয়ে টিয়ক চাহ বাগিছা বেছিবলৈ লোৱাত সোণাৰিৰে দুজনমান দুৰদৰ্শী ব্যক্তিৰ অনুৰোধত তৎকালিন অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাই ১৯৬১ চনত ক্লাৱ ঘৰটোৰ সৈতে প্ৰায় ৪৪ বিঘা মাটি অসম চৰকাৰৰ সাধাৰণ প্ৰশাসনৰ নামত কিনি লয়।

উক্ত ঘৰটো জৰাজীৰ্ণ অৱস্থাত পৰি আছিল। সোণাৰি কলেজ স্থাপনৰ কাৰ্যকৰী সমিতিয়ে প্ৰস্তাৱিত মহাবিদ্যালয়খন এই ঘৰটোতে আৰম্ভ কৰিবলৈ অনুমতি বিচাৰি চৰকাৰৰ ওচৰত আবেদন জনায়। অসম চৰকাৰে প্ৰথমে এবছৰৰ বাবে ঘৰটো কলেজ কৰ্তৃপক্ষক ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়ে। পাচত ১৯৭১ চনত তিনিবছৰৰ বাবে আৰু তাৰো পিচত ঘৰটোৰে সৈতে ১৫ বিঘা মাটি কলেজ কৰ্তৃপক্ষক স্থায়ীভাবে আৱণ্টন দিয়ে। এই ঘৰটো পোৱাৰ বাবে কলেজখন স্থাপন কৰাত বহুপৰিমাণে সুবিধা হয়। ১৬ আগষ্ট ১৯৬৯ চনত গঠন কৰা প্ৰস্তুতি সমিতিখন অধিক সক্ৰিয় কৰিবৰ বাবে ৩১-০৫-১৯৭০ তাৰিখে বহা কাৰ্যকৰী সমিতিয়ে উক্ত সমিতিখন পুনৰ গঠনৰ উদ্দেশ্য ১৯৭০ চনৰ ১৬ জুনত এখন ৰাজহুৱা সভা আহ্বান কৰে। সেই সভাই পূৰ্বৰ প্ৰস্তুতি সমিতিখন ভঙ্গ কৰি প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাক সভাপতি হিচাপে লৈ এখন ১৫ জন সদস্যৰে তদৰ্থ সমিতি গঠন কৰে।

সোণাৰিৰ দৰে শিক্ষা-দীক্ষাত পিছপৰা এটা অঞ্চলত মহাবিদ্যালয়ৰ দৰে এখন উচ্চ শিক্ষাৰ অনুষ্ঠান স্থাপন কৰা জটিল কাম। প্ৰথম সমস্যা হৈছিল শিক্ষকৰ। মহাবিদ্যালয়ৰ প্ৰৱক্তাৰ বাবে সেইখিনি সময়ৰ সোণাৰিত এজনো ব্যক্তি নাই বুলিব পাৰি। সোণাৰি আৰু ইয়াৰ আশে-পাশে থকা উচ্চতৰ মাধ্যমিক বিদ্যালয় কেইখনত জনচেৰেক অৰ্হতাসম্পন্ন ব্যক্তি নিয়োজিত হৈ আছিল। তেখেতসকল হ'ল শ্ৰী সুৰেশ দাস, শ্ৰী ৰবীন কোঁৱৰ আৰু শ্ৰী প্ৰণৱ খাউণ্ড। এখেতসকল ৰাজনীতি বিজ্ঞান, ইংৰাজী আৰু বুৰঞ্জী বিভাগত সেৱা আগবঢ়াবৰ বাবে প্ৰস্তুত হ'ল। সমস্যা হ'ল অসমীয়া, অৰ্থনীতি আৰু শিক্ষাতত্ব বিষয়ক লৈ সেই সময়ৰ সোণাৰি চাহ মজদুৰ সংঘৰ কৰ্মচাৰী পৰৱৰ্তী সময়ত ডিগবৈৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী দিলেশ্বৰ তাঁতীক আনি অৰ্থনীতিৰ শিক্ষকৰ জোৱা মাৰি দিলে। অসমীয়াৰ বাবে সহঃযুটীয়া সম্পাদক প্ৰয়াত কনক বৰুৱাদেৱে যোৰহাটৰ পৰা শ্ৰীসোণমাই বড়াক আনে। বহু যোগাযোগৰ পাচত ৰহাৰ পৰা প্ৰয়াত কমলাৱতী শইকীয়াক অনা হয়। কাৰ্যালয় সহায়ক আছিল প্ৰয়াত বিষ্ণুৰাম বসুমতাৰী আৰু ৪ৰ্থ বৰ্গৰ কৰ্মচাৰী আছিল ফনী দত্ত। এই লেখকে তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ত ১৯৫৯ চনৰ পৰা চাকৰি কৰি আছিলোঁ। এই পৰিয়ালটিৰে ১৯৭০ চনৰ ৫ আগষ্টৰ দিনা ৯৬ জন ছাত্ৰ-ছাত্ৰীকলৈ আনুষ্ঠানিকভাৱে সোণাৰি মহাবিদ্যালয়ৰ শিক্ষাদান কাৰ্য শুভাৰম্ভ কৰা হয়।

সোণাৰি কলেজৰ প্ৰথম ছাত্ৰ আছিল প্ৰিয়তোষ চাকমা আৰু ছাত্ৰী আছিল খুচি প্ৰামানিক।

অনুষ্ঠানটো চলাবৰ বাবে পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত কিছু জটিলতাৰ সন্মুখীন হ'ব লগা হৈছিল। শিক্ষানুষ্ঠান এখন প্ৰতিষ্ঠা কৰাতকৈ চলাই আগুৱাই নিয়াটো বেছি জটিল। সেই সময়ৰ বিশ্ববিদ্যালয়ৰ আইনমতে মহাবিদ্যালয় স্থাপনৰ অনুমতি পাবৰ বাবে কমেও ১৫ হেজাৰ টকা কলেজৰ নামত স্থায়ী জমা থাকিব লাগিব। তাৰোপৰি শিক্ষক কৰ্মচাৰীসকলৰ নাম মাত্ৰ পাৰিতোষিক আৰু অন্যান্য খৰচ আছেই। এই সংকট জোৰা মৰাৰ বাবে সোণাৰি নগৰৰ কেইগৰাকীমান ব্যক্তিয়ে মাহে প্ৰতি নিৰ্দিষ্ট হাৰত কিছু বৰঙণি কৰা হৈছিল। অৱাহন আৰু কহিনুৰ ভ্ৰাম্যমান নাট্যদলৰ যোগেদিও কলেজৰ পুঁজি টনকিয়াল কৰা হৈছিল। কলেজখন আৰম্ভ কৰিবলৈ লোৱাৰ পৰাই ধন সংগ্ৰহকে মুখ্য কৰি বিভিন্ন ক্ষেত্ৰত একনিষ্ঠভাৱে লাগি থকাসকলৰ ভিতৰত বিশেষভাবে উল্লেখ কৰিব পাৰি শ্ৰী বিপিন দত্ত ডাঙৰীয়াৰ নাম। তেখেতৰ ঘৰ আমগুৰিত, ইয়াত ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অংক শাস্ত্ৰৰ বিষয় শিক্ষক আছিল। সোণাৰিৰ একমাত্ৰ উদ্যোগ হ'ল চাহ উদ্যোগ। সেয়ে এই অঞ্চলৰ প্ৰায়বিলাক অনুষ্ঠান প্ৰতিষ্ঠানতে চাহ উদ্যোগৰ অৱদান কম বেছি পৰিমাণে আছে। সোণাৰি চক্ৰৰ পৰিচালন সঞ্চালকসকলৰ কাষ চপাত




আগবঢ়াইছিল। ৭১ চনত মাহমৰা ঔগুৰি শ্যাম গাঁও, বামপথাৰ, বেঙেনাবাৰী, সৰুপথাৰ, জলাহ আদি গাঁৱত ধানৰ ডাঙৰি তুলি প্ৰায় ৯ হাজাৰ টকা সংগ্ৰহ কৰা হৈছিল। সেই সময়ত সোণাৰি নগৰত একো আমোদ প্ৰমোদৰ ব্যৱস্থা নথকাত সুবিধালৈ কলেজ পৰিচালনা সমিতিয়ে অস্থায়ীভাৱে চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা কৰি কিছু পুঁজি সংগ্ৰহ কৰিছিল। প্ৰদৰ্শন কাৰ্য পুৰণা জিমখানা ক্লাব বুলি জনাজাত পৰৱৰ্তী ছোৱালী হোষ্টেলটোতে প্ৰত্যেক সপ্তাহৰ শনি আৰু ৰবিবাৰে কৰা হৈছিল। পাচত শ্ৰীপ্ৰণৱিৰাম বৰুৱাৰ লগত চুক্তি কৰি এটা অস্থায়ীঘৰ সাজি চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা তেখেতসকলে ১৯৭৩ চনৰ উৎপাদিত চাহৰ কিল'গ্ৰামে প্ৰতি একপইচাকৈ কলেজলৈ আগবঢ়ায়। চাহ মজদুৰ ভাই-ভনীসকলেও জনমুৰি এটকাকৈ সোণাৰি মহাবিদ্যালয়লৈ দান কৰিছিল। এই ক্ষেত্ৰত তেতিয়াৰ চাহ মজদুৰ সংঘৰ কৰ্মচাৰী প্ৰয়াত ফটিক বৰঠাকুৰ ডাঙৰীয়াৰ অৱদান বিশেষভাৱে স্মৰণীয়।

চৰকাৰৰ ফালৰ পৰা ১৯৭২ চনত ঘৰ সজাৰ বাবে ৮ হেজাৰ আৰু ছোৱালী জিৰণি কোঠাৰ বাবে ৫ হেজাৰ মুঠ ১৩ হেজাৰ টকা পোৱা হয়। ১৯৭৩ চনত ১০ হেজাৰ টকাৰ অন্য এটা অনুদান পোৱা হয় আৰু সেই বছৰৰে মাৰ্চমাহৰ পৰা মাহে এহেজাৰ


টকাকৈ এটা পুনঃপৌণিক অনুদান চৰকাৰে মঞ্জুৰ কৰাৰ বাবে কলেজখন চলোৱাৰ জটিলতা কিছু কমে। এইদৰে অৰ্থনৈতিক টনা আঁজোৰাৰ মাজেদিয়েই ১৯৭৭ চনৰ ১ জুলাইৰ পৰা সোণাৰি মহাবিদ্যালয় চৰকাৰৰ ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অন্তৰ্ভূক্ত হয়।

মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ প্ৰথমে পুৱা আৰু গধূলি দুটা শাখাত ভাগ কৰি লোৱা হৈছিল। এই ব্যৱস্থাত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলোৰে অসুবিধা হোৱাৰ বাবে ১৯৭০ চনৰে অক্টোবৰ মাহৰ পৰা দিনৰ ১০ বজাৰ পৰা লোৱাৰ ব্যৱস্থা কৰা হয়। সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কেৱল প্ৰথম বছৰহে প্ৰাইভেটকৈ বিশ্ববিদ্যালয়ৰ পৰীক্ষা দিব লগা হৈছিল। বিশ্ববিদ্যালয়ৰ বিধিৰ প্ৰায়বোৰ চৰ্ত পূৰণ কৰাৰ বাবে ১৯৭১ চনৰ পৰাই প্ৰাক্ বিশ্ববিদ্যালয়ৰ আৰু ১৯৭৫ চনৰ পৰা স্নাতক শ্ৰেণীৰ স্বীকৃতি লাভ কৰে। সোণাৰি কলেজৰ পৰীক্ষাৰ্থীসকলে ১৯৭৩-৭৪ বৰ্ষৰ পৰাই নিজ মহাবিদ্যালয়তে বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাসমূহ দিব পৰা হৈছিল। তাৰ পাচত ক্ৰমে বিভিন্ন বিষয়ৰ মেজৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়।

মাজে মাজে সোণাৰি মহাবিদ্যালয়ত বিজ্ঞান শাখাটো খোলাৰ কথা আলোচনা হৈছিল যদিও অৰ্থকড়িৰ নাটনিৰ বাবে সাহস কৰিব পৰা হোৱা নাছিল। অৱশেষত চাপৰিলে মেষ নেৰাই বুলি ভাবি কলেজ পৰিচালনা সমিতিয়ে ১৯৮৪ চনৰপৰা বিজ্ঞান শাখাটো আৰম্ভ কৰাৰ সিদ্ধান্ত কৰি আগবাঢ়ে। প্ৰথম বছৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিক শ্ৰেণীটো স্থানীয় ভাগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকসকলৰ সহায়-সহযোগতে চলোৱা হৈছিল। দ্বিতীয় বছৰৰ পৰাহে সোণাৰি কলেজে বিজ্ঞান শাখাৰ বাবে প্ৰৱক্তা নিয়োগ কৰে। বিজ্ঞান শাখাটো চলোৱাৰ বাবে দুখনমান উপহাৰ কুপন খেল অনুষ্ঠিত কৰি ভালেখিনি টকা সংগ্ৰহ কৰা হৈছিল। এই পুঁজিৰে মোটামুটিভাৱে শাখাটো চলাব পৰা হৈছিল। ১৯৯২ চনত চৰকাৰে সোণাৰি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অৰ্ন্তভুক্ত কৰাৰ বাবে অনুষ্ঠানটোৱে অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট সকাহ পায়। ক্ৰমাৎ বিজ্ঞান শাখাৰ বিভিন্ন বিষয়ৰ লগতে মহাবিদ্যালয়ৰ সকলো বিষয়তে মেজৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। এই দীঘলীয়া পৰিক্ৰমাৰ মাজেদিয়েই আগবাঢ়ি সোণাৰি মহাবিদ্যালয়ে বৰ্তমানৰ প্ৰায় পৰিস্ফুট অৱস্থা পাইছেহি।

জয়তু সোণাৰি মহাবিদ্যালয়। ◆◆◆






# গ্ৰন্থ সমীক্ষা ঃ- "এজন বিষন্ন ডেকা ল'ৰা"

✍ ড° ৰীতা দত্ত
মুৰব্বী, অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়

'এজন বিষন্ন ডেকা ল'ৰা', এখন প্ৰবন্ধ সংকলন। সম্পাদনা কৰিছে নিকুমনি হুছেইনে। এই ৫৫৮ পৃষ্ঠাজোৰা গ্ৰন্থখনৰ কেন্দ্ৰবিন্দু ঔপন্যাসিক নবীন বৰুৱা।

নবীন বৰুৱাই মুঠ আঠখন উপন্যাস লিখিছিল। (১) কটন কলেজ (১৯৭৫) (২) মন অজন্তা (১৯৬৯) (৩) ফিনিক্স পখীৰ গান (১৯৭৩) (৪) গোটা তেজৰ সাৰ (১৯৯৬) (৫) আমোঘ নিবিড় অন্ধকাৰ (১৯৭২) (৬) আৰ্চিত ফুলে মাথো ৰাতিৰ তমসা (১৯৯৯) (৭) স্মৃতি হ'ব খোজা সৰু এটি সুঁতি (২০০০) আৰু (৮) প্ৰেমিকা (১৯৭০) ঔপন্যাসিকতকৈ বৰুৱাদেৱৰ উপন্যাস সমূহকহে পাঠকে বেছিকৈ চিনি পায়। ইয়াৰ ভিতৰত পঞ্চাচ বছৰ ধৰি পাঠকক ন ন সংস্কৰনেৰে মুগ্ধ কৰি ৰাখিছে কটন কলেজে। ১৯৬৫ চনত লিখা ১২৮ পৃষ্ঠাৰ এই গ্ৰন্থখন প্ৰকাশ পাইছিল ১৯৭০ চনত গুৱাহাটী বুক ষ্টলৰ পৰা তাৰ পূৰ্বে হোমেন বৰগোহাঞিদেৱৰ দ্বাৰা সম্পাদিত নীলাচল কাকতত তেখেতৰেই অনুৰোধত নবীন বৰুৱাই 'নতুন পুৰুষ' নামৰ শিতানত লিখিবলৈ আৰম্ভ কৰিছিল। নবীন বৰুৱাই গোহাঞিদেৱলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। সেইখন ব্যক্তিগত পত্ৰ আছিল যদিও গোহাঞিদেৱে প্ৰবন্ধৰ আকাৰত প্ৰকাশ কৰি প্ৰবন্ধটোৰ নাম দিছিল 'এজন বিষন্ন ডেকা ল'ৰা' পিছলৈ গোহাঞিদেৱে 'ছমহীয়া নীলাচল'ত 'কটন কলেজ' নামৰ উপন্যাসখন প্ৰকাশ কৰিছিল। 'কটন কলেজ' মূলতঃ কেম্পাচ নভেল। ড° তপতী বৰুৱা কাশ্যপৰ মতে "১৯৩৭ চনত আৰু কে নাৰায়নৰ 'দা বেচেলৰ অফ আৰ্টছ আৰু ১৯৬০ চনত প্ৰকাশ পোৱা পি এম নিত্যানন্দৰ 'দা লং লং ডেইজ" নামৰ ভাৰতীয় উপন্যাস দুখনৰ পাছতেই ১৯৬৫ চনত প্ৰকাশ

পোৱা নবীন বৰুৱাৰ 'কটন কলেজ' অসমৰ বাটকটীয়া কেম্পাছ নভেল। ।

যোগেশ দাস সম্পাদিত 'প্ৰহৰী'ত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা নবীন বৰুৱাৰ আন এখন উপন্যাস আছিল 'মন অজন্তা' নামকৰণ কৰিছিল সাহিত্যিক নিৰ্মল প্ৰভা বৰদলৈয়ে 'মন অজন্তা' ত্ৰিকোণ প্ৰেমৰ এখন প্ৰথম পুৰুষ বৰ্ণিত ৰোমাণ্টিক উপন্যাস।

'ফিনিক্স পখীৰ গান' উপন্যাসত এগৰাকী নাৰীয়ে কিদৰে পুৰুষতান্ত্ৰিক পৰম্পৰাৰ পৰা মুক্তি বিচাৰি মানসিক দন্দত ভুগিছে আৰু সংঘাত দগ্ধ হৈ অন্য পথৰ সন্ধান কৰিছে তাৰেই প্ৰকাশ ঘটিছে। এই প্ৰথম পুৰুষ বৰ্ণিত উপন্যাসখনত নাৰীয়ে নিজৰ এক সুকীয়া পৰিচয় বিচাৰি সংগ্ৰাম কৰাৰে চাই উপন্যাসিকক 'নাৰীবাদী' বুলি ক'বলৈ মন যায়।

'গোটা তেজৰ সাৰ' মূলতঃ দুখন উপন্যাসৰ এজন সংকলন। দ্বিতীয় উপন্যাসখনৰ নাম 'মাধ্যম'। ১৯৭২ চনত অসমত হোৱা 'মাধ্যম আন্দোলনেই দুয়োখন উপন্যাসৰ পটভূমি। অসমীয়া ভাষাক মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত গৃহীত কৰাবলৈ কৰা এই আন্দোলনৰ প্ৰসংগ বৰ্তমানৰ অসমৰ প্ৰেক্ষাপটত যথেষ্ট তাৎপৰ্যপূৰ্ণ বুলি ক'ব পৰা যায়।

ড° অনুৰাধা শৰ্মাৰ মতে 'আমোঘ নিবিড় অন্ধকাৰ' উপন্যাসখনক 'ৰাজনৈতিক উপন্যাস' বুলি অভিহিত কৰিব পৰা যায়। অসমৰ সমাজত একশ্ৰেণী মধ্যবিত্ত মানুহৰ মনত ধনতান্ত্ৰিক মানসিকতাই গা-কৰি উঠা দেখা যায়। এনে আত্মকেন্দ্ৰিকতাই সেই শ্ৰেণীলৈ কিদৰে খহনীয়া আনিব পাৰে জানিবলৈ এই উপন্যাসখন পাঠকে পঢ়িব লাগিব। ৰাজনৈতিক চেতনা উপন্যাসখনৰ বিশেষ বৈশিষ্ট্য।

শোষক আৰু শোষিতৰ কাহিনীৰে মাৰ্ক্সীয় ধাৰণা পুষ্ট অন্যতম উপন্যাস হৈছে 'আৰ্চিত ফুলে মাথো ৰাতিৰ তমসা'।

'স্মৃতি হব খোজা সৰু এটি সুঁতি' নামৰ উপন্যাসখনৰ প্ৰেক্ষাপট অসমৰ সাৰ্বভৌমত্বৰ সশস্ত্ৰ সংগ্ৰামৰ সংযুক্ত মুক্তি বাহিনী। নৱ প্ৰজন্মৰ মনত এক দোদুল্যমান অৱস্থা। আদৰ্শগত সংঘাত। গণতান্ত্ৰিক দেশৰ বাসিন্দা হৈও স্বৈৰতান্ত্ৰিক ৰাজনীতিৰ কবলৰ পৰা দেশক মুক্ত কৰিবলৈ ওলোৱা এচাম ডেকালৰাই আত্ম বলিদান দিবলৈ সাহস কৰাৰ কথা বৰ্ণিত হৈছে এই উপন্যাসখনত।

'প্ৰেমিকা' উপন্যাসত দৰিদ্ৰতাকেই প্ৰধান ব্যাধি হিচাপে লোৱা এগৰাকী অনুশোচনা বা পাপবোধ বৰ্জিত নাৰীৰ কাহিনী বৰ্ণিত হৈছে। নাৰীৰ মানসিক যন্ত্ৰনা আৰু সংবেদশীলতা এইখন উপন্যাসৰ উপজীব্য।

গ্ৰন্থখনৰ 'সূচীপত্ৰ' নটি ভাগত বিভক্ত হৈছে। ক্ৰমে অগ্ৰজৰ দৃষ্টিৰে নবীন বৰুৱা, বন্ধু আৰু অনুজৰ দৃষ্টিত নবীন বৰুৱা, আকাশবাণীত নবীন বৰুৱা, প্ৰকাশক হিচাপে নবীন বৰুৱা, কটন কলেজ আৰু নবীন বৰুৱা, নবীন বৰুৱাৰ অন্যান্য ৰচনা সাক্ষাৎকাৰ বাংলা লেখকৰ দৃষ্টিত কটন কলেজ উপন্যাস আৰু Nabin Barua's Fitional Writing ইত্যাদি।

নবীন বৰুৱাক বুজিবলৈ এই সূচীপত্ৰখনেই যথেষ্ট। ১৯৪৫ চনৰ ৭ নৱেম্বৰত নবীন বৰুৱাৰ শিৱসাগৰৰ আমোলাপট্টিত (কালিবাৰীৰ ওচৰত) জন্ম হৈছিল। মীন বিভাগৰ চাকৰি, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চাকৰি সকলো এৰি বৰুৱাই আৰম্ভ কৰিছিল পূৰ্ব্বাঞ্চল প্ৰেছ। ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, আগষ্ট ২০০৯, পৃঃ ৪০১ ত বৰুৱাৰ উপন্যাসক নাম অন্তভুক্ত হৈছে। তেখেতৰ প্ৰকাশনৰ পৰা প্ৰকাশিত মূল্যবান গ্ৰন্থবোৰ বৰুৱাই 'লাইব্ৰেৰী অৱ কংগ্ৰেছ' ত ৰখাৰ ব্যৱস্থা কৰিছে। নবীন বৰুৱা All Assam Publishers & Book Salers' Association ৰ ১৯৯৭-২০০১ চনলৈ সভাপতি আৰু North East Book Fair ৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। বৰুৱাৰ একমাত্ৰ গল্প পুথিৰ নাম হৈছে 'একান্ত ব্যক্তিগত'। মূলতঃ ঔপন্যাসিক হ'লেও নবীন বৰুৱাই দুই-চাৰিটা কবিতাও লিখিছিল।


মাত্ৰ ২০ বছৰ বয়সতে কেম্পাছ নভেল লিখি উলিওৱা নবীন বৰুৱা পৰৱৰ্তী লেখকসকলৰ বাবে এক মহৎ অনুপ্ৰেৰণা অল্পভাষী, প্ৰচাৰ বিমুখ এই উপন্যাসসিক জনে হয়তো মানি ল'বলৈ অসুবিধা পাব যে পৰৱৰ্তী সময়ত কিমানজন লেখকে বৰুৱাৰ দৰেই কেম্পাচ নভেল লিখিবলৈ অনুপ্ৰেৰনা লাভ কৰিব পাৰে। নবীন বৰুৱাই সৃষ্টি কৰা এই পৰম্পৰাতে পৰৱৰ্তী কালত মেডিকেল কলেজক লৈ মেডিকেল কলেজ ইঞ্জিনিয়াৰিং কলেজক লৈ ইঞ্জিনিয়াৰিং কলেজ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পটভূমিত নাহৰৰ নিৰিবিলি ছাঁ আৰু সন্দিকৈ কলেজকে আদি কৰি অসমৰ আন কেইবাখনো মহাবিদ্যালয়ক কেন্দ্ৰ কৰি বহু কেইখন উপন্যাস ৰচিত হৈছে । আনকি কটন কলেজক লৈও আৰু তিনিখন উপন্যাস ৰচনা হৈছে"- কথাখিনি ব্যক্ত কৰিছে ড° মাধুৰিমা বৰুৱাই । এইখিনিতে আমাৰ ব্যক্তিগত অনুভৱ 'কেম্পাচ নভেল'ৰ ওপৰত ইচ্ছুক গৱেষকে গৱেষনা কৰিলে বহু তথ্য অথবা সমল উদ্ধাৰ হোৱাৰ থল কোনো কাৰণতেই নুই কৰিব নোৱাৰি এয়াই আমাৰ আহবান।

লেখকৰ দুঃখ - "গুৱাহাটী বিশ্ববিদ্যালয়ে এখন পাঁচশ পৃষ্ঠা মানৰ অসমীয়া উপন্যাসৰ বুৰঞ্জী লিখিলে তাত বোলে মোৰ নামটোৱেই উল্লেখ নকৰিলে। লেখকৰ সুখ - ড° মহেশ্বৰ নেওগদেৱৰ একাষাৰ -"ড° শৰ্মাই যদি এশ পৃষ্ঠাৰ এখন অসমীয়া উপন্যাসৰ বুৰঞ্জী লেখে, তাত দুটা লাইনত তোমাৰ উপন্যাসকেইখনৰ কথাও লিখিব লাগিব" লেখকৰ মতে - " মই ভাবো মই জীৱনত পোৱা এইটোৱেই হ'ল আটাইতকৈ ডাঙৰ পুৰস্কাৰ।" সাক্ষাৎকাৰটিত লেখিকা ৰুমী লস্কৰ বৰাৰ প্ৰশ্নৰ উত্তৰত বৰুৱাদেৱে তেখেতৰ সুখৰ আন এটা কাৰণো ব্যাখ্যা কৰিছিল এনেদৰে — " নতুন লেখকক, উত্তৰ-পূব ভাৰত, বিশেষকৈ অসমৰ ওপৰত লিখা ইংৰাজী কিতাপ প্ৰকাশৰ প্ৰতি আগ্ৰহী। মই যদি প্ৰকাশ কৰা ইংৰাজী কিতাপবোৰৰ পঞ্চাশটা কপী অসমৰ বাহিৰৰ কোনো লাইব্ৰেৰীত ৰাখিব পাৰো, তাতে মই সুখী।"

গ্ৰন্থখনৰ সম্পাদনা কৰিছে এগৰাকী নাৰীয়ে। নাৰীৰ লগত বান্ধৱী হিচাপে তেখেতৰ সম্পৰ্ক পুৰুষতকৈ কম নহয়। প্ৰতিখন উপন্যাসতেই নাৰীৰ একাধিক সমস্যা তথা মনঃস্তত্ব তেখেতে বোধকৰো সুন্দৰকৈ উপস্থাপন কৰিব পৰাৰ ইও এক কাৰণ হ'ব পাৰে। 'কটন কলেজ' উপন্যাসৰ নিঞ্জন লেখকৰ এটি ছাঁ। কিন্তু বৰুৱাদেৱৰ কোনো প্ৰেমিকা নাছিল, সেয়ে সকলো প্ৰেমিকাৰ চৰিত্ৰ আছিল লেখকৰ কাল্পনিক। বান্ধৱীৰ ক্ষেত্ৰতো বন্ধুত্ব চাৰিটা ভাগত বিভক্ত বুলি লেখকে ক'ব বিচাৰে - "প্ৰথম বিধ ৬০+ এবিধ ৪০ ৰ পৰা ৬০ ৰ ভিতৰত। এবিধ ২৫ ৰ পৰা ৪০ ৰ ভিতৰত। এবিধ তাতোতকৈ সৰু। এইবোৰৰ কিছুৱে বৰ্তা, কিছুৱে মামা, কিছুৱে খুৰা, কিছুৱে দাদা বুলি মাতে। ককা বুলি মতা এজনী বন্ধু আছে, তাই মোৰ নাতিজনীৰ বন্ধু।" এইকথাখিনিৰ পৰা এই কথা স্পষ্ট যে বৰুৱাদেৱৰ বন্ধু-বান্ধবিসকল বিভিন্ন বয়সৰ বিভিন্ন স্তৰৰ। ফেচবুকতো তেখেতৰ নতুন নতুন বন্ধু - বান্ধবীৰ সৃষ্টি হয় আমি এই শ্ৰেণীৰেই ভাগিন। কৈছিল - "মোক ছাৰ নহয়, মামা বুলি মাতিবা"। আকৌ এবাৰ কথা পতা নহ'ল। মোৰ ঠিকনা বিচাৰিছিল, দিলোঁ। সেই ঠিকনাতে ' এজন বিষন্ন ডেকা ল'ৰা আহিল। কিতাপখন অধ্যয়নৰ অন্তত এই সমীক্ষাটি কৃতজ্ঞতাৰ চিনস্বৰূপে আগবঢ়ালোঁ।

গ্ৰন্থখনিৰ বেটুপাতত নবীন বৰুৱাদেৱৰ এখন সুন্দৰ আলোকচিত্ৰ দিয়া হৈছে। শেষপৃষ্ঠা লেখকৰ শেষৰফালে একৈশখন স্মৰণীয় মুহূৰ্তৰ আলোকচিত্ৰ। তাৰপূৰ্বে যিসকল নমস্য ব্যক্তিৰ আৰ্থিক বৰঙনিৰে লোকৰ এখন তালিকা সন্নিৱিষ্ট কৰি সম্পাদিকাই নিজৰ মহানুভৱতাৰ পৰিচয় দিছে। একাশীজন লেখকৰ পৰিচয়যুক্ত তালিকা হিচাপ কৰিলে গ্ৰন্থখন ৫৬৩ পৃষ্ঠাৰ হবগৈ।

সৰ্বশেষত মহৎ গ্ৰন্থৰ তালিকাত এই গ্ৰন্থখনে নিজেই নিজৰ ঠাই উলিয়াব পাৰিব বুলি আমি দৃঢ়তাৰে ক'ব বিচাৰো। ধন্যবাদ। ◆◆◆



# প্ৰমুল্য ভিত্তিক শিক্ষা আৰু শৈক্ষিক প্ৰমুল্যৰ অৰিহণা

✍ ড° প্ৰণীতা কলিতা
সহকাৰী অধ্যাপক
শিক্ষাতত্ব বিভাগ
সোণাৰি মহাবিদ্যালয়

মানৱ আৰু মানৱ সভ্যতাৰ বাবে শিক্ষা হৈছে এক অপৰিহাৰ্য উপাদান, শিক্ষাই মানুহক সৎ পৰিপূৰ্ণ আৰু শৃংখলিত জীৱন যাপন কৰাত সহায় কৰে ব্যক্তিৰ বৌদ্ধিক দিশৰ উত্তৰণত শিক্ষাৰ ভূমিকা অতুলনীয় শিক্ষাৰ দ্বাৰা বিকশিত ব্যক্তি এজনৰ পক্ষে আত্ম উপলব্ধি আৰু আত্মকৰ্ষণ সহজ হৈ পৰে, শিক্ষাৰ দৰে ব্যক্তি আৰু সমাজৰ লগত জড়িত এটি বিশেষ উপাদান হৈছে মুল্যবোধ বা প্ৰমুল্য, সাধাৰণ অৰ্থত প্ৰমুল্যই এনে এটা দিশ বা বিষয়ক বুজায় যি ব্যক্তিৰ মানসিক আৰু মনোদৈহিক প্ৰয়োজনীয়তা সমুহৰ পুৰণ বা সন্তুষ্টি প্ৰদানত সহায় কৰে, প্ৰসংগক্ৰমে অলৰ্পোটৰ এষাৰ মন্তব্য উল্লেখ কৰিব পাৰি তেওঁৰ মতে 'মুল্যবোধ হৈছে এনে ভাৱ বা বিশ্বাস যাক ব্যক্তিয়ে অগ্ৰাধিকাৰ ভিত্তিক সম্পন্ন কৰে।'

শৈক্ষিক প্ৰমুখ্য বুলিলে সেইসমূহ প্ৰমুল্যক বুজায় যিসমূহ শৈক্ষিক দৃষ্টিকোণৰ ফালৰ পৰা ভাল বা উপযুক্ত উপযোগী আৰু মান সম্পন্ন ধৰণৰ হয়, এই ক্ষেত্ৰত শিক্ষাবিদ কানিং হামে কৈছিল যে, শৈক্ষিক বী্ৰমুল্যসমুহ ক্ৰমাৎ শিক্ষাৰ লক্ষ্য হৈ উঠিছে, ইয়াৰ জৰিয়তে ব্যক্তিৰ ক্ষেত্ৰত গুণ দক্ষতা আৰু যোগ্যতাৰ শ্ৰীবৃদ্ধি ঘটে আৰু জীৱনৰ প্ৰমূল্যৰ সূচনা হয়।

ব্যক্তি আৰু সমাজ জীৱনৰ সামগ্ৰীক উন্নয়ণত শৈক্ষিক প্ৰমুল্যসমুহৰ এক মহৎ ভূমিকা আছে, তলত চমুকৈ শৈক্ষিক প্ৰমুল্য সমূহৰ অৱদান বা ভুমিকাৰ এক অৱলোকন দাঙি ধৰা হ'ল-



১। শৈক্ষিক প্ৰমুল্যসমূহে সুস্থ আৰু ভাৰসাম্য ব্যক্তিৰ গঢ়ি তোলাত সহায় কৰে,

২। ই বৃত্তিমুখী যোগ্যতাৰ উন্নয়ণত অৰিহণা যোগায়,

৩। ব্যক্তিৰ নৈতিকতা আৰু চাৰিত্ৰিক দিশৰ উন্নয়ণত ভূমিকা গ্ৰহণ কৰে।

৪। শৈক্ষিক প্ৰমুল্যই ব্যক্তিৰ জীৱনৰ অৱসৰ সময়খিনি গঠনমূলক আৰু কামত অহাকৈ কটোৱাত সহায় কৰে।

৫। উপযুক্ত নাগৰিকৰ সৃষ্টিত অৰিহণা,

৬। সামাজিক যোগ্যতা আৰু সামাজিক গুণাৱলীৰ বিকাশত অৰিহণা যোগায় শৈক্ষিক মুল্যবোধসমূহে।

৭। জাতীয় সংহতি আৰু বিকাশতো ইয়াৰ অৱদান আছে।

৮। ব্যক্তিৰ নেতৃত্ব গুণাৱলী আৰু কৌশলী শ্ৰমিকৰ বিকাশত শৈক্ষিক প্ৰমুল্যৰ অৱদান অতুলণীয়।

৯। পৰিবেশৰ সংৰক্ষণ আৰু বহণশীল বিকাশত শৈক্ষিক প্ৰমুল্যই এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে,

১০। শৈক্ষিক প্ৰমুল্যই ব্যক্তিক সফল আৰু পৰিপুৰ্ণ জীৱন শৈলী গঢ়ি তোলাত অৰিহণা যোগায়

এই দিশসমুহৰ পৰা পৰিলক্ষিত হ'ল যে ব্যক্তি আৰু সামাজিক জীৱনৰ ওপৰত শৈক্ষিক প্ৰমুল্যৰ এক মুখ্য ভূমিকা আছে, মানৱসম্পদৰ বিকাশ আৰু সমাজৰ অগ্ৰগতিত শৈক্ষিক প্ৰমুল্যৰ অৱদান বা ভূমিকা বহুমুখী ধৰণৰ বুলি ব্যাখ্যা কৰিব পাৰি।

# প্ৰাচীন ভাৰতত গণিত চৰ্চা আৰু ভাৰতীয় গণিতজ্ঞৰ অৱদান

টঙ্কেশ্বৰ বৰুৱা
সহযোগী অধ্যাপক
সোণাৰি মহাবিদ্যালয়

আৰ্য্য সকলেই ভাৰতত সভ্যতা, সংস্কৃতি আৰু ভাৰতৰ ইতিহাসত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। তেওঁলোক বিশেষভাৱে আগবঢ়া আৰু সংস্কৃতিবান আছিল। দৈনন্দিন জীৱনত তেওঁলোকে গণিতৰ মূল্য আৰু তাৰ ব্যৱহাৰ কৰিছিল। বৰ্তমান গণিতৰ ধাৰণা আৰু আৱিস্কাৰৰ বাবে বিশ্বই আৰ্য্যসকলক মৰ্যদাৰে স্বীকৃতি দি আহিছে। গণিত চৰ্চা প্ৰাচীন ভৰৰতত এটা বিশেষ বিষয় হিচাপে বিবেচিত হৈছিল। ভালেকেইজন প্ৰখ্যাত গণিতজ্ঞই অংকশাস্ত্ৰৰ ভালেকেইটা শাখালৈ নতুন নতুন সূত্ৰ সৃষ্টিৰে অৱদান আগবঢ়াই আহিছে। বিশ্ববাসীয়েও স্বীকাৰ কৰে যে ভাৰততেই পোন-প্ৰথমে শূণ্যকে ধৰি দশমিক পদ্ধতিৰ আৱিস্কাৰ হৈছিল। যি কেইজন গণিতজ্ঞই অংকশাস্ত্ৰত অৱদান আগবঢ়াইছে তেওঁলোকৰ ভিতৰত আৰ্য্যভট্ট, বৰাহমিহিৰ, ব্ৰহ্মগুপ্ত, মহাবীৰ, শ্ৰীধৰ আচাৰ্য্য আৰু ভাস্কৰাচাৰ্যই উল্লেখযোগ্য। তেওঁলোকৰ অৱদান সংক্ষেপতে আলোচনা কৰা হ'ল -

<u>আৰ্য্যভট্ট (476 AD- 550 AD)</u> ঃ

জন্ম ৪৭৬ চনত পাটলিপুত্ৰৰ (বৰ্তমান বিহাৰ) কুসুমপুৰত। তেওঁ প্ৰথম বিহন্দু গণিতজ্ঞসকলৰ ভিতৰত এজন শ্ৰেষ্ঠ আছিল। তেওঁৰ উল্লেখযোগ্য কিতাপ হ'ল আৰ্য্যভটিয়া। আৰ্য্যভটিয়া কেইবাটাও শাখাত বিভক্ত। তাত জ্যোতিবিৰ্দ্যা (Astronomy) সময় জোখাৰ নিয়ম, গোলকৰ সম্বন্ধে আলোচনা পোৱা যায়।

অৱদান ঃ-

- আৰ্য্যভটিয়াত স্থানীয়মান পদ্ধতি বিষয়ে পোৱা যায়।
- তেওঁৱেই ভাৰতত প্ৰথম সূত-কছা (Interest) অংকৰ সূত্ৰ নিদ্ধাৰণ কৰিছিল।
- তেওঁ প্ৰথম $by=ax+c$ আৰু $by=ax-c$ সমীকৰণ সমাধানৰ বাবে Kuttuka পদ্ধতি ব্যৱহাৰ কৰিছিল।
- সমান্তৰ শ্ৰেণীৰ যোগফলৰ সূত্ৰ নিদ্ধাৰণ কৰিছিল।
- আৰ্য্যভটিয়াত তেওঁ

$$1^2+2^2 +----+x^2=\frac{x(x+1)\ (2x+1)}{6}$$

$$1^3+2^3+--+x^3=(1+2+3+--+x)^2=\left\{\frac{x(x+1)}{2}\right\}^2$$

সূত্ৰ উল্লেখ কৰিছিল

- $\pi$ ৰ শুদ্ধমান নিৰ্ণয় কৰিছিল আৰু $\pi$ ক অপৰিমেয় সংখ্যা হিচাপে বিবেচনা কৰিছিল।
- ত্ৰিভূজ আৰু বৃত্তৰ কালিৰ শুদ্ধ সূত্ৰ দিছিল।
- তেওঁ গ্ৰহবোৰৰ কক্ষপথ উপবৃত্তীয় (elliptic) বুলি বিবেচনা কৰিছিল আৰু গ্ৰহণৰ কাৰণ সূৰ্য্য আৰু

চন্দ্ৰৰ বাবে হোৰা বুলি ব্যাখ্যা কৰিছিল।

এইজনা গণিতজ্ঞ আৰু জ্যোতিৰ্বিজ্ঞানীৰ প্ৰতি সন্মানজনাই ভাৰত চৰকাৰে ভাৰতৰ প্ৰথম কৃত্ৰিম উপগ্ৰহটোৰ নাম ৰাখিছিল আৰ্য্যাভট্ট (১৯৭৫)।

**বৰাহ মিহিৰ (505 AD- 587 AD) ঃ**

তেওঁ ৫০৫ চনত গুপ্তযুগৰ উজ্জয়িনীত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ উল্লেখযোগ্য কিতাপ হ'ল ঃ পঞ্চসিদ্ধান্তিকা, বিৰাট-সংহীতা, আৰু বিৰাট জাতক। পঞ্চসিদ্ধান্তিকাত তেওঁ গণিতীয় আৰু তৃত্বীয় জ্যোতিবদ্যাৰ চৰ্চা কৰিছে। তেওঁ তাত নক্ষত্ৰৰ অৱস্থান নিৰ্ণয় আৰু তাৰ গণনা বিশ্লেষণ কৰিছে।

তেওঁ $\text{Sin}30^0 = \frac{1}{2}$, $\text{Sin } 60^0 = \sqrt{1-\frac{1}{4}}$

সূত্ৰ নিৰ্ভূল ভাৱে প্ৰমাণ কৰিছে।

**ব্ৰহ্মগুপ্ত (598 AD - 668 AD) ঃ**

জন্ম ৫৯৮ চনত ৰাজস্থানৰ ভিনমালত। তেওঁ আছিল গণিতজ্ঞ আৰু জ্যোতিবিদ্যা, উজ্জয়িনীত তেওঁ শিক্ষা লাভ কৰে। তাত থাকেতেই তেওঁ চাৰিখন বিখ্যাত কিতাপ লিখে। তাৰ ভিতৰত ব্ৰহ্মস্ফুট সিদ্ধান্ত অন্যতম। উজ্জয়িনীত থকা প্ৰাচীন ভাৰতৰ জ্যোতিবিজ্ঞান কেন্দ্ৰৰ তেওঁ আছিল সঞ্চালক।

অৱদান ঃ


● সংখ্যা পদ্ধতিত তেওঁ প্ৰথমে শূণ্য সংখ্যা ব্যৱহাৰ কৰি তাৰ ধৰ্ম ব্যাখ্যা কৰিছিল। যিটো গণিত জগতলৈ উল্লেখযোগ্য অৱদান।

● দ্বিঘাত সমীকৰণৰ এটা মানৰ সমাধান দিয়া সূত্ৰ আৱিস্কাৰ কৰা প্ৰথম জন ব্যক্তি আছিল।

● তেওঁ $\pi$ (পাই) সংখ্যাক বৃত্তৰ পৰিধি আৰু ব্যাসৰ অনুপাত আৰু তাৰ মান 10ৰ বৰ্গমূল (অৰ্থ্যাৎ 3.162) বুলি ব্যৱহাৰ কৰিছিল।

● তেওঁৰ মতে এবছৰত ৩৬৫ দিন, ৬ ঘণ্টা, ১২ মিনিট, ৯ ছেকেণ্ড।

● তেওঁ ধনাত্মক আৰু ঋণাত্মক সংখ্যাৰ যোগ, বিয়োগ, পূৰণ আৰু হৰণৰ নিয়ম নিদ্ধাৰণ কৰিছিল।



**মহাবীৰ (817AD-875AD) ঃ**

তেওঁৰ জন্ম দক্ষিণভাৰতৰ মহীশূৰত। ৯ম শতিকাৰ এজন জৈন গণিতজ্ঞ আৰু জ্যোতিবিজ্ঞানী। তেওঁ ব্ৰহ্মগুপ্তৰ ব্ৰহ্মস্ফুট (Brahmasphut) সিদ্ধান্তৰ নিয়ম আৰু পদ্ধতি উন্নতিসাধন কৰি 'গণিত সংগ্ৰহ' নামে কিতাপ ৰচনা কৰে যি খন প্ৰাচীন ভাৰতৰ গণিতৰ পাঠ্য পুথি হিচাপে ব্যৱহাৰ হৈছিল।

অৱদান ঃ

● তেওঁ জ্যোতিষ শাস্ত্ৰ (Astrology) ক গণিতৰ পৰা পৃথক কৰিছিল।

● তেওঁ $^nC_r$ ৰ সূত্ৰ নিৰ্ধাৰণ কৰিছিল।

● উপবৃত্তৰ কালি আৰু পৰিসীমা নিদ্ধাৰণ।

● সংখ্যাৰ বৰ্গমূল আৰু ঘনমূল নিৰ্ণয়ৰ পদ্ধতি উদ্ভাৱন।

● লঃসাঃগুঃ নিৰ্ণয় আৰু বৰ্তমানৰ সৰল কৰা অংকৰ নিয়ম তেওঁৰেই উলিয়ায়।

● তেওঁ $\sqrt{-a}$ ৰ অস্বিত্ব বিশ্বাস নকৰিছিল।

● তেওঁ সমবাহু ত্ৰিভূজ, সমদ্বিবাহু ত্ৰিভূজ, ৰম্বাচ, বৃত্ত আৰু অৰ্ধবৃত্তৰ ধাৰণা আৰু নাম নিৰ্ধাৰণ কৰিছিল।

**শ্ৰীধৰ আচাৰ্য্য (870 AD-930 AD)ঃ**

জন্ম ৯ম শতিকাত ভুৰিশ্ৰীস্তি গাঁৱত (বৰ্তমান হুগলী)। এজন গণিতজ্ঞ আৰু দাৰ্শনিক। তেওঁ লিখা দুখন কিতাপ হ'ল ঃ ত্ৰিশতিকা বাব পাটীগণিত সাৰ আৰু পাটীগণিত। তাত তেওঁ পাটীগণিত ও বীজগণিত, জ্যামিতি, পৰিমিত আৰু ত্ৰিকোণমিতিৰ ওপৰত আলোচনা কৰিছে।

অৱদান ঃ

● তেওঁ প্ৰথম দ্বিঘাত সমীকৰণৰ সম্পূৰ্ণ সমাধান সূত্ৰ পূৰ্ণবৰ্গ পদ্ধতিৰে নিৰূপন কৰিছে।

● পাটীগণিত (Arithmetic) ৰ পৰা বীজগণিত (Algebra) ক পৃথক কৰিছিল।

● শূণ্যৰ প্ৰয়োগ পদ্ধতি $a+o=a$, $a-o=a$, $axo=o$ বুলি নিৰূপন কৰে।

● বীজগণিতৰ ব্যৱহাৰিক প্ৰয়োগৰ ওপৰত লিখনী

আগবঢ়ায়।

ভাস্কৰাচাৰ্য্য (1114 AD-1185 AD) ঃ

তেওঁৰ জন্ম ১১১৪ চনত কৰ্ণাটকৰ বিজাপুৰত। ১২ শতিকাৰ এজন শ্ৰেষ্ঠ গণিতজ্ঞ আৰু জ্যোতিবিদ। তেওঁ উজ্জয়িনীত থকা জ্যোতি পৰ্য্যবেক্ষণ কেন্দ্ৰৰ মূৰব্বী আছিল। বৰাহমিহিৰ আৰু ব্ৰহ্মগুপ্তৰ দৰেই মহান কৰ্মৰাজিৰ দ্বাৰা গণিত ক্ষেত্ৰখনত অৱদান আগবঢ়াবলৈ সক্ষম হৈছিল।

অৱদান ঃ

তেওঁ ৰচনা কৰা ছখন গ্ৰন্থ হ'ল ঃ

(ক) লীলাৱতী, গণিত ওপৰত ১৩টা উপশাখাত লিখা।

(খ) বীজগণিত, বীজগণিত বিষয়ৰ ওপৰত।

(গ) সিদ্ধান্ত শিৰোমণি, জ্যোতিবিজ্ঞান আৰু গোলকৰ বিষয়ক।

(ঘ) বচনভায্য, সিদ্ধান্ত শিৰোমণিৰ ওপৰত নিজৰ ভাষ্য।

(ঙ) কৰ্ণকুটুহালা, জ্যোতিবিজ্ঞানৰ ৰহস্য বিষয়ক।

(চ) বিবৰ্ণ, শিক্ষাধিবিধ সিদ্ধান্তৰ ওপৰত ভাষ্য।

প্ৰথম তিনিখন গণিতৰ দিশত বিশেষভাৱে গুৰুত্বপূৰ্ণ। তেওঁৰ লীলাৱতীত শ্ৰীধৰৰ ত্ৰিশতিকাৰ ওপৰত নিৰ্ভৰ কৰি লিখা যদিও লিখাৰ ধৰণ নতুন। তেওঁ লীলাৱতী নামৰ এজনী ছোৱালীৰ লগত কথোপকথনৰ যোগেদি পাটীগণিতীয় অংক চৰ্চা কৰিছে। বীজগণিতত শূণ্যৰ লগত যোগ, বিয়োগ, পূৰণ, হৰণ কৰাৰ নিয়ম দিছে।

ভাস্কৰাচাৰ্য্যই প্ৰথমে বৰ্ণনা কৰিছিল যে, - যি কোনো সংখ্যাক শূণ্যৰ দ্বাৰা হৰণ কৰিলে অসীম (infinity) হয়।

তেওঁ ঋণাত্মক সংখ্যা বুজাবলৈ সংখ্যাৰ ওপৰত ডট (dot) চিন ব্যৱহাৰ কৰিছিল কিন্তু $\sqrt{-a}$ ক সংখ্যা বুলি গ্ৰহণ নকৰিছিল।

তেওঁ গোলকৰ পৃষ্ঠকালি আৰু ঘনফল সূত্ৰ দিছিল এনে ধৰণে-

Surface area = 4x Area of a circle

Valume of a sphere = Area of sphere x $\frac{1}{6}$ of its diameter যিটো নিখুত হিচাপে বিবেচিত হৈছে।

ত্ৰিকোণমিতিৰ Sin (A+B) আৰু Cos (A-B) সূত্ৰ নিৰূপন ।

● সিদ্ধান্ত শিৰোমণিত গোলকীয় ত্ৰিকোণীমিতি (Spherical trigonometry)ৰ বিষয়ে আলোচনা কৰিছে।

ভাস্কাচাৰ্য্যৰ লগে লগেই প্ৰাচীন ভাৰতৰ গণিত চৰ্চা অন্ত পৰে। ভাৰত এখন দেশহিচাপে ডাঙৰ যদিও গণিত চৰ্চা কৰা লোকৰ সংখ্যা তাৰ তুলনাত কম, সেয়ে হলেও ভাৰতীয় গণিতজ্ঞৰ অৱদান চিৰযুগমীয়া। ◆◆◆

## মহৎ লোকৰ উক্তি

তুমি মোক তেজ দিয়া মই তোমাক স্বাধীনতা দিম

- নেতাজী সুভাষ চন্দ্ৰ বসু

স্বৰাজ মোৰ জন্মস্বত্ব অধিকাৰ, ইয়াক মই লাভ কৰিমেই।

- বাল গংগাধৰ তিলক

সংগ্ৰাহক- পলাশ প্ৰতিম আদিত্য
তৃতীয় ষাণ্মাসিক

# Portrayal of Gandhian Movement in Raja Rao's Kanthapura

✍ Dr. Anita Konwar
Assistant Professor
Dept. of English
Sonari College

Raja Rao is regarded as one of the greatest Indian English novelists. His contribution to the growth of the Indian English novel is enormous. His first novel Kanthapura established him as a unique writer in the field of fiction-writing. Narrated in the voice of an elderly woman, the novel explores the turbulence in a South Indian village caused by the arrival of a Gandhi-like figure who preaches non-violent resistance to British rule. The good and evil spirits are personified by Gandhi, on one hand and the British rule in India on the other. It is the spiritual and metaphysical aspect of Gandhian thought that shaped Raja Rao's creative vision. Raja Rao progresses from the humanistic stand point to the spiritual and metaphysical, to man's relationship to the ultimate reality according to the Vedantic metaphysical concept. In this regard, Rao's 'Brahminic' intellectual background could not be ignored. Moreover, it is in the light of his understanding of the people of India and in terms of the mobilization and circulation of Gandhian ideology among these people, that Rao registers this impact. Kanthapura was published in 1938 but it was only after the publication of Raja Rao's The Serpent and the Rope that he was catapulted into international fame. In course of time, the novel came to be recognised as a classic of Indian English fiction. Kanthapura deals with the Gandhian Movement and its impact on a small village called Kanthapura. The novel depicts the early phase of India's freedom struggle when the Civil Disobedience Movement was at its height. It concerns itself with the Gandhian ideology such as non-violent, non-cooperation movements of 1919-22 and 1930-31 and its impact on the social and political life of the country.

The novel begins with the description of the village and its surroundings. The village is divided into the 'Brahmin' quarters, the 'Pariah' quarters, the 'Potter's' quarters and 'Weaver's' quarters. This brings out the divisions of the village society which is cast-ridden like most villages in India. The main plot of the novel is concerned

with the impact of the Gandhian movement on the people of Kanthapura. The sub-plot deals with the sufferings of the poor workers in the Skeffington Coffee Estate near Kanthapura. The over-all impression created by the novel is that of stark poverty of the people and the exploitation of the Indian masses by the Britishers and atrocities committed on unarmed 'Satyagrahis' by the Government. The villagers and the coolies suffered untold hardships and lost everything they had but did not lose faith in the principles and policies of Mahatma Gandhi. Their unflinching faith in God sustained them through all their sufferings.



The novel deals with early phase of the freedom struggle. The main aim was political freedom but it was also closely linked with religious reforms and removal of social evils. Kanthapura pictures vividly, truthfully and touchingly the story of the resurgence of India under Gandhi's leadership. Kanthapura is India in microcosm. By reading the novel one gets an idea about the methods and principles of Gandhi. Moorthy and the other freedom fighters of Kanthapura are followers of Gandhi and use Gandhian methods in their struggle against the government. They follow the path of non-violence. The people of Kanthapura picketed the toddy shops. Many toddy booths in and around Kanthapura were picketed. They adopted non-violent methods and did not lose control even when they were being manhandled and beaten mercilessly by the police. Even women and children were manhandled. Gandhi never actually appears on the scene. He remains in the background throughout the novel but the influence he had on the people was tremendous. Gandhi was able to motivate his countryman to lay down their lives for the country. Like thousands of young men all over the country, Moorthy gave up his studies and joined the freedom movement. He dedicated his life to the struggle for independence after he had a vision of Gandhi. Moorthy tried to follow the principles of Gandhi. He burnt his foreign clothes and started using 'Khadi'. He did not marry and devoted his life totally to the struggle for Independence. He sacrificed his personal life and happiness for the sake of his country. He became the leader of the freedom fighters in Kanthapura. Though he was very young, he was loved and respected by the people of Kanthapura. Even the people who were much older than him respected him and had full faith in him. So, he is the most prominent and most important among the followers of Gandhi depicted in the novel.

The Gandhian Movement was brought to Kanthapura by Moorthy and the city boys. He went from door to door to tell people about Gandhi and his views and principles. He distributed charkhas among the people of Kanthapura free of cost. He had contact with the city Congress and the 'charkhas' were given to him by them

free of cost for distributing among the villagers. In the beginning, he found it difficult to convince the villagers to take the charkhas and start spinning cloth on a regular basis. Ultimately he was able to convince most of them that it was essential not only for them but also for achieving political freedom. With time more and more people joined the Congress. The Congress Committee was formed in Kanthapura. The villagers regarded Moorthy as the Gandhi of Kanthapura They called Mahatma Gandhi the "big mountain" and Moorthy the "small mountain". Throughout the novel Moorthy acts as a local Gandhi and he follows Gandhian principles. Moorthy was a follower of Gandhi and worked for removal of untouchability and removal of other social evils. Moorthy worked for upliftment of pariahs. Moorthy does not stop working for the upliftment of the pariahs even on being asked by his mother. She was shocked when she came to know that Moorthy will be excommunicated if he does not stop working for the pariahs. Moorthy did not take this seriously. He did not stop mixing with the pariahs even after the death of his mother. He kept a fast for three days because he felt that he had not been able to live up to the ideals of the Mahatma. He held himself responsible for the violence that took place at the Skeffington Coffee Estate. After the fast he started the 'Don't touch the Government campaign'. Under his leadership the people of Kanthapura picketed non-violence like a true follower of Gandhi. He was arrested by the police many times and during his trial, he behaved like a true Gandhian.

The characters in the novel can be basically divided into two categories. There are characters like Advocate Sankar, Rangamma and Ratna etc, who are followers of Gandhi. And the other category consists of characters like Venkamma and Bhatta who are against the Gandhian movement. Rangamma actively participated in the work of the Congress. Her house became the office of the Congress in Kanthapura. The freedom fighters used to assemble at her house and discuss their plan of action. She took active part in organising the women of Kanthapura and forming the 'Sevika Sangh'. She motivated the women to fight and tried to prepare them mentally to bear the atrocities of the police calmly. She succeeds in this to quite an extent. She asks the women not to neglect their house hold work. She is able to talk in a very impressive and convincing manner. She read the newspaper regularly and is aware of what is going on in the world. She tells the villagers about the various things she reads in the newspapers. She is able to explain the contents of the religious texts to the villagers in a very impressive manner. Ratna is also a follower of Gandhi. She is a widow and only fifteen years old. She becomes the leader of the freedom fighters in Kanthapura in absence of Moorthy. Advocate Sankar tries to follow the principles of Gandhi and is a very honest and upright man. He is a lawyer like Mahatma Gandhi. He does not take up false cases and if at any point he comes to know that his client has lied to him and is actually guilty, he gives up the case immediately and in some cases he even made them confess. Sankar leads a simple life and is in favour of khadi being used by all Indians. He insists on this because he knows that the purpose of the khadi movement is to put a halt to the exploitation of India by western

industrialists. He refuses to go to any marriage party in which the people are not dressed in khadi. There were many other people in Kanthapura like Rachanna, Range Gowda etc, who were followers of Gandhi. By the time the 'Satyanarayan Puja' was organised, it had become a mass movement and most people of Kanthapura had joined the Gandhian movement.

The novel encompasses with Gandhian ideology and freedom struggle. The story of Satyagraha moves forward steadily till it reaches to its climax. It is story of the people of a small village who realise that they need to rise and fight for the freedom of their motherland. They make efforts in this direction and they fail. They leave Kanthapura and settle in Kashipura. As a result of the final clash between the freedom fighters and the soldiers many people died and many were injured. After this clash, the whole village was set on fire and destroyed and many people were arrested. The remaining people left the village and never came back again. People from the city came and settled in Kanthapura. Kanthapura shows us in miniature a picture of the Indian freedom movement between 1929 when complete independence was made the goal of the Congress and 1931 when Mahatma Gandhi left to attend the Second Round Table Conference. Mahatma Gandhi's movement was not merely political. It had three strands- religious, social and economic and all these are reflected in the activities carried out in Kanthapura. Gandhiji wanted his followers to have a firm faith in God and to practise truth and non-violence. The people of Kanthapura are deeply religious and remain non-violent in the face of the worst police atrocities. Raja Rao enhances the novel through usage of Gandhian ideology and Gandhian thought.

Kanthapura is significant as a cultural tract which rewrites history against the 'inauthentic' historical accounts compiled by Europeans. The novel shows a cultural revival through the use of diverse themes and motifs. Raja Rao beautifully deals with the fact that religion has the potential to move people beyond dormancy. It provides the people of Kanthapura the active political energy to the extent of sacrificing their lives. A sense of harmony and freedom, construed as a spiritual quality runs through the novel that overcomes all bounds and crosses all barriers. The novelist has become successful in graphically delineating the heroic fight of the villagers against the mighty British Imperialism and their temporary defeat- defeat which had in it the seeds of ultimate victory. Kanthapura can be considered to be an epic of the Gandhian non-violent movement for India's freedom.

Selected Bibliography:

Dayal, P. Raja Rao: A Study of His Novels. New Delhi: Atlantic Publishers, 1991.

Dey, Esha. The Novels of Raja Rao: The Theme of Quest. New Delhi: Prestige Books, 1992.

Narasimhaiah, C.D. Raja Rao: Indian Writer's Series. New Delhi: Arnold-Heinemann, 1973.

Rao, Raja. Kanthapura.1938. New Delhi: Oxford University Press, 1974.

CT: Greenwood, 1977.

# Geoffrey Chaucer-
# The father of English literature

✍ Jebin Sultana
Asst. Professor
Dept. of English



Geoffrey Chaucer Known as the father of English literature. Chaucer is Cuidely considered the greatest English poet of the Middle Ages. He is best known today for the Canterbury Tales and was the first poet to be buried in the Poet's Corner of Westminster Abbey."

Geoffry Chaucer is considered the founder of modern English Literature. Although Old English had produced rich literature in the early Middle ages, this writing tradition ended abruptly after the Norman invasion of 1066. From then on. French or Anglo-Norman was the language of the upper and the educated classes. It was not until the 14th century that English regained its prestige and Chaucer was one of the first to use it as a literary language and in therefore regarded as the 'Father of English Literature'." Chaucer's work is strongly influenced by ancient French and Italian models, but also contains material, stylistic, and content related innovations that founded the independence of early English literature. Most of the Canterbury stories were written after 1388 in Chaucer's English phase. The famous prologue provides the setting for the event: the poet is on a pilgrimage to the tomb of Saint Thomas Backet in Canterbury. In a tavern on the outskirts of London, he joins a group of 29 like-minded people. The innkeeper suggests that each of the pilgrims should tell two stories on the way there and back." Of the 120 stories, Originally planned, Chaucer completed only 22. The diversity of the "Canterbury Tales" is what makes them so attractive Chaucer gave each of his pilgrims a characteristic language and a suitable story. So that a multitude of different genres exists side by side, but never less represent a unity through the framing plot. ◆◆◆

# STATUE OF UNITY-

## A Tribute to Sardar Vallabhbhai Patel

✍Nabajyoti Dutta
Assistant Professor
Department of English

Sardar Vallabhbhai Patel, the first Home Minister of Independent India was a great freedom fighter. He is known as 'The Iron Man of India'. It was due to his effort that we have unified India today. He took the task of uniting all the 562 princely states of pre independent India.



'The Statue of Unity' is built to honour this great freedom fighter and flag bearer for an united India. The statue is located in Gujarat and is the world's tallest statue with a height of 182 meters. It is located on the Narmada river facing the sardar sarovor dam 100kilometres southeast of the city of Vadodara and 150 kilometres from Surat. The project was announced in 2010 and the construction work started in October 2013. It was inaugurated by Prime Minister Narendra Modi on the 143rd anniversary of Patel Birth is on 31st October 2018.

The statue of Unity is a tourist attraction. It is a real scenic treat of the visitors. The statue is guaranteed to bring foreign money into India by means of tourist. It also brought lots of employment opportunities. During the announcement of its creation and beginning of the project, the statue was dubbed to be 'Gujrat's tribute to the nation. There are five total zones the divide the statue. out of these, only three are open to public display. Zone 1 begins from the base and extends to the shins of Patel. The visitors can explore the life and contributions of Sardar Patel while wandering through the Museum. Zone 2 stretches up to Patel's thighs where as the Zone 3 reaches up to the Viewing gallery.

'The statue of Unity' is an enormous statue of Sardar Vallabhbhai Patel. It is an extraordinary memorial for the great leader. This statue is an image of the developing financial quality of India as well as the Unity of the people of India. Statue of Unity. ◆◆◆

# Important Aspects of Women Empowerment in Assam

✍ Deepjyoti Borah
Assistant Professor
Department of Political Science
Sonari College

Empowerment as a concept was introduced at the International Women's Conference at Nairobi in 1985. The conference defined empowerment as a redistribution of social, power and control of resource in favor of women. Women empowerment is a global issue and discussions on women's Right are at the forefront of many female information campaigns worldwide. Empowerment has become one of the most widely used development terms.

Women empowerment is a process in which women gain greater share of control our resources, materials, human and intellectual line knowledge, information, ideas and financial resources line money and across to money and control our decisions in the home, community, society and nation. Empowerment means powering from a position of enforced powerlessness to one of power.

When we study about on women empowerment in Assam then we study about some important factors which are –

Economic status of women in the Rural Areas of Assam in the main centers for the studies of the empowerment of women. So the main section of women in rural areas are –

(i) Agriculture:

Major emphasis should be placed on expansion of productive work opportunities in agriculture for females who are engaged in this sector. Internship utilization of agricultural land through adoption of double and multiple cropping practices would lead to higher utilization of labor force in the form and shorter periods of seasonal unemployment in agriculture.

(ii) Allied agricultural activities:

Allied agricultural activities particularly livestock farming and animal husbandry have very good scope for enhancing productive work opportunities in rural areas if these are3 developed on scientific and commercial basis. Through better training, financial assistance, provision of marketing facilities, rural women can be encouraged to take up these activities.

(iii) Agro based and small scale industries:

Demand based and resource based small scale enterprises can be set up in rural areas. Emphasis should be placed on preservation and development of local talents and traits. Training of females in changes in designs and tests of consumers would be necessary.

(iv) Handloom and weaving:

The most important household industry carried out by the females in all rural households in Assam is handloom weaving. In order to increase prospects of employment and income for females in handloom weaving and to raise quality and quantity of handloom products some basic facilities should be provided. These are (i) Supply of yarn at subsidized sates through village level corporate societies, (ii) Provision of financial facilities to female weavers, (iii) Supply of fly shuttle looms through village level organizations, (iv) Provision of marketing facilities, (v) Training of weavers in improved designs according to change in consumer taste.

(v) Sericulture:

Resources should be taken to develop Endi, Muga and Silk. Endi is one important household industry for females in rural areas while Muga and silk industries are found in selected areas. As the demand for various products made from Endi, Muga and Silk are increasing. Such industries should be revived by providing credit and marketing facilities and also technological guidance.



(vi) Food Processing Industries:

Food Processing Industries are virtually non-existing in rural areas of Assam. Development of food preservation, processing, earning units can be taken up on the basis of locally available fruits in the region. Jelly, fruit juice, pickely have good demand in the urban areas and the greater portion of this demand is met from supplies of outside Assam. Moreover, rural females can take up preparation of various types of rice products on commercial basis with a linkage to nearby urban centers for marketing.

(vii) Tailoring, embroidery, knitting etc-

Center for training rural females in tailoring embroidery , knitting works should be started in rural areas covering a few villages Demand for such services is increasing in rural areas because change in consumer taste. Female can take initiative to open such unites in rural areas either individually or collectively .

There are many aspects of empowering women. Some important indicators in this direction are discussed in the following sections are-

1)Education and empowerment

Education is a process of complete moral orientation. Education of women is the foremost requirement in improving the status of of women in the society. An edu-

cated women can face vagaries of the life without any fear . Education creates modern outlook among women which in turn strengthens their claim for better status of society.

One of the most important components of a developed society is education and it plays an important role in empowering women , in strengthening the status and rights of women h is vital component of human resource development all over the world. Progress of any society is largely dependent upon the condition of woman in the society.

2)Literacy and empowerment-

Literacy is the stepping stone towards education. A man without literacy skill could be a good person but the same person with literacy skill could prove better and functional.

Literacy is power and illiteracy is disability. According to 1991 census directions, a person who can both read and write with understanding in any language is to be taken as literate.

Literacy among women opens the possibility of unlimited exposure to new information and more importantly to new perspective on existing information the literate women are able to constructive express their talent and give direction to their aptitudes.

3.Social attitude and empowerment-

Women empowerment is also related to social attitude towards women's development like traditional belief, superstitions etc. The slow progress of women's empowerment should be analyzed after taking into account socio- economic factors such as Prevalence of pardon system. Child marriage, subjugation after marriage and absence of divorce system etc.

Superstitions and social attitude effect all the stages of female life cycle, being with preconception and our whelming value given to male fetus. Son preference of the female after birth, but is sustained through preferential feeding care other discriminatory treatment.

Empowerment of women is not a one way process. It is not the adult educators and activities can go and empower others. It is two way process in which we empower and get empowered. This is an ongoing journey for all of us. No one can become empowered for good and then become an expert in empowering others.

According to us empowerment of women means many things in Assam and India-

a. It mean recognizing women's contribution to women knowledge .

b. It means helping women fight their own tears and feelings of inadequacy and inferiority

c. It means women enhancing their self-respect and self- dignity

d. It means women controlling their own bodies .

e. It means women becoming economically independent and selreliant.◆◆◆



কৌতুক


গ্ৰাহক ঃ কণীকেইটা তাজা নে ?

দোকানী ঃ আৰে, এতিয়াৈলেকে মুৰ্গীজনীয়ে সিহঁতৰ কণীকেইটা যে হেৰাইছে সেই কথা গমকে পোৱা নাই।

# জীৱন্ত মৃতদেহ

✍ দীপাঞ্জলী ডেকা
স্নাতক প্ৰথম যাণ্মাসিক
জীৱ বিজ্ঞান বিভাগ

সন্ধিয়া নামিছে নিৰলে। জোনাকী পৰুৱাৰ জিলমিলনিয়ে পৰিৱেশটি ক্ৰমে কৰি তুলিছে মনোমোহা। কিন্তু এই পৰিৱেশটিয়ে মনটি যেন বিষাদ কৰিছে। হেৰুওৱা স্মৃতিৰ সুবাসত আজি কেৱল চকুলো বাগৰিছে। হৃদয়ৰ দুৱাৰ যে নজনাকৈয়ে মই আজি স্তব্ধ। আহঃ সেই শব্দটিয়ে যেন আজীৱনৰ বাবে মোক নিথৰুৱা কৰিলে। ওহোঁ .....মই যে জীয়াই থাকিব নোৱাৰো। আবেগিক হৈ মই আৰু চকুলো ৰখাব নোৱাৰিলো। নাই আজি শান্ত হ'ব পৰা নাই মই ক্লান্ত। সময়ৰ লগে লগে যেন সুখবোৰ হেৰুৱালো হাতৰ মুঠিতে। আজি আৰু স্মৃতিৰ সুবাস নালাগে। তৰাৰ দেশৰ কাহিনী, ককাৰ সাধুকথা, পৰীৰ দেশৰ কাহিনী এইবোৰ মাথোঁ এটি এটি স্বপ্ন। সেয়া ৰোমন্থন নকৰো আৰু । সেই অতীতৰ বুকুচাত গ'লগৈ মোৰ সকলো......হেপাঁহৰ ল'ৰালি আৰু বহু মধুৰতম ক্ষণ।



উপন্যাসৰ কাহিনীৰ পটভূমি গঢ়িব পৰাকৈ বৰ্ণাব পাৰিম নে সেই সপোন, হেৰুওৱা অতীত মাজৰাৰতি সপোন ভাঙি সেই হেৰুওৱা অতীতে মোক খেদি ফুৰে অশৰীৰ আত্মা হৈ। মই যে ভয়াতুৰ নহয়, নহয় কাপুৰুষ সেয়ে হয়তো জীয়াই আছো মৃত্যুৰ পথ নিবিচাৰি। তথাপিও কওঁ বাৰে বাৰে মই জীয়াই থাকিব নোৱাৰো। কিন্তু যেতিয়াই মনত পৰে যে মই কাপুৰুষ নহয়, তেতিয়াই সবল হওঁ হঠাতে। ৰজাই গঢ়া ৰাজকাৰেঙতো নাছিল, কিন্তু দেউতাৰ অসীম কষ্টেৰে গঢ়া বাঁহৰ ঘৰটোৰে বুকুচাৰ সপোনেই এই কাহিনীৰ পটভূমি। সকলোৰে ভবাৰ দৰে সাধাৰণৰ মাজত অসাধাৰণত্ব নাছিল যদিও ঠিক সাধাৰণৰ ব্যক্তিক্ৰম। সকলো পৃথিৱীলৈ অহাৰ দৰে ময়ো আহিছিলো কিন্তু জন্ম হৈয়ে মোৰ একমাত্ৰ সংগী আছিল ৰঙাগড়া চহৰৰ এমূৰে থকা ডাঙৰ ডাষ্টবিনটো। তাৰপৰাই আনি মোক নতুন জীৱন দিছিল আনৰ ঘৰত দিন হাজিৰা কৰি জীৱনৰ গতি আগুৱাই নিয়া ৰামেশ্বৰ দাস, যাৰ হাতৰ স্পৰ্শত মই পাইছিলো দেৱতাৰ আৰ্শীবাদ। এই ৰামেশ্বৰ দাসকে মোৰ কণ্ঠত প্ৰথমবাৰ পাইছিলো দেউতা আৰু দ্বিতীয়বাৰ মাতিছিলো কি সেয়া কোনো স্মৃতিভ্ৰম নোহোৱাকৈ ক'ব পাঁৰো 'ককা' হয় এশ শতাংশই শুদ্ধ। পিতৃ-মাতৃ সকলোৰে অভাৱ অকলেই পূৰণ কৰিছিল ককাই। সততা, নিষ্ঠা, একাগ্ৰতা, নম্ৰতা, আধ্যাত্মিক মনোভাৱ সকলো মহৎ গুণৰাজি আয়ত্ব কৰিছিলো ককাৰ পৰা। ভাগৱত-গীতাৰ মহৎ বাণীৰে জীৱন আগুৱাই নিবলৈ শিকিছিলো। ৰঙাগড়া গাওঁৰ ফুলেশ্বৰ গগৈ প্ৰধান শিক্ষক হৈ থকা অৱস্থাতে মোক নাম লগাই দিছিল পঢ়াশাৰলিত। আত্মগৌৰৱ কৰা নাই কিন্তু কবলৈ বিচাৰো অভাৱ অনাটনৰ মাজত মই পঢ়িছিলে অদম্য উৎসাহেৰে। কিন্তু সেই সাফল্যৰ বাট মই যে হেৰুৱালো, নিয়তিৰ একান্ত কামনাত। নাই ভাগ্যক নোদোষো, লাভ আছে জানো। সকলোতো শেষেই আজি। বাকী বুলিবলৈ আছে জানো? কেতিয়াবা মুকলি আকাশৰ তলত চিঞৰি ক'ব খোজো "ভগৱান! মোৰ দুখ দেখি ৰং পাইছা জানো। একো কথা নাই । কিন্তু মোৰ দেউতাক কিয়

শান্তি দিলা । কি ভুল আছিল তেওঁৰ। মোৰ দৰে নিথৰুৱাক আশ্ৰয় দিয়াই কি তেওঁৰ ভুল'' - ক্ৰমাৎ মই ৰুদ্ধ হৈ যাওঁ। উশাহটো যেন উলটি নাহে এনে লাগে।

মোৰ দৰে নিথৰুৱা এটাক ঘৰলৈ আনিয়েই দেউতাই ডাঙৰ ভুল কৰিলে। মই মুছলমান সম্প্ৰদায়ৰ হোৱা হেতুকে সমাজে মোৰ লগতে দেউতাক বৰ্জন কৰিছিল। ইয়াৰোপৰি দেউতাক শাৰীৰিক আৰু মানসিক অত্যাচাৰো কৰিছিলো। সেয়ে হয়তো অজানিতে দেউতাৰ মুখৰ হাঁহি মাৰ গৈছিল চিৰদিনৰ বাবে কিন্তু সপোনতো ভবা নাছিলো সেই দুখে, সমাজৰ অত্যাচাৰে দেউতাক এনে নৰক যন্ত্ৰণালৈ ঠেলি দিব। এদিন গধূলি দেউতা কামৰ পৰা উলটি আহিছিল। নাক-মুখৰ পৰা যথেষ্ট তেজ ওলাইছিল, ঠায়ে ঠায়ে আছিল তেজৰ চেকুৰা, মোৰ কণমানি মনটিয়েও বুজি উঠিছিল কোনোবাই দেউতাক প্ৰহাৰ কৰিছে আৰু তাৰ কাৰণ মই। পদূলিতে ঢলি পৰা দেউতাক মই মোৰ কণমানি হাত দুখনে মুখ মোহাৰি দিছিলো তেজেৰে লুটুৰি -পুতুৰি হৈ পৰিছিলো মেয়ো। ককাৰো সেইকেইদিন টান নৰিয়া। খোজ কাঢ়িবলৈও অসমৰ্থ। দেউতাৰ মুখলৈ চাই মই ক'ব পৰা নাছিলো কি কৰা উচিত। ভাবিবলৈও নাপাওতেই বিকট চিঞৰ মাৰি দেউতা চিৰবিদায় মাগিছিল এই পৃথিৱীৰ পৰা। তাৰপাছত কি, ক'ত, কেনেকৈ হ'ল নাজানো মই অচেতন হৈ গ'লো চকু মেলি মই দেখিলো এখন অনাথ আশ্ৰম। মোৰ স্মৃতি শক্তি দুৰ্বল হৈ পৰিছিল লগতে শৰীৰো। দেউতা আৰু ককাৰ প্ৰতিচ্ছবি মনলৈ অহা সময়তে দেউতাক মোৰ ওচৰৰ পৰা কোনে আঁজুৰি নিলে সুধিম বুলি মই ভাবিয়েই ৰ'লো। ইমান চেষ্টা কৰিলো অথচ মই ক'ব পৰা নাই। কোনোৱে শুনা নাই মোৰ কণ্ঠস্বৰ। তেতিয়াৰে পৰা আৱৰ্তণী মোৰ ব্যক্তিক্ৰমী যাত্ৰা দেউতা- ককা অবিহনে। একেখন পৃথিৱীত থাকি মই অন্য গ্ৰহৰ বাসিন্দা হৈ ৰ'লো। কান্দিবলৈও মই অসহায়।। ''দেউতা , তুমি ক'ত আছা? মোক লৈ যোৱাহি'' মনতে ক'লো আকৌ এবাৰ। ◆◆◆

---

# নাৰী শিক্ষাৰ প্ৰাসঙ্গিকতা

✍ সুৰজিৎ কোঁৱৰ
স্নাতক তৃতীয় যাণ্মাসিক

জীৱনটো বৰ অনুপম আৰু মনোৰম। সংজ্ঞাবিহীন জীৱন সংলাপবিহীন নাটকৰ দৰে। শিক্ষাৰ অবিহনে মানৱ সমাজ বৰ্তি থাকিব নোৱাৰে। সেই শিক্ষাক মানৱৰ এক অপূৰ্ব সম্পদ বুলি কোৱা হয়।


শিক্ষাই জ্ঞান আৰু জ্ঞানেই শক্তি । জ্ঞান সাগৰৰ সমুদ্ৰ মন্থন সকলোৱে কৰিব বিচাৰে। ই সকলোৰে বাবে প্ৰয়োজনীয়। শিক্ষা গ্ৰহণ কৰাটো সকলোৰে এক অধিকাৰ আৰু কৰ্তব্য । জীৱন পথত অগ্ৰসৰ হোৱা সকলো পুৰুষ, মহিলা, ছাত্ৰ-ছাত্ৰীয়ে বুজা উচিত যে শিক্ষাৰ অবিহনে একো সম্ভৱ নহয়। লগতে যিবিলাকে শিক্ষাৰ প্ৰাসঙ্গিকতাৰ বিষয়ে অৱগত নহয়, সেইবিলাক সু-শিক্ষাৰে শিক্ষিত হলেও জীৱন তথা নিজৰ জীৱনৰ কৰ্মক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰে।

নাৰী বৰ মমতাময়ী। নাৰী আৰু পুৰুষৰ মাজৰ সম্পৰ্কৰ ফলতেই উদ্ভৱ হয় জগতৰ এক অভিনৱ সংযোজন তথা সংগ্ৰামী পুৰুষ আৰু নাৰীৰ শিক্ষা সকলোৰে বাবে একেই। পুৰুষ বা মহিলা বুলি ভিন্ন ভিন্ন হব নোৱাৰে। সেয়েহে শিক্ষাৰ মূলটোনো কি জানিব লাগে। আজিৰ যুগটো বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ, গোলকীকৰণৰ যুগ, বিশ্বায়নৰ যুগ। সেই যুগত অকল মাত্ৰ পুৰুষেই যে আগবাঢ়ি যাব তাৰ কোনো প্ৰক্ৰিয়া থাকিব নোৱাৰে। আগৰ কালত পুৰুষক দৃষ্টিৰে চালে আজিৰ শিক্ষা ব্যৱস্থাৰ ব্যক্তিক্ৰম ঘটিছে। আগৰ কালত পুৰুষক আগস্থান দিয়া হৈছিল বুলি মানুহৰ মুখে মুখে বা কাকত পুথিৰ মাধ্যামেদি চলি আহিছে, কিন্তু আমি কি কাৰণে সেইবিলাক শুনিবলৈ পাইছিলোঁ সেই কথাৰ যুক্তিযুক্ততা প্ৰমান কৰাটো নিতান্তই প্ৰয়োজনীয়।

নাই, কৰিব নাপায়, ওলাই আহিলে ধৰ্ম, কৰ্ম, চৰিত্ৰ, মান-মৰ্যাদা, ধৰ্ম, নষ্ট বা কমি যাব বুলি মানুহ তথা নাৰী সমাজে শুনি আতংকিত হৈছিল । যাৰ বাবে তেওঁলোক সেই সময়ত পিছপৰি ৰৈছিল। কিন্তু তদানীন্তন সময়ত যদি নাৰী সকলে একগোট হৈ বৰ্তমান সমাজখনৰ নাৰীৰ দৰে আগবাঢ়ি আহিলেহেঁতেন তেতিয়াও যথেষ্ট উন্নতি সাধনৰ লগতে শিক্ষাৰো দ্ৰুত হাৰত বিকাশ ঘটিলেহেঁতেন। কিয় ভয় বা আনৰ প্ৰৰোচনাত পৰিয়েই যে এনে দুৰ্দশাৰ চিত্ৰিত আতংকিত হৈছিল তাক যুক্তিসহকাৰে ক'ব পৰা যায়।

পুৰুষে নিজৰ শাৰীৰিক শক্তি, কৌশল প্ৰয়োগ কৰি নিজৰ কোনো বস্তু, সামগ্ৰী টকা-পইচা আহৰণ কৰি ল'ব পাৰে কিন্তু মহিলা সকলে পুৰুষলৈ সেই সময়ত ভয় কৰিছিল। কিন্তু বৰ্তমান সমাজ একে নহয়, দুয়োলোকে সমিল মিলেৰে কোনো কামৰ সমাধান আগবঢ়ায়।

'চন্দ্ৰপ্ৰভা শইকীয়ানী' সেই সমাজৰ এক আদৰ্শ। যিগৰাকী নাৰীয়ে পুৰুষৰ সমানে শিক্ষা আহৰণ কৰিবলৈ আগবাঢ়ি গৈছিল আৰু এক নিৰ্দিষ্ট উন্নতিৰ দিশে আগবাঢ়িল আৰু সমাজত এক সুকীয়া আসন লাভ কৰিলে, যাৰ বাবে আমি আজিও বিভিন্ন ক্ষেত্ৰত তেখেতক স্মৰণ কৰি আহিছো। তেওঁ আমাৰ তথা সকলো নাৰী সমাজৰ বাবে এক আদৰ্শ। যিহেতু এগৰাকী নাৰীয়ে কোনো সন্তানৰ জন্ম দিয়ে তেনে ক্ষেত্ৰত মূলগুৰি সদৃশ মাতৃগৰাকীয়ে জ্ঞান লাভ কৰাটো বৰ দৰকাৰী। বিজ্ঞান তং বংশগতিৰ তত্বমতে মাতৃ আৰু পিতৃৰ গুনবিলাক বংশানুক্ৰমে সতি সন্ততিয়ে লাভ কৰে, সেই বাবেই যদি মাতৃ গৰাকীয়ে আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নহয় তেন্তে সেই গুণ অতি কম পৰিমানে হলেও পৰিবাহিত হ'ব।



এইফালৰ পৰা দৃষ্টি নিক্ষেপ কৰিলে নাৰী শিক্ষাৰ যে যথেষ্ট প্ৰয়োজনীয়তা আছে তাৰ প্ৰমান অতি সুন্দৰভাৱে পাব পৰা যায়। নাৰীৰ স্থান পুৰুষৰ সমানেই। সকলো সমতুল্য বা সাম্য অৱস্থাতে থাকিব লাগিব তেতিয়াহে সমাজৰ দ্ৰুতবিকাশ হ'ব।

ব্যক্তিগত অভিজ্ঞতাৰ পৰা ক'ব বিচাৰো যে আমাৰ সমাজত আজিও এনে কিছুমান লোক আছে যিবিলাক নাৰী তথা ছাত্ৰীয়ে শিক্ষা লাভ কৰাটো অলপমানো নিবিচাৰে আৰু কয় সিহঁতবোৰকনো এঘৰলৈ উলিয়াইহে দিম, পাছত শহুৰেক, শাশুৱেক আৰু নিজৰ স্বামীজনক হে খুৱাব। আমাৰ খবৰেই নাৰাখিব যদিহে চাকৰি এটা পায়। সেইবাবে সিহঁতক পঢ়োৱাই কি লাভ হ'ব?

কিন্তু সঁচানে? যদি নিজৰ সন্তানে উন্নতি সাধন কৰে, পঢ়ি শুনি নিজে' কৰ্মসংস্থাপন লাভ কৰে তেন্তে সেইটো পিতৃ মাতৃৰে গৌৰৱ নহয় জানো? মানুহে বহুত কথাজানে কিন্তু বিপৰীতে কিছুমান সামান্য কথাকে নাজানে । সমাজখনে এইবিলাক বুজি পাব যেতিয়াহে উচিত শিক্ষাৰে শিক্ষিত হব। মুঠতে এটা বা দুটা কথাতে নাৰী শিক্ষাৰ প্ৰাসঙ্গিকতা সোমাই থকা নাই । জীৱনটো যাতে সকলোৰে উজ্জ্বল হয় আৰু সমৃদ্ধিময় হয় তাৰ আশাৰে এই চমু বাক্যবোৰ লিখিলো।◆◆◆

# নাৰী আৰু নাৰীয়ে সন্মুখীন হোৱা কিছু সমস্যা

✍ মিতালী গগৈ
স্নাতক ষষ্ঠ যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান সমাজ ব্যৱস্থাত সকলো দিশৰে উন্নতি হলেও নাৰী হিচাপে কোনোখিনিত যেন আজিও আমি কৰবাত নহয় কৰবাত এডাল শিকলিৰে বান্ধ খাই আছো, সমাজৰ পুৰণিকলীয়া ৰীতি-নীতিবোৰক দুহাই দি হয়তোবা পিতৃতান্ত্ৰিক সমাজব্যৱস্থাই আমাক কিছু ক্ষেত্ৰত পৰাধীন কৰি ৰাখিছে যেন। ডাঙৰ হৈ অহাৰ লগে লগে এজনী ছোৱালীৰ বিয়া নামৰ বান্ধোনটোত বান্ধ খাবলৈ কিছুমান আত্মীয় নতুবা কিছুমান পিতৃ-মাতৃয়ে যিমানখিনি জোৰদিয়ে, ল'ৰাৰ ক্ষেত্ৰত জানো তেনেকুৱা কৰে? বৰ্তমান শিক্ষিত সমাজ ব্যৱস্থাত ছোৱালীবোৰৰ বিয়াই শেষ লক্ষ্য হোৱা উচিতনে, ছোৱালীবোৰৰ জানো সপোন নাথাকে? এইখিনিতে যেন বিভেদ মনোভাৱ পুহি ৰাখে ল'ৰা-ছোৱালীৰ মাজত। নাৰী পুৰুষক সমভাৱে চোৱাত সমাজখন

আজিও যেন পিছপৰি আছে এনেধৰণৰ হয়।

যিসকলে ছোৱালী এজনীৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত গুৰুত্ব নিদি বিয়াৰ বাবে জোৰ কৰে তাৰ একাংশই আক' শিক্ষিতই হয়, এনে পৰিবেশৰ সৃষ্টি কৰে যেন ছোৱালীবোৰৰ নিজস্বতাৰে এটা পৰিচয় গঢ়াৰ এটা উপাৰ্জন পথ এটা বাছি লোৱাৰ কোনো অধিকাৰেই নাথাকে। বহু শিক্ষিক নাৰীয়ে নিজৰ ইচ্ছা-অনিচ্ছাক জলাঞ্জলি দি পৰিয়ালৰ নতুবা আন আত্মীয়ৰ হেঁচাত পৰি এনে ধাৰণাৰ বলি হবলগা হয়। যাৰ বাবে কিছুমান নাৰীয়ে নিজৰ মতে জীৱনটো সজাই মুকলিমুৰীয়াভাৱে জীৱনটো উপভোগ কৰিবলৈ ব্যৰ্থ হয়, মানসিক ভাৱে সৱল নোহোৱাকৈ, ঘৰ এখনৰ দায়িত্ব লব পৰাকৈ পৰিপক্ক নোহোৱাকৈয়ে বহুতো নাৰীয়ে বিবাহ নামৰ বান্ধোনটোত সোমাই পৰিব লগা হয়। যাৰ বাবে ঘৰএখনৰ লগতে সমাজখনেও নানান সমস্যাৰ সন্মুখীন হ'ব লগা হয়। এগৰাকী নাৰীয়ে সন্মুখীন হোৱা এনেধৰণৰ পৰিস্থিতি সমূহৰ সতে যুঁজ দিবৰ বাবে উঠি অহা নৱ প্ৰজন্মৰ নাৰীসকলৰ সাহসী হোৱা অতি প্ৰয়োজন। যাতে পুৰুষ সকলৰ সমানে সকলো নাৰীয়ে তেওঁলোকৰ সপোনবোৰ, হেঁপাহবোৰ পুৰ কৰিবলৈ সক্ষম হয়, লগতে শিক্ষিত সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে পুৰষ-মহিলাক সমভাৱ পোষণ কৰি নাৰী সকলক সমাজখন সুস্থ ভাৱে, সবল ভাৱে গঢ়ি তুলি আগুৱাই নিবলৈ সাহস আৰু প্ৰেৰণা দিব লাগে। যিহেতু সমাজখন সুস্থভাৱে গঢ়ি তোলাত নাৰীসকলে অগ্ৰণী ভূমিকা পালন কৰে। প্ৰত্যেক গৰাকী শিক্ষিত নাৰীয়ে যাতে পৰিচয়ৰ ক্ষেত্ৰত মাথো কাৰোবাৰ জী, কাৰোবাৰ পত্নী নতুবা কাৰোবাৰ মাতৃ হিচাপেই নিজৰ পৰিচয় সীমাবদ্ধ নাৰাখি নিজস্বতাৰে আন এটা পৰিচয়ো গঢ়ি তুলিবলৈ সক্ষম হ'ব পাৰে।◆◆◆

# নাৰী আৰু সামাজিক নিৰাপত্তা

✍ কশ্মিতা খনিকৰ
স্নাতক প্ৰথম ষাণ্মাসিক

সৃষ্টিৰ মূল চালিকা শক্তি নাৰী। দয়া, আদৰ্শ ধৈৰ্য্য, ক্ষমতা ত্যাগৰ প্ৰতীক নাৰী, নাৰী অবিহনে এখন সমাজ অসম্ভৱ। বিভিন্ন গুণ আৰু প্ৰতিভাৰে ভৰপূৰ বাবেই নাৰী সকলক কোৱা হয় - 'নাৰী তুমি অনন্য।"

বিভিন্ন গুণেৰে বিভূষিতা হৈয়ো একৈশ শতিকাৰ বৰ্তমানৰ নাৰী সমাজত বিভিন্ন কাৰণত লাঞ্চিত আৰু অৱহেলিত। যি নাৰীক দেৱীৰূপে পূজা অৰ্চনা কৰা হয় সেই নাৰী আজি সুৰক্ষিত নহয়। আজি নাৰী সমাজ শিক্ষিতা, পুৰুষৰ হাতে হাতে মিলাই চলিব পৰা, পুৰুষৰ তুলনাত বেছি আগবঢ়া নহলেও কম নহয়, তথাপি নাৰী সুৰক্ষাহীন। বৰ্তমান যুগত ও কন্যা সন্তান জন্ম হ'লে হত্যা কৰা, পত্নীক নিৰ্যাতন, যৌতুকৰ বাবে বোৱাৰী হত্যা, ডাইনীকেন্দ্ৰীক অন্ধবিশ্বাস, ধৰ্ষণ, পণ্য সামগ্ৰী ৰূপত নাৰী ক্ৰয়-বিক্ৰয়, বাল্যবিবাহ, আইৰ তুল্য নাৰীক অশ্লীল, আশালীন ব্যৱহাৰ কৰা হয়।

নাৰী উন্নয়ণৰ বাবে বিভিন্ন সভা সমিতি গঠন হৈছে, নতুন নতুন আইন প্ৰণয়ন হৈছে। শিক্ষানুষ্ঠান, চাকৰি, ৰাজনীতি আদিত নাৰীৰ বাবে সংৰক্ষিত আসনবো ব্যৱস্থা কৰা হৈছে। তথাপি ৮০ শতাংশ নাৰীকেই এই সমূহ আঁচনিয়ে স্পৰ্শ কৰা নাই। ৮ মাৰ্চত সমগ্ৰ পৃথিৱীত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰি নাৰীৰ উন্নতি প্ৰদৰ্শন কৰা হয়। কিন্তু সেয়া মাত্ৰ কাগজ-কলম আৰু গণমাধ্যমত হে উন্নতি হৈছে বাস্তৱত তাৰ বিপৰীত চিত্ৰ।


নাৰীৰ সামাজিক নিৰাপত্তাৰ বাবে নাৰী সমাজক আৱৰি ধৰা কু-সংস্কাৰবোৰ নাশ কৰি ৰক্ষণশীল সমাজে জাপি দিয়া অন্যায় আৰু নিৰ্যাতনৰ বিৰুদ্ধে যুঁজ কৰি, নিজৰ প্ৰাপ্য সামাজিক অধিকাৰসাব্যস্ত কৰিব লাগিব। কিয়নো ইয়াতে নাৰী সমাজৰ নিৰাপত্তা, স্বাধীনতা, সামাজিকতা, লগতে সাংবিধানিক অধিকাৰ লুকাই আছে।

বৰ্তমান সময়ত আমাক লাগে সঁচা অৰ্থত পৰিবৰ্তন। য'ত থাকিব মানৱতা সঁচা ভালপোৱা। কাৰণ মানৱতা অবিহনে প্ৰকৃত মানুহ অবিহনে সুস্থ সমাজ নহয়। তাৰবাবে পুৰুষ নাৰী সকলোৱে একগোট হৈ প্ৰকৃত সমাজ গঠনত চেষ্টা কৰিব লাগিব। তেতিয়াহে সম্ভৱ হ'ব নাৰীৰ সামাজিক নিৰাপত্তাৰ এনাজৰী।

# নাৰী আৰু আমাৰ দায়বদ্ধতা

✍ প্ৰেৰণা গগৈ
ষষ্ঠ ষাণ্মাসিক
ৰাসায়ন বিজ্ঞান বিভাগ

আজিৰ কন্যা শিশু এদিন নাৰী হ'ব, মাতৃ হ'ব, গৃহলক্ষ্মী হ'ব। ত্যাগৰ প্ৰতীক নাৰী এখন ঘৰৰ জীয়ৰীৰূপে, স্ত্ৰীৰূপে, মাতৃৰূপে পিছত শাহুৰূপেও সুদীৰ্ঘ জীৱনৰ বহু দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলগীয়া হয়। কিন্তু এটা অতি গুৰুত্বপূৰ্ণ কথা যে স্বাধীনতাৰ ইমান বছৰৰ পিছতো আমাৰ দেশত নাৰীয়ে প্ৰাপ্য অধিকাৰ মৰ্য্যদা পোৱা নাই। কেৱল শাৰিৰীক পাৰ্থক্যৰ বাহিৰে অন্য সকলোৰে একে হ'লেও পুৰুষতান্ত্ৰিক সমাজত নাৰীক সদায় দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপেহে প্ৰাধান্য দিয়া দেখা যায়। সমাজৰ সকলো শ্ৰেণীৰ ক্ষেত্ৰতে এয়া কম বেছি পৰিমানে প্ৰযোজ্য। নাৰীক কেৱল পণ্য সামগ্ৰী হিচাপে চোৱা লোকেই সমাজত বেছি। নাৰী কতো নিৰাপদ আৰু সুৰক্ষিত নহয়। ফুল কুমলীয়া ছোৱালীৰ পৰা বৃদ্ধালৈকে শোষণৰ বলি হব লগীয়া হয়। সেয়ে কেন্দ্ৰীয় চৰকাৰে নাৰীক সুৰক্ষা আৰু নিৰাপত্তা দিয়াৰ লগতে নাৰীৰ বিভিন্ন সমস্যা সমাধান কৰি নাৰী অধিকাৰ নিশ্চিত কৰিবৰ বাবে ১৯৯২ চনত ৰাষ্ট্ৰীয় মহিলা আয়োগ কঠন কৰে। কিন্তু এই আয়োগ সমূহে সকলো ক্ষেত্ৰতে সফল হব পৰা নাই। সমাজৰ সকলো স্তৰৰ মানুহৰ সহযোগ, সমৰ্থন লগতে অসংগঠিত নাৰী সমাজক নিজৰ অধিকাৰ কৰ্তব্যৰ প্ৰতি সচেতন কৰিব পাৰিলেহে এখন অপৰাধমুক্ত সমাজ সম্ভৱপৰ হ'ব। এই ক্ষেত্ৰত কিন্তু নাৰী হিচাপে আমাৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। প্ৰথমে নাৰীয়ে নিজৰ ঘৰখনৰ পৰাই আৰম্ভ কৰিব লাগিব। নিজৰ ঘৰখনত প্ৰথমে কন্যা সন্তানে সন্মান, মৰ্য্যদা পাব লাগিব। ল'ৰা সন্তান, কন্যা সন্তান বুলি ভাগ নকৰি একে মানৱ সন্মান হিচাপে লোৱাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। উপযুক্ত শিক্ষাৰে শিক্ষা দি কন্যা সন্তানক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ উৎসাহ যোগাব লাগিব। কন্যা সন্তানক পিতৃৰ সম্পত্তিৰ অধিকাৰ দিয়াটোও নিশ্চিত কৰিব লাগিব। কন্যা সন্তানক আত্মৰক্ষাৰ কাৰণে জুডো, কেৰাটে আদিৰ শিক্ষা দিব লাগিব। নাৰীৰ কাৰণে থকা আইন কানুনসমূহ কঠোৰভাৱে কাৰ্য্যকৰী কৰিবলৈ হেঁচা প্ৰয়োগ কৰিব লাগিব।



নিৰ্য্যাতনকাৰীক দৃষ্টান্তমূলক শাস্তি দিবলৈ উদাত্ত কণ্ঠস্বৰে দাবী কৰিব পাৰিব লাগিব।শিক্ষিত তথা ক্ষমতাও থকা নাৰী সকলৰ দায়িত্ব এই ক্ষেত্ৰত অতিশয় বেছি। বছৰত এদিন ৮ মাৰ্চ তাৰিখে আৰ্ন্তজাতিক নাৰী দিৱস পাতিলেই সমস্যাৰ সমাধান নহয়। অৰ্থনৈতিক দিশত পিছ পৰি থকা অঞ্চল আদিৰ নাৰীক শিক্ষিত কৰি তুলি, নাৰীৰ মনৰ পৰা এলান্ধুকুলীয়া নীতি নিয়মৰ মাজৰ পৰা বৈজ্ঞানিক সন্মত মানসিকতা গঢ়ি তুলিবলৈ ঐক্যবদ্ধভাৱে নাৰীয়ে কাম কৰি যাব লাগিব। সকলো ক্ষেত্ৰতে পুৰুষৰ সমানে আগবাঢ়ি আহিবলৈ আজিৰ নাৰীৰ মনত থাকিব অদম্য সাহস। " লাও সদায় পাতৰ তলত" বুলি সততে নাৰীক তুচ্ছ জ্ঞান কৰা মন্তব্যৰ বিৰুদ্ধে নাৰীয়ে মাৰ বান্ধি থিয় দিব লাগিব। প্ৰতি বছৰে আমাৰ দেশত নাৰীক সৰস্বতী, লক্ষ্মী, দুৰ্গা সজাই মাটিৰ প্ৰতিমাকে পূজা কৰে। কিন্তু বাস্তৱক্ষেত্ৰত তাৰ ওলোটা ছবি এখনহে দেখিবলৈ পোৱা যায়। সেয়ে আজিৰ নাৰীয়ে কেৱল ৰোহঘৰত, ওৰণি তলত মুখ ঢাকি নাৰাখি ওলাই আহিব লাগিব নিজৰ অধিকাৰৰ বাবে তেতিয়াহে প্ৰকৃতাৰ্থত সুৰক্ষিত হ'ব নাৰী স্বাধীনতা।◆◆◆

# বৰ্তমান সময়ত মানৱতা

✍ বিপাশা গগৈ
প্ৰথম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

"সাম্প্ৰতিক পৰিৱেশ আৰু পৰিস্থিতিৰ মাজত সমযোজনা কৰাটো প্ৰতিজন মানুহৰ সন্মুখত এটাই কঠোৰ প্ৰত্যাহ্বান।" কথাযাৰৰ যুক্তি বিচাৰ কৰিবলৈ গলে আমি দেখা পাওঁ যে ধনী দুখীয়া সকলো পৰ্যায়ৰ মানুহৰ আভ্যন্তৰত লুকাই থাকে জীৱনৰ লক্ষ্য। ডেউকা অনুসাৰে যেনেকৈ চৰাই বিলাক কম বেছি পৰিমাণে ওপৰলৈ উৰিব পাৰে ঠিক তেনেকৈ জীৱনৰ সফলতা নিজৰ সামৰ্থ শক্তিৰ অনুযায়ী নিজৰ নিজৰ জীৱনৰ গতিপথ গঢ়িব পাৰে । চাৰ্লচ কিংছলে কৈছিল - " আপোনাৰ মাজত কিমান শক্তি লুকাই আছে তাক আপুনি কল্পনা কৰিব নোৱাৰে। আপুনি এনে কিছুমান কাম কৰিব পাৰিব যি আপোনাৰ চিন্তাৰো অতীত। 'নোৱাৰো' - এই কথাটো কেতিয়াও মনলৈ নানিব। সকলো সময়তে ভাবিব যে আপুনি পাৰিব। এনেধৰণৰ যোগাত্মক চিন্তাই আপোনাক সাফল্যৰ উচ্চ শিখৰলৈ লৈ যাব। আজিৰ মানুহে মানৱীয় সত্বাক বিসৰ্জন দি অধিক ধন সম্পত্তি আহৰণতহে গুৰুত্ব আৰোপ কৰা দেখা যায়। ইয়াৰ ফলত মানবীয় প্ৰমূল্যবোধৰ অভাৱ হোৱা দেখা গৈছে। কিন্তু এইখিনিতে মই একান্ত দৃঢ়তাৰে কব পাৰো যে মানুহৰ বাবে ধনেই কেৱল শ্ৰেষ্ঠ হ'ব নোৱাৰে। কেৱল ধন হ'লেই সমাজত বৰ মানুহ কবও নোৱাৰি। সেয়ে ধনেই মগজুৰ ভোক বুলি ভবাজন সমাজৰ বাবে কিমান প্ৰয়োজনীয় সেইয়া বিচাৰ কৰাৰো প্ৰয়োজন আছে।



মানৱ সমাজৰ বাবে বৰ্তমান লজ্জাৰ বিষয় হৈ পৰিছে যে মানুহে মানৱতা পাহৰি গৈছে। মানুহৰ চিন্তাধাৰাৰ সংশোধন কৰাৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। যদি সাম্প্ৰতিক সময়ক বিচাৰ কৰা হয় তেতিয়া দেখা পোৱা যাব যে বৰ্তমান সমাজত হত্যা, হিংসাৰ প্ৰৱণতা বাঢ়ি আহিছে। মানুহে মানুহক হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। আচলতে মানবীয় সমাজে কোন দিশেৰে গতি কৰিছে সেইয়া বিশ্লেষণৰ প্ৰয়োজন।

যান্ত্ৰিকতাৰ যুগত সহজ সৰল জীৱন এটা সকলোৰে কাম্য, অথচ কলুষতাৰে ভৰপুৰ আজিৰ সমাজ। আজি ভোগবাদী বস্তুবাদী পৃথিৱীখনক এৰি আমি কোনো কথা ভাবিবলৈ সাজু নহয়। আমাৰ প্ৰতিজনৰে লক্ষ্য বস্তুবাদী জগতখনৰ মাজত সীমাবদ্ধ থকাতো উচিত নহয়। নিৰ্ঘাত সত্য যে আজিৰ সময়ছোৱাত আমাৰ দেশ আৰু সমাজত ভাল মানুহৰ অভাৱ বাৰুকৈয়ে পৰিস্ফুট হৈছে। আজিৰ মানৱ সমাজৰ বৃহৎ সংখ্যককেই খোৱা, পিন্ধা আৰু সস্তীয়া আদৰ্শত বন্দী যাৰ বাবে প্ৰকৃতিৰো বহুত ক্ষতি হোৱা দেখা গৈছে।

মানুহৰ প্ৰয়োজনীয় সকলো সামগ্ৰীয়ে পৰিবেশত উপলব্ধ। কিন্তু অধিক ভোগবাদী লালসাই প্ৰকৃতিৰ ওপৰত যি নিৰ্যাতন চলোৱা হৈছে তাৰ ক্ষতিপূৰণ কিন্তু মানুহৰেই হব। অধিক লালসাই মানুহক যন্ত্ৰত পৰিণত কৰাও বৰ্তমান সমাজখনত দেখা যায়। মানৱতাৰ উৰ্দ্ধত এনে কিছুমান ঘটনা সুলভ হৈ পৰিছে যে মানুহৰ ভৱিষ্যত কি হব সেইয়া বিচাৰ কৰাৰ প্ৰয়োজন আহি পৰিছে।

আজি কালি বেছিভাগ ধনী পিতৃ-মাতৃয়ে নিজৰ সন্তানটো পঢ়ি-শুনি ডাক্তৰ ইঞ্জিনিয়াৰ হোৱাটো বিচাৰে, ইয়াৰ পিছত লুকাই থাকে অৰ্থ উপাৰ্জনৰ লোভ আৰু সমাজত ভাল স্থিতিৰ লোভ। কিন্তু এই লক্ষ্যবোৰৰ উদ্দেশ্য মানৱতাৰ সেৱাৰ বাবে হোৱা উচিত। দুখীয়া মেধাৱী ছাত্ৰ-ছাত্ৰী এজনক জীৱনৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰাৰ মনোভাৱ সমাজৰ কম সংখ্যক ব্যক্তি আছে সেইয়া কঠোৰ সত্য হিচাপে প্ৰচলিত হৈ উঠা দেখা যায়, আজিৰ প্ৰতিগৰাকী সৎ পিতৃ-মাতৃ আৰু শিক্ষা গুৰুসকলে শিশুসকলক মানৱতাৰ মহামন্ত্ৰেৰে দীক্ষিত কৰি তুলিবলৈ চেষ্টা কৰা উচিত, এইখিনিতে এটা কথা সকলোৱে মনত ৰখা উচিত যে, নিজৰ লগতে সমাজ তথা ৰাইজৰ কল্যাণৰ হকে কাম কৰাটোৱেই ভাল মানুহৰ লক্ষ্যণ। ভাল মানুহৰ প্ৰধান পৰিচয় স্বাৰ্থত্যাগ, শৈক্ষিক পৰিবেশ তথা শিক্ষা প্ৰণালীৰ আমুল পৰিৰ্বতন অবিহনে ভাল মানুহৰ সমাজ এখন লাভ কৰাটো সম্ভৱ নহয়।

আনহাতে আজিৰ দেশসেৱকৰ নামত কেৱল আত্মসেৱাত ব্ৰতী ৰাজনৈতিক নেতা সকলৰ দ্বাৰা প্ৰকৃততে মানুহৰ কল্যাণৰ বাবে সমাজৰ একো উপকাৰ সাধন নহয়। বৰ্তমানৰ এনে পৰিস্থিতিত অভিভাৱকসকলে সন্তানক সুস্থ পৰিৱেশ সৃষ্টি কৰি সমাজৰ কল্যাণৰ হকে পৰিৱেশৰ লগত সমযোজনা হোৱাৰ শিক্ষা প্ৰদান কৰা উচিত। "উপদেশতকৈ আৰ্হি ভাল" সেয়ে প্ৰত্যেক জন ব্যক্তি সুস্থ চিন্তাধাৰাৰ মানসিকতাৰে সমৃদ্ধ হৈ সমাজৰ দহজনৰ বাবে আদৰ্শ হোৱা উচিত। ◆◆◆

# AWARENESS ON ABANDONMENT OF ANIMALS

✍ Sarupa Tamuli
B.Sc 3rd Semester
Zoology Department

Abandoned pets are companion animals that are either inadvertently or deliberately cast off by their owners. These animals are those which are left behind all alone on the property or streets, re-homed to a friend or family member, or relinquished at an animal shelter. Most of the animals are abandoned or dumped in the streets, deserted placed or even in dustbins, sometimes rapped in plastics and sometimes just left behind to be waited and to suffer.

In each year, there are a lot of animals that are abandoned by their owners and left on the streets. Some are even rapped in the garbage bags and dumped in the trash. Though most of the abandoned animals are rescued each day there are lot of animals that are still not rescued. Those animals are not only abandoned by the owners but are also abused by them and some of the people around.

Animals that are left at a shelter out of them many are euthanized due to a lack of space and financial resources for these animals. Shelters unable to raise additional funds to provide for the increased number of incoming animals have no choice but to euthanize them, sometimes within days. But apparently 7.6 million companion animals enter animal shelters nationwide every year and out of those 3.9 million are dogs 3.4 million are cats. It is also that each year around 2.7 million dogs and cats are killed every year because shelters are too full and there aren't enough adoptive homes.

In United States, approximately 6.5 million companion animals enter animal shelters every year. About twice as many animals enter shelters as strays as compared to the number of animals relinquished by their owners. It's impossible to really determine how many stray dogs and cats live in United States as it estimates for cats alone range up to 70 million. However, the number of dogs and cats euthanized in U.S. shelters declined from approximately 2.6 million in 2011 to 1.5 million in 2018. This decline can be partially explained by an increase in the percentage of animals adopted, and an increase in the number of stray animals successfully returned to their owners.


In some cases, studies even show that the majority of people who voluntarily cease to keep an animal are also reported to be emotionally attached to the dogs. It is also reported that when people are forced to abandon their animals in an evacuation people suffer from mental issues such as grief, depression, and post-traumatic stress disorder. Recognizing the importance of pets to their owners and their role in public health is an essential first step in improving a public health problem that has been repeatedly in the past and is unlikely to change in the future.

Often, when the pets are abandoned,

they are forced to fend for themselves and become stray or feral. In particular, cats and dogs go to colonies. It's said that feral cats are more numerous than feral dogs and can become challenging to handle and socialize enough to be re-introduced to a new human owner. Generally, only some newly abandoned cats and very young feral kittens can be tamed.

Stray animals increase potential exposure to zoonotic diseases like rabies. Cat bites or scratches involving stray or feral animals are eight times more common than dog bites.

Currently, the exact number of foreclosed pets is unknown. People often drop animals off at a shelter and claim they are moving, when they are actually leaving due to foreclosure. In 2008, the number of foreclosure pets was believed to had increased due to high foreclosure rates. As homeowners run out of time and options, they often leave their animals behind. The animals are then classified as abandoned foreclosure pets.



The pets left behind in homes are often left without food or water. Some are chained letting them unable to move and be waited for their owners to come back. Some animals do not survive because of the lack of resources and are found dead when realtors or banks enter the premises. The animals are put in harm's way, and it is often believed it is done as a way to retaliate against those who took the home away.

Sometimes people surrender animals because they think it's the only possible solution. Perhaps someone with a severe cat allergy joins the household, and the family doesn't realize that these allergies can often be treated or managed. Sometimes people are separated from their animal companions because they become too sick to care for them. Many people don't know about the importance of advance planning for their animal family, and so their animal companions end up in the shelter. Saddest of all is when people die without having made arrangements for their companions. Often these animals are elderly and don't adapt well to the shelter environment. Some of them never make it out of the shelter because they are scared or unfriendly, and potential adopters pass by them.

People who leave their animals at the shelter frequently give moving as a reason for abandonment of the animals. The paperwork for each animal tells the story:

"Moving out of state and cannot take cat."

"New landlord does not allow dogs."

"Found cat in apartment next door after neighbour moved out."

"No space in new home for dog."

But most of the time moving is just an excuse. One study showed that more than half of the people surrendering animals because of moving also report behaviour problems. In other words, the move often isn't the real issue.

Behavioural problems are the most common reason why people give up their dogs, and they are the second most common reason for cats. Behavioural problems can be very serious, like biting or aggression in dogs but more often common dog and cat issues are like inappropriate elimination, destructiveness,

barking or meowing, or not getting along with other animals in the home. Sometimes the problem is one of inappropriate expectations: "Cat isn't friendly enough," or "Dog needs too much attention." Most behavioural issues can be corrected, but because of the lack of knowledge or the commitment that are needed to be done people often abandon their pets.

People surrendering an animal with behaviour issues don't want to hurt their animal's chances of adoption from the shelter, so they may mislead shelter staff and explain the surrender as due to allergies or a move. This makes it even harder for the shelter to find that animal a suitable home. Or the animal might be adopted, only to be returned by the new guardian as soon as the problem behaviour starts.

As per, people believe that one of the most important jobs of an animal shelter is to reduce the number of abandonments through outreach and education. Many animal shelters now have printed information on coping with the most common behavioural problems, and some even provide telephone hotlines to help people work through issues. Shelters can help to educate adopters about the commitment involved in being an animal caregiver. It's also important for anyone thinking about adopting an animal to consider in advance how they will deal with potential issues, so that they don't end up adding to the numbers of abandoned animals.

In many states in the United States, it is a felony to abandon a pet. In New York, it is considered a misdemeanour, and the recent senate bill S410 proposes to increase the maximum fine for the crime of abandonment of animals to $2,000.

However, there is still a necessity to investigate interventions to prevent companion-animal relinquishment.

The average amount of animal abuse cases each year is 1,920. Pet abandonment is a prime example of a huge issue in the world that needs to be addressed. With hope, teens have risen to this issue and helped hugely. It is good that how shelters help, how volunteers help, and it would have been better if we can prevent this horrible issue, but there are also downsides to this, like animals being abused and neglected, as this is how the issue happens. It is known that an owner who can leave pets alone and, on the street, usually have no fine or jail time. According to the Humane Society of the United States, many people get charged every day for animal abuse and there are so many owners that are not charged, it is hard to count. Their best chance for their animals to survive is bringing them to a shelter or leaving them on the street. They cannot pay for food, water and necessary vet visits, special medicine, and beds/toys or just don't feel the need to. This leads to neglect because the cost gets to be too much or the pet gets sick and starving. If it had to be in this situation, anyone would probably choose best for their pet they would drop it off at the shelter, but because of overpopulation, and the issue that they don't think they have to take care of the pet there is an increasingly large amount of animals and they cannot accommodate these animals. According to the New York Times some pet owners accidently take in pets (meaning they have feelings for pets) and they end up not being able to care for these pets, and neglecting them.

In conclusion, pet abandonment is a worldwide concern that should be addressed. But there is hope for all pets that are being abused and neglected. This issue is being helped by shelters, volunteers, and the people who help to prevent this, but there are still pets out there that need our help. It is important to acknowledge people about this matter.◆◆◆

# অসমীয়া ভ্ৰমণ সাহিত্য ঃ এটি সংক্ষিপ্ত মূল্যায়ণ

✍ **কল্পনা বৰুৱা, প্ৰাক্তন ছাত্ৰী**
প্ৰাক্তন আলোচনী সম্পাদিকা
সোণাৰি মহাবিদ্যালয়
*প্ৰৱক্তা, মাহমৰা কণিষ্ঠ মহাবিদ্যালয়*

পৃথিৱীৰ প্ৰত্যেক মানুহৰ এটা স্বতঃস্ফুৰ্ত অনুৰাগ হৈছে-ভ্ৰমণ। ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে প্ৰাগ্ ঐতিহাসিক যুগৰে পৰা মানুহে প্ৰকৃতিৰ প্ৰতিকূল পৰিস্থিতিকো অতিক্ৰম কৰি বিভিন্ন ঘাত-প্ৰতিঘাট, বাধা-বিঘিনি, বন্য প্ৰাণীৰ আক্ৰমণ প্ৰতিহত কৰি এঠাইৰ পৰা আন ঠাইলৈ দল বান্ধি পৰিভ্ৰমণ কৰিছিল। নানা ধৰণৰ দুৰ্গম দুৰ্ভেদ্য অৰণ্য, পৰ্বত-পাহাৰ, নদ-নদী পাৰ হৈ খাদ্য আৰু আশ্ৰয়ৰ অনুসন্ধান কৰি সেই সময়ত মানুহে এনেদৰে ঘূৰি ফুৰিছিল। আজিৰ আধুনিক মানুহৰ এই সভ্য জীৱন-যাপন কৰাৰ মূলতে আছে আদিম যুগৰ মানুহৰ জীৱন আৰু জীৱিকাৰ খাতিৰত কৰা বহু দীঘলীয়া সংগ্ৰামৰ ইতিহাস। জীৱন আৰু জীৱিকাৰ সন্ধানত পৰিভ্ৰমণৰ সেই প্ৰক্ৰিয়া আজিও অবিৰতভাৱে অব্যাহত থকা দেখা যায়।

বৰ্তমানৰ আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সাফল্যৰ যুগতো মানুহে জীৱন-জীৱিকাৰ সন্ধানৰ উদ্দেশ্যে পৃথিৱীৰ এঠাইৰ পৰা আন ঠাইলৈ গৈছে। অৱশ্যে আজিৰ সভ্য, শিক্ষিত মানুহে কেৱল জীৱন-জীৱিকাই নহয়, জ্ঞান অন্বেষণৰ অদম্য স্পৃহা, শিক্ষা আহৰণৰ ক্ষেত্ৰত বিচিত্ৰ অভিজ্ঞতা লাভৰ বাবেও ভ্ৰমণ কৰে। মানুহৰ জ্ঞান আহৰণৰ অদম্য কৌতুহলে মহাসাগৰৰ তলিৰ পৰা মহাকাশলৈয়ো গতি কৰে। সীমাৰ পৰিধি অতিক্ৰমি মহাকাশতো জীৱন, বসতি স্থাপনৰ অনুসন্ধান প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। সাম্প্ৰতিক সময়ত মানুহে বিভিন্ন উদ্দেশ্য আগত ৰাখি ভ্ৰমণ কৰিবলৈ যায়। জ্ঞান অন্বেষণ, শিক্ষা আহৰণ, ৰাজনীতি, ব্যৱসায়-বাণিজ্য, অৱসৰ বিনোদন তথা মানসিক পৰিতৃপ্তি লাভ, ধৰ্মীয় মাগ দৰ্শন, জীৱন-জীৱিকা, গতানুগতিক জীৱনৰ কৰ্ম ব্যস্ততাৰ পৰা কিছু বিৰতি বিচাৰি ন উদ্যম লাভৰ বাবে মানুহে ভ্ৰমণ কৰে। অৰ্থাৎ নিছা আৰু পেছা দুয়োটা কাৰণতে মানুহে ভ্ৰমণ কৰে। আজিৰ দিনত ভ্ৰমণ-জ্ঞান আহৰণৰ এক উপযুক্ত গুৰুত্বপূৰ্ণ মাধ্যম। কিন্তু মানুহৰ আমৃত্য এই বোধ, জ্ঞান আহৰণ আৰু শিক্ষাৰ অভিজ্ঞতা সঞ্চয়ৰ চিৰন্তন হাবিয়াস এই ভ্ৰমণৰ সুযোগ আৰু সুবিধা সমানে সকলোৰে জীৱনলৈ নাহে। তথাপি দৃষ্টিৰ অগোচৰৰ যিকোনো বস্তুৰ বিষয়ে জানিবলৈ, নেদেখাক চাবলৈ, নুবুজাক বুজিবলৈ স্বাভাৱিক ভাৱেই মানুহৰ অন্তৰত, মনত এক দুৰন্ত ইচ্ছা বা আকাংক্ষা পুঞ্জীভূত হৈ থাকে। সেয়ে "নানা ঠাই ফুৰে যি নানা কথা শিকে সি" বুলি আমাৰ অসমীয়া সমাজত প্ৰচলিত এই তত্ব কথাত ভ্ৰমণৰ তাৎপৰ্য্য নিহিত হৈ আছে।

যুদ্ধোত্তৰ যুগত যাতায়ত ব্যৱস্থাৰ অভূতপূৰ্ব অগ্ৰগতিৰ বাবে মানুহে নিজ দেশৰ লগতে বিদেশৰ বিভিন্ন ঠাইলৈ যোৱাৰ সুবিধা লাভ কৰিব পাৰিছে। বিশ্বৰ ভ্ৰমণকাৰী তথা ভ্ৰমণ প্ৰিয় লোকসকলে চৰকাৰী সা-সুবিধা গ্ৰহণ কৰিয়েও হওঁক বা দলগত ভাবেই হওঁক বা নিজস্ব খৰচেৰেই হওঁক ভ্ৰমণ কৰিবলৈ যায়। যিমানেই পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ হাজাৰ হাজাৰ মানুহে মনত পুঞ্জীভূত হৈ থকা অনুৰাগৰ বাবে ভ্ৰমণ কৰিবলৈ ধৰিছে সিমানেই মানুহৰ মাজত ভ্ৰমণৰ জনপ্ৰিয়তা বাঢ়িছে। লগে লগে বিভিন্নজন ভ্ৰমণকাৰীয়ে ভ্ৰমণৰ ৰসাল কাহিনী, বিচিত্ৰ অভিজ্ঞতাক সূক্ষ্ম অনুভূতিৰে সাৱলীলভাৱে বৰ্ণনা কৰি শৈল্পিক মাত্ৰা দানেৰে সাহিত্যৰ ৰূপ দি গ্ৰন্থ আকাৰে প্ৰকাশ কৰি পাঠক সমাজৰ মনৰ লগত একাকাৰ হ'বলৈ সুবিধা কৰি দিছে আৰু বিশ্ব সাহিত্যত ভ্ৰমণ সাহিত্যৰ প্ৰসাৰতা আৰু জনপ্ৰিয়তা বাঢ়িছে।

ভ্ৰমণ সাহিত্য হ'ল- সাহিত্যৰ এটি বিশেষ ভাগ। এখন সাহিত্যৰ যোগেদি নিজ দেশৰ উপৰিও বিদেশৰ মানুহৰ জীৱন ধাৰণৰ পদ্ধতি, শিক্ষা, সাহিত্য, সংস্কৃতি, আৰ্থ-সামাজিক দিশ স্থাপত্য-ভাস্কৰ্য্য ৰাজনীতি, সমাজনীতি, ধৰ্মীয় দিশ, লোক বিশ্বাস, লোকাচাৰ, ইতিহাস আদিৰ বিষয়ে জনাৰ সুবিধা লাভ কৰে। সেয়েহে সাম্প্ৰতিক সময়ত ভ্ৰমণ সাহিত্যৰ গুৰুত্ব বহু বেছি।

কিন্তু চিন্তাবিদ সকলৰ আলোচনা-বিলোচনা, বিভিন্ন লেখনি অধ্যয়ন কৰি জানিব পৰা গৈছে যে আমাৰ অসমীয়া সাহিত্যত বিভিন্ন কাৰণত ভ্ৰমণ সাহিত্য বিষয়টো অন্যান্য বিষয়ৰ তুলনাত উপেক্ষা কৰি চলা হৈছে। গতিকে অন্য দেশৰ ভ্ৰমণ সাহিত্যৰ তুলনাত অসমীয়া ভ্ৰমণ সাহিত্য শক্তিশালী আৰু পৰ্য্যাপ্ত পৰিমাণৰ নহয় বুলি ক'ব পৰা যায়। বহু সৃষ্টিশীল লেখকে বিশ্বৰ বিভিন্ন ঠাইলৈ প্ৰয়োজনীয় সুযোগ সুবিধা আৰু

অৰ্থৰ নাটনিৰ বাবে যাব নোৱাৰে। বহু লেখকে আকৌ ভ্ৰমণ অভিজ্ঞতাক সাহিত্যৰ ৰূপত সৃষ্টি কৰোতে কিছুমান বিশেষ দিশ সংযোজন ঘটাব নোৱাৰে। সূক্ষ্ম পৰ্যবেক্ষণ শক্তি, মননশীলতা, কাব্যিক সংবেদনশীলতা, অনুসন্ধিৎ সুপ্ৰৱণ, ভাষাৰ মধুৰতাৰ অবিহনে কোনো এখন ঠাই বা দেশ ভ্ৰমণৰ বৰ্ণনা সাহিত্যৰ ৰূপ পোৱা দেখা নাযায়। ভ্ৰমণকাৰী লেখকে তেখেত সকলৰ ভ্ৰমণৰ বৰ্ণিল অভিজ্ঞতাক প্ৰয়োজনীয় অভিব্যঞ্জনাৰে মূৰ্ত কৰি তুলিব পাৰিলে পাঠক সমাজৰ মন সেই ভ্ৰমণ কাহিনীৰ সতে একাকাৰ হ'ব আৰু তেতিয়াহে পাঠকৰ সংখ্যাও বাঢ়িব আৰু বিভিন্ন তথ্য সমৃদ্ধ ন ন ভ্ৰমণ সাহিত্যৰ সৃষ্টি হ'ব। অৱশ্যে সাহিত্যৰ অন্য ভাগ বা দিশতকৈ অসমীয়া মানুহ তথা পঢ়ুৱৈ সমাজৰ ভ্ৰমণ কাহিনী অধ্যয়নৰ প্ৰতি এক অনীহা মনোভাৱ স্বাভাৱিকতেই থকা যেন অনুমান হয় আৰু ভ্ৰমণৰ বাবেও উপযুক্ত মানসিকতা গঢ় লৈ তুলিব নোৱাৰে। যাৰ বাবে অসমীয়া ভ্ৰমণ সাহিত্যই অন্য সাহিত্যৰ লগত ফেৰ মাৰিব পৰা নাই বা তুলনামূলক ভাৱে আগবাঢ়িব পৰা নাই বুলি প্ৰণালীবদ্ধ অধ্যয়ন আৰু এই বিষয়ৰ ওপৰত চিন্তা-চৰ্চা কৰি থকা গৱেষক চিন্তাবিদসকলে ক'ব খোজে। তৎস্বত্বেও অসমীয়া ভ্ৰমণ সাহিত্যই স্বাধীনতাৰ পাছৰ সময়ছোৱাত যথেষ্ট অগ্ৰগতি লাভ কৰা দেখা যায়। সাম্প্ৰতিক সময়ত ভ্ৰমণ কাহিনী মূলক, ভ্ৰমণ বৃত্তান্ত মূলক বহু সৃষ্টিশীল, প্ৰতিভাশালী আগশাৰীৰ লেখকৰ ৰচনাই অসমীয়া ভ্ৰমণ সাহিত্যক সমৃদ্ধিশালী ৰূপ দিয়াৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে।



১৯৪৫-১৯৬৩ খৃষ্টাব্দত আহোম স্বৰ্গদেউ জয়ধবজ সিংহৰ ৰাজত্ব কালত কবি ৰাম মিশ্ৰই বৃন্দাবন ভ্ৰমণ কৰি আহি ৰচনা কৰা "বৃন্দাবন চৰিত্ৰ" প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰথম-বৃত্তান্ত বুলি কোৱা হয়। কবি ৰাম মিশ্ৰৰ সম্পূৰ্ণ মৌলিক সৃষ্টি "বৃন্দাবন চৰিত্ৰ" অসমীয়া সাহিত্যৰ এক দুৰ্লভ তথা আপুৰুগীয়া সম্পদ বুলি বিবেচনা কৰা হয়। এইখন ভাৰতীয় নাট্যকলা সাহিত্যৰো গুৰুত্বপূৰ্ণ সমল, স্বৰ্গদেউ ৰুদ্ৰসিংহই ত্ৰিপুৰা ৰজা ৰত্ন মাণিক্যৰ ৰাজ সভালৈ কটকী হিচাবে পঠিওৱা ৰত্ন কন্দলী আৰু অৰ্জুন দাস বৈৰাগী নামৰ কটকী দুজনে ৰচনা কৰা "ত্ৰিপুৰা বুৰঞ্জী" (১৯২৪ খৃষ্টঃ) খনকো ভ্ৰমণ সাহিত্যৰ মৰ্য্যদা প্ৰদান কৰিছে। ভ্ৰমণ সাহিত্যৰ বহুখিনি উপাদান লুকাই থকা অষ্টাদশ শতিকাত মহেশ্বৰ নেওগদেৱৰ সম্পাদিত "গুৰু চৰিত কথা"ত শংকৰদেৱ আৰু তেওঁৰ শিষ্যসকলৰ ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতা বৰ্ণনা কৰিছে। গতিকে 'চৰিত পুথি'য়ো ভ্ৰমণ সাহিত্যৰ এটা অংগ।

আধুনিক অসমীয়া ভ্ৰমণ সাহিত্যৰ ইতিহাস ৰচিত হৈছিল জোনাকীত। আধুনিক অসমীয়া ভ্ৰমণ সাহিত্যৰ প্ৰথমখন ভ্ৰমণ সাহিত্য হ'ল- গুণাভিৰাম বৰুৱাৰ "সৌমাৰ ভ্ৰমণ।" স্বদেশ ভ্ৰমণ বৃত্তান্তৰ যোগেদি ভ্ৰমণৰ সাহিত্যৰ ইতিহাস ৰচনা কৰা গুণাভিৰাম বৰুৱাৰ "সৌমাৰ ভ্ৰমণ" প্ৰকৃত অসমীয়া ভ্ৰমণ বিষয়ক বৃত্তান্তৰ প্ৰথম নিদৰ্শন বা চানেকী। উনবিংশ শতিকাৰ অসমৰ যাতায়ত, যোগাযোগ আৰু এই ঠাইৰ সৈতে জড়িত বুৰঞ্জীত আৰু পুৰাণৰ ঘটনা বৰ্ণিত "সৌমাৰ ভ্ৰমণ" সেই সময়ৰ নিজ দেশীয় ভ্ৰমণ সাহিত্যৰ উৎকৃষ্ট উদাহৰণ। অৱশ্যে আধুনিক অসমীয়া ভ্ৰমণ বৃত্তৰ অংকুৰণ ঘটিছিল আমেৰিকালৈ যোৱা 'লুচি এন হেইভেন' নামৰ অসমীয়া খৃষ্টান যুৱকজনৰ আমেৰিকাৰ বষ্টনৰ পৰা ১৮৪৯ চনৰ মে' মাহত প্ৰেৰণ কৰা আৰু 'অৰুণোদই'ৰ আগষ্ট সংখ্যাত প্ৰকাশ পোৱা চিঠিখনৰ যোগেদি। অন্যহাতে ১৮৫২ চনৰ ফেব্ৰুৱাৰী মাহত 'অৰুণোদই' ত 'তিনিজন ভাইৰ মিস্যনেৰি জাত্ৰা' শীৰ্ষক নিধি লিবাই ফাৰৱেলৰ ৰচনাখনো ভ্ৰমণ বৃত্তান্ত হিচাবে অভিহিত কৰা দেখা গৈছে।

ব্ৰহ্মদেশ ভ্ৰমণ কৰি 'শ্ৰী হৰ্য' ছদ্ম নামেৰে আনন্দ চন্দ্ৰ আগৰৱালাই ১৮৯৩ চনত ৰচনা কৰা "ব্ৰহ্ম যাত্ৰীৰ ডায়েৰী" হৈছে বিদেশ ভ্ৰমণ বৃত্তান্তৰ প্ৰথমখন অসমীয়া ভ্ৰমণ সাহিত্য। ব্ৰহ্মদেশৰ সংস্কৃতি, শিক্ষা, যোগাযোগ, ৰাজনীতি, মানুহৰ মানসিকতা বৰ্ণিত এই ভ্ৰমণ বৃত্তান্তই অসমীয়া ভ্ৰমণ সাহিত্যৰ জগতত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। কিন্তু জানিব পৰা মতে এই ভ্ৰমণ কাহিনী আজিও গ্ৰন্থ ৰূপত প্ৰকাশিত হোৱা নাই।

১৯৩৯ খৃঃত জ্ঞানদাভিৰাম বৰুৱাৰ 'বিলাতৰ চিঠি' হৈছে গ্ৰন্থৰ আকাৰত প্ৰকাশিত প্ৰথম অসমীয়া ভ্ৰমণ সাহিত্য।

লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদনা কৰা 'বাঁহী' আলোচনীৰ প্ৰথম বছৰ দ্বিতীয় সংখ্যাত প্ৰকাশ পাইছিল এই 'বিলাতৰ চিঠি।'

স্বাধীনতাৰ পৰৱৰ্তী কালত অসমৰ ৰাজনৈতিক, সাংস্কৃতিক, শিক্ষা, আৰ্থ-সামাজিক, বৌদ্ধিক চিন্তা-চৰ্চাত, পৰিবহন, যোগাযোগ আদি ক্ষেত্ৰত পৰিবৰ্তনে দেখা দিয়ে আৰু অসমৰ জন জীৱনলৈ বিভিন্ন দিশত পৰিবৰ্তনৰ ঢৌ আহে। যোগাযোগ আৰু পৰিবহন ব্যৱস্থাৰ উন্নয়নৰ ফলত উচ্চ শিক্ষা লাভৰ বাবে, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক বা চাকৰি আদি বিভিন্ন কাৰণত অসমৰ মানুহ ভাৰতৰ বাহিৰলৈ যোৱাৰ সুবিধা লাভ কৰে। এই কালছোৱাতে অসমীয়া ভ্ৰমণ সাহিত্যই এটা নিটোল ৰূপ লাভ কৰে বুলি জানিব পৰা যায়। স্বাধীনতাৰ পিছৰ অসমীয়া ভ্ৰমণ বৃত্তান্ত বা কাহিনীবোৰক ভাৰত ভ্ৰমণ সম্পৰ্কীয় আৰু বিদেশ ভ্ৰমণ সম্পৰ্কীয় এই দুটা ভাগত ভাগ কৰা হৈছে।

ভাৰত ভ্ৰমণ কৰি ৰচনা কৰা বহুকেইখন গ্ৰন্থত কেৱল তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতাৰ বৰ্ণনা আছে। ধৰ্মীয় উদ্দেশ্য আগত ৰাখি ভ্ৰমণ কৰাৰ ফলত ৰচিত উল্লেখযোগ্য গ্ৰন্থ হ'ল- হৰকান্ত গোস্বামীৰ তীৰ্থ কাহিনী, ক্ষীৰদা কুমাৰী বৰুৱাৰ দেৱস্থাননম, সুব্ৰতা বৰুৱাৰ হিমতীৰ্থ বদ্ৰীনাথ (১৯৬২), শ্ৰীনাথ দেৱগোস্বামীৰ ভাৰত তীৰ্থ দৰ্শন কাহিনী, হেমলতা দত্তৰ অলকানন্দাৰ পৰা সাগৰ তীৰলৈ, নিৰুপমা কটকীৰ দেৱভূমি বদ্ৰীনাথৰ দেৱী কন্যা কুমাৰী, শ্ৰীনাথ গোস্বামীৰ পঞ্চধাম পঞ্চতীৰ্থ, দীপিকা ভট্টাচাৰ্য্যৰ কুম্ভমেলাৰ মধুৰ স্মৃতি, গিৰিতীৰ্থ কেদাৰ বদ্ৰী, মন্দিৰ নগৰী ভু বনেশ্বৰ, ত্ৰিকুটেশ্বৰী বৈষ্ণোদেৱী, লাৱণ্যময়ী দেৱীৰ ভাৰত তীৰ্থৰ বাটে বাটে, নবাব দানিছ মহম্মদৰ হজযাত্ৰীৰ ডায়েৰী, চৈয়দ আব্দুল মালিকৰ বালি, বেলি আৰু জম জম আদি।

তীৰ্থ ভ্ৰমণৰ উপৰিও অন্য ভ্ৰমণ কাহিনীয়েও অসমীয়া ভ্ৰমণ সাহিত্যৰ ভৰাঁল সমৃদ্ধিশালী কৰিছে। ইয়াৰে উল্লেখযোগ্য হ'ল- হৰি নাৰায়ণ দত্ত বৰুৱাৰ ভাৰত ভ্ৰমণ, ৰোহিণী কুমাৰ কাকতিৰ কাশ্মীৰ ভ্ৰমণ বৃত্ত হিম কন্যা, দীপিকা ভট্টাচাৰ্য্যৰ প্ৰয়াগৰ পাৰে পাৰে, মোহময় কুমায়ুনৰ প্ৰান্তৰে প্ৰান্তৰে, হেমচন্দ্ৰ শৰ্মাৰ ৰহস্যাবৃত্ত হিমালয়ৰ অশ্ৰুত কাহিনী, দেৱেন্দ্ৰ নাথ বৰাৰ ৰাজতৰঙ্গিনী কাশ্মীৰ, দেৱভূমি ভাৰত আদি। বহুকেইজন ভ্ৰমণকাৰীয়ে নেপাল ভ্ৰমণ কৰি লিখি উলিয়াইছে কেইবাখনো ভ্ৰমণ বৃত্তান্ত। যতীন গোস্বামীৰ বাগ্মতী দেখিছো দীপিকা ভট্টাচাৰ্য্যৰ মোহম নেপাল, শিৱানন্দ শৰ্মাৰ ৰূপহী নেপাল আদি।

অসমীয়া ভ্ৰমণ সাহিত্যত প্ৰণয় বৰদলৈৰ হিমালয়ৰ শিখৰে-কন্দৰে, কুসুম উজীৰৰ দুৰ্গম গিৰিতীৰ্থ মুক্তিনাথ আদি পৰ্বতাৰোহণৰ দুঃসাহসিক ভ্ৰমণ অভিজ্ঞতাক কেন্দ্ৰ কৰি লিখা ভ্ৰমণ বৃত্ত অন্যতম উল্লেখযোগ্য সংযোজন। দেখা যায় যে এই দিশত অসমীয়া ভ্ৰমণ কাহিনী খুউব কম। সেইদৰে অসমীয়া ভাষাত উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ বিষয়ক গ্ৰন্থ কম ক'লে অত্যুক্তি কৰা নহ'ব। প্ৰাকৃতিক ৰম্যভূমি, সাংস্কৃতিক, নৃতাত্বিক দিশৰ বিচিত্ৰতা থকা উত্তৰ-পূৰ্বাঞ্চলৰ ভ্ৰমণ অভিজ্ঞতাক কেন্দ্ৰ কৰি লিখা ভ্ৰমণ বৃত্তান্ত আঙুলিৰ মূৰত লিখিব পৰাকৈহে আছে। লীলা গগৈৰ সীমান্তৰ মাটি আৰু মানুহ, হেমলতা বৰাৰ চেউজীয়া পাহাৰৰ মাজে মাজে লক্ষেশ্বৰ শৰ্মাৰ মিচিমি পাহাৰৰ ৰণশিঙা (১৯৬৫), চন্দ্ৰ বৰদলৈৰ লিখেকিঙৰ পৰা ইটা নগৰলৈ, লোহিত ডেকাৰ উতুংগ হিমালয়ত মনপা সংস্কৃতিৰ সুৰভি বিচাৰি, সৌম্যদ্বীপ দত্তৰ তিৰ্ব্বত সীমান্তত ফু-ঘাংৰী কাৰবুৰ মায়াবী গাঁৱত আদি অৰুণাচল প্ৰদেশকে ধৰি অন্য ঠাইৰ বিভিন্ন দিশৰ আভাস থকা ভ্ৰমণ কাহিনী।

হেমবৰুৱাই অসমীয়া ভ্ৰমণ সাহিত্যক বলিষ্ঠ, মনোৰম লেখনিৰে অধিক জনপ্ৰিয়তাৰ শীৰ্ষত প্ৰতিষ্ঠিত কৰাৰ লগতে সমান্তৰালভাৱে সাহিত্য ক্ষেত্ৰখনো উজ্জীৱিত কৰি তোলে। তেখেতে বহুবাৰ বিদেশ ভ্ৰমণৰ সুযোগ পোৱাত বিদেশ ভ্ৰমণৰ বিচিত্ৰ অভিজ্ঞতাৰে কেইবাখনো বিখ্যাত গ্ৰন্থ ৰচনা কৰে। তেখেতৰ সাগৰ দেখিছা, ৰঙা কৰবীৰ ফুল, ইজৰাইল, মেকং নৈ দেখিলো, সানমিহলি আদি। তেখেতে সাৱলীল ভাৱে মননশীলতাৰে ব্ৰহ্মদেশ আৰু ইজিপ্ত ভ্ৰমণৰ অভিজ্ঞতাক উপস্থাপন কৰিছে 'সানমিহলি' গ্ৰন্থত। আমেৰিকা ভ্ৰমণ বিষয়ক প্ৰথম অসমীয়া ভ্ৰমণ সাহিত্যৰ গ্ৰন্থ হ'ল হেম বৰুৱাৰ 'সাগৰ দেখিছা।' তেখেতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰধান মহানগৰ সমূহ পৰিভ্ৰমণ কৰি সেই বিচিত্ৰ-বৰ্ণিল অভিজ্ঞতাৰে ৰচনা কৰে 'সাগৰ দেখিছা।' 'ভিজিটিং প্ৰফেচাৰ' হিচাবে আমেৰিকাৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত থকা সময়ছোঁৱাৰ অভিজ্ঞতাৰে বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰে 'প্ৰফেচাৰ বৰুৱাৰ চিঠি।' ঠিক তেনেদৰে সেই ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত লোক সংস্কৃতি বিভাগৰ অতিথি অধ্যাপক হিচাবে আমন্ত্ৰণ লাভ কৰি আমেৰিকা ভ্ৰমণৰ সুযোগ লাভ কৰে আৰু এই ভ্ৰমণ অভিজ্ঞতাক কেন্দ্ৰ কৰি তেখেতে ৰচনা কৰি উলিয়ায়- "পৃথিৱীৰ চৌপাশে এপাক।" আমেৰিকা ভ্ৰমণ বিষয়ক অন্যান্য কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল- নগেন শইকীয়াৰ আমেৰিকাত দহদিন, চন্দ্ৰপ্ৰসাদ শইকীয়াৰ আমেৰিকাৰ চিঠি অৰুণিমা ভৰাঁলীৰ স্মৃতিলেখা, মহেন্দ্ৰ নাথ বৰাৰ স্মৃতিপটত আমেৰিকা, সুধা কণ্ঠ ভূপেন হাজৰিকাৰ দিহিঙে-দিপাঙে, লক্ষ্মীনন্দন বৰাৰ সীমাৰ পৰিধি ভাঙি, ৰথীন্দ্ৰ নাথ গোস্বামীৰ আমেৰিকা ভ্ৰমণৰ বিভিন্ন অভিজ্ঞতা পুষ্ট ভ্ৰমণ কাহিনী মহা সমুদ্ৰৰ সিপাৰে, হৃদয় শিখৰৰ প্ৰতিধ্বনি, বিদেশী বন্ধুৰ লগত আদি। তাৰোপৰি অনিমা গুহৰ তৃতীয় বিশ্ববাসিনীৰ আমেৰিকা দৰ্শন, মন মোৰ উৰণীয়া পক্ষী, গৌতম প্ৰসাদ

বৰুৱাৰ দেশে নানা ৰং ঃ শিল্পীৰ দেশত সাত সাগৰৰ সংগম, নতুন বিশ্বৰ ৰচনা, ফ্লৰিডা বিশ্ববিদ্যালয়লৈ ছেমিনাৰ এখনত অংশগ্ৰহণ কৰিবলৈ যোৱা কৰবী ডেকা হাজৰিকাৰ 'নীলা সাগৰ আৰু সোণালী দেশ', প্ৰদীপ্ত বৰগোহাঁইৰ 'লিংকনৰ দেশত অতিথি', মুকুল শৰ্মাৰ 'দেশ দেশান্তৰৰ কাহিনী', হেমলতা দত্তৰ 'আটলান্টিকৰ ইপাৰ-সিপাৰ', প্ৰদীপ কুমাৰ ফুকনৰ 'মিছিচিপি পাৰৰ টুকুৰা খবৰ', কনক সেন ডেকাৰ 'হাডচনৰ পৰা লোহিত-গংগা', হীৰেণ গোহাঁইৰ 'আখ্যানৰ আঁৰৰ আমেৰিকা', গোবিন্দ প্ৰসাদ শৰ্মাৰ 'ডেফ'ডিল ফুল দেখিছা' আদি। ভ্ৰমণকাৰী লিখক সকলে আমেৰিকাৰ বিভিন্ন দিশৰ একোখন মনোৰম চিত্ৰ এই ভ্ৰমণ বৃত্তান্তবোৰৰ যোগেদি প্ৰকাশ কৰিছে। নানা ধৰণৰ তথ্য সম্বলিত শিক্ষা, সাহিত্য, সংস্কৃতি, মূল্যবোধ, জীৱন-ধাৰণৰ পদ্ধতি, মানবীয় প্ৰমূল্য, প্ৰেম, আবেগ-অনুভূতি আদিক কাব্যিক অভিব্যঞ্জনাৰে, সংবেদনশীলতাৰে উপস্থাপন কৰিছে। যাৰ যোগেদি লেখক সকলৰ প্ৰখৰ বুদ্ধিমত্তাৰ পৰিচয় ফুটি উঠিছে। আমেৰিকা ভ্ৰমণৰ বৰ্ণিল অভিজ্ঞতাক গ্ৰন্থৰ আকাৰত প্ৰকাশ কৰি পাঠক তথা পঢ়ুৱৈ সমাজক সেই যাত্ৰাৰ সতে লেখকৰ হৃদয়িক অনুভূতিৰ সৈতে সুক্ষ্ম পৰ্য্যবেক্ষণ শক্তিৰ সতে একাকাৰ কৰি তুলিব পাৰিছে। আমেৰিকা ভ্ৰমণৰ বিভিন্ন দিশ অভিজ্ঞতা নিহিত থকা এই ভ্ৰমণ বৃত্ত বা গ্ৰন্থই ভ্ৰমণ সাহিত্যৰ ভৰাঁল চহকী হোৱাত যথেষ্ট অৱদান আগবঢ়াইছে।

অসমীয়া ভ্ৰমণ সাহিত্যৰ ভৰাঁল সমৃদ্ধিশালী হোৱাত সমল যোগাইছে ইংলেণ্ড ভ্ৰমণৰ অভিজ্ঞতাৰ বৰ্ণনা থকা বহু কেইখন উল্লেখযোগ্য অসমীয়া ভ্ৰমণ-কাহিনীয়ে। যোগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ 'বাইয়া কণ্ডিওচ,' 'দুই ছেপ্তেম্বৰ', প্ৰফুল্ল দত্ত গোস্বামীৰ 'সোণ-ৰূপৰ নহয় ই দেশ', উমা বৰুৱাৰ 'চিয়েন নদীৰ টৌ', ললিত বৰুৱাৰ 'ইউৰোপৰ বাটত', অণু বৰুৱাৰ 'সাগৰ দেখিলো', ক্ষীৰদা কুমাৰী বৰুৱাৰ 'স্মৃতি মুখৰ ইউৰোপ,' চৈয়দ আব্দুল মালিকৰ 'এটা চিনাকী দ্বীপৰ তটৰেখা', লক্ষ্মীনন্দন বৰাৰ 'ইউৰোপ ভ্ৰমণ সম্বন্ধীয় পশ্চিমৰ পম খেদি', কিৰণ তামুলীৰ 'টেমছৰ দুয়োপাৰ', ৰোহিণী কুমাৰ বৰুৱাৰ 'মেঘালী আঁৰে আঁৰে-টেমছৰ পাৰে পাৰে', মেনকা শইকীয়াৰ 'বিদেশৰ ডুখৰীয়া স্মৃতি', শান্তনু নন্দন শৰ্মাৰ 'লণ্ডনত সংবাদ বুটলোঁতে', নিৰুপমা ফুকনৰ 'ইউৰোপ ভ্ৰমণৰ মধুৰ সোঁৱৰণ' আদি। এইসকল ভ্ৰমণকাৰীয়ে ইংলেণ্ড, ইউৰোপ বিভিন্ন ঠাই ভ্ৰমণ কৰি ইংলেণ্ডৰ সামাজিক জীৱন, জন-জীৱনৰ চিত্ৰ তেওঁলোকৰ লেখনিৰ মাজেৰে উদ্ভাসিত কৰি তুলিছে। ইংলেণ্ডৰ মানুহৰ সামগ্ৰিক দিশৰ এখন প্ৰতিচ্ছবি লেখক সকলে নিজস্ব শৈল্পিক চেতনাৰে মূৰ্ত কৰি তোলাৰ কৃতিত্ব লাভ কৰাৰ লগতে ভ্ৰমণ-সাহিত্যৰ ভেঁটি সুদৃঢ় কৰে। তাৰোপৰি দ্বিতীয় মহাযুদ্ধৰ কাহিনী বৰ্ণিত দিগম্বৰ দাসৰ আটলান্টিকৰ বুকুত এবছৰ এখন উল্লেখযোগ্য ভ্ৰমণ সাহিত্য। যাৰ যোগেদি নৱ প্ৰজন্মই সেই সময়ৰ আৰ্থ-সামাজিক জীৱন, জন-জীৱন, যুদ্ধৰ ভয়াবহতা, ৰাজনৈতিক পৰিৱেশ, মানুহৰ মানসিক অৱস্থাৰ বিষয়ে জানিব পাৰে।

ৰাছিয়া ভ্ৰমণৰ পুলকভৰা অভিজ্ঞতাৰে ৰচনা কৰা হেম বৰুৱাৰ 'ৰঙা কৰবীৰ ফুল' এখন অতিকে উল্লেখযোগ্য আৰু মনোৰম গ্ৰন্থ। অতি কম দিনৰ ভিতৰতে ৰুছবাসীৰ দেশ প্ৰেম, ইতিহাস আৰু সামাজিক চেতনা, জ্ঞান অন্বেষণৰ প্ৰতি থকা স্পৃহা, সাংস্কৃতিক মূল্যবোধ, উন্নত দৃষ্টিভংগী আদি উপলব্ধি কৰি , সুক্ষ্ম দৃষ্টিভংগীৰে পৰ্য্যবেক্ষণ কৰি ৰচনা কৰা এই ভ্ৰমণ কাহিনীৰ মাজেৰে ৰাছিয়াৰ এখন সামগ্ৰিক চিত্ৰ দেখিবলৈ আৰু জানিবলৈ পোৱা যায়। এই ভ্ৰমণ বৃত্তান্তৰ যোগেদি লেখকৰ সাহসী আৰু নিৰ্ভীক, স্পষ্টবাদী মনৰ প্ৰকাশ পোৱা পৰিলক্ষিত হয়। ছোভিয়েট দেশ নেহৰু বঁটা লাভ কৰি ছোভিয়েট ভ্ৰমণ কৰা চৈয়দ আব্দুল মালিকে তেখেতৰ বিচিত্ৰ অভিজ্ঞতাৰ বৰ্ণনাৰে ৰচনা কৰে- 'মাজত মাথোন হিমালয়।' ইয়াৰ উপৰিও ছোভিয়েট ৰাছিয়া ভ্ৰমণৰ বৃত্তান্ত থকা আন কেইখনমান গুৰুত্বপূৰ্ণ গ্ৰন্থ হৈছে- সুৰেন্দ্ৰ মোহন দাসৰ 'টলষ্টয়ৰ দেশত', বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'সীমাই আমনি কৰে', ভবেন দত্ত বৰুৱাৰ 'মস্কোৰ পৰা প্ৰেয়সীলৈ', নৱকান্ত বৰুৱাৰ 'দেশে দেশে মোৰ দেশ', চিন্দানন্দ শইকীয়াৰ 'ৰঙচুৱা পৃথিৱীৰ সেউজীয়া বোল' আদি। ৰাছিয়া ভ্ৰমণ কৰি এই সকল লেখকে নিজৰ অভিজ্ঞতা পুষ্ট মনৰ নিদৰ্শন দাঙি ধৰিব পাৰিছে। সেই সময়ৰ ৰাছিয়াৰ সামাজিক, সাংস্কৃতিক আৰু প্ৰাকৃতিক দিশৰ বৰ্ণনা প্ৰকাশ পোৱাৰ উপৰিও ভাৰত আৰু ৰাছিয়াৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক সেয়াও মূৰ্তমান হৈ উঠিছে। নাৎসী বাহিনীৰ বিষয়েও কিঞ্চিত আভাস ফুটি উঠা এই ভ্ৰমণ সাহিত্য অসমীয়া ভ্ৰমণ সাহিত্যৰ অমূল্য সম্পদ।

দেখা গৈছে যে চীন দেশ সম্পৰ্কীয় ভ্ৰমণ বৃত্তৰ পৰিমাণ আমাৰ অসমীয়া সাহিত্যত কম। দিলীপ শৰ্মাৰ চীন ভ্ৰমণ-বৃত্তান্তত বিংশ শতিকাৰ ষাঠি দশকৰ চীনৰ কিছু তথ্য পোৱা যায়। গণশিল্পী হেমাংগ বিশ্বাসৰ 'চীন চাই আহিলো', আকৌ চীন চাই আহিলো', বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'চীনত কি দেখিলো', নগেন শইকীয়াৰ 'মহাচীনৰ দিনলিপি', তুলতুল বৰাৰ 'হিউয়েন চাঙৰ দেশত', ভুৱনেশ্বৰী বৈশ্যৰ 'মোৰ টাইপে, বেইজিং আৰু বেংকক ভ্ৰমণ', ডাক্তৰ তোলন চন্দ্ৰ শইকীয়াৰ 'চীন দেশৰ ৰঙা বেলি', মহেন্দ্ৰ বৰাৰ 'লী আৰু হোৱাংহোৰ পাৰে পাৰে' আদি। এইসকল ভ্ৰমণকাৰী তথা আগশাৰীৰ লেখকৰ চীন ভ্ৰমণৰ তথ্য সমৃদ্ধ লেখনিৰ পৰা চীনৰ ৰাজনৈতিক, সাংস্কৃতিক জীৱন ধাৰাৰ আভাস, অতীত ইতিহাস, খাদ্য-প্ৰণালী, লোক-সংস্কৃতি, সামাজিক জীৱন-বীক্ষা, কৃষি-কৃষকৰ বিষয়ে সম্যক আভাস পাব পাৰি। মুঠৰ

ওপৰত পাঠক সমাজৰ মন চুই যাব পৰা সুখ পাঠ্য আৰু মনোজ্ঞ ৰচনাৰ পৰা চীন সম্পৰ্কে নজনা বহু কথাই জানিব পৰা যায়।

অসমীয়া ভ্ৰমণ সাহিত্যৰ ভৰাঁল সমৃদ্ধিশালী কৰাত জাপান ভ্ৰমণ-কেন্দ্ৰীক অভিজ্ঞতাৰে ৰচিত বহুকেইখন ভ্ৰমণ বৃত্তান্তমূলক গ্ৰন্থই অৰিহণা যোগাইছে। মহেন্দ্ৰনাথ বৰাৰ 'সূৰ্য্য উঠা দেশ', নিৰ্মল প্ৰভা বৰদলৈৰ 'চেৰীফুলৰ দেশ জাপান', দীপালী দত্তৰ 'টকিঅ'ত এদিন', হৰে কৃষ্ণ বৰ্মনৰ 'জাপান ভ্ৰমণ, ড° জয়ন্তী চুতীয়াৰ 'হাইকু আৰু ছামুৰাইৰ দেশত', তোষ প্ৰভা কলিতাৰ 'ত'ত্তচানৰ দেশত', অনুৰাধা বৰুৱাৰ 'জাপানৰ অভিনৱ মহাসাগৰ ঃ এড' আৰু ইয়াংক' আদি। সমগ্ৰ বিশ্ববাসীক কৰ্ম-সংস্কৃতিৰ সাধনাৰে প্ৰগতিৰ পথ দেখুওৱা জাপানী সকলৰ আদৰ্শ, বিশ্বাস, নিষ্ঠা, প্ৰাণশক্তিক আৰু বিভিন্ন দৰ্শনীয় ঠাইৰ বৰ্ণনা সূক্ষ্ম পৰ্য্যবেক্ষণ শক্তিৰে জীপাল কৰি তোলাৰ সুন্দৰ চিত্ৰ এই সকল ভ্ৰমণকাৰী লেখকৰ ৰচনাৰ মাজেৰে মূৰ্ত হৈ উঠা দেখা যায়।

চুইজাৰলেণ্ড ভ্ৰমণৰ অভিজ্ঞতাৰে বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'চুইজাৰলেণ্ড' (১৯৪৮), আফগানিস্তান ভ্ৰমণৰ কথাৰে আব্দুছ ছাত্তাৰৰ 'বিদেশত দুদিনমান', অমলেন্দু গুহৰ 'আফগানিস্তান এভূমুকি', মঃ মজউদৰ 'বৰফৰ দেশ ভিয়েনা', ইজৰাইল ভ্ৰমণৰ অভিজ্ঞতাৰে প্ৰমোদ বৰুৱাৰ 'এই মাটিৰে মানুহ', বাগ্মীবৰ নীলমণি ফুকনৰ 'বাৰ্লিনত কি দেখিলো' আদি বিভিন্ন তথ্য সমৃদ্ধ উল্লেখযোগ্য ভ্ৰমণ কাহিনী। দক্ষিণ-পূব এচিয়াৰ পাঁচখন দেশ থাইলেণ্ড, কম্বোডিয়া, লাওছ, মালয়েছিয়া আৰু ছিংগাপুৰ ভ্ৰমণৰ বিচিত্ৰ অভিজ্ঞতাৰ তথ্য সমৃদ্ধ এখন ভ্ৰমণ গ্ৰন্থ হ'ল হেম বৰুৱাৰ 'মেকং নৈ দেখিলো'। তেখেতৰ আন এখন গ্ৰন্থ হ'ল- ইজৰাইল ভ্ৰমণৰ অভিজ্ঞতাৰে পূৰ্ণ 'ইজৰাইল'। নিজৰ শৈল্পিক ঠাঁচেৰে সূক্ষ্ম দৃষ্টিৰে লেখকে তেখেতৰ ভ্ৰমণ কাহিনীৰ মাজলৈ দৰ্শনীয় সকলো ঠাইকে টানি পাঠক সমাজৰ অনুৰাগ সৃষ্টিত বিজয়ী হ'ব পাৰিছে। তেখেতৰ চিন্তাশক্তিৰ মহৎ উপলব্ধিত সফল হ'ব পাৰিছে।

এই ভ্ৰমণ বৃত্তান্ত সমূহৰ উপৰিও আৰু বহুতো উল্লেখযোগ্য ভ্ৰমণ গ্ৰন্থ আছে। উৎপল দত্তৰ 'অপৰূপা আন্দামান', মহেশ চন্দ্ৰ দাসৰ 'অষ্ট্ৰেলিয়াঃ জীৱন আৰু যৌৱন', সুনীল কুমাৰ শইকীয়াৰ 'অপৰূপা ইউৰোপ', অনন্ত হাজৰিকাৰ 'সপোনৰ ইউৰোপ দিঠকৰ ভ্ৰমণ', জয়ন্তী চুতীয়াৰ বীথোফেনৰ ঘৰত এদিন', ৰীণা বৰাৰ 'মৰুভূমিত দুনিশা', প্ৰাতসলতা বুঢ়াগোহাঞিৰ 'থাইলেণ্ডৰ মিঠা সোৱঁৰণী' আদি অতি মূল্যবান ভ্ৰমণ কাহিনী। 'পাটকাইৰ সিপাৰে ন বছৰ' বুৰঞ্জীবিদ পূৰ্ণকান্ত বুঢ়াগোহাঁইৰ গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ দিব পৰা এখন উল্লেখযোগ্য ভ্ৰমণ গ্ৰন্থ। ব্ৰহ্মদেশ থাইলেণ্ড আৰু চীন ভ্ৰমণৰ অভিজ্ঞতাৰে, দ্বিতীয় মহাযুদ্ধৰ চাক্ষুস অভিজ্ঞতা সম্বলিত বিভীষিকাময় পৰিস্থিতি বৰ্ণিত এই গ্ৰন্থ পূৰ্বাঞ্চল তাই সাহিত্য সভাই প্ৰকাশ কৰি উলিয়ায়। ৰোম ভ্ৰমণৰ অভিজ্ঞতাৰে ৰচনা কৰা 'মন্থৰ গতিত বৈ যায় টাইবাৰ' বিনন্দ কুমাৰ গগৈৰ এখন মূল্যৱান ভ্ৰমণ-বৃত্ত। ইয়াত ৰোমৰ ঐতিহ্য আৰু ইতিহাসৰ বৰ্ণনা পোৱা যায়। মনোজ কুমাৰ গোস্বামীৰ 'ভাস্টা এখন নদীৰ নাম', ধ্ৰুৱজ্যোতি বৰাৰ 'চীলা এডমিৰেল জাল', সুনীল কুমাৰ শইকীয়াৰ ইজিপ্ত ভ্ৰমণৰ অভিজ্ঞতাৰ বিভিন্ন দিশ বৰ্ণিত 'পিৰামিডৰ দেশত' উপাদেয়, উল্লেখযোগ্য আৰু মূল্যৱান ভ্ৰমণ সাহিত্য। ধ্ৰুৱজ্যোতি বৰাই কেৰেলাৰ ইতিহাসত চীনৰ বণিক যোদ্ধাৰ কথা, তিৰ্ব্বতী শৰণাৰ্থীৰ কথা দাঙি ধৰাৰ উপৰিও দাক্ষিণাত্যৰ পৰা অসমলৈকে বিভিন্ন ভ্ৰমণ অনুভৱ বৰ্ণময় অভিজ্ঞতা লিপিবদ্ধ কৰিছে। ভ্ৰমণ অভিজ্ঞতাৰে মামণি ৰয়চম গোস্বামীয়ে 'বুদ্ধ সাগৰ ধূযৰ গেইছা আৰু মহম্মদ' নামৰ উপন্যাস ৰচনা কৰি ভ্ৰমণ সাহিত্যক এখোজ আগুৱাই লৈ গৈছে।

'দুটা যাত্ৰাৰ কাহিনী' ডাঃ তোলন চন্দ্ৰ শইকীয়াৰ লণ্ডন আৰু বিলাতৰ ভ্ৰমণৰ অভিজ্ঞতাক কেন্দ্ৰ কৰি লিখা সুখ পাঠ্য ভ্ৰমণ বৃত্ত। 'ভেটিকানত এভুমুকি' গোলোক শৰ্মাৰ ইটালীৰ ভেটিকান ভ্ৰমণ কৰি প্ৰাচীন কৃৰ্তি চিহ্ন আৰু মহামান্য পোপৰ দ্বিতীয় জন পলৰ দৰ্শন ভিত্তিক অভিজ্ঞতাৰে লিখা এটা উপাদেয় ভ্ৰমণ কাহিনী।

'নীল নদীৰ সান্নিধ্যত' উপাদেয় ভ্ৰমণ কাহিনী। দুখন মহাদেশ আৰু কিছু খুচুৰা ভ্ৰমণ তেখেতৰ আন এখন বৃত্তান্ত। নেপাল, নাইজেৰিয়া, টাঞ্জানিয়া, মালয়েছিয়া, থাইলেণ্ড, আমেৰিকা, অষ্ট্ৰেলিয়া, ছিংগাপুৰ আদি বিভিন্ন ঠাই ভ্ৰমণ কৰি বিচিত্ৰ অভিজ্ঞতা পুষ্ট ইন্দ্ৰজিত দত্তই 'নীল নদীৰ সান্নিধ্যত' ইজিপ্ত ভ্ৰমণৰ অভিজ্ঞতা সূক্ষ্ম পৰ্য্যবেক্ষণ শক্তিৰে কাব্যিক মননশীলতা উপস্থাপন কৰিছে। ফাৰাও সকলৰ পিৰামিড, হাজাৰ বছৰ জুৰি অবিকল ৰূপত থকা মামী, বেবিলনৰ ওলোমা বাগান, মৰুভূমিৰ শুকান বালিৰ মাজেৰে বৈ যোৱা নীল নদী আদি অনেক বিস্ময়কৰ সমল থকা ইজিপ্ত সম্বন্ধে বলিষ্ঠ বৰ্ণনাৰে তেখেতে লিপিবদ্ধ কৰিছে। কিশোৰ-কিশোৰীৰ বাবেও উপযোগী এই ভ্ৰমণ বৃত্তই পঢ়ুৱৈৰ অনুসন্ধিৎসু মন জগাই তোলাৰ লগতে লেখকৰ ঐতিহ্য সন্ধানী মহৎ মনটোক মূৰ্তমান কৰি তুলিছে।

তাৰোপৰি, অসমীয়া ভাষালৈ অনুবাদ কৰা কেইবাখনো বিখ্যাত ভাৰতীয় ভ্ৰমণ কাহিনীয়ে ভ্ৰমণ সাহিত্যৰ ভৰাঁল সমৃদ্ধ কৰাত সহায় কৰিছে। খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই শংকু মহাৰাজৰ 'বিগলিত কৰুণা জাহ্নবী যমুনা' (১৯৬২), তৰুণ ভাদুৰীৰ 'সৰু প্ৰান্তৰ', কালকুট ছদ্ম নামেৰে সমৰেশ বসুৰে লিখা 'অমৃত কুম্ভৰ সন্ধানত', মুন সেনে মৈত্ৰেয়ী দেৱীৰ 'অচিনাকী চীন', অনিমা গুহৰ 'শ্ৰীপদ যোগীৰ পূৰ্বাঞ্চল চক্ষৰ'

আদি অনুবাদ গ্ৰন্থই ভ্ৰমণ সাহিত্যিক নানা দিশত সমল যোগাইছে।


মুঠৰ ওপৰত দেখা যায় যে- বিভিন্নজন ভ্ৰমণকাৰীৰ তথা আগশাৰীৰ প্ৰতিভাৱান, চিন্তাশীল লেখকৰ ভ্ৰমণ বৃত্তান্ত তথা কাহিনীবোৰে ভ্ৰমণ সাহিত্যক জীপাল, সমৃদ্ধিশালী আৰু চহকী কৰি তুলিছে। সকলোৱে জীৱনত যিহেতু সমানে ভ্ৰমণৰ সুযোগ সুবিধা নাথাকে গতিকে ভ্ৰমণ সাহিত্যৰ যোগেদি পাঠক সমাজে নিজৰ দেশৰ লগতে বিশ্বৰ অন্যান্য দেশৰ সমাজ, সভ্যতা, সংস্কৃতি, ইতিহাস, শিক্ষা, কলা-সাহিত্য, শিল্প, লোক-বিশ্বাস, লোকাচাৰ, ধৰ্মীয় মাৰ্গ-দৰ্শন, বিজ্ঞান-প্ৰযুক্তিৰ অগ্ৰগতিৰ ধাৰা, প্ৰাকৃতিক সৌন্দৰ্য্য, আৰ্থিক, ৰাজনৈতিক প্ৰেক্ষাপট আৰু জন জীৱনৰ বহুতো দিশৰ বিষয়ে জনাৰ সুবিধা লাভ কৰে আৰু জ্ঞান আহৰণৰ লগতে এটা তুলনামূলক অধ্যয়নো কৰিব পাৰে। একোখন ভ্ৰমণ সাহিত্যই একোখন সমাজৰ সমসাময়িক প্ৰতিচ্ছবি দাঙি ধৰিবলৈ সক্ষম হয়। ভ্ৰমণ কাহিনীবোৰ একোখন দেশ, একোখন সমাজৰ, একোখন ঠাইৰ এটা নিৰ্দিষ্ট সময়ৰ প্ৰতিবিম্ব। সময়ে সময়ে বাগৰ সলোৱাৰ লগে লগে সমাজৰ বিভিন্ন দিশৰ পৰিবৰ্তন সাধিত হয়। গতিকে ভ্ৰমণ সাহিত্যবোৰে নিৰ্দিষ্ট সময়ৰ একোটা চিত্ৰ আঁকি যায়। সেয়েহে ভ্ৰমণ সাহিত্যক বা ভ্ৰমণ বৃত্তান্তবোৰ ঐতিহাসিক সামাজিক দলিল স্বৰূপ।

বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ অভাৱনীয় অগ্ৰগতিৰ যুগত, জ্ঞানৰ বিস্ফোৰণৰ যুগত, বিশ্বায়ন, গোলকীকৰণ, আধুনিককৰণ আৰু যুক্ত অৰ্থনীতিৰ যুগত ভ্ৰমণক সুবিধাজনক আৰু খৰতকীয়া কৰাৰ লগতে আকৰ্ষণীয় কৰি তুলিব পাৰিছে। কাৰণ, ভ্ৰমণৰ আনন্দ আৰু মাদকতাই মানুহৰ জীৱনলৈ নতুনত্ব অহাত সুযোগ দিয়ে। সেয়েহে ভ্ৰমণৰ গুৰুত্বও বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। কিয়নো চোৱা, শুনা আৰু দেখাৰ মাজত পাৰ্থক্য আছে। ভ্ৰমণৰ বাঢ়ি অহা গুৰুত্বলৈ চাই বৰ্তমান পৰ্যটন এক উদ্যোগত পৰিণত হৈছে। বিশ্বৰ প্ৰত্যেক দেশতে এতিয়া পৰ্যটনৰ শাখা গঢ় লৈ উঠা দেখা গৈছে। আজিৰ দিনত মানুহে থকা-মেলা, খোৱা-শোৱাৰ বাবে বিশেষ চিন্তা কৰিব নালাগে। যিহেতু উন্নত মানৰ বিভিন্ন সুবিধা থকা হোটেল, ল'জ আৰু অতিথিশালী বিলাকে সেই অসুবিধা দূৰ কৰিছে। এইক্ষেত্ৰত ৰাষ্ট্ৰসংঘয়ো বিশ্ববাসীক দেশ ভ্ৰমণৰ বাবে আগ্ৰহী কৰি তুলিবলৈ দেশ ভ্ৰমণক "বিশ্বশান্তিৰ পাৰ পত্ৰ"- (A passport of world peace) বুলি অভিহিত কৰাটো গুৰুত্বপূৰ্ণ আৰু উল্লেখনীয় কথা। সেয়ে বিশ্বৰ প্ৰতি প্ৰান্তে প্ৰান্তে মানুহৰ মনত অন্তৰ্নিহিত হৈ থকা আকাংক্ষা দূৰ কৰিবৰ বাবে ভ্ৰমণৰ প্ৰতি অনুৰাগ বাঢ়ি গৈ আছে। যাৰ লগে লগে জনপ্ৰিয়তা আৰু প্ৰসাৰ লাভ কৰিছে ভ্ৰমণ সাহিত্যই। সেয়ে সাম্প্ৰতিক সময়ত ভ্ৰমণ সাহিত্যৰ গুৰুত্ব তুলনা মূলক ভাৱে বৃদ্ধি পাইছে। বিভিন্ন তথ্য সমৃদ্ধ, ৰসঘন, বিচিত্ৰ অভিজ্ঞতাৰ সমাহাৰ থকা একোখন মহৎ ভ্ৰমণ গ্ৰন্থই মানুহৰ মানসিক, বৌদ্ধিক আদি দিশৰ উত্তৰণত সহায় কৰে। শেষত মহত্তম উপলব্ধিৰে সাহিত্য ৰচনা কৰা আগশাৰীৰ জনপ্ৰিয় লেখক হেম বৰুৱাৰ ভাষাৰেই ক'ব পাৰি যে- "মানুহৰ অন্তৰাত্মাত নজনাক জানিবলৈ নুবুজাক বুজিবলৈ সদায় এক ধাউতি বিদ্যমান। এই কাৰণেই মানুহে কিতাপ পঢ়ে বা দেশ ভ্ৰমণ কৰে। ইয়াকে যেনিবা চিনেমা চোৱাদি উপভোগ কৰিবলৈ গ'লে একো কথাই নিসিজে। সূক্ষ্ম দৃষ্টিৰে সকলো বস্তু নিৰীক্ষণ কৰিব জানিব লাগিব।" গতিকে বৰ্তমান নানা ৰূপ-ঐশ্বৰ্য্যৰ অসমীয়া ভ্ৰমণকাৰীৰ ভ্ৰমণ কাহিনীবোৰে অসমীয়া ভ্ৰমণ সাহিত্যক বিশ্ব ভ্ৰমণ সাহিত্যৰ সমতুল্য মৰ্যাদা লাভ কৰাত সহায় কৰিব বুলি আশা কৰিব পাৰি। ◆◆◆



কৌতুক

নতুনকৈ ইংৰাজী শিকা চৰ্দাৰে কথাই প্ৰতি ইংৰাজী শব্দ ব্যৱহাৰ কৰে হিন্দীৰ মাজত। চৰ্দাৰে নিজৰ পৰিয়ালৰ লোকসকলক চিনাকি কৰি দিছে আলহীক এইদৰে, : মে চৰ্দাৰ ওঁৰ য়ে মেৰা চৰ্দাৰণী। সৰু ল'ৰা ছোৱালী দুটাক চিনাকী কৰি দিছে এইদৰে : য়ে মেৰা কিড্ ওঁৰ য়ে মেৰা কিড্নী।



# কবিতা



হৃদয় আছে সেইবাবেই কবিতা আছে মানুহৰ পৃথিৱীত।
জীৱনৰ জগতৰ প্ৰতি হৃদয়ৰ প্ৰতিক্ৰিয়াই কবিতা।


✍ নীলমণি ফুকন

# বোপা তই সুখী হ

✍ ভাস্কৰজ্যোতি গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ



সৰুৰে পৰা তুলি-তালি ডাঙৰ-দীঘল কৰি
আজি তই এয়াহে কৰিলি বোপা।
ভবা নাছিলো বোপা
অৱহেলাৰ বাটেৰে গৈ
বৃদ্ধাশ্ৰম এখনত জীৱনৰ বিয়লি বেলা।
বোপা, আজি তই এজন ইঞ্জিনিয়াৰ
সকলোৰে মুখে মুখে মাথোঁ এতিয়া
'ইঞ্জিনিয়াৰ ছাৰ' 'ইঞ্জিনিয়াৰ ছাৰ'।
থুপুক-থাপাককৈ সৰু সৰু আঙুলি দুটিৰে
মাৰাৰ হাতত ধৰি খোজ কঢ়াৰ কথা
মোৰ আজিও মনত আছে বোপা,
তোৰ বাৰু মনত পৰেনে
মোৰ স'তে লুকা-ভাকু, হাতী-ঘোঁৰা খেলা?
এৰা, ক'তনো মনত থাকিব
তোৰ স্মৃতিয়ে ঢুকি নোপোৱা যুগৰ কথা,
নতুন যুগৰ নতুন পুৰুষ হৈ
তইতো পাহৰিয়ে পেলালি চাগে
তোৰ নৰিয়াত ওৰে ৰাতিটো সপি
মাৰাই কান্দি কান্দি প্ৰকাশ কৰা মনৰ বেথা।
সৌ সিদিনা আঙুলিত ধৰি অ-আ-ক-খ শিকা
মৰমলগা ল'ৰাটো আজি ইঞ্জিনিয়াৰ হ'লি
তোৰ সপোনবোৰ পূৰণ হোৱাৰ স্ফূৰ্তিত
আমিও পাৰিছিলো আনন্দৰ কিৰিলি।



ভাবিছিলো আধৰুৱা সপোনবোৰ
একমাত্ৰ ল'ৰাই পূৰণ কৰিব
দুখৰ চকুলোবোৰ হাঁহিৰে মচিব
গাঁৱৰ ভঙা জুপুৰীটো এদিন
পকী ঘৰলৈ সলনি হ'ব
পো-বোৱাৰীৰে এখন সুখৰ সংসাৰ হ'ব!
কিন্তু, কিন্তু আজি এয়া কি কৰিলি তই বোপা?
আমি নজনাকৈয়ে চহৰৰ ধনী ব্যৱসায়ীৰ জীয়ৰীক
বিয়াখন পাতিলি
আমাৰ পৰা নোলোৱাকৈয়ে আশীৰ্বাদ এজোলোকা।
বোপা, আজি তই বহুত ডাঙৰ মানুহ হ'লি অ'
এদিন 'দেউতা এইটো কৰোনে?
"মা, তালৈ মইয়ো' যাওঁনে?" বুলি সোধা
ল'ৰাটো আজি আমাক
এটুকুৰা মূল্যহীন শিলৰ টুকুৰা কৰি
বহুত দূৰলৈ দলিয়াই পেলালি অ' বোপা,
মূল্যহীন শিলৰ টুকুৰাটো খনিকৰে
মূল্যবান কৰি তোলাৰ দৰে
তোৰ পৰা অৱহেলিত হৈও আজি কিন্তু আমি
মহাসুখত আছো অ' বোপা,
বৃদ্ধাশ্ৰমখনতেই ৰচিছো
আজি আমি সুখৰ সেউজী দলিচা।
তই তোৰ সপোনবোৰক লৈয়ে সুখী হৈ থাক বোপা,
বোপা, তই সুখী হ'

# কাকতি, পখিলা আৰু কবি

✍ৰবীন গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক

(কবি) অ' চিত পখিলা
তুমি হেনো সুগন্ধি পখিলা,
ফুলৰ ৰেণু চুহি
বসন্ত কটালা।
(চিত্ পখিলা) তেওঁৰ কথাত
মোৰ বুকু ফুলা,
কোন তুমি ক'ত থাকা
ইমান কথা তুমি মোৰ কেনেকৈ জানিলা?
(কবি) মোৰ পৰিচয় ঠিকনাত পাবা
পিছে শুনিছো এটা কথা,
কাকতিবাই লগত
কথা কটা-কটি লাগিলা।
(চিত্ পখিলা) হুহ কাক্কতিবাই
সমাজৰ আগত মোৰ বদনাম গায়,
ছমাহ শুই থাকি ছমাহ চৌৰা খায়
জহন্নামে যাওক তাই।
(কবি) নিঃচিন্তে থাকা পায়



খবৰ পালে তোমাক কম ঘপৰাই,
মৰতীজনীক এহেকা দিবৰ মন যায়
মোৰ উকা ৰন্ধনশালত দিবানি চাহ, চেনি
অলপ সৰকাই।
(কবি) অ' কাকতিবাই
কাকতি উপাধি আগত লগাই
সেউজীয়া শাৰীৰে, লাহতী দেহাৰে
ক'ৰবাত যোৱা হ'ব পায়।
(কাকতী ফৰিং) সঁচাইনে বাৰু
মোৰ মিষ্টাৰৰ পচন্দ নকবা আৰু
উলালো পৰুৱা সভালৈ বুলি
বাকী থকা চান্দা কেইটা আনোগৈ বুলি।
(কবি) পাইছানে নাই পখিলাৰ খবৰ
বাটে-ঘাটে তোমাৰ কথাই লগাইছে জগৰ

নাম দিছে চুৰাচেলেকা
তুমিহে জানা কেনেকে সহ্য কৰিছা।
(কাকতি ফৰিং) পেটকুলীয়াজনী
হিংসাকুৰীয়াজনী
মাহে মাহে মুখা সলায়
লেলাৰতী ঘৰতে আধাজীৱন কটায়।
(কবি) ঠিকে কৈছা পায়
মকৰাৰ জৰীৰে তাইক চিপ দিবৰ মন যায়
বাটে বাটে গৈ মুখামুখি কাকতি পখিলা
তয়াময়া ৰণৰ উতলা, মই পিছ লোৱাহে কথা।
দুবৈৰ পৰাই জুমি চালো
জেঠী ককাইদেউক উপস্থিত হোৱা যেন পালো
কথাতে কথা লাগি কাইদেৰে পাত্তায়ে নাপালে
ইফালে-সিফালে চাই তেওঁ দুয়োকে গিলিলে।

গধূৰ কাণ পাতল হৈ পৰিল
অৰ্থহীন কাঁজিয়াৰ অন্ত পৰিল
আনৰ বদনাম গাওঁতে
নিজৰ শত্ৰুকে নিচিনিল।



# জয় আই অসম

✍ জাহিৰুল হুছেইন
প্ৰাক্তন ছাত্ৰ

নোৱাৰে ৰুধিব... সংগ্ৰামী কণ্ঠ....
লৈছোঁ বীৰ শ্বহীদৰ কেচাঁ তেজৰ পণ।
আই তোৰ আলোকিত কবিতাৰ ছন্দ....
মচিব নিদিওঁ কদাপিও....
বীৰ সেনানী আমি অসমৰ।
নিৰ্ভয়ে... নিৰন্তৰে কৰি যাম সংগ্ৰাম...
শেষ বিন্দু তেজৰ থাকোঁতে টোপাল।
গাই যাম!! জাতিৰ জীয়া গান ... অবিৰাম...
কৰি তুলিম... মোৰ মাতৃভূমি জীপাল।
নোৱাৰে ৰুধিব সংগ্ৰামী কণ্ঠ...
লৈছোঁ বীৰ শ্বহীদৰ কেচাঁ তেজৰ পণ।
নালাগে.. নালাগে.. গঢ়িব... নালাগে
অসমী আইৰ বক্ষত বিদেশীৰ ভেঁটি
হেৰাব নিদিওঁ অসমীয়াৰ আছুতীয়া অভিমান।
লিখি থ'ম লাগিলে তেজেৰে জাতিৰ
ইতিহাস
তথাপিও, হেৰাব নিদিওঁ...
আই তোৰ স্বাভিমান।
লুইতৰ পাৰৰ লাচিতৰ দেশৰ ডেকাই দিছোঁ...
অভয়বাণী...
নিদিওঁ মাৰ যাবলৈ অসমী আইৰ আলোকিত মান
একতাৰে একেস্বৰে গাই... ক'ম আমি
জয়... আই... অসম
জয়... আই ... অসম
জয়... আই ... অসম।



# দোষী মই

✍ নেহা পাৰবিন
স্নাতক প্ৰথম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

হয়, দোষী মই
কাৰণ মাথো এইয়াই নে?
নাৰী মই।
পুৰুষ প্ৰধান সমাজত;
যদিও দোষী মই।
কাৰণ, নাৰী মই।
যদিও হয় মোৰ স্বাভিমান হানি,
যদিও মোৰ জীৱন পেলোৱা হয় গেলা নলাৰ পানীত।
যদিও, মোৰ দেহ নিষ্ঠুৰ ভাৱে আঁচুৰি নিশেষ কৰা হয়।
যদিও, মোক সদায়ৰ বাবে কমৰ আন্ধাৰ কোণত ঠেলি পঠোৱা হয়।
যদিও, বিবাহৰ অগ্নিৰ সলনি চিতাত বিসৰ্জিত কৰা হয়,
তথাপিও দোষ মোৰেই,
কাৰণ, নাৰী মই।
যদিও, মোৰ নৱ জীৱন আৰম্ভণি জোখা হয়, ধনৰ তুলাচনীত।
যদিও, মোক কৰা হয় দগ্ধ সেই কাগজৰ বিষাক্ত অগ্নিত।
যদিও, মোক নিৰ্যাতিত কৰা হয় সাধাৰণ কাঠ-লোহৰ বাবে।
যদিও, মোৰ গৰ্ভ-ৰক্তাক্ত কৰা হয়, বংশ উজ্বল নোহোৱাৰ বাবে।
যদিও, অজস্ৰ নিৰ্যাতন সহি মৌন থাকিব কোৱা হয়,
কাৰণ, এইয়েই নাৰী মই।
যদিও, এই দেশত নাৰী দেৱী ৰূপে পূঁজা হয়,
তথাপিও, ঘৰৰ লখিমীক কিয়? ভৰিৰ তলৰ বোলা হয়,
যদিও, দেশ আধুনিক হ'ব লৈছে।



তথাপিও, বেয়া দিনবোৰ আৰু বেয়া লৈহে ঢাল খাইছে
যদিও দেশ আধা হবলৈ লৈছে
তথাপিও কিয় কয় নাৰীৰ মগজু গোৰোহাত আছে বুলি
যদিও, ধৰ্ষিতাৰ বাবে কেন্দেল মাৰ্চ আৰু
চচিয়েল মেডিয়াত হেচ টেগৰ বৰষা হৈছে।
তথাপিও, কোনোৱে জানো সেই দুৰ্ভগীয়া আই -পিতাইৰ
চকুৰ পানী মচিব গৈছে।
কেনেকৈ হ'ব এই দেশৰ নাৰীৰ বাবে ন্যায়
কাৰণ, আজিও এই দেশৰ ন্যায়ালয়ত
এই পাপবোৰৰ পক্ষেও পাপীয়ে অধিবক্তা পায়।
কেতিয়া পাম নাৰীৰ স্বাধীনতা আৰু নিৰ্দোষী জীৱন
নে চিৰদিনৰ বাবে হৈ ৰ'ম দোষী মই
কাৰণ মাথো এয়াই হ'ব নে?
যে নাৰী মই?



# আই

✍ স্তুতি গগৈ
স্নাতক তৃতীয় যান্মাসিক
ইংৰাজী বিভাগ

জোন গলি আন্ধাৰ হয়,
মোৰ তপ্ত উশাহৰ হুমুনিয়াহবোৰ...
আন্ধাৰত মিলি যায়,
আৰু ....
মোৰ El-dorado হ'ব খোজা সপোনটো
থমকি ৰ'ব খোজে,
কিন্তু থমকি নৰয়...
হঠাৎ কাৰোবাৰ কোমল স্পৰ্শত সি সাৰ পাই উঠে।
কাৰ স্পৰ্শ সেয়া?
মোৰ আইৰ ...
মৰুভূমিৰ ৰুক্ষতাৰ মাজৰ এখিলা সতেজ পাত
তুমি, মোৰ আই।
দুগালৰ চকুলো লুকুৱাই এটি হাঁহি ওঁঠত,
ত্যাগৰ বিনিময়ত কাৰোবাক সুখী কৰাৰ বাসনা,
মৌনতাৰ শেষতো এটি ভাবনা...
অন্তহীন যাতনা, তথাপিও সপোন...
আনৰ দুখত দুখী, সুখত সুখী
কিমান বিশাল মন...।।
মলপৰ দৰে বৈ যাব মন যায়
আইৰ কোলাত মূৰটি থৈ
আইৰ দুভৰি...
মোৰ অশ্ৰুৰে ধোৱাব মন যায়,
নাজানো কেনেকৈ সেৱা কৰোঁ মোৰ আইক,
তথাপি স্তব্ধ উশাহবোৰ বুকুত সাৱটি জীয়াই থাকোঁ
কেনেকৈ সুখী কৰোঁ আইক
তাৰেই ভাবনা...
হে আই, তোমাক নমস্কাৰ।
মৰুভূমিৰ মৰীচিকা খেদো তাতো আই...
আন্ধাৰৰ মাজত জোনাক বিচাৰোঁ, তাতো আই...
বৰ্ণনাতীত, মোৰ অনুভৱ...
তোমাৰ মাজতেই বিলীন কৰি দিব খোজোঁ,
মোৰ হৃদয়ত তোমাৰ অস্তিত্বক,
ইহজনম পৰজনমতো যেন লগ পাওঁ
তাৰেই কামনা মাথোঁ।।

# শ্বহীদৰ গান

✍ অনুপম শইকীয়া
স্নাতক প্ৰথম ষাণ্মাসিক

অসমীয়া জাতিৰ স্বাৰ্থৰ ৰক্ষাৰ বাবে তুমি দি গ'লা প্ৰাণ,
তুমিয়েইতো বোৱাই দিছিলা শক্তি অসমৰ জয়গান
আজিও উমি উমি জ্বলি আছে তোমাৰ গান
কিন্তু তুমি যে নিষ্প্ৰাণ।
সি যে নিজানে নিতালে শুই আছে
কিন্তু, তাৰ আত্মাই হাজাৰবাৰ সোঁৱৰাইছে
স্বাৰ্থ ৰক্ষাৰ গান।
লুইতৰ বুকুৰ দুয়োপাৰে প্ৰতিধ্বনিত হৈছে
সেই আহ্বান, সেই মৃত্যুঞ্জয়ৰ গান,
তেজাল বুকুৰ একো একোটোপালে লিখা
বুৰঞ্জীত তোমাৰ নাম।
সূৰ্য্যোদয়ক আমন্ত্ৰণৰ বাবে কৰিছিলা ত্যাগ
তোমাৰ ত্যাগক লৈ ধৰিত্ৰী গৰ্বমান।
অতীতে সোঁৱৰাই, বাস্তৱে দেখুৱাই, ভৱিষ্যতৰ গান
তুমিয়েইতো কৰিছিলা, শ্বহীদ
ইয়াৰ আৰম্ভণিৰ জয় গান।
তাৰ বাবে,
বুকুত উজ্বলি উঠা তেজাল চেকুঁৱাক অস্ত্ৰৰ
শোণিতেৰে নৈ বোৱাইছিলা।
মোৰ মাতৃভূমি অসমীক আশা দিছিলা
ভৰসা দিছিলা, দিছিলা তোমাৰ প্ৰাণ।
সেয়েহে, মোৰ জাতীয় বীৰ
কৰিছো তোমাক মোৰ প্ৰণিপাত
লৈছো শপত জাতীয় স্বাৰ্থৰ ক্ষেত্ৰত
কৰিছো বীৰ তোমাক প্ৰণাম।।





# ছাঁ

ড° ৰঘুনাথ কাগয়ুং
সহযোগী অধ্যাপক
অসমীয়া বিভাগ

শাওনৰ ভৰ দুপৰ দুপৰৰ দেহা ফলা ৰ'দ

এনেহেন প্ৰচণ্ড ৰ'দকো নেওচা কেওচা দি
ছায়া নামৰ তাৰৈৰ ছোৱালীজনী
মন মৰ্জি নুশুনি নামানি কাৰো
হাক বচন
পথাৰত ওমলি থাকে দিনটো

কাষলতিৰ কেচেমা-কেচেম ঘাম বাজ কৰি
ভূঁই ৰোৱা অৱশ ক্লান্ত জাকৰীয়া ৰোৱনীৰ
শীতল কৰি গা
গচকি ফেনেকি বোকাপানী তাই
এইখন পথাৰলৈ এবাৰ হ'লেও আহে দুপৰীয়া

তাইৰ উচ্চতাৰ মহিমা অপাৰ
দুপৰৰ বাওনা-গা বিয়লি হয় হিমালয়ৰ ছাঁ

সেয়ে হ'বলা তাৰৈৰ গাঁৱৰ ছোৱালীবোৰে
তাইৰ ৰাখিছে দুইবেলা দুটা
উপনামঃ
দুপৰীয়া বুঢী আবেলি লম্বু

আৰু দিনৰ পোহৰত
গাৰ ছাঁ হৈ ঘূৰি ফুৰা ছাঁ
ৰাতি
নেদেখুৱাই গা


... ...

... ...

# সোণাৰু দেশত এক অনুভৱ

✍ মিতালী গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মুঠি মুঠি সোণ বুটলাৰ হেঁপাহেৰে
সোণাৰু দেশৰ সোণাৰিয়ান আমিবোৰ,
শাৰী শাৰী কৃষ্ণচূড়া, দেৱদাৰুৰ
চিৰসেউজ পৰিবেশৰ মাজতেই
পাৰ হয় কত
স্বপ্নবিভোৰ মাতাল আবেলিবোৰ।
কিমানৰ ক'ত যে
আৱেগ জড়িত এই সোণাৰু দেশখন,
য'ৰ পৰা অংকুৰিত হয়
ভৱিষ্যতৰ সেউজীয়া স্বপ্নৰ ফচল,
তাৰ মাজতেই আকৌ
প্ৰেমময় অনুভূতিৰে মাতাল হৈ
উৰি ফুৰা বহু প্ৰেমিক যুগল।
সুখ দুখৰ অনুভৱেৰে জীপাল হৈ উঠা প্ৰতি সময়
যেন মিলনৰ অন্য এক সেতু
আমাৰ সোণাৰু দেশখন...
ছাৰ বাইদেউৰ সাৰুৱা বাণীৰে জগাই তোলা
সুপ্ত মনৰ অনুভূতিৰে মহীয়ান
সোণাৰু দেশৰ নাগৰিক প্ৰতিজন।
সোণাৰু দেশ মানেই যে বিৰল এক অনুভৱ
সুখৰ ৰসঘৰা...
জ্ঞানৰ গৰিমাৰে প্ৰতি ক্ষণ হাঁহিৰে সজোৱা।
সগৌৰৱে গৌৰৱান্বিত আমিবোৰ
এই যে আমি একো একোজন সোণাৰিয়ান।
গৰিমা প্ৰৱাহিত হৈ ৰব অনন্তকাললৈ...
যাৰ জ্যোতিৰে আলোকিত হৈ আগুৱাই যাওঁ শত সহস্ৰ
আমি অসমীয়া।।



# নিস্তব্ধতাৰ আঁৰৰ দুটা প্ৰেক্ষাপট

✍ দ্বীপাঞ্জলী ডেকা
স্নাতক তৃতীয় ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

জ্বলন্ত অগ্নিশিখাত
ছাই হৈ যায়
সপোনেৰে পূৰ্ণ
এটি শৰীৰ, নশ্বৰ দেহ।
কেৱল বাহ্যিকতাৰেই নে ?
মন অগ্নিশিখাই এটি শৰীৰ কঢ়িয়াই
কিন্তু জীৱন্ত মৃতদেহ।
যাক কঢ়িয়াবলৈ যেন
শক্তি-পানী বায়ু অসমৰ্থ
তথাপি
প্ৰাধান্য বাহ্যিকতাত
নশ্বৰ দেহ মানেই যে লেলিহান শিখা
ভ্ৰম দৃষ্টিশূন্য সকলো।

(২)

ভাৱনাৰ স্তুপে
সুকুমাৰ কলা আনে...
আনে মনসমুদ্ৰলৈ নতুনত্বৰ জোঁৱাৰ।
এখন নতুন পৃথিৱীৰ
নতুন সুবাস।
মনৰ অশান্তিয়ে ধ্বংসৰ পথ গঢ়ে
কিমানদূৰ সত্য!
কালসমুদ্ৰৰ বুকুৰ বৰফপিণ্ডই
দ্বীপ নাসাজেনে!
কল্পনাত নহয়নে?
অশান্ত মানেই সৃষ্টিৰ পথ শূণ্য নহয়।
ই সুযোগ ধ্বংসৰ বুকুত সৃষ্টিৰ বন্যা।

# বিষাদ বাঁহীৰ সুৰ

✍ লাবণ্য দাস
স্নাতক তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

তুমি গুচি যোৱাৰ বাটত
বাৰমাহে বিষাদৰ ফুল ফুলে
তোমাৰ বুকুৰ শূন্যতাত
সেন্দুৰীয়া ফুল হৈ ফুলিছো,
তোমাৰ মতলীয়া দুচকুৰ চাৱনিৰে
মোৰ সেউজীয়া চুবুনিৰ আঁৰে আঁৰে.
খলকনি তোলে দুৰু দুৰু
মোৰ বুকুৰ নিজানত
বতাহত সৰি পৰা পাত
হাতত তুলি লৈছোঁ
সৰাপাত ....
বিষাদ বাঁহীৰ সুৰ হৈ পৰে
আৰু কেতিয়াবা!
এনে লাগে যেন প্ৰেমৰ পোহৰ
ৰং তুলিকাৰ অবিহনে
নাথাকে চিত্ৰ
জীৱনত জোনাক নাথাকে
ভালপোৱাৰ অবিহনে।।



# সন্ধ্যাৰাগ

✍ পূৰবী গগৈ
অৰ্থনীতি বিভাগ
তৃতীয় ষাণ্মাসিক

পশ্চিমৰ আকাশত
দেখিলো মই,
এৰি অহা জীৱনৰ স্মৃতিবোৰ
উজ্বলি উঠা।

শৈশৱৰ ৰঙচুৱা শিশু সূৰ্য্যটো
ফুলিছিল আবেলিৰ বেলি হৈ
জীৱনৰ বিয়লি বেলাত।
গভীৰ হৈ আহিল
সন্ধিয়াৰ ছাঁ
ৰান্ধনী বেলি হৈ
সি মৰহিছে এতিয়া
মোৰ বেদনাৰ বোলেৰে
আকাশ ৰাঙলী কৰি
জীৱনৰ গধূলি লগ্নত।।

# বসন্তৰ ৰসাল অনুভূতি

✍ পিংকী ছেত্ৰী
অসমীয়া বিভাগ
প্ৰথম ষাণ্মাসিক


বসন্তৰ আগমনত কুলি
কেতেকীৰ শুৱলা মাত,
আন পখীৰ কাকলিত গোৱা
শুৱনি গীতে,
ধৰণীৰ বুকুলৈ বসন্তক
স্বাগতম জনালে।
বসন্তৰ প্ৰতিক্ষণ, প্ৰতিপলে
কঢ়িয়াই আনে নতুনত্ব,
গছে পিন্ধে ন সাজ
ফুলৰ ৰাণী গোলাপেও
ওৰণি গুছাই হাঁহিছে মিছিকিয়াই
বসন্ত মানেই ৰঙৰ উৎসৱ
ৰাঙলী বতাহৰ হৃদয়স্পৰ্শী অনুভূতি,
বসন্ত মানেই আনন্দৰ ফেঁহুজালি,
মাতাল বিহংগৰ নৈশ সঙ্গীত
বসন্তই মনত পেলাই দিয়ে
পাহৰা গীতৰ সুৰ,
পথাৰৰ সেই দিনবোৰ,
ঋতুৰাজ বসন্তৰ আগমনেই
বৃক্ষ তৰুৰ সেউজী সৰাপাতৰ
কৰুণ চানেকি নিমিষতে কৰে দূৰ,
মেলে দশোদিশে সেউজীয়া আচ্ছাদন
ফাগুণীয়ে বসন্তৰ আগলী বতৰা দিয়ে
লগে লগে আনন্দৰ  শিহৰণ উঠে
কেঁচা সোণবৰণীয়া আকাশীলতাই
নামি আহি মাটিক সাৱতে
নৈৰ মকুতা সদৃশ শিলেও
পানী যুৱলীত বৈ
জিক্ মিকাই হাঁহে,বসন্তৰ  ৰিব্ ৰিব্ মলয়াইও
জনাই দিয়ে বসন্তৰ  আগমন।।।



# আই

✍ মনীষা গগৈ
চতুৰ্থ ষাণ্মাসিক (উদ্ভিদ বিজ্ঞান বিভাগ)

সময়ৰ অগ্ৰগতিত দুচকু মেলিয়ে
প্ৰতিটো পুৱাই নমস্য মোৰ 'আই'
সেউজ সুন্দৰ, আলোকৰ যাত্ৰা
মোৰ সোণোৱালী জীৱনৰ...
অনন্য এক অপৰূপা মোৰ আই -
গুৰু ব্ৰহ্মা গুৰু বিষ্ণু
গুৰু দেৱ মহেশ্বৰ
গুৰু শ্বাশত পৰম ব্ৰহ্ম
তস্মৈ শ্ৰী গুৰুবে নমঃ
আই তোমাক কোটি কোটি বাৰ নমস্কাৰ
যুগে যুগে তুমি অমৰ জ্যোতি
ইতিহাসও কৰে তোমাৰ অংগীকাৰ।
সময়ৰ বলুকাৰাশিত আইৰ
মৌ মিঠা মাতবোৰ
সুন্দৰৰ সফল যাত্ৰা
জীৱন গঢ়াৰ অনন্য ৰূপ
মোৰ আইৰ দুচকুৰ এক স্বপ্ন
একমাত্ৰ মই...
ধন্য আই, ধন্য জননী
ধন্য মোৰ চিৰ সুন্দৰ আই।



## উত্তৰবিহীন প্ৰশ্নবোৰ আৰু তুমি

✍ নাৰায়ণ বসুমতাৰী
পঞ্চম ষাণ্মাসিক

আছিলো মই দূৰ দিগন্তত শুকান পাহাৰ হৈ।
নিৰবে, অকলশৰে, চকুলো শুকালযেন চকুতে।
তথাপি বাৰিষা, তুমি আহিলা কিয় ?
পাহাৰী জুৰিটি বুকুতে বোৱালা কিয় ?
বৈ থাকিবনে বাৰু চিৰকাল !
শিল বালিৰে আছিল মোৰ বুকু ভৰি
বিশৃংখল, কদৰ্য্যময়, এলাগী হৈ আছিলো পৰি।
তথাপি সোণালী শইচৰ বীজ সিঁচিলা কিয় ?
অনুৰ্ব্বৰ বুকুখনিত সেউজৰ ৰং সানিলা কিয় ?
ঠন ধৰি উঠিবনে বাৰু গজালিবোৰ।
শুকুলা ৰঙৰ কেনভাচখনি উকা হৈ আছিল পৰি।
এলাগী হৈ, ধূলিৰ আৱৰণে ধৰিছিল ঢাকি।
তথাপি ৰং তুলিকাৰে ৰঙীন কৰিলা কিয় ?
উকা কলিজাটিত তোমাৰ ছবিটি আঁকিলা কিয় ?
ৰঙেৰে জীপাল হৈ থাকিবানে বুকুত।
জনসমুদ্ৰৰ দিক্‌ভ্ৰান্ত নাবিক আছিলো মই।
নিঃসংগ, লক্ষ্যহীন, পথভ্ৰষ্ট পথিক হৈ।
তথাপি প্ৰিয়া, তৰা হৈ দিক্‌দৰ্শী হ'লা কিয় ?
নিঃস্তব্ধ, নিৰ্জন, গভীৰ নিশাৰ সহযাত্ৰী হ'লা কিয় ?
অন্তহীন জীৱনলৈ থাকিবানে কাষত !

## শাৰদীৰ ৰং

✍ অংকুৰিকা গগৈ
প্ৰথম ষাণ্মাসিক
অসমীয়া বিভাগ

নিয়ৰৰ কুহেলিকা ফালি
চোতালত শাৰদী ৰাণী
শুভ্ৰ হিমানী হৈ
ধৰা দিছে প্ৰকৃতিৰ বুকুত।
শৰতৰ উন্মনা প্ৰভাতী সুৰত
ভাঁহি আহে
শান্তিৰ সূচনা
কোমল আদৰণি
হাঁহি হাঁহি ফুলিছে শেৱালি জুপি
সৰিছে নিয়ৰ মুকুতা হৈ
আলফুলে
সেউজী বনত।
মুকুতাৰ মালা হৈ ওমলে
তলসৰা শেৱালিৰ সতে
মিলনৰ ৰং
নিয়ৰ সিক্ত শেৱালিৰ সুবাসত
মতলীয়া বতাহজাকে
চৌপাশে বজাই আজি
মোহময়ী শাৰদীৰ ৰাগ।।





# শাওণ জীৱনৰ

✍ হোমেন গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক
অৰ্থনীতি বিভাগ

শুকুলা মেঘালিৰ আঁচোৰ!
প্লাৱিত ধৰিত্ৰীৰ সাজোন-কাচোন।
মহেশ দ'দাইদেউৰ অক্লান্ত উচ্ছাসঃ
জীয়া-জীয়া জীৱন ছাফাৰিৰ উল্লাস।
কল্পনাত যেন অসীম সহবাস!
বাঁহনিখনিৰ চেঁচুক মৰা ছাঁ।
অস্তিত্বৰ শুকুলা আশা,
চহা-জীৱনৰ ৰামধেনু ভাষা।
কাকিণী তামোল জোপাৰ উদং আশা!
বোকাময় আলিৰ কেঁকুৰিটো ৰহস্যগন্ধ্যা!
মৰ্মান্তিক জীৱনৰ অযুত আস্থা।
সময়ৰ দিকচৌ দলিচাত খোজৰ লৰা-ঢপৰা।
শিখৰৰ শীৰ্ষত অৱতৰণ কৰাৰ দুৰ্বাৰ হেঁপাহ!
ঠিক যেন শাওণৰেই বতৰা!
জীৱন-সাকোঁৰ প্লাৱিত নিশাহ!
আহে যেন শুকুলা মেঘৰ আভা!
পথিক আমি আলোকৰ,
উৰুৱাও আমি উল্লাসৰ নিচান।
আস্থা অবিনাশী,
হও যেন সাধনাৰ জিজ্ঞাসা।
ঠিক যেন শাওনৰ সুবাসিত কঠিয়াৰ গোন্ধ!
চহা-জীৱনৰ সজীৱ উশাহ,
তৃষ্ণাতুৰ জীৱনৰ মেলানি মগা মৰীচিকা।।

# গল্প

" উপন্যাস যদি এটা অজগৰ
চুটি গল্প এটি পাখিলাহী পখিলা "




# সঁচা প্ৰেমৰ প্ৰতিদান

✍ নাৰায়ন বসুমতাৰী
ইংৰাজী বিভাগ
স্নাতক পঞ্চম ষাণ্মাসিক

(১)

সদাব্যস্ত আৰু কোলাহলপূৰ্ণ চহৰখন শান্ত হৈছে। ধৰাৰ বুকুলৈ নামি অহা আন্ধাৰ আতৰাবলৈ জোনটিয়েও অপ্ৰাণ চেষ্টা কৰিছে যদিও ক'লা-বগা ডাৱৰৰ সৈতে লুকা-ভাকু খেলি আছে। জোনাকী পৰুৱাবোৰেও যেন দায়িত্বশীল কৰ্মচাৰীৰ দৰে নিজৰ কাম কৰিছে। ছাত্ৰাবাসৰ ছাদত বহি প্ৰশান্তই প্ৰকৃতিৰ এই বিনন্দীয়া সৌন্দৰ্য্য উপভোগ কৰি আছে। খুব অস্থিৰ মনেৰে সি চিগাৰেট এটা হুপি আছে আৰু ধোঁৱাবোৰ মুক্ত আকাশলৈ এৰি দিছে। মনৰ দুখ, কষ্ট, হতাশা, নিৰাশা অথবা বিষাদখিনিও যদি এনেদৰে উৰুৱাই দিব পাৰিলহেঁতেন। কেতিয়াবা এইদৰে ভাবে প্ৰশান্তই। আচলতে তাৰ অৱস্থা একেবাৰে বেয়া এইকেইদিন। বিচনাত বাগৰিও শুব পৰা নাই, ডাইনিং হ'লত ভাতৰ পাতত বহিও খাব পৰা নাই, তাৰ বিপৰীতে কাণ দুখনত বাজি আছে কিছুমান কথা, দুচকুত ভাঁহি আছে ৰণচণ্ডী ৰূপ ধাৰণ কৰি থকা এগৰাকী নাৰীৰ স্পষ্ট প্ৰতিচ্ছবি। এগৰাকী ৰূপৱতীৰও এনে কুৎসিত ৰূপ থাকিব পাৰেনে! সঁচাকৈয়ে, সুনয়নাৰ চকু দুটাত জুই জ্বলিছিল সিদিনা আৰু তাই কোৱা কথাবোৰৰ প্ৰতিটো শব্দই এতিয়াও শূলে বিন্ধাদি বিন্ধি আছে প্ৰশান্তৰ বুকুত। তাই কৈছিল 'ইম্মান... সাহসনে তোমাৰ... মোক ভালপোৱাৰ প্ৰস্তাৱ দিছা! যোগ্যতা আছে জানো তোমাৰ? বাওনা হৈ চন্দ্ৰলৈ হাত মেলিছা কিয়...? ক'ত তুমি আৰু ক'ত মই.... আইনাত ভালকৈ নিজৰ প্ৰতিচ্ছবিখন চাই ল'বাচোন। ইউ বাষ্টাৰ্ড, ডিষ্টাৰ্ব কৰি নাথাকিবা মোক, গেট লষ্ট... মাই ফুট....।"



প্ৰেমৰ প্ৰস্তাৱ লৈ অহাজনকনো এনে উত্তৰ দিয়াটো প্ৰয়োজনীয় হয়নে! দুচকুত অলেখ সপোন লৈ, বুকুত এমুঠি আশা লৈ, কল্পনাৰ কাৰেং সাজি প্ৰশান্ত গৈছিল প্ৰেমৰ প্ৰস্তাৱ লৈ। কিন্তু এনেকৈ মুখ থেকেচা খাব বুলি ভবা নাছিল সি। ওচৰত থকা সকলোৱে গড়ালত থকা চিম্পাঞ্জীটোক চোৱাৰ দৰে চাইছিল প্ৰশান্তক। প্ৰচণ্ড লাজ আৰু অপমানত মূৰ তল কৰি ৰুমত সোমাইছিলহি আৰু গোটেই ৰাতি উজাগৰে থাকি চকুলো টুকে প্ৰশান্তই।

পাৰিনে আৰু ইমান যাতনা সহিব! তিনি বছৰ বয়সতে এটা পথ দুৰ্ঘটনাত দেউতাকক হেৰুৱাই পিতৃহাৰা হয় প্ৰশান্ত। সকলোবোৰ মাংগলিক কাৰ্য যথাৰীতিভাৱে সম্পন্ন হোৱাৰ পাছতে স্বামীগৃহ এৰি পিতৃগৃহলৈ গুচি আহে প্ৰশান্তৰ মাক। আইতাকৰ চেনেহৰ কোলাত থাকিয়ে সুধিছিল সি দেউতা কলৈ গ'ল বুলি। আইতাকে কৈছিল "সৌ আকাশলৈ গৈছে অ' সোণটো আৰু সেই যে জোনটো দেখিছা, তাতে আছেগৈ। তুমি চিন্তা নকৰিবা, সোনকালেই উভতি আহিব।" আইতাকে কোৱাৰ দৰে কোনো দিনেই ঘূৰি নাহিল দেউতাক। মাক, আইতাক, মামা-মামীৰ মৰমতে খুব আনন্দেই শৈশৱকাল পাৰ কৰি কৈশোৰত ভৰি দিছিল প্ৰশান্ত। এদিন এই আনন্দখিনিও নোহোৱা হৈছিল প্ৰশান্তৰ, যেতিয়া মাক দুৰোগ্য কৰ্কট ৰোগত ভুগিছিল। সংসাৰৰ মায়া-মোহ এৰি চেনেহৰ মাকজনীও গুছি গৈছিল সেই জোনৰ দেশলৈ। মাকক হেৰুৱাৰ বেদনা বুকুত লৈয়ে মেট্ৰিক পৰীক্ষাত বহিছিল আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ গুচি আহিল এই অচিন চহৰলৈ। ছাত্ৰা বাসৰ বাসিন্দা হ'ল সি আৰু আৰম্ভ কৰিলে নতুন জীৱন যাত্ৰা। সময়তকৈ অধিক ব্যস্ততা আৰু দ্ৰুতবেগেৰে আগবাঢ়িছিল সি, সেয়ে চাৰিটি বসন্ত কেতিয়ানো পাৰ হৈ গৈছিল গমেই পোৱা নাছিল। পঞ্চমটো বছৰতে সুনয়নাৰ প্ৰেমত পৰি হৈ যায় সকলো খেলি-মেলি,

সময়বোৰো যেন স্থবিৰ হৈ পৰিল। মানুহৰ জীৱনলৈ কিয়নো বাৰু আহিব লাগে প্ৰেম! বিপৰীত লিংগৰ প্ৰতি প্ৰেমৰ অনুভৱ নহাটোৱেই হয়তো ভাল, বিশেষকৈ প্ৰশান্তৰ দৰে এজন যুৱকৰ।

-"ঐ দোস্তি, কি কৰি আছ' তই ইয়াত?" আৰিয়ানৰ মাতত ভাৱ সাগৰত বুৰ মাৰি থকা প্ৰশান্ত বাস্তৱ জগতলৈ উভতি আহিল। আৰিয়ানে সুধা প্ৰশ্নৰ সঠিক উত্তৰ নাই তাৰ ওচৰত, সেয়ে একো নকৈ মনে মনে থাকিল। অৱশ্যে আৰিয়ানে সকালোবোৰ কথাই জানে।

- "চা ভাই, এয়া একৈশ শতিকাৰ দ্বিতীয় দশক। আজিৰ দিনত হিয়াৰ নিভৃত কোনৰ পৰা জাগ্ৰত হোৱা সঁচা প্ৰেম আৰু তোৰ দৰে সঁচা প্ৰেমিকৰ কোনো মূল্য নাই। গতিকে বাদ দে এই পাগলামিবোৰ আৰু ভৱিষ্যতৰ কথা চিন্তা কৰ। প্ৰতিষ্ঠিত যুৱকৰ বাবে এই পৃথিৱীত ছোৱালীৰ অভাৱ নাই, পিছলৈ হাজাৰজনী তোৰ পিছফালে দৌৰিব। ব'ল এতিয়া শুই থাকোগৈ।" আৰিয়ানৰ কথাবোৰ মাথো শুনি থাকিল প্ৰশান্তই, নিজে একো নকলে। এই কেইদিন আৰিয়ানে এনেধৰণৰ কথা কৈয়ে তাক সান্ত্বনা দিয়াৰ আপ্ৰাণ চেষ্টা কৰি আছে। প্ৰশান্তয়ো যথেষ্ঠ মানসিক শক্তি ঘূৰাই পাইছে আৰু কথাবোৰৰ যোগাত্মক দৃষ্টিভংগী, চিন্তধাৰাৰে চালিজাৰি চাবলৈ চেষ্টা কৰিছে।



(২)

আজি বহুকেইদিন পাৰ হৈ গ'ল। লাহে লাহে প্ৰশান্তৰ অস্থিৰতা কমি আহিল। সকলোবোৰ এটা বেয়া সপোন বুলি ভাবিয়েই পাহৰিবৰ চেষ্টা কৰিছে সি। পঢ়া-শুনা আৰু বন্ধুবৰ্গৰ সৈতে হাঁহি-ধেমালিৰে পাৰ কৰিছে দিনবোৰ। তাৰ মুখত হাঁহি দেখি বাকীবোৰেও সন্তোষিত হৈছে। অৱশ্যে সি নিজেহে জানে যে সুনয়নাৰ সজল নীলা চকুযুৰিয়ে প্ৰাণোচ্ছল হাঁহিয়ে অথবা গুলপীয়া ওঁঠেৰে নিগৰিত হোৱা মিঠা মাতে আজিও তাক ৰাতি ৰাতি আমনি কৰে। ওঁঠত মিঠা হাঁহিটি বোলাই জীৱন নামৰ নাটকখনিত নিখুঁত অভিনেতা এজনৰ দৰেই অভিনয় কৰি থাকিল সি।

"ভুলতো নাচাবা তুমি, নামাৰিবা মিঠা হাঁহি...." জুবিন গাৰ্গৰ কণ্ঠৰ এটি বিষাদভৰা গীত বাজি উঠিল প্ৰশান্তৰ ম'বাইলত। এটা অচিনাকি নাম্বাৰৰ পৰা ফোনকল আহিছে।

"হেল্ল', কোনে কৈছে?" ফোনকলটো ৰিচিভ কৰি সুধিলে।

"হেল্ল, মই ময়ূৰীয়ে কৈছো, শুনা প্ৰশান্ত সুনয়নাৰ এটা পথ দুৰ্ঘটনা হৈছে। গম পোৱানে তুমি?" (ময়ূৰী সুনয়নাৰ বেষ্ট বান্ধৱী)

কি...! ক'ত....?, কেতিয়া......? কেনেকৈ......? এতিয়া তাই ক'ত আছে? খুব আশ্চৰ্য্যৰে প্ৰশান্তই উপৰ্য্যুপৰি বহু কেইটা প্ৰশ্ন সুধি পেলালে।

কিছু সময় পূৰ্বে, ৰাতি প্ৰায় দহ মান বজাত মেইন ৰোডত ডাম্পাৰ এখনে খুন্দিয়াই থৈ গ'ল। তাইৰ বহুত ৰক্তক্ষৰণ হৈছে, গোটেই তেজেৰে লুতুৰি-পুতুৰি। ডাক্টৰে কৈছে যে দুঘণ্টাৰ ভিতৰত তাইক তেজ দিব নোৱাৰিলে কথা বিষম হ'ব পাৰে, কিন্তু চহৰৰ আটাইকেইটা ব্লাড বেংকৰ লগত যোগাযোগ কৰিও তাইৰ গ্ৰুপৰ লগত মিলা তেজ বিচাৰি পোৱাই নাই। ময়ূৰীয়ে প্ৰায় একে উশাহে কোৱাৰ দৰেই কথাখিনি কৈ শেষ কৰিলে। প্ৰশান্ত কিংকৰ্ত্তব্যবিমূঢ় হৈ আছিল যদিও কোনো মতে তাইৰ ব্লাড গ্ৰুপ কি বুলি সুধিলে। ময়ূৰীয়ে সুনয়নাৰ ব্লাড গ্ৰুপটো কোৱাৰ লগে লগে যেন কিছু আশাৰ সঞ্চাৰ হ'ল। কাকতলীয়ভাৱেই দুয়োৰে ব্লাড গ্ৰুপ এ-নেগেটিভ। (এ-নেগেটিভ ব্লাডৰ ব্যক্তিসকলৰ নাম আৰু ফোন নম্বৰ হস্পিটেল বা নাৰ্চিং হোমবোৰত ৰাখি থয় কাৰণ এই ব্লাড গ্ৰুপৰ ব্যক্তি খুব কম)। সেই বাবেই হয়তু ময়ূৰীয়ে প্ৰশান্তক ফোন কৰিছিল। প্ৰশান্তই ফোনৰ সংযোগ বিচ্ছিন্ন নকৰাকৈয়ে ম'বাইলটো বিচনালৈ দলি মাৰি টি-চাৰ্ট এটা পিন্ধি ৰাস্তালৈ বুলি দৌৰ দিলে। পথৰ দাঁতিত বৈ ইফালে-ইফালে চাৰিওদিশে চাই যদিও ক'তো অ'টো বা ৰিক্সা এখনো দেখা নাপালে। ঘড়ীটোলৈ চাই দেখে ১১ বাজি ১০ মিনিট পাৰ হৈ গৈছে। সময়ো যে কেতিয়াবা অতি নিষ্ঠুৰ হ'ব পাৰে সেয়া সি আজি অনুভৱ কৰিছে। আন একো উপায় নেদেখি সি দৌৰিবলৈ ধৰে। দেহৰ সমস্ত শক্তি প্ৰয়োগ কৰি সি দৌৰিছে। মাথো দৌৰিছে। দেহত ভাগৰ অনুভৱ হৈছে, পিয়াঁহত অষ্ঠ-কণ্ঠ শুকাইছে তথাপি দৌৰিছে। অন্ধকাৰ ৰাতি, নিৰ্জন জনশূণ্য পথ, মাথো দুই এখন বিলাসী গাড়ী তীব্ৰবেগে

তাৰ কাষেৰে পাৰ হৈ গৈছে। তেনেতে কিছু গভীৰ গাঁত এটাত বাওঁভৰিটো সোমাই লুটি খাই পৰে সি। বেছিকৈ আঘাতপ্ৰাপ্ত নহ'লেও আঠু আৰু হাতত কিছু আঘাত পায়, মাখি ছাল চিঙি সামান্য তেজ বিৰিঙিছে। কিন্তু প্ৰশান্তই নিজৰ শৰীৰটোলৈ চাবলৈয়ো যেন সময় নাই। পুনৰ উঠি দৌৰি দৌৰি অন্ধকাৰত বিলীন হৈ গ'ল.......।

(৩)

দুৰ্ঘটনাটো হৈ যোৱা আজি এসপ্তাহমানেই হ'ল। সুনয়না বহু পৰিমাণে সুস্থ হৈছে। কিন্তু মানসিক ভাৱে তাই ভাগি পৰিছে। মন ভাল লগাবলৈ বন্ধু-বান্ধৱী আৰু পৰিয়ালৰ মানুহে অশেষ চেষ্টা কৰিও বিফল হৈছে। ডাক্তৰেও তাইক হাঁহি-ফুৰ্তিত থাকিবলৈ কৈছে। ইতিমধ্যে বান্ধৱী ময়ূৰীয়ে সুনয়নাক সকলোবোৰ কথা বিৱৰি কৈছে।

"সোমাব পাৰোনে মই?"- দুৱাৰমুখত ৰৈ প্ৰশান্তই সুধিলে।

"অ'... তুমি .... আহা,"- ময়ূৰীয়ে অনুমতি দি তাই বহি থকা চকীখনতে প্ৰশান্তক বহিবলৈ দিয়ে আৰু তাই আতৰি যায়। আচলতে সুনয়নাই ময়ূৰীৰ হতুৱাই মাতি পঠাইছিল প্ৰশান্তক। খুব স্বাভাৱিক দৃষ্টিৰে তাই প্ৰশান্তলৈ চাই আছে, কিন্তু প্ৰশান্তই অপ্ৰস্তুতভাৱে খিৰিকীৰ ফালে চাই আছে। কেইটামান নীৰৱ মূহুৰ্ত্ত পাৰ হৈ গ'ল। হয়তো কথাবোৰ ক'ৰ পৰা আৰম্ভ কৰিব ভাবি পোৱা নাছিল দুয়ো।

আচলতে মই যি ভুল কৰিলো সেয়া ক্ষমাৰো অযোগ্য আৰু তুমি যি সহায় কৰিলা, তাৰ বাবে হাজাৰ-হাজাৰ বাৰ থেংকচ কলেও অত্যুক্তি নহব। অৱশেষত নিৰৱতা ভংগ কৰি সুনয়নাই কবলৈ ধৰে। ভবা নাছিলো এনেকৈ কাৰোবাৰ প্ৰেমত পৰিম বুলি আৰু নিজৰ অজানিতেই হিয়াখন কাৰোবাক দিম বুলি। মই তোমাক ডিষ্টাৰ্ব কৰি নাথাকিবলৈ কৈছিলো, কিন্তু সিদিনা তোমাৰ শেঁতা পৰা সহজ-সৰল মুখখনিয়ে মোৰ হিয়াখনিত ডিষ্টাৰ্ব কৰি দিলে জানা...। ভাবিছিলো তোমাৰ কাষলৈ যাম আৰু ক্ষমা ভিক্ষা মাগিম, (পিছদিনা গৈছিলোও কিন্তু তোমাক নেদেখিলো, এসপ্তাহমান পাছত তোমাক দেখিছিলো যদিও তোমাৰ লগৰ বন্ধুসকলে তোমাৰ লগ এৰি দিয়া নাছিল।) কিন্তু নিয়তিয়ে আকৌ তোমাক হে মোৰ কাষলৈ লৈ আহিলে। কাৰোবাক নৱজীৱন দিব পৰা যোগ্যতা আছে তোমাৰ। তোমাৰ এই বহুমূলীয়া সহায়ৰ বাবে চিৰজীৱন ঋণী হৈ ৰ'ম মই। কিন্তু যদিহে পাৰা, যি তেজেৰে তুমি মোৰ জীৱন ৰক্ষা কৰিলা, সেই তেজেৰে মোৰ কপালত আবেলিৰ ৰঙা বেলিটি আঁকি দিবা...। সুনয়নাই ধীৰে ধীৰে অনৰ্গলভাৱে কৈ যায় কথাবোৰ আৰু শেষলৈ তাই উচুপি উঠে। প্ৰশান্তই নীৰৱ শ্ৰুতা হৈ সকলোবোৰ শুনি আছে। যিমানে শুনিছে সিমানে প্ৰশান্তৰ মন অশান্ত হ'বলৈ ধৰিছে, এয়া সপোন যে বাস্তৱ ভাবিব নোৱাৰা হৈছে।

"আপোনাৰ ইমানখিনি সহানুভূতিৰ বাবে ধন্যবাদ সুনয়না মেডাম। কিন্তু মই অতিশয় দুঃখিত যে মই অযোগ্য বাবে আপোনাৰ প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰিম। আপুনি চহৰখনৰ ধনী ব্যৱসায়ীৰ একমাত্ৰ দুহিতা আৰু মই দীননাথৰ নিঠৰুৱা সন্তান। ক'ত মই আৰু ক'ত আপুনি, আকাশ-পাতাল পাৰ্থক্য আমাৰ মাজত। মই আপোনাৰ আপোন হ'ব নোৱাৰিম অ'.. ছৰি..। এই বুলি কৈ কোঠাটোৰ পৰা ওলাই আহিল প্ৰশান্ত। বুকুখন গধুৰ গধুৰ লাগিছে তাৰ। অশেষ কষ্ট আৰু যত্নৰে চেপি ৰখা কান্দোনটো ওলাই আহিল তাৰ। মনৰ দুখ, বিষাদবোৰ ইমানকৈ লুকুৱাই ৰাখিব পাৰিনে বাৰু!

বিষাদৰ সুৰাৰ ৰাগিত মাতাল হ'লো
তুমিয়েইতো মোৰ হিয়াৰ ঠিকনা
মৰম আছে যদিহে মোলৈ
সেই মদিৰাৰ তুমিও এপেগ মাৰিবা।

কিছুদিন পূৰ্বে লিখা কবিতা এটা মনলৈ অহাত আবেগত ৰৈ থাকিব নোৱাৰিলে সি। পুনৰ দৌৰি গ'ল সুনয়নাৰ কাষলৈ আলিংগনবদ্ধ হৈ ৰ'ল দুয়ো। এনে লাগিছে যেন জোনাক আৰু বৰষুণৰ সমন্বয় হৈছে। নিৰৱে আতৰি আহিল ময়ূৰী। সিহঁত দুয়ো একেলগে কান্দি আছে, কালিলৈ হাঁহিব। সেই হাঁহিত থাকিব প্ৰাপ্তিৰ প্ৰাচুৰ্য্য। ময়ূৰীৰো দুচকুত পানী আৰু মনত এক অবুজ শিহৰণ, সঁচা প্ৰেমৰ দুৰ্লভ অনুভৱে চুই গৈছে তাইৰো হৃদয়। তাই মনতে ভাবিলে কৰো বুলিয়েই কৰিব পৰা নাযায় প্ৰেম, কৰিব পৰা যায় মাথো চুক্তি। হয় যদি হওঁক মোৰো প্ৰেম এনেকৈয়ে, স্বতস্ফুৰ্তভাৱে, য'ত থাকে প্ৰেমৰ মাদকতা আৰু ৰোমাঞ্চ। ◆◆◆

-ঃ সমাপ্ত ঃ-

# স্বাধীনতা

✍ বিতুমণি বুঢ়াগোহাঁই
স্নাতক ষষ্ঠ ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

ঘৰমোচা ষ্টিকডাল থৈ হাত ভৰি কেইটা ধুই অলপ দীঘলীয়াকৈ উশাহ এটা ল'লে ইন্দুৱে। সেই যে ৰাতিপুৱা পাঁচ বজাতে উঠা তাৰ পাছৰ পৰা ক্ষন্তেক ৰ'বলৈও সুবিধা পোৱা নাই তাই। দেখাত তাই আঢ্যৱন্ত ঘৰৰে বোৱাৰী। শহুৰেক ৰিটায়াৰ্ড অফিচাৰ, স্বামী উকিল। ঘৰখনত চাহবাগান, পথাৰত ধানখেতি আদিৰে ভৰপূৰ। কামকৰা মানুহ এজনীও সদায় আহে। ঘৰখনৰ বাচন ধোৱা, চাফা কৰা অদি কামবোৰ কৰিবলৈ। তথাপি শাহুৱেকৰ মতে ঘৰখনত বোৱাৰীজনী থকা অৱস্থাত কিয় আকৌ অইন মানুহে পাকঘৰৰ কাম-কাজ কৰিব লাগে? পুৱাই উঠি ইন্দুৱে ঘৰ-দুৱাৰ মচি, গা-ধুই গোসাইঘৰত সোমায়, তাৰপাছত আৰম্ভ হয় শহুৰ, শাহু, স্বামী, দেওৰ, ননদৰে ভৰপূৰ ছজনীয়া পৰিয়ালটোৰ খোৱাৰ দিহা কৰিবলৈ। ভাগে ভাগে ততাতয়াকৈ আটাইৰে প্ৰিয় প্ৰিয় বস্তুবিধ বনাই চাহ-ভাত খুৱাই কৰ্মক্ষেত্ৰলৈ, কলেজলৈ পঠাব লাগে। ঘৰত থাকে কেৱল শাহুৱেক আৰু তাই। শহুৰেক সামাজিক কামতে ঘূৰি ফুৰে। আটাইবোৰ যোৱাৰ পাছত বাকীবোৰ কাম কৰোতে আকৌ কলেজৰ পৰা ননদজনী পাইহিয়ে। স্নাতক মহলাৰ ছাত্ৰী তাই। ননদজনীৰ এতিয়াও গাত কথা নলগা বিধৰ। পানী এগিলাচো নিজে লৈ নাখায়। দুখন -তিনিখন তৰকাৰী, দালি বনোৱাৰ পাছতো যেতিয়া তাইৰ ননদে 'ইয়ে এইবোৰ নাখাও। বেলেগ কিবা বনোৱা।' -বুলি কয়, বুকুখনৰ কোনোবা এখিনিত বিষাই উঠে ইন্দুৰ। মনত পৰি যায় তাইৰ গাভৰুকাললৈ। কেনেকৈ সৰুতে মাতৃহাৰা ইন্দুৱে তিনিজনীকে নবৈয়েকৰ লগত এদিনো কাকো আমনি নকৰাকৈ মিলিজুলি থাকিছিল। লগতে নিজৰ যত্ন নিজে লোৱাৰ উপৰি দেউতাকৰো প্ৰতি মূহুৰ্ততে খবৰ ৰাখিছিল। এৰাঁ সৰুতে মাকক হেৰুৱাৰ পাছতে তাই জীৱন সম্পৰ্কে খুব বেছিকৈ শিকি পেলাইছিল।



তাইৰ দেউতাক শিক্ষক আছিল। দেউতাকে তাইক শিকাইছিল- জীৱন সম্পৰ্কে, সকলো পৰিস্থিতিৰ লগত খাপ খোৱাকৈ মিলি যাবলৈ শিকাইছিল। স্নাতকোত্তৰ শিক্ষাৰ অন্ত পেলাইয়ে 'বিশ্ববিদ্যালয়ৰ অধীনত বিভাগীয় এজন অধ্যাপকৰ নেতৃত্বত তাই এটা অনুষ্ঠানত জড়িত হৈ পৰিছিল য'ত বিভিন্ন পিছপৰা গাঁও আৰু বাগানীয়া এলেকাৰ কেতিয়াও শিক্ষাৰ পোহৰ নোপোৱা, দুখীয়া ল'ৰা-ছোৱালীক পঢ়োৱা হৈছিল আৰু পোহৰৰ দিশলৈ, বাহিৰৰ মুকলি পৃথিৱীলৈ তাহাঁতক উলিয়াই অনা হৈছিল।

কিন্তু তেনেকুৱাতে অঘটন ঘটিছিল। ইন্দুৰ দেউতাকৰ প্ৰেছাৰ ষ্ট্ৰক হৈছিল। মূৰঘূৰাই পৰি গৈছিল। সদায় হাঁহিমুখীয়া ৰঙিয়াল মানুহজন। শেতা, বিৱৰ্ণ দেউতাকৰ মুখলৈ চাই মূক হৈ পৰিছিল ইন্দু। জীৱনৰ একমাত্ৰ লগৰী দেউতাকৰ কিবা হোৱাটো কোনোপধ্যেই সহ্য হোৱা নাছিল তাইৰ। তথাপি কষ্টকৰ হলেও তাই বুজিছিল দেউতাকৰ সময় চমু চাপি আহিছিল। মৃত্যুপথৰ যাত্ৰী দেউতাকৰ সেই সময়ত এটাই অন্তিম আশা আছিল ইন্দুৰ বিবাহ। ঠিক সেইসময়তে খবৰ আহিল আৰ্মি অফিচাৰ ব্ৰজেন গোস্বামীৰ উকিল পুত্ৰ অনিল গোস্বামীৰ বাবে এক

সু- পাত্ৰী লাগে। ইন্দুৰ না কৰাৰ কোনো থল নাছিল। হোমৰ অগ্নিত আহুতি দিছিল নিজৰ সপোনবোৰ আৰু কলেজৰ কৃ ষ্ণচূড়াৰ তলত, কেন্টিনৰ ওচৰত দেখা পোৱা সেই বিশেষ চকুহালৰ গৰাকীক। বিবাহৰ দুদিন পিছতে মৃত্যু হৈছিল দেউতাকৰ। ইমান সোনকালে বিয়াখন হল যে ইন্দুৰ সুধিবলৈও সময় নাপালে বিয়াৰ পাছত তাই চাকৰি কৰিবনে বুলি আৰু আজি বিয়াৰ পাছত এই এবছৰে তাই ঘৰখনৰ সুখৰ স্বাৰ্থত পাহৰি গৈছে নিজৰ জীৱনটোৰ কথা। উল গুঠি, চিলাই কৰি ভালপোৱা। তাইক শাহুৱেকে কয়-"এহ এইবোৰ কাম বাদ দিয়া। কিনিও আনিব পাৰিবা। পাকঘৰলৈ ব'লা নতুন কিবা এটা ৰান্ধিবলৈ শিকাম তোমাক। কিতাপ আলোচনী পঢ়িনো কি কৰিবা। তাতকৈ অমুকৰ ঘৰত ফুৰি আহো ব'লা"

এদিন ইন্দুৱে শাহুৱেকৰ আগত চাকৰি কৰাৰ কথা কওঁতে কৈছিল- "তাৰে ইমান টকা-পইচা, সম্পত্তি থকাৰ পাছত আকৌ তুমি চাকৰি কৰি পইচা ঘটিব নালাগে। যি দৰকাৰ হয় অনিলক খুজিবা। তুমি চাকৰিলৈ গ'লে ঘৰখনৰ কাম কোনে কৰিব?" কিন্তু তাই শাহুৱেকক কেনেকৈ বুজায় যে পইচা ঘটাই কেৱল চাকৰি কৰাৰ মূল লক্ষ্য নহয়। তাই নিজৰ জীৱনটো পাকঘৰ, ড্ৰয়িং ৰুমতে আৱদ্ধ নাৰাখি সমাজৰ বাবেও কিবা কামত লগাব বিচাৰে।

অৱশেষত তাই থিৰাং কৰিলে যে তাই পুনৰ সেই কামটোত যোগ দিব। স্বামীক বুজাই কব। তাইৰ সকলোবোৰ গুণ থকাৰ পাছতো কিয় স্বামীৰ ওপৰত নিৰ্ভৰ কৰিব সকলো কথা। উচ্চ শিক্ষিত তাই নিজৰ শিক্ষা বিফলে যাবলৈ নিদিয়ে। মাক দেউতাকৰ সপোনবোৰ পূৰাব। কষ্ট কৰিব দহৰ হিতৰ বাবে। কথাযাৰ আজিয়ে অনিলক কব তাই। ভাবি মনটো ফৰকাল লাগি গ'ল তাইৰ। অনুভৱ হ'ল মনটো যেন এটা ৰঙীন পখিলা হৈ উৰিছে। এৰা স্বাধীন নাৰী হ'ব তাই। ◆◆◆

### মহৎ লোকৰ বাণী

মানৱ সেৱাৰ মাজেদিয়েই মই ঈশ্বৰক পাবলৈ যত্ন কৰিছো। কাৰণ মই জানিছো ঈশ্বৰ স্বৰ্গতো নাই, পাতালতো নাই, আছে মাথো প্ৰত্যেকৰে অন্তৰত।

-মহাত্মা গান্ধী

সংগ্ৰাহক ঃ লখন নাইডু
গণিত বিভাগ, ষষ্ঠ ষাণ্মাসিক

# ছেহনাজ

✍ নিমিষা মহন
অসমীয়া বিভাগ
স্নাতক তৃতীয় ষাণ্মাসিক

আনদিনাৰ দৰে আজিও সেইজনী ছোৱালী আকৌ দেখিলে। অভিয়ে প্ৰায় তিনিবছৰেই হ'ল সি সেই ৰাস্তাৰে মৰ্নিং ৱাক কৰি থকা, কিন্তু আজি কিছুদিনৰ পৰা সেই ছোৱালীজনীক সি সদায়েই দেখে। কিয় নাজানে, সেই ছোৱালীজনীক চালে চাই থাকিবৰ মন যায়, অভিৰ। কমকৈ পাক খাই ককাললৈকে বৈ পৰা পাতলকৈ মুগা বৰণৰ চুলিখিনিয়ে আহিনৰ কুঁৱলীৰ লগত ঢৌ খেলি যায়। তাইৰ নিষ্পাপ যেন লগা মুখ -খনৰ উজ্জ্বলতাই যেন নিশাৰ আন্ধাৰ মচি উজ্বলাই তোলে সমগ্ৰ পৃথিৱী। দেহৰ ভাঁজে ভাঁজে তাইৰ সৌন্দৰ্যই নাচি আছে। তাইক চাই -চাই অভিয়ে কেতিয়াবা ভাবে এইজনী কোনো দেৱীতো নহয়, মানবী ৰূপত যিয়ে মোহাচ্ছন্ন কৰিছেহি তাক। অভিয়ে কেতিয়াবা ভাবে তাইক মাতিব, কথা পাতিব, খিলখিলাই হাঁহিব তাইৰ লগত। কিন্তু তাৰ সাহস নহয়। কিন্তু আজি আৰু সি ৰৈ থাকিব নোৱাৰে, ধৈৰ্যৰ শেষ সীমাকণ অতিক্ৰম কৰি উন্মাদ হৈ সি এক বিশেষ সাহেৰে খোজকাঢ়ি তাইৰ ওচৰ পালে, পাছফালৰ পৰা তাইক উদ্দেশ্যি সি ক'লে- Excuse me !



তাই এক প্ৰশ্নবোধক দৃষ্টিৰে পাছফাললৈ চালে, উঃহ এক মুহূৰ্ত্তৰ কাৰণে যেন বলিয়া হৈ যাব সি। এইবোৰত অলপো পলম নকৰি সি একে উশাহতেই কৈ পেলালে 'তুমি হয়তো মোক চিনি নাপাবা, মই ম...ই সদায় খোজকাঢ়িব যাওঁতে তোমাক চাওঁ। তোমাৰ নামটো জানিব পাৰিম নেকি অনুগ্ৰহ কৰি।"

কথাখিনি একে উশাহতে কৈ অভিয়ে এইবাৰ তাইৰ মুখলৈ চালে উত্তৰৰ আপেক্ষাত হাঁহো নাহাঁহোকৈ মৃদুকৈ হাঁহি এটা মাৰি ছোৱালীজনী গ'লগৈ। আৰু কৌতুহল দৃষ্টিৰে চাই ৰল অভিয়ে তাইলৈ উগুল মন এটা লৈ সি ঘৰলৈ আহিল। গা-পা ধুই খোৱা বোৱা একো নকৰাকৈয়ে সি বন্ধু আমিনৰ ঘৰলৈ গ'ল, মনৰ সকলো কথা কম বুলি। মাক-দেউতাকৰ পাছতে অভিৰ জীৱনৰ সকলোবোৰ কথা ক'ব পৰাকৈ একমাত্ৰ বন্ধু আমিনেই আছে। বাইকখন লৈ গৈ আমিনৰ ঘৰৰ পদুলিমুখৰ পৰা তাক চিঞৰি গৈছে। ঘৰখেনাকৈ গৈ সি আমিনৰ ঘৰৰ কলিং বেলটো এনেকৈ বজাই আছে, যেন এজাক পাগল কুকুৰে তাক খেদিহে আহিছে। তেনেতে দৰ্জাখন খুলি দিলে এজনী ছোৱালীয়ে কিছুসময় ছোৱালীজনীলৈ স্তব্ধ হৈ চাই ৰ'ল সি তাইক দেখি সি অবাক। সেই ছোৱালীজনী আন কোনো নহয় ইমানদিনে তাৰ মনৰ সাগৰত ধুমুহাৰ সৃষ্টি কৰি থকা সেই ৰাতিপুৱা খোজকাঢ়োতে দেখা ছোৱালীজনীয়েই।

প্ৰায় দৌৰি যোৱাদি গৈ সি আমিনৰ হাতত ধৰি তাক তাৰ ৰুমৰ ভিতৰলৈ টানি নিলে আৰু সুধিলে — কোন এই ছোৱালী জনী !

সাধাৰণ ভাবে এটা হাঁহি মাৰি বন্ধু আমিনে তাক ক'লে, অহ তাই । তাইৰ নাম চেহনাজ, আগৰ বনকৰা ছোৱালীজনী যোৱাৰ পৰা তাইক নতুনকৈ অনাইছো। কাম- কাজত বৰ চোকা পইচাও কমতেই হয়, দেউতাক নাই সকলোৰে বেমাৰ ঘৰত তাই এজনীয়েই ছোৱালী। পুৱা সোনকালে আহি সন্ধিয়ালৈ গুছি যায়, আকৌ পাছদিনা সঠিক সময়তেই পায়হি। পিছে...বেচেৰী জনীয়ে কথাহে ক'ব নোৱাৰে। বোবা তাই। ...পিছে তাইৰ কথা কিয় সুধিলি? চিনি পাৱ নেকি তাইক তই।

খিৰিকি খনেৰে বাহিৰৰ শুকাই যোৱা গছজোপালৈ একেথৰে চাই বন্ধুৰ কথাবাৰ শুনি থকা অভিয়ে লাহেকৈ ক'লে নাই, না___পা___ওঁ। ◆◆◆

# অনুভৱৰ একলম

“ আজি মোৰ স্মৃতিৰ পেৰাটো খুলিছো
অতিশয় সযতনে
লুটিয়াই বগৰাই চাইছো
এৰি অহা দিনবোৰৰ স্মৃতি...”

# কৃষ্ণচূড়া আৰু সোণাৰুৰ দেশত হেঁপাহৰ পাঁচটা বসন্ত

✍ ভাস্কৰজ্যোতি গগৈ
পঞ্চম ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

২০১৫ বৰ্ষৰ জুন মাহৰ কোনোবা এটা দিন। সেন্দুৰীয়া বোলেৰে বেলিটোৱে পুৱাৰ সময়খিনিক এক সুকীয়া মাদকতা প্ৰদান কৰিছিল। নতুন দিন, নতুন আশা, বুকুত হেজাৰ সপোন লৈ কলেজ অভিমুখী যাত্ৰা। শাৰী শাৰী কৃষ্ণচূড়া আৰু সোণাৰুবোৰে যেন এটি মিঠা হাঁহি লৈ অপেক্ষা কৰি থাকে একো একোজন নতুন সদস্যক আদৰিবৰ বাবে আৰু কালক্ৰমত তেওঁৰ চিনাকী হৈ পৰে এজন 'সোণাৰিয়ান' হিচাপে। গেটখন পাৰ হৈয়ে কৃষ্ণচূড়া আৰু সোণাৰুৰ সুবাস লৈ দীঘল পদূলিটোৰে খোজ ল'লো কলেজৰ ভিতৰলৈ। চালে চকুৰোৱা শ্যামলী পৰিবেশটোৰ মাজত প্ৰকাণ্ড প্ৰকাণ্ড বিল্ডিংকেইটা। অচিনাকী ঠাই অচিনাকী মুখবোৰৰ মাজত কি যেন হেৰুৱাই পেলাইছো কোনোবাখিনিত। হঠাৎ কাৰোবাৰ মুখত মোৰ নামটো শুনা পালো।"হেই তোমালোকৰ ক্লাছ চাৰি নম্বৰ ৰুমত হৈ আছে"। ঘূৰি চাই দেখিলো চিনাকী বা এগৰাকীয়ে মোৰ ফালে চাই কৈছে কথাষাৰ। দুভৰিৰ গতি আৰু বাঢ়িব ধৰিছে ক্ৰমাৎ চাৰি নম্বৰ ৰুমৰ অভিমুখে। "May I come in Madam?" বুলি সুধি সোমাই গ'লো কোঠাটোৰ ভিতৰলৈ। ইতিমধ্যে ক্লাছ আৰম্ভ হলেই। মই জনা নাছিলো ০৮:৪৫ৰ পৰা ক্লাছ আৰম্ভ হয় বুলি। মোৰ কিছু পলম হৈ গ'ল। প্ৰায় ৩-৪ কুৰি ছাত্ৰ-ছাত্ৰীৰ মাজত মইও খুউব আগ্ৰহেৰে প্ৰথমটো ক্লাছ কৰিলো ইংৰাজীৰ। কলেজীয়া জীৱনৰ প্ৰথমটো ক্লাছ, নতুন ক্লাছটো শেষ কৰি বাহিৰলৈ ওলাই আহিলো। হঠাৎ কৃষ্ণচূড়াৰ তলৰ শ্লেব এখনৰ পৰা এটা অষ্পষ্ট মাত ভাঁহি আহিল। " ভাইটি নতুনকৈ আহিছা, এইফালে আঁহা, চিনাকী হওঁ।" ঘূৰি চাই দেখিলো তাতে বহি আছে কেইগৰাকীমান চিনিয়ৰ বাইদেউ। যাওঁ নাযাওঁকৈ আগবাঢ়ি গ'লো তেওঁলোকৰ কাষলৈ।

- "কোন ক্লাছ?"
- "হাঁয়াৰ চেকেণ্ডাৰী ফাষ্ট ইয়েৰ।"
- Arts নে Science?"
- Science.

................

এনেকৈয়ে আৰম্ভ হ'ল কথোপকথন। সেইয়াই চাগে কলেজীয়া জীৱনৰ মোৰ প্ৰথমটো চিনাকী পৰ্ব। কলেজীয়া ভাষাত ক'বলৈ গ'লে 'ৰেগিং'। আচলতে সোণাৰি মহাবিদ্যালয়ৰ ৰেগিং বুলি তেনেকুৱা একো নাই। মাথোঁ ইজনে আনজনৰ সৈতে ভাবৰ আদান-প্ৰদান কৰে। ভাল লাগিল বা কেইগৰাকীৰ লগত চিনাকী হৈ। কলেজখনৰ বিষয়ে দুই এটা কথা বুজাই দিছিল তেওঁলোকে। এনেকৈয়ে আৰম্ভ হৈছিল কলেজীয়া জীৱনৰ প্ৰথমটো দিন।

লাহে লাহে চিনাকীও বাঢ়িব ধৰিলে। বিজ্ঞানৰ ছাত্ৰ হিচাপে পঢ়াৰ ব্যস্ততাও বাঢ়িব ধৰিলে। এনেকৈয়ে হাঁহি-ধেমালিৰ মাজেৰে পাৰ হ'ল হায়াৰ ছেকেণ্ডাৰীৰ দুটা বছৰ।

এইয়া চাগে মোৰেই সৌভাগ্য যে স্নাতক পঠ্যক্ৰমো মই এই কৃষ্ণচূড়া আৰু সোণাৰুৰ দেশতেই কৰাৰ সুযোগ পালো। পুৰণি বন্ধু-বান্ধৱীবোৰৰ লগতে নতুনকৈ যথেষ্ট সংখ্যক বন্ধু-বান্ধৱীৰ সমাহাৰ। কলেজত সময়বোৰ দিনক দিনে ভাল লগা হৈ পৰিল। ব্যস্ত প্ৰতিজন সোণাৰিয়ান। কোনোবাজন যদি কেমেষ্ট্ৰিৰ লেবৰেটৰীত প্ৰেক্টিকেল কৰাত ব্যস্ত, কোনোবাজন আকৌ লাইব্ৰেৰীৰ আলমাৰিত মন পছন্দৰ কিতাখন বিচৰাত ব্যস্ত। কোনোবাজন যদি অংকৰ জটিল সমস্যা সমাধান কৰাত ব্যস্ত, কোনোবাজন আকৌ কৃষ্ণচূড়াৰ ছাঁয়াত জিৰণি লৈ কৃষ্ণচূড়াৰ ৰঙাপাহিক সাক্ষী কৰি আনজনৰ স'তে হৃদয় সলোৱাত ব্যস্ত। উঃহ মুঠতে প্ৰতিজন সোণাৰিয়ানৰ ব্যস্ততাৰ অন্ত নাই।

আজি পাঁচটা বসন্ত অতিক্ৰম কৰিলো এই কৃষ্ণচূড়া আৰু সোণাৰুৰ দেশত। সময়বোৰ কেনেকৈনো পাৰ হৈ গ'ল গমকে নাপালো। সদায়েই মনত দোলা

দি যাব এই কৃষ্ণচূড়া আৰু সোণাৰুৰ দেশৰ প্ৰতিটো মুহূৰ্ত্তই। শ্ৰেণীকক্ষত শিক্ষাগুৰুসকলৰ পাঠদানৰ সেই ভাল লগা সময়বোৰৰ, কেণ্টিনত সমনীয়াৰ স'তে ৰঙা চাহ কাপৰ জুতি লোৱালৈকে। ক্ষেত্ৰ অধ্যয়ন, বনভোজ আদিৰ বাবে বিভিন্ন ঠাইলৈ যোৱা সেই আনন্দময় সময়বোৰৰ পৰা মহাবিদ্যালয় সপ্তাহৰ সেই ৰঙীণ সাতটা দিনলৈকে, আজীৱন এখন সোণালী কেনভাছ হৈ জিলিকি ৰ'ব মোৰ মানসপটত।

এজন সোণাৰিয়ান হিচাপে গৌৰৱ কৰো নিজৰ প্ৰাণীবিজ্ঞান বিভাগটোক লৈ; মহাবিদ্যালয়খনক লৈ। প্ৰতিজন শিক্ষাগুৰুৰ অশেষ কষ্টৰ ফলত প্ৰতিবছৰে সৃষ্টি হৈছে একো একোজন মানৱ সম্পদ। এজন কলেজীয়া ছাত্ৰ হিচাপে মইও অনুভৱ কৰোঁ এজন কলেজীয়া ছাত্ৰৰ ব্যস্ততা, এখন সমাজৰ প্ৰতি তেওঁৰ দায়িত্ববোধ। এখন সমাজক নেতৃত্ব প্ৰদান কৰিব পৰাকৈ নিজক সৃষ্টি কৰাৰ সপোন লৈয়ে এদিন প্ৰৱেশ কৰিছিলো এই মহাবিদ্যালয়খনত আৰু এই সপোন বাস্তৱায়িত কৰাৰ স্বাৰ্থতে আগুৱাই লৈ যাব বিচাৰিছো জীৱনটোক নিজ কৰ্মৰ যোগেদি।

শেষত মোৰ এই কৃষ্ণচূড়া আৰু সোণাৰুৰ দেশ হেঁপাহৰ সোণাৰি মহাবিদ্যালয়খন সদায়েই জিলিকি ৰওক এখন উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান হৈ তাৰেই কামনা কৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়।" ◆◆◆

---

# ছাত্ৰ-জীৱনৰ অভিজ্ঞতা

✍ সৌৰভ দেৱ
স্নাতক ষষ্ঠ ষাণ্মাসিক
গণিত বিভাগ

আমি সদায়েই জীৱনৰ সেই দিনটো খুব ভালপাঁও। যিদিনা আমি বিদ্যালয়ত প্ৰথম পদাৰ্পণ কৰো। ভয়, লাজ, আদিৰে সৈতে প্ৰথম বিদ্যালয়ত ভৰি দি আমি কি কৰিম কি নকৰিম দোধোৰ-মোধোৰ অৱস্থাত বিদ্যালয়ৰ শ্ৰেণীকোঠাত বহি কত কি চিন্তা কৰো। মা লগত আহিছিল। আছে! নে গুচি গ'ল তাৰ চিন্তাৰে দুৱাৰ মুখত আহি চাওঁ। বাইদেৱে যেতিয়া মৰমেৰে আমাক নি বহুৱাই বিভিন্ন কথাৰ চলেৰে আমাক শিক্ষা জগতৰ মাজত ফুচুলাই লৈ যায়। কিমান চেষ্টা, কষ্ট, মৰমৰ সৈতে আমাৰ শিক্ষা জগতৰ পাতনি মেলা হয় বিদ্যালয়ত।

বিদ্যালয়ৰ সংগী সকলৰ সৈতে খেল-ধেমালি, শিক্ষক-শিক্ষয়িত্ৰীৰ শিক্ষা দান সকলোবোৰ আছিল আকৰ্ষণীয়। হাতত ধৰি বৰ্ণমালা শিকোৱা, আদি বিভিন্ন প্ৰণালীৰ মাজত শিক্ষাদান কৰা বাইদেউ আমাৰ চিৰস্মৰণীয়। বিদ্যালয়ত এৰি অহা দিনবোৰ কিমান আনন্দৰ সেয়া আমি এতিয়া উপলব্ধি কৰিছো।

নাই কোনো চিন্তা, কোনো দায়িত্ব, হাঁহি-ধেমালীৰ মাজত খেল-খেলি শিক্ষা গ্ৰহণ কৰাৰ অভিজ্ঞতাও বৰ বেলেগ। বিদ্যায়তনিক জীৱনধাৰাৰ কিছুমান গুণে মোক মুগ্ধ নকৰাকৈ থকা নাছিল।

কলেজত ভৰি দি মোৰ মনত সমাজৰ মাজেৰে আগবাঢ়ি দিনবোৰ পাৰ হৈছে। উৎকণ্ঠা আন ছাত্ৰৰ লগত শিক্ষক সকলৰ লগতো এক ঘনিষ্ঠ সম্পৰ্ক হৈছিল। আনন্দৰ লগতে আৰম্ভ হ'ল শিক্ষাৰ ব্যৱস্থা। মোৰ কলেজৰ সংগী, সাৰথি সকল আছিল প্ৰতিভাশালী, উদ্যমী, আগ্ৰহী, সাহিত্যপ্ৰিয়, সংগীতপ্ৰিয়। শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন পৰামৰ্শ দি বিভিন্ন ব্যক্তিগত সমস্যা সমাধানৰ লগতে সুশৃংখল আৰু সৃষ্টিশীল জীৱন যাপনৰ বাট দেখুৱাইছিল।

আচলতে বিদ্যাচৰ্চা আৰু সাধনাত যিদৰে মহৎ সত্যেন্বেষণৰ প্ৰভাৱত ব্যক্তিগত আৱেগ, অনুভূতি, ঈৰ্ষা, আক্ৰোশ আদি লুপ্ত হৈ যায় বুলি ভবা হয় সেয়া সঁচা নহয়। বিদ্যাচৰ্চাৰ মাজত নানা সামাজিক দ্বন্দ-বিভেদ আদিৰ উপৰি ঈৰ্ষা, আত্মভিমান, অৱজ্ঞা আদি ভাবো নথকা নহয়। বিদ্যাচৰ্চাৰ সমূহীয়া শৃংখলা বা সৰ্বসন্মত ৰীতি-নীতিৰ প্ৰভাৱত সেইবোৰ নীচতা নিয়ন্ত্ৰণাধীন হৈ থাকে। বিভিন্ন বিষয়ৰ সূক্ষ্মাতিসূক্ষ্ম

জ্ঞান আহৰণ কৰাৰ বাবে যি গভীৰ মনোযোগ আৰু ধৈৰ্য্য লাগে, সেই কষ্টসহিষ্ণুতা আৰু ধৈৰ্য্যৰে বিস্তাৰিত জ্ঞান আহৰণ কৰিব পাৰি। সেইবোৰ গুণ কেৱল মানসিক নহয়, সু-শৃংখলতা, কোমলতা, নম্ৰতা আৰু একাগ্ৰতাৰো ফল।

আমি সাধাৰণতে আমাৰ চাৰিওফালৰ পৰিবেশৰ পৰা দেখি, শুনি, জ্ঞান আহৰণ কৰো। ছাত্ৰ জীৱনৰ পৰা সময়ানুবৰ্তিতা, নিয়মানুবৰ্তিতা, সামাজিকতাৰ বিষয়ে আমি জ্ঞান লাভ কৰো। লগতে স্বভাৱ-চৰিত্ৰও সুন্দৰকৈ গঠন কৰা উচিত। শিক্ষা অবিহনে সুস্থ-জীৱন গঢ়িব নোৱাৰি। শিক্ষাই নৈতিক, বৌদ্ধিক দিশতো বিকাশ ঘটায়। কিন্তু অকল যে পুথিগত অধ্যয়নৰ পৰা জ্ঞান আহৰণ কৰিব পাৰি তেনে নহয়। আমি সৰু বৰ সকলোৰে পৰা শিক্ষা লাভ কৰিব পাৰো। কাৰণ মানুহৰ মনত কৌতূহল থাকে।

আমি মনত ৰাখিব লাগিব যে ছাত্ৰ জীৱনতে আমি ভৱিষ্যৎ গঢ়ো। ছাত্ৰ জীৱনটো অত্যন্ত আৱশ্যকীয় মূল্যবান সময়। সেই সময়ত সকলোৰে দায়িত্ববোধৰ জন্ম হয়। দায়িত্ববোধেই কৰ্ম নিয়ন্ত্ৰণ কৰে আৰু নিয়ন্ত্ৰিত কৰ্মই সু-অভ্যাস গঠন কৰে। মানুহৰ মনটো ভগৱন্তৰ অতুলনীয় দান। জীৱনত যিমানেই খলা-বমা পাৰ হৈ নাহো কিয়, চিন্তা ভাৱনা কৰাৰ শক্তিক আমাৰ মূল পুঁজি বা সম্পত্তি বুলি ভাবিব লাগে। ইয়েই এক প্ৰগতি।


বিজ্ঞান শাখাত অধ্যয়ন কৰিছিলো যদিও কলা-শাখা, বিজ্ঞান শাখা সকলোৰে সৈতে মোৰ সম্পৰ্ক মধুৰ আছিল। সংগীত চৰ্চা কৰা ছাত্ৰ-ছাত্ৰীসকলৰ লগত এক অভিনৱ সম্পৰ্ক গঢ় লৈ উঠিছিল। গীটাৰ বজোৱাৰ মাধ্যমেৰে। মই গীটাৰ বজোৱাত পাৰ্গত নহয় যদিও ছাত্ৰ-ছাত্ৰীসকলৰ সংগীতৰ লগত বজাই এক অভূতপূৰ্ব আনন্দ লাভ কৰিছিলো। সাংস্কৃতিক এক মঞ্চৰ লগত চিনাকী হৈছিল। বিভিন্ন ধৰণৰ শিক্ষা লাভ কৰিছিলো এই সংগীত জগতৰ পৰা। সেই পুৰণা দিনৰ স্মৃতি বহন কৰা বস্তুৰ আদৰ বেছি। সেই দিনবোৰ যে কিমান স্মৃতি মধুৰ আছিল।◆◆◆

# স্মৃতিৰ একলম

✍ য়ে হম পাংয়ুক
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

সময় গতিশীল, ই পাখি লগা কাঁড়ৰ দৰে। ইয়াক কোনেও ধৰি ৰাখিব নোৱাৰে। সময়ৰ লগে লগে সকলোবোৰ স্মৃতিৰ গৰ্ভত বিলীন হয় আৰু কিছুমান মধুৰ সময় স্মৃতিৰ মানস পটত ৰৈ যায়। চৰাইদেউ জিলাৰ এখন আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়। সৰুৰে পৰা, যেতিয়াৰ পৰা জনা হৈছো তেতিয়াৰ পৰাই মনত এটা হাবিয়াস পুহি ৰাখিছিলো সোণাৰি মহাবিদ্যালয়ত এদিন অধ্যয়ন কৰিম। সেই মৰ্মে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিষয়ক সন্মানীয় বিষয় হিচাপে লৈ অসমীয়া বিভাগত নামভৰ্তি কৰিলোঁ। বুকুত আছিল অযুত সপোন, মনত আছিল বহুতো আশা। বহুতো আশা. সপোন বুকুত বান্ধি ২০১৭ চনৰ জুন মাহৰ কোনোবা এটা দিনত সোণাৰি মহাবিদ্যালয়ত ভৰি দিছিলো। মহাবিদ্যালয়ৰ প্ৰথমটো দিন আছিল মোৰ বাবে অচিনাকী। বহুতো অচিনাকী মুখ, অচিনাকী এখন ঠাই। কিন্তু মনটো আনন্দেৰে ভৰি পৰিছিল এখন নতুন মহাবিদ্যালয়ত প্ৰথম খোজ পেলাই। এটা নতুন জীৱনৰ আৰম্ভণি, এটা নতুন পৰিৱেশৰ লগত নিজেই খাপ খাই পৰিছিলো। মহাবিদ্যালয়ৰ সন্মুখভাগৰ পৰা শাৰী শাৰীকৈ ৰোৱা গছ কেইজোপা আৰু মহাবিদ্যালয়ৰ পৰিৱেশে মন জুৰাই পেলাইছিল। প্ৰথমদিনাই মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহোদয়ে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শৈক্ষিক কাৰ্যক্ৰমণিকাৰ বিষয়ে আৰু পৰীক্ষা সম্বন্ধে কিছু কথা অৱগত কৰিছিল। তাৰ পিছত নিজৰ নিজৰ শ্ৰেণীকোঠালৈ বুলি সকলোৱে গৈছিলো। নিজৰ সন্মানীয় বিভাগটো দেখি মনতে বহু আনন্দ লাগিছিল।

লাহে লাহে বন্ধু-বান্ধৱীৰ লগত চিনাকী হ'বলৈ ধৰিলো লগতে বন্ধু-বান্ধৱীৰ সংখ্যাও বাঢ়িল আৰু বহুতো অচিনাকী মুখ চিনাকী হৈ পৰিল। লাহে লাহে ছাৰ-বাইদেউসকলৰ লগতো চিনাকী হৈ পৰিলোঁ। এই অচিনাকী ঠাইখন, অচিনাকী মানুহবোৰ নিচেই আপোন হৈ পৰিল লগতে অতিকৈ এৰাব নোৱাৰা সম্পৰ্ক গঢ় লৈ উঠিল। মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতেই নিজেই উপস্থিত থাকিবলৈ পাই নিজকে ধন্য মানো। মহাবিদ্যালয়ৰ প্ৰতিটো উৎসৱ, অনুষ্ঠানেই খুব ধুমধামেৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, নৱাগত আদৰণি সভা, শিক্ষক দিৱস, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, ৰাভা দিৱস, গান্ধী জয়ন্তী আৰু লগতে সোণাৰি মহাবিদ্যালয়ে চলিত বৰ্ষত সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে আৰু চলিত বৰ্ষৰ ৫ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগতে .অতি ধুমধামেৰে সোণালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয় আৰু সোণাৰি মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে এই অনুষ্ঠানসমূহত উপস্থিত তথা অংশগ্ৰহণ কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰোঁ। শিক্ষক দিৱসৰ দিনা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক সন্মান জনোৱাৰ লগতে অসমীয়া বিভাগৰ তৰফৰ পৰা প্ৰাচীৰ পত্ৰিকা 'সাহিত্যম' উন্মোচন কৰা হয় তাত নিজৰ লেখা দি সুখী অনুভৱ কৰোঁ। মহাবিদ্যালয় সপ্তাহত প্ৰথম বৰ্ষৰ পৰাই বিভিন্ন বিভাগত যোগ দি আহিছো তাৰেই এক ব্যতিক্ৰম হৈছে- সাংস্কৃতিক শোভাযাত্ৰা। বাৰেৰহণীয়া কৃষ্টিৰে তথা সমন্বয়ৰে বিভিন্ন বিষয়ক, বিভিন্ন সমস্যাক সমাজৰ আগত তুলি ধৰিবলৈ শোভাযাত্ৰাৰ মূল বিষয়বস্তু হিচাপে লৈ প্ৰতিটো বিভাগেই অংশগ্ৰহণ কৰে। প্ৰতিটো বিভাগৰে প্ৰতিটো বিষয়ৰে এক নিজস্ব স্বকীয়তা থাকে। সৰস্বতী পূজা, জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোৱে উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা আৰু অন্যান্য অনুষ্ঠানসমূহ উদ্‌যাপন কৰাৰ আমেজেই আছিল সুকীয়া। সোণাৰি মহাবিদ্যালয়ৰ সেই মধুময় সময়বোৰৰ আন এক নাম হ'ল- সাতসৰী ছাত্ৰী নিবাস। ই এক সুকীয়া অভিজ্ঞতা আৰু অনুভৱ। মহাবিদ্যালয়ৰ শেষৰটি বৰ্ষত সাতসৰীয়ান হোৱাৰ আশাৰে মহাবিদ্যালয়ৰ সাতসৰী ছাত্ৰী নিবাসত ভৰি দিছিলোহি। সোণাৰি মহাবিদ্যালয়ত অধ্যয়ণ কৰাৰ উপৰিও সাতসৰী ছাত্ৰী নিবাসত থকাটো এক সুকীয়া অভিজ্ঞতা। সোণাৰি মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে নিজেই গৌৰৱ অনুভৱ কৰোঁ। মহাবিদ্যালয়ৰ পঞ্চাশ বছৰীয়া বৰ্ণিল যাত্ৰাত নিজে অংশগ্ৰহণ কৰিবলৈ পাই নিজে সুখী হওঁ। সোণাৰি মহাবিদ্যালয়ৰ এই যাত্ৰা অব্যাহত থাকক আৰু সোণাৰি মহাবিদ্যালয় আগবাঢ়ি যাওঁক। চাওঁতে চাওঁতে দুটা বৰ্ষ অতিক্ৰম কৰিলো। সৌ সিদিনা মহাবিদ্যালয়ত ভৰি দিছিলোহে সময় বাগৰাৰ লগে লগে কেতিয়ানো দুটা বৰ্ষ পাৰ হ'ল গমকে নাপালো। সময়ৰ লগে লগে এনেদৰে সময়ৰ গতিত বিলীন হৈ যাম আমি। শেষ হ'ব কলেজীয়া জীৱন। সেই মধুময় সময়। বৰ্তমানৰ অভিজ্ঞতাবোৰ কেৱল অতীত হিচাপে মনত পেলাম। স্মৃতিৰ কোনোবা এটা কোণত ই চিৰদিনৰ বাবে ৰৈ যাব। ◆◆◆



কৌতুক

ঃ গাড়ী চলাব জানা?

ঃ জানো।

ঃ ঘোঁৰা দৌৰাব পাৰা?

ঃ পাৰোঁ।

ঃ এৰোপ্লেন উৰাব পাৰিবা?

ঃ পাৰিম।

ঃ চাবা কিন্তু। আমাৰ কোম্পানীত সময়ে সময়ে মিছা মাতিবও লাগিব।

ঃ অত পৰেনো মই কি কৈ আছোঁ ছাৰ।

# অনুভৱৰ টুকুৰাবোৰ

✍ লোপামুদ্ৰা মহন
স্নাতক পঞ্চম ষাণ্মাসিক
শিক্ষা বিভাগ

"আদিগুৰু অনাদিগুৰু শুনা সৰ্বজন
শিক্ষাগুৰু দীক্ষাগুৰু আমাৰ পূজন।
আদিগুৰু হন্তে আমি জগত দেখিলো
অনাদিগুৰু হন্তে আমি কৃপাৰস পাইলো
শিক্ষাগুৰু হন্তে আমি জ্ঞানচকু পাইলো
দীক্ষাগুৰু হন্তে আমি ধৰ্মক চিনিলো।"

আদিগুৰু-অনাদিগুৰু, শিক্ষাগুৰু আৰু দীক্ষাগুৰু - এই চাৰিজন গুৰুক আমাৰ সন্মুখত লৈয়ে জীৱনযাত্ৰাত আগুৱাই গৈ আছো।

জীৱনৰ প্ৰথম খোজটো কাৰ হাতত ধৰি দিছিলো নাজানো হয়তো মা-দেউতাৰ হাতত হয়তো ককা-আইতাৰ হাতত হয়তো খুড়া বা পেহীৰ হাতত। কিন্তু তেতিয়াই যি প্ৰথম খোজ দিছিলো সেই খোজটোৱেই আজিও অবিৰাম গতিত.........। পল পল কৈ সময়ৰ খোজত খোজ মিলাই প্ৰাথমিক শিক্ষা লাভ কৰিলো। তাৰ পাছত মাধ্যমিক শিক্ষা উচ্চ শিক্ষা লাভ কৰি কলেজীয়া জীৱনত খোজ পেলালো। এটা ৰঙীন সপোনৰ পম খেদি, বুকুত অযুত সপোন লৈ ৰিঙা ৰিঙা লগা এবুকু জোনাক এবুকু আশাৰে সোণাৰি মহাবিদ্যালয়ৰ দুৱাৰডলিত ভৰি দিলোহি। এফালে বুকুত এক অজান ভয় আৰু শংকা, আৰু আনফালে এৰি অহা দিনবোৰ, শৈশৱৰ মধুৰ ক্ষণ আৰু সতীৰ্থ সকলৰ আবেগৰ টোপোলা, এই সকলোবোৰক সাৰথি হিচাপ লৈ সন্মুখলৈ বাট বুলিলো। খুব কম দিনৰ ভিতৰতে মহাবিদ্যালয়খন মোৰ প্ৰিয় হৈ পৰিল। মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু প্ৰতিজন সদস্য আৰু আমি ছাত্ৰ ছাত্ৰীসকলো যেন একোডাল ৰছীৰে বান্ধ খাই থকা এক যৌথ পৰিয়াল।

সৌ সিদিনা আহিছিলোহে, নৱাগতা হিচাপে এই কলেজত থিয় দিছিলো। কেতিয়ানো কলেজীয়া জীৱন শেষ হল গমেই নাপালো। কলেজৰ প্ৰতিটো শ্ৰেণীকোঠা, প্ৰতিটো অলি-গলি, প্ৰতিখন শ্লেপ এতিয়া মোৰ বৰ আপোন। কলেজৰ প্ৰতিডাল দুৱৰিৰ ওপৰত ডেউ দি খোজ কাঢ়ি ফুৰোতে কেনেকৈনো এটা বছৰ পাৰ হল ধৰিবই নোৱাৰিলো। এতিয়া এই সকলোবোৰ অতীতৰ বুকুত বিলীন হোৱাৰ পথত। শিক্ষাগুৰৰ নিৰ্ভেজাল মৰম আৰ্শীবাদ, বন্ধুত্বৰ লগত কৰা ধেমালি, পাৰ কৰোৱা সময়বোৰ কাজিয়াবোৰ সোঁৱৰণীৰ পৃষ্ঠাত সজীৱ হৈ ৰব। আজৰি সময়ত আজুৰি আনিম সেই ভাল লগা ক্ষণবোৰ।

পৃথিৱীখন বিশাল, কিন্তু ইমানো বিশাল নহয়যে আমি ইজনে-সিজনক কোনোদিন লগেই নাপাম। হয়তো কেতিয়াবা বাটে-পথে, অলিয়ে গলিয়ে নতুবা বাছৰ ঠেলা-হেচাত খুন্দা খাই ইজনে সিজনক দেখিম, মিচিকিয়া হাঁহি এটিৰে মুখলৈ চাই কথা পাতিম। হয়তো কোনোবাই লগ পালেও চিনিকেই নাপাব, কোনোবাই হয়তো গোটেই জীৱন লগেই নাপব। মানুহৰ জীৱন কৰ্মময়। কৰ্মৰ খাতিৰত কোনোবাই এই মহাবিদ্যালয়ৰ সমুখেদি অহা-যোৱা কৰিব, কোনোবাই এসময়ত ইয়াতে পঢ়িছিলো বুলি এবাৰ ঘূৰি চাব কাৰোবাৰ বাবে হয়তো এবাৰ ঘূৰি চাবলৈও অলপমান সময়ো নোলাব।

শৈশৱতে দিয়া প্ৰথম খোজটোকেই ওৰেটো জীৱনৰ লগৰী কৰি বাট বুলিব লাগিব। গৈ থকাৰ নামেইটো জীৱন। জ্ঞানীজনে কয়, "মানুহে সদায় যাত্ৰাত গুৰুত্ব দিব লাগে, লক্ষ্যৰ প্ৰতি নহয়। যাত্ৰা শেষ কৰাত কোনো আনন্দ নাই, গৈ থকাতহে মাদকতা আছে।" মহাবিদ্যালয়ৰ পৰা বিদায় লোৱাৰ সময় এতিয়া সমাগত। আকৌ নতুন প্ৰভাত হব। প্ৰতিবছৰে ন ন শিক্ষাৰ্থী আহিব আৰু যাব, অহাজনে যোৱা জনক লগেই নাপাব। আমাক পাহৰি যাব অগণন ভৱিষ্যতৰ ইতিহাস।

"কোন কাৰ মৰমৰ
কোন কাৰ চেনেহৰ
চকুৰ চিনাকি মাথোঁ দুদিনৰ।" ◆◆◆

# নষ্টালজিয়াৰ এপৃষ্ঠা

✍ এনিশা শৰ্মা
প্ৰাক্তন ছাত্ৰী, শিক্ষা বিভাগ
সোণাৰি মহাবিদ্যালয়

সোণাৰি মলেজৰ সোণলী সময়। উকা নীলা শব্দই নষ্টালজিয়াৰ পম খেদে বাৰে বাৰে। সোঁৱৰণ তিনিটা নিভাঁজ বসন্তৰ। অতীতৰ ৰ'দালি খেদি খেপিয়াম ডায়েৰীৰ পাতত এৰি অহা দিনৰ সুবাস। পাতলীয়া বৰষুণজাকে আউল লগাইছিল ব্যস্ত ৰাতিপুৱাটোত....। বগা ইউনিফৰ্মযোৰৰ স'তে সেউজীয়া দোপাট্টাখন লৈ বতাহজাকৰ স'তে মিতিৰালি কৰি গুচি গৈছিল খৰ খোজবোৰ... যেন পৃথক চিনাকি এটাৰে নিজকেই সজাই পেলাইছিল সময়বোৰে...। ইয়াৰ পৰাই আৰম্ভ হ'ব জীৱনৰ লক্ষ্য। একাবেঁকা ফুটপাথটোত হাউলি পৰা কৃষ্ণচূড়াৰ ৰহন। আস, সেউজীয়া দলিচাখনত বাগৰি পৰিব যেন অযুত সপোন। হাঁহিবোৰে খলকনি তোলা হৃদয়ত এজাক চঞ্চল হেপাঁহে ভুমুকিয়াই। ভয় আৰু শংকাই বেৰি ধৰা জীৱনৰ হুমুনিয়াহ এটা এৰি গুচি যায় বন্ধুত্বৰ সাহসত এজাক স্বপ্নাতুৰ পথিক। সহযোগিতা, প্ৰেৰণা আৰু আশীৰ্বাদৰ সমল হয় শিক্ষাগুৰু।

সংগ্ৰাম আৰু এখন যুদ্ধক্ষেত্ৰ লৈ অনৰ্গল শিক্ষাৰ সমল এটা বুকুত বান্ধি আগুৱাই যোৱাৰ পণ। বহুজন যোদ্ধাৰ মাজত যোগ্যতাক প্ৰতিপন্ন কৰাৰ অবিৰাম চেষ্টা। ডিপাৰ্টমেন্টৰ ৪৫ মিনিটৰ ক্লাছত থমকি ৰোৱা উশাহবোৰে সাৰ পায় আকৌ নতুন উদ্যম লৈ। চেমিনাৰৰ পৃষ্ঠাতেই বৈ যাব যেন নম্বৰকেন্দ্ৰিক দৌৰ এটা। ছমহীয়া পাঠ্যক্ৰমৰ মাজত গতানুগতিক ব্যস্ততা।

স্মৃতিৰ পাত লুটিয়াই দুহাতে আজলি পাতি ধৰে এমুঠি সোঁৱৰণ। ৰসাল আড্ডাৰ মাজতো সোমাই পৰে কেতিয়াবা গভীৰ পলিটিক্স। অলপ অৱকাশ বিচাৰি জমি উঠে আকৌ এটা অভিমানী কেমেষ্ট্ৰি। ভালপোৱা, বেয়াপোৱাৰ হিচাপত ভাগৰি পৰে এটা এটা চাবজেক্ট। মেজৰৰ পৰা লেংগুৱেজৰ পৰিসীমা ভেদি নিলগে বৈ যায় পাচ কৰ্চৰ থিয়ৰি। চেচ'নৈল, ফাইনেলৰ প্ৰস্তুতিত পাৰ হৈ যায় কত উজাগৰী ৰাতি।

হোষ্টেল, অন্য এক অনুভৱ, সাতসৰীত জিপাল কত সন্ধ্যা, কত নিশা। কেম্পাচৰ সিটো পাৰত এজাক যুবকৰ কিৰিলি। হাচনাহানাৰ পৰা ৰজনীগন্ধা লৈ সুবাসত মতলীয়া হয় প্ৰতিটো ৰূম আৰু প্ৰতিটো কৰিডৰ। প্ৰে হলৰ প্ৰাৰ্থনাৰ পৰা ডাইনিং হলৰ সোৱাদলৈ আপোনতাৰ পৰিচয়। ঘৰখনৰ পৰা আঁতৰি থকাৰ অজুহাতত আন্তৰিকতাৰ মেৰপাক।

সেই যে সময়বোৰ, ৰাগী আছিল তাত, জীৱন উদ্‌যাপনৰ ৰাগী। প্ৰতিভাবোৰ মুকলি কৰি দিয়াৰ হাবিয়াস, মঞ্চত নিপুন শৈলীৰ পাৰ্গত শিল্পীসত্বাৰ পৰিচয় দাঙি ধৰাৰ সুযোগ। ইয়াৰ পৰাইতো আৰম্ভ হয় এটা এটা নাম, এটা এটা চিনাকি। মেগাজিনৰ পৃষ্ঠাত বৈ যায় বহু প্ৰতিচ্ছবি। প্ৰেক্টিকেলৰ পৰা থিয়ৰিৰ সমীকৰণৰ প্ৰতিলিপি। লাইব্ৰেৰীৰ উপন্যাসত কেতিয়াবা হেৰাই যায় অনুৰক্ত মন এটা। আত্মজীৱনীৰ গাঁথাত পুণৰীক্ষণ হয় জীৱন। এইয়াওতো এক ভাললগা, হোষ্টেলৰ বেলকনিত বহি 'অনুৰাধাৰ দেশত' আঁকি পেলোৱা হয় সপোনৰ সীমা, খিৰিকীৰ মুখত জীপাল হয় 'চাহেপুৰাৰ বৰষুণ' জাক। অথবা কোলাহলৰ মাজতেই বিচাৰি যোৱা হয় 'নাহৰৰ নিৰিবিলি ছাঁ'।

তিনিবছৰীয়া যাত্ৰাৰ শেষত আকৌ এবাৰ চিয়ঁৰি উঠে জীৱনে, মই ভাগৰা নাই। পল অনুপলৰ বে-হিচাপী সময়বোৰে বিদায়ৰ ক্ষণ গণে লাহে লাহে। বেনামী বতাহজাকে আমনি কৰি যোৱা দুপৰীয়াবোৰে কৰি পেলায় ঠিকনা সলোৱাৰ প্ৰস্তুতি। এনেকৈয়ে অচিনাকি জন চিনাকি হোৱাৰ পৰা চিনাকিজনো হেৰাই যোৱাৰ বাট এটা আঁকি নষ্টালজিয়াৰ দেৱালত লিখি থোৱা হয় কত ইতিহাস। সোণালী দলিচাত আকৌ পৰিব নতুন খোজৰ লহৰ। আকৌ এজাক

সপোনপিয়াসী পথিকৰ আহ-যাহত ব্যস্ত হ'ব কলেজ কেম্পাচ। মৌনতাৰ চকুপানী এটোপাল লুকুৱাই সশব্দে উচুপনি তোলে হৃদয়ে। ফেয়াৰৱেলৰ দিন এটা দুচকুত আঁকি গুচি যায় আগবাঢ়ি অযুত সপোন। এই দিন এক সোঁৱৰণ।

সোণাৰি কলেজ তুমি আজীৱন হৈ ৰোৱা স্বপ্নপিয়াসী পথিকৰ চূড়া। তোমাৰ সোণালী পৃষ্ঠাত লিপিবদ্ধ হৈ ৰওক অলেখ কাহিনীৰ শিৰোনামা। নষ্টালজিয়া মাথো এবুকু নষ্টালজিয়া।◆◆◆

# ৯৬'ৰ সেই বিশেষ দিনকেইটা...

✍ স্নিগ্ধাশিখা
প্ৰাক্তন ছাত্ৰী

নাৰীৰ অধিকাৰ, সৱলীকৰণ, সমমৰ্যাদা প্ৰসংগত ক্লাছ চলি আছে। পলিটিকেল চায়েন্সৰ ক্লাছ। প্ৰয়াত তুলসী গগৈ ছাৰে কথা প্ৰসংগত ইন্দিৰা গান্ধীৰ পৰা মাধুৰী দীক্ষিত, ঐশ্বৰ্য ৰায়ৰ লৈকে এগৰাকী নাৰীৰ দৈনন্দিক কৰ্মসূচী লৈ ব্যাখ্যা আগবঢ়াইছে। ছাৰৰ ২য় বেলাৰ ক্লাছ। আৰু আমাৰ দিনটোৰ শেষ ক্লাছ। শেষ হ'লেই ঘৰলৈ দৌৰিম।

এনেতে নিজৰ ক্লাছ সামৰি ৰতিপ্ৰভা বাইদেউ আমাৰ ক্লাছৰুমৰ কাষেৰে পাৰ হৈ যাওঁতে কৈ গ'লঃ স্নিগ্ধা ঘৰলৈ যোৱাৰ আগতে মোক এবাৰ লগ পাই যাবা। হে ভগৱান কি কৰিলো মই। ৰতি বাইদেউৰ ঘৰ কলেজ চৌহদতে। পুৰণি বয়জ হোষ্টেল পাৰ হৈয়ে বাইদেউৰ ঘৰ। অৰ্থ্যাৎ এতিয়া অ'ডিটৰিয়ামটোৰ কাযতে ৰবীন কোঁৱৰ ছাৰ আৰু ৰতি বাইদেউৰ ঘৰ প্ৰায় একেলগে। কলেজত পঢ়িবলৈ অহাৰ আগৰে পৰা দুয়োখন ঘৰ আমাৰ অতিকে আপোন। বাইদেউ ছোৱালী জোনমণি আৰু মই একেলগে পঢ়া। সোণাৰি কলেজতে সৰুৰে পৰা প্ৰয়াত ৰাখাল শৰ্মা ছাৰৰ পৰা সংগীত শিক্ষাও একেলগে লোৱাৰ বাবে বাইদেউৰ ঘৰতে গীতৰ আখৰায়ে হওঁক বা যিকোনো অনুষ্ঠানৰ বাবে বাইদেউৰ ঘৰতে গোট খাও। বহু ক্ষেত্ৰত বাইদেৱে সহযোগ কৰে যদিও আমি বাইদেউক যথেষ্ট সমীহ কৰি চলো। পোনপটীয়াকৈ বাইদেউক কিবা এটা সুধিবলৈও ভয় লাগে। ইয়াৰ পূৰ্বে বাইদেৱে এনেকৈ মতা মনত নপৰে।আজি বাৰু কি হ'ল? মনে মনে ভয়ো লাগিল। ক্লাছৰুমটোত আটায়ে মোলৈ হে চাই আছে মাথোঁ। সময়কন যেন নাযায় নুপুয়াই। তেনেতে দেখিলো আমাৰ ক্লাছৰুমৰ বাহিৰত তেতিয়াৰ আমাৰ সাংস্কৃতিক সম্পাদক তপন ৰাজকোঁৱৰ (প্ৰয়াত) আৰু পূৰৱী বা বৈ আছে। অকণমান সকাহ লভিলো। দুয়ো চাগে মোলৈয়ে বৈছে। গানৰ কিবা প্ৰ'গ্ৰেম আছে নিশ্চয়। এইখিনিতে কৈ থও সোণাৰি মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ ১৯৯৫ চন। মই স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী। ৰূপালী জয়ন্তীৰ তিনিদিনীয়া কাৰ্যসূচী আমি একেলগে ২০ টা মান কোৰাচ গাইছিলো। আৰু ৰিহাৰ্চেল চলিছিল ৰতি বাইদেউৰ ঘৰৰ আগফালে। তাহাঁত দুয়োকে দেখি সেই কথাবোৰেই মনত বুৰবুৰাই আছে। অৱশেষত ক্লাছ শেষ হ'ল। পাপু (পূৰৱী) বায়ে একপ্ৰকাৰ টানি নিয়াদি মোক বাইদেউৰ ঘৰলৈ লৈ গ'ল। কোনেও একো নাজানে। বাইদেউৰ ঘৰত গৈ লগ পালো সোণাৰিৰে ৰুণু সন্দিকৈ বাইদেউক। ৰুণু সন্দিকৈ বাইদেৱে আমাক বহিবলৈ দিলে আৰু ক'লে- আকাশবাণী ডিব্ৰুগড়ৰ পৰা যুৱ বানীৰ বাবে এখন আলেখ্যৰ সুযোগ আহিছে। সময় একেবাৰে নাই। দুদিনৰ পিছতে ডিব্ৰুগড়ত ৰেক'ৰ্ডিং হ'ব। আমি যদি নোৱাৰো সেই সুযোগ আনে পাব। ৰতি বাইদেউ তত্বাৱধানত আলেখ্যখনৰ সামগ্ৰিক পৰিকল্পনা আৰু পৰিচালনা আছিল ৰুণু বাইদেউৰ। দিন-ৰাতি একাকাৰ কৰি আখৰা চলিল। আৰু নিৰ্দিষ্ট দিনটোত আমাৰ ৭ জনীয়া দলটো ডিব্ৰুগড় পালোগৈ। বাকীকেইজনৰ চেহেৰা ঠিক মনলৈ অহা নাই। ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহৰ কথা। সম্ভৱত মাৰ্চ মাহৰ ৯ তাৰিখে নিশা ৯ বজাত আলেখ্যখন সম্প্ৰচাৰ কৰিলে ডিব্ৰুগড় আকাশবাণীয়ে। সেইনিশা ধাৰাষাৰ বৰষুণ। বিজুলি-ঢেৰেকনিয়ে অনুষ্ঠানটি উপভোগ কৰিবলৈ সুযোগ নিদিলে। আমাৰ মাজৰ

কোনেও অনুষ্ঠানটি ভালকৈ শনিবলৈ নাপালোঁ। মনত দুখ ৰৈ গ'ল। কিন্তু আটাইৰে জীৱনৰ এটা সুন্দৰ অভিজ্ঞতা- বুকুত সাঁচি থলো।

এতিয়াল মূল প্ৰসংগলৈ আহো। সেই দিনটোয়েই দৰাচলতে আছিল আজিৰ স্নিগ্ধাশিখাৰ বৃত্তিগত জীৱনৰ প্ৰথম খোঁজ। আলেখ্যখনত মোক গীতাংশত অংশল'বলৈ দিয়া হোৱা নাছিল। কথাংশতহে মই আছিলো। কিয় জানো মোক গীত গাবলৈ নিদি আলেখ্যখন পাঠ কৰিবলৈহে দিয়া হ'ল? অৰ্থ্যাৎ ভইচ অভাৰতহে মই আছিলো। সেই যে আৰম্ভণি, তেতিয়াৰে পৰা প্ৰায় ২৫ বছৰে একে কামেই কৰি আহিছো মই। হয়তো দুয়োগৰাকী বাইদেউৱে ভবা নাছিল তেওঁলোকে মোক কোন দিশে আগবঢ়াই দিছে। গীত গাই, অভিনয় কৰি ভালপোৱা মইজনীয়ে ভবাই নাছিলো যে, সেইদিনাই মই মোৰ ভৱিষ্যতে গঢ় লৈছিলঁ। তাৰ পিছতেই দুলীয়াজানৰ এটা কেবল চেনেলত বাতৰি পৰিৱেশনৰ দায়িত্ব মোক দিয়া হয়। অৰ্থ্যাৎ মোৰ প্ৰথম চাকৰি 'নিউজ ৰিডাৰ' হিচাপে দুলীয়াজানৰ কাইজল নেটৱৰ্কত। তাৰ পিছতে গুৱাহাটীৰ এন ই টিভি আৰু যোৱা ১২ বছৰে DY365ত জড়িত হৈ আছো।

কলেজৰ সময়চোৱাতে প্ৰত্যেকে নিজক শুদ্ধ ৰূপত উচিত ঠাইত প্ৰতিষ্ঠা লভাৰ চেষ্টাত ব্ৰতী হওঁ। নিচাক কিদৰে পেচালৈ পৰিৱৰ্তন কৰিব পাৰি, কিদৰে ডিগ্ৰীটো লৈ উপাৰ্জনৰ পথ প্ৰশস্ত কৰিব পাৰি, তাৰ জল্পনা-কল্পনাতে সময় অতিবাহিত হয়। মই সগৌৰৱেৰে কওঁ- মই কিন্তু ব্যতিক্ৰম। কাৰণ মোৰ নিচাক পেচালৈ পৰিৱৰ্তন কৰা, মোৰ নিজত্ব বজাই ৰাখি ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত গুৰুদায়িত্ব লৈছিল যেন সোণাৰি মহাবিদ্যালয়ে। আজিৰ এই শুভক্ষণত প্ৰতিগৰাকী শিক্ষাগুৰুলৈ মোৰ শতকোটি প্ৰণাম। তেখেতসকলৰ আৰ্শীবাদেই মোৰ চালিকা শক্তি, মোৰ কৰ্ম প্ৰেৰণাৰ উৎস।

কলেজত পঢ়ি থাকোতেই স্কুলত চাকৰি কৰি থকা বাবে সুৰেশ দাস ছাৰৰ মেজৰৰ ক্লাছত সময়মতে আহি নাপাও। ছাৰে কেতিয়াও টানকৈ কোৱা মনত নপৰে। বৰঞ্চ ক্লাছত কি শিকোৱা হ'ল অলপো কুণ্ঠাবোধ নকৰাকৈ কৈ যায়। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰী গোলাপ গোহাঁই ছাৰৰ ক্লাছত বহাৰ সৌভাগ্যও মোৰ ঘটিছিল। কাৰ নাম লম? প্ৰয়াত কমলাবতি বাইদেউ, শ্ৰীযুতা সোণামাই বাইদেউৰ সান্নিধ্য আমি পাইছিলো। সাংস্কৃতিক অনুষ্ঠানত অতিকৈ সহায় কৰা মানুহজন আছিল ৰঞ্জিত বৰগোহাঁই ছাৰ, মিণ্টু গগৈ ছাৰ, ৰাণা কোঁৱৰ ছাৰ, ফণীন্দ্ৰ বৰুৱা ছাৰ, ৰীতা বাইদেউক বিভিন্ন ক্ষেত্ৰত আগভাগ লোৱা দেখিলো। ১৯৯৭ চনত সুশীল চুঁড়ী ছাৰৰ দায়িত্বত মৰিয়নী মহাবিদ্যালয়ৰ যুৱ মহোৎসৱলৈ গৈছিলো। সেই চাৰিওদিনে আমাৰ সৈতে যি আজৱ ঘটনা ঘটিছিল হয়তো আমাৰ মাজৰ কোনেও পাহৰি যোৱা নাই। কলেজখনৰ আন দুজন শিক্ষাগুৰুৰ বিদায় সভা (একে সময়ত নহয়) সদায় মনত ৰ'ব। বিমলা ফুকন ছাৰ আৰু ড০ বুধিন গগৈ ছাৰ। বিমলা ফুকন ছাৰে হাঁহি হাঁহি বিদায় লোৱাৰ বিপৰীতে ড০ বুধিন গগৈ ছাৰৰ অশ্ৰুসিক্ত ভাষণে প্ৰেক্ষাগৃহৰ সকলোৰে চকুলো নিগৰাইছিল।

শিক্ষাগুৰু হিচাপে ৰবীন কোঁৱৰ ছাৰ, প্ৰয়াত গণেশ বৰুৱা ছাৰ, মানিক বৰুৱা ছাৰ, প্ৰয়াত বিনন্দ মোহন ছাৰ, দীপাঞ্জলী মেম, অঞ্জুৱাৰা মেম, সুনীল দত্ত ছাৰৰ দৰে ব্যক্তিৰ পাঠদান আজিও মনত সজীৱ হৈ আছে। কলেজখনৰ কাষেৰে পাৰ হ'লেই গিৰিণ গগৈ ছাৰ, দিলীপৰঞ্জন বৰুৱা ছাৰ, পল্টু পাল ছাৰ, ৰীণা বাইদেউ, বাণী বাইদেউ, ৰাণু বাইদেউ, ৰানা কোঁৱৰ ছাৰৰ চেহেৰা মনলৈ আহে। সোণালী জয়ন্তীৰ এই শুভ ক্ষণত কলেজখনৰ লগত জড়িত প্ৰত্যেক ব্যক্তি বিশেষক আৰু ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক অভিনন্দন জনাইছো। যিসকলক আমি হেৰুৱালো তেখেতসকলৰ আত্মাৰ সদ্গতি কামনা কৰিছো। শেষত প্ৰতিগৰাকী শিক্ষাগুৰুলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*

লাইভ নিউজৰ বিৰতিৰ মাজত মোৰ এই লেখা। বহু ভুল-ত্ৰুটি ৰৈ গৈছে। ক্ষমা প্ৰাৰ্থনাৰে... ◆◆◆

# স্মৃতিৰ পাতত সোণাৰি মহাবিদ্যালয়

✍ প্ৰিয়ংকা শৰ্ম্মা
প্ৰাক্তন ছাত্ৰী

গৌৰৱোজ্জ্বল পঞ্চাশটা বছৰ গৰকা সোণাৰি মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপে মই পোন প্ৰথমেই সেইসকল পুৰুধা ব্যক্তিৰ শ্ৰীচৰণত মোৰ সশ্ৰদ্ধ প্ৰণিপাত আগবঢ়ালো। যি সকলৰ আপ্ৰাণ চেষ্টাত প্ৰাণ পাই উঠিছিল আমাৰ অতি শ্ৰদ্ধাৰ আৰু হেঁপাহৰ সোণাৰি মহাবিদ্যালয়খনে। সেই কাণ্ডাৰীসকলৰ অহুপুৰুষাৰ্থ চেষ্টাৰ শলাগ নোলোৱাকৈ মহাবিদ্যালয়খনৰ ছাত্ৰী বুলি নিজক পৰিচয় দিয়াৰ ধৃষ্টতা মোৰ নাই গতিকে তেখেতসকলৰ এই শ্ৰেষ্ঠতম চেষ্টাৰ শলাগ লৈ আৰু তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰি মোৰ স্মৃতিৰ পাত লুটিয়াই একলম আপোনালোকলৈ আগবঢ়ালো।

বগা আৰু সেউজীয়া ৰঙৰ ইউনিফৰ্মযোৰৰ প্ৰেমত কেতিয়া পৰিছিলো মনত নাই কিন্তু এই সাজযোৰ কাৰোবাক পিন্ধা দেখিলেই কবিতা মতাৰ দৰে মাতিছিলো... "মা, মই কিন্তু মেট্ৰিক পাছ কৰি ইয়াতেই পঢ়িম। মোক ইয়াতেই এড্‌মিচন দিবা দেই'। মোৰ কথামতেই ২০০৭ চনত মোক সোণাৰি মহাবিদ্যালয়ৰ এগৰাকী সদস্যাৰূপে অন্তভূক্ত কৰাই দিয়া হৈছিল। আৰু তেতিয়াৰ পৰাই এই বগা আৰু সেউজীয়াৰ সমাহাৰে মোকো শুৱনি কৰি ৰাখিছিল সুদীৰ্ঘ পাঁচটা বছৰ।

মোৰ চিৰ নমস্য শিক্ষাগুৰুসকলৰ মৰম আৰু অগ্ৰজসকলৰ অৱদানেৰে লালিত পালিত হৈ মই ২০১২ চনত স্নাতক ডিগ্ৰী ল'বলৈ সক্ষম হ'লো ঠিকেই কিন্তু আজিও যেন মই এই বগা আৰু সেউজীয়া সাজযোৰৰ দুৰ্দান্ত প্ৰেমিক হৈয়ে ৰ'লো মহাবিদ্যালয়খনৰ কোনোবা এটা চুকত।

মহাবিদ্যালয়খনত পাৰ কৰি অহা মোৰ প্ৰতিটো বসন্তই মোক দি গৈছিল এক বিশাল অভিজ্ঞতাৰ মেটমৰা ভড়াল। ইয়াৰ প্ৰতিটো ক্লাছৰুম, হল, ক'ৰিডৰ, গাৰ্লচ হোষ্টেল, লাইব্ৰেৰীত যেন আজিও সজীৱ হৈ আছে আমাৰ মিঠা মিঠা স্মৃতিবোৰ। সোণাৰিয়ান হোৱাৰ প্ৰথম দিনটোত অনুভৱ কৰা সেই মিঠা শিহৰণে আজিও শিয়ৰাই তোলে মোৰ দেহ মন। প্ৰতিটো ক্লাছৰুমৰ প্ৰতিখন বেঞ্চত আজিও যেন বিচাৰি পাওঁ মোৰ সেই পাঁচটা বছৰ। কেন্টিনৰ প্ৰতিখন টেবুলত যেন আজিও সজীৱ হৈ আছে আমাৰ অফ টাইমৰ ৰসাল আড্ডাবোৰ আৰু মোৰ ডাঙৰ ডাঙৰ হাঁহিবোৰ।

হাঁহিৰ কথা মনলৈ আহোতেই ক'বলৈ মন গৈছে.... এসময়ত এই হাঁহিটোৰ বাবেই সকলোৰে মৰমৰ হৈ পৰিছিলো মই। এদিন মন মাৰি থকা দেখেলেই বন্ধু-বান্ধৱীৰ পৰা আৰম্ভ কৰি ছাৰ-বাইদেউ সকলো চিন্তাত পৰিছিল আৰু মোক বাৰে বাৰে অনুভৱ কৰাইছিল যে, হাঁহিটোৱেই হৈছে মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ অলংকাৰ। ইয়াক এৰাই চলা মানে মই মোৰ অস্তিত্ব হেৰুৱাই দিয়া। তেতিয়াৰ পৰাই এই হাঁহিক মোৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হিচাপে ব্যৱহাৰ কৰি আহিছো আজি পৰ্য্যন্ত।

প্ৰেক্ষাগৃহৰ মঞ্চৰ কাষত থিয় হ'লে আজিও অনুভৱ কৰো চাৰিওফালে গুঞ্জৰিত হৈ থকা মোৰ নাম...

"এইয়া মঞ্চত প্ৰিয়ংকা শৰ্ম্মা"

তাৰপিছত জাউৰিয়ে জাউৰিয়ে অহা হাত চাপৰিৰ এক মিঠা কোলাহল। শিক্ষাগুৰুসকলৰ হেঁপাহবোৰৰ আঁৰত লুকাই থকা সীমাহীন আশীৰ্বাদবোৰ....

"বৰ ভাল লাগিল প্ৰিয়ংকা, আগুৱাই যোৱা"। মৰমৰ বন্ধু-বান্ধৱী সকলৰ মৰমভৰা উৎসাহবোৰ.... "এইটো প্ৰাইজ তইয়েই পাবি চাই থাক। ইমান ধুনীয়াকৈ পৰিৱেশন কৰিলি"।
উফ্! আৰু যে কত কি....।

যদিও মই ইংৰাজী বিভাগৰ ছাত্ৰী হিচাপে স্নাতক ডিগ্ৰী ল'লো তথাপিও মহাবিদ্যালয়ত প্ৰৱেশ কৰিয়েই বন্ধুত্ব গঢ়ি উঠা অসমীয়া বিভাগটোৰ সৈতে

মোৰ বন্ধুত্ব আজিও একেদৰেই ৰৈ গ'ল। শ্ৰদ্ধাৰ ৰঘুনাথ কাগ্যুং ছাৰকে আদি কৰি ড° ৰীতা দত্ত বাইদেউ আৰু বিজয়লক্ষ্মী বাইদেউৰ সৈতে গঢ় লোৱা বন্ধুত্বই কলেজীয়া জীৱনৰ কাঁইটিয়া অভিজ্ঞতাবোৰক হাঁহি মুখে সহ্য কৰি হোৱাত বহুত সাহস যোগাইছিল। তেখেতসকলৰ এই আব্দাৰৰ আজিও মই এক অংশীদাৰ। লগতে নিজৰ সন্মানীয় বিভাগটোৰ প্ৰতিজন শিক্ষাগুৰুৰ অজস্ৰ মৰম, উৎসাহ আৰু আৰ্শীবাদৰ ফলস্বৰূপে আজি মই এগৰাকী শিক্ষয়িত্ৰী।

মহাবিদ্যালয়খনক এক অনন্য মাত্ৰা প্ৰদান কৰা প্ৰাক্তন অধ্যক্ষ শ্ৰদ্ধাৰ ড° ৰাজেন তামূলী ছাৰৰ ৰঙা চকুযোৰৰ ভয়ত, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত এটা প্ৰশ্নৰ দুই তিনিটা উত্তৰ দিয়া মইজনীয়ে কেতিয়াৰ পৰানো ছাৰৰ ৰঙা চকুযোৰৰ আঁৰত থকা মৰমীয়াল মানুহজনক চিনি পাইছিলো মনত নাই কিন্তু কলেজখনলৈ গ'লে বিচাৰি ফুৰো মৰমীয়াল ছাৰজনক কলেজখনৰ প্ৰতিটো কোণত। তেখেতৰ পৰাই শিকিছিলো জীৱনলৈ অহা প্ৰতিটো ভাল সুযোগ যে, ঈশ্বৰৰ দান আৰু ইয়াক এবাৰ হেৰুৱাই দিলে দ্বিতীয় বাৰলৈ পোৱাৰ সুবিধা খুব কম। গতিকে সময়ৰ কাম সময়ত কৰি যোৱাই মংগল। তেখেতৰ এই বাক্যশাৰীয়ে জীৱন যাত্ৰাৰ বহুতো বাধা উফৰাই আগবাঢ়ি যোৱাত বহুত সহায় কৰি আহিছে মোক আজি পৰ্য্যন্ত।

২০১০-২০১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকাৰূপে জয় লাভ কৰি ইয়াতেই অনুভৱ কৰিছিলো, যিকোনো ক্ষেত্ৰত নেতৃত্ব দিয়াৰো যে থাকে এক সুকীয়া মাদকতা। মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানৰ বাবে কৰা আমাৰ কষ্টবোৰত লুকাই আছিল মহাবিদ্যালয়খনৰ প্ৰতি থকা আমাৰ নিস্বাৰ্থ মৰম আৰু অশেষ শ্ৰদ্ধা। যিখিনি আজিও বুকুত কঢ়িয়াই লৈ ফুৰি লাভ কৰো এক অনন্য সুখৰ মাত্ৰা। সেই নিস্বাৰ্থ কষ্টবোৰৰ স্বীকৃতি হিচাপে যেতিয়া আজি কলেজ এৰি অহা ইমান বছৰৰ পিছতো কলেজখনৰ প্ৰতিটো সৰু ডাঙৰ অনুষ্ঠানলৈ আমাক দিয়া হয় তেতিয়াই মনত এক সাংঘাতিক ধৰণৰ সফলতাৰ ঢৌৰ খলকনিৰ সৃষ্টি হয়। আৰু তিয়াই অনুভৱ হয় নিস্বাৰ্থভাবে কৰা প্ৰতিটো কামৰ স্বীকৃতিৰ সোৱাদ যে কিমান বেছি মিঠা। এই মিঠা সোৱাদে ভৰা অভিজ্ঞতাবোৰ বুকুত সামৰি আজি আমি চিঞৰি চিঞৰি ক'ব পাৰো যে, " হয় আমি প্ৰকৃততে একো একোগৰাকী চহকী 'সোণাৰিয়ান'। আজীৱন এনেকৈয়ে স্মৃতিৰ পাতত জিলিকি থাকক আমাৰ বুকুৰ আপোন মহাবিদ্যালয়খন। প্ৰতিটো শিক্ষাবৰ্ষই কঢ়িয়াই আনক সোণাৰিলৈ গৌৰৱৰ জোৱাৰ। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মাজত সৃষ্টি হওঁক একো একোজন সৎ আদৰ্শবান সোণাৰিয়ান।

শেষত, ইতিমধ্যে আমাৰ মাজৰ পৰা হেৰাই যোৱা প্ৰাক্তন অধ্যক্ষ শ্ৰদ্ধাৰ সুৰেশ দাস ছাৰকে আদি কৰি শ্ৰদ্ধাৰ মুহিধৰ চেতিয়া ছাৰ আৰু বহুকেইজন মহাবিদ্যালয়ৰ লগত জড়িত শ্ৰদ্ধাৰ ব্যক্তিসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি একাঁজলি শ্ৰদ্ধাঞ্জলি আগবঢ়ালো লগতে পুনৰবাৰ মোৰ পথ পদৰ্শক প্ৰতিজন শিক্ষাগুৰুকে প্ৰমুখ্য কৰি কলেজীয়া জীৱনৰ বিভিন্ন কামত সহায় কৰা ছেত্ৰী দা আৰু বসন্ত দা লৈও মোৰ অশেষ শ্ৰদ্ধা জ্ঞাপন কৰিলো। আজিৰ এই কলম ইমানতে সামৰণি মাৰিলো।◆◆◆


"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰিয়ান"

।। ধন্যবাদ।।

## কৌতুক

চহৰলৈ এটা চাৰ্কাছ পাৰ্টি আহিল। চাৰ্কাছত আটাইতকৈ আকৰ্ষণীয় খেলটো আছিল এজন পালোৱানৰ খাদ্য খোৱাটো। চাৰ্কাছৰ সকলো খেল শেষ হোৱাৰ পিছত পালোৱানে খোৱাৰ 'আইটেম'টো দেখুৱা হয়। তেওঁ একেলগে পাঁচ কিলো চাউলৰ ভাত, চাৰি কিলো মাংস আৰু আন অনেক বস্তু খায়। সেই খোৱাৰ দৃশ্যটোচাবলৈকে চাৰ্কাছত অনেক মানুহ হয়। মানুহৰ মুখে মুখে কেৱল পালোৱানজনৰ কথা। দৰ্শকৰ ভীৰৰ বাবেই প্ৰতিদিনে তিনিটা শ্ব' পাতিব লগা হয়।



শেষৰ দিনা মানুহৰ ভিৰ ইমান বেছি হ'ল যে মালিকে সেইদিনা চাৰিটা শ্ব' পাতিবলৈ বাধ্য হ'ল। পালোৱানজন সেইখন চহৰেৰে আছিল। তেওঁ চাৰিটা শ্ব' খেল দেখুৱাবলৈ নহ'ল। মালিকে ক'লে ঃ তুমি পাৰিবা, এটা শ্ব'হে বেছি হৈছে।

ঃ ওহোঁ নহ'ব। মোৰ কি ঘৰ-দুৱাৰ নাই নেকি? ইয়াত চাৰিটা শ্ব' দেখুৱাই মই ঘৰলৈ গৈ কেতিয়া ভাত-পানী ৰান্ধিম?- পালোৱানে ক'লে।

# মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল



ড° ৰাণা কোঁৱৰ
মূৰব্বী ৰসায়ন বিজ্ঞান বিভাগ



অমৃত কুমাৰ বৰপূজাৰী
ৰসায়ন বিজ্ঞান বিভাগ



সুচিত্ৰ নাৰায়ন ৰাজখোৱা
ৰসায়ন বিজ্ঞান বিভাগ



কাশ্মিৰী আহমেদ
ৰসায়ন বিজ্ঞান বিভাগ



পল্টু পাল
মূৰব্বী প্ৰাণী বিজ্ঞান বিভাগ



ৰাণা কোঁৱৰ
প্ৰাণী বিজ্ঞান বিভাগ



জ্যোতিপ্ৰসাদ ফুকন
প্ৰাণী বিজ্ঞান বিভাগ



পূবালী গগৈ
প্ৰাণী বিজ্ঞান বিভাগ



অমৃতা মেছ
প্ৰাণী বিজ্ঞান বিভাগ



টংকেশ্বৰ বৰুৱা
মূৰব্বী গণিত বিভাগ



ভূপেন চন্দ্ৰ দিহিঙ্গীয়া
গণিত বিভাগ



মুহিধৰ চেতিয়া
গণিত বিভাগ



মনোৰঞ্জন কোঁৱৰ
গণিত বিভাগ



ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই
মূৰব্বী উদ্ভিদ বিজ্ঞান বিভাগ



ফণীন্দ্ৰ কুমাৰ বৰুৱা
উদ্ভিদ বিজ্ঞান বিভাগ



প্ৰবীণ বড়া
উদ্ভিদ বিজ্ঞান বিভাগ



জেচমিন চেতিয়া
উদ্ভিদ বিজ্ঞান বিভাগ



ভূপেন ফুকন
পদাৰ্থ বিজ্ঞান বিভাগ



দেবযানী গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ



কেশৰী ভূঞা
অসমীয়া বিভাগ



অৰূপ বৰগোহাঁই
ৰাসায়ন বিজ্ঞান বিভাগ



মহাবিদ্যালয় গ্ৰন্থাগাৰৰ বিষয়া-কৰ্মচাৰীসকল



মহাবিদ্যালয় কৰ্মচাৰীসকল

# মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল


ড° ৰীতা দত্ত
মূৰব্বী অসমীয়া বিভাগ


ড° ৰঘুনাথ কাগয়ুং
অসমীয়া বিভাগ


পদ্মা কুমাৰী গগৈ
অসমীয়া বিভাগ


বিজয়লক্ষ্মী গগৈ
অসমীয়া বিভাগ


ৰেখামণি গগৈ
অসমীয়া বিভাগ


ড° সুনীল দত্ত
মূৰব্বী ইংৰাজী বিভা


ড° দীপাঞ্জলী গগৈ
ইংৰাজী বিভাগ


অঞ্জুআৰা বেগম
ইংৰাজী বিভাগ


ড° অনিতা কোঁৱৰ
ইংৰাজী বিভাগ


নৱজ্যোতি দত্ত
ইংৰাজী বিভাগ


জেবিন চুলতানা
ইংৰাজী বিভাগ


বিনোদ ৰাজখনিকৰ
মূৰব্বী ৰাজনীতি বিজ্ঞান


ড° চক্ৰপাণি পাতিৰ
ৰাজনীতি বিজ্ঞান বিভাগ


লাকী চেতিয়া
ৰাজনীতি বিজ্ঞান বিভাগ


দ্বীপজ্যোতি বড়া
ৰাজনীতি বিজ্ঞান বিভাগ


মিণ্টু গগৈ
মূৰব্বী অৰ্থনীতি বিজ্ঞান বিভাগ


ড° পৰাণন কোঁৱৰ
অৰ্থনীতি বিজ্ঞান বিভাগ


প্ৰিয়াংক্ষী সৎনামী
অৰ্থনীতি বিজ্ঞান বিভা


স্বাগতা পাল
অৰ্থনীতি বিজ্ঞান বিভাগ


সুশীল চুঁড়ী
মূৰব্বী বুৰঞ্জী বিভাগ


দিব্যজ্যোতি কোঁৱৰ
বুৰঞ্জী বিভাগ


লিপ্তি গড়ুইন
বুৰঞ্জী বিভাগ


ৰাজীৱ কটকী
মূৰব্বী শিক্ষা বিভাগ


ড° প্ৰণীতা কলিতা
শিক্ষা বিভাগ


ধনদা কোঁৱৰ
শিক্ষা বিভাগ


দিপীকা বৰুৱা
শিক্ষা বিভাগ


যতীন্দ্ৰ নাথ শইকীয়া
শিক্ষা বিভাগ


নবীন গগৈ
মূৰব্বী পদাৰ্থ বিজ্ঞান বিভাগ


বীণা বৰঠাকুৰ
পদাৰ্থ বিজ্ঞান বিভাগ


চয়নিকা বৰগোহাঁই
পদাৰ্থ বিজ্ঞান বিভাগ

# ছাত্র একতা সভা- ২০১৮-১৯ বর্ষ



# ছাত্ৰ একতা সভা- ২০১৮-১৯ বৰ্ষ



শচীন দত্ত
সভাপতি



প্ৰযোজ্য মাধৱ দত্ত
সাধাৰণ সম্পাদক



ৰুহিত বৰুৱা
উপ-সভাপতি



মৌচুম গগৈ
সহঃ সাধাৰণ সম্পাদক



বিকল্প কোঁৱৰ
গুৰু ক্ৰীড়া সম্পাদক



অনুভৱ চাংমাই
লঘু ক্ৰীড়া সম্পাদক



ধীৰাজ গগৈ
সাংস্কৃতিক সম্পাদক



প্ৰজ্ঞা মহন
সাহিত্য সম্পাদিকা



চিৰঞ্জীৱ বৰগোহাঁই
তৰ্ক সম্পাদক



নৱদ্বীপ বড়া
সমাজসেৱা সম্পাদক



অভিনৱ বড়া
শৰীৰচৰ্চা বিভাগ



অভিজিৎ গগৈ
আলোচনী সম্পাদক



ধনঞ্জয় নায়ক
ছাত্ৰ জিৰণী চ'ৰা সম্পাদক



সুনয়না বুঢ়াগোহাঁই
ছাত্ৰী জিৰণী চ'ৰা সম্পাদিকা

## ছাত্ৰ একতা সভাৰ

# বিষয় ববীয়া সকলৰ

## প্ৰতিবেদন



# সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই এতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ, উপাধ্যক্ষ শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা ছাৰ প্ৰমুখ্য কৰি পৰম পুজনীয় তথা শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ সতীৰ্থবৃন্দলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

মানৱ জীৱন বৈচিত্ৰতাৰে ভৰা। এই বৈচিত্ৰময় জীৱনৰ আটাইতকৈ উল্লেখনীয় সময়ছোৱা হ'ল কলেজীয়া জীৱন। য'ত থাকে নতুনক আদৰাৰ তীব্ৰ হেঁপাহ লগত উচ্চ শিক্ষা লাভৰ মহৎ আকাংক্ষা। মোৰ কলেজীয়া জীৱনটো আৰম্ভ হৈছিল বিভিন্ন ভাব তথা কল্পনাৰ আবেষ্টনীত।

সোণাৰি মহাবিদ্যালয় পৰিয়ালৰ সদস্য হৈছিলোহি ২০১৪ চনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ হিচাপে। সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন গৌৰৱোজ্বল মহাবিদ্যালয়ত শিক্ষাগ্ৰহণ কৰি জীৱন গঢ় দিবলৈ পোৱাটো যিমান সুভাগ্যৰ কথা তাতকৈ বহু বেছি সৌভাগ্যৰ কথা মহাবিদ্যালয়ৰ হৈ কিবা কৰাটো। হায়াৰচেকেণ্ডেৰী ছাত্ৰ হৈ থকা সময়ছোৱাত সপোনতো ভবা নাছিলো যে এদিন মই এই মহাবিদ্যালয়ৰ সভাপতি দৰে গুৰুদায়িত্ব পালন কৰিম। কিন্তু উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা কেইজনমান সতীৰ্থৰ উৎসাহ আৰু সহযোগিতাত কেনেকৈনো মহাবিদ্যালয়ৰ বিভিন্ন কাম কাজত ইমান একান্ত হৈ পৰিলো গমেই নাপালো। এইয়া মোৰ বাবে এক বিৰল অভিজ্ঞতা।

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৮-১৯ বৰ্ষৰ বাবে ২৫ চেপ্তেম্বৰ, ২০১৮ তাৰিখে হোৱা নিৰ্বাচনত সভাপতি পদৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হওঁ। এইক্ষণত সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো যি সকলে মোক সোণাৰি মহাবিদ্যালয়ৰ সভাপতি হিচাপে নিৰ্বাচিত কৰিলে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰ পৰাই মোৰ দায়িত্বৰ লগতে ছাত্ৰ-একতা সভাৰ প্ৰতিজন বিষয়ববীয়াৰ দায়িত্ব সুকলমে পৰিচালনা কৰাৰ বাবে মই সদায় চেষ্টা কৰিছিলো। ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে যথেষ্টখিনি কৰণীয় আছিল। তাৰে ভিতৰত প্ৰধান হৈছে মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে পৰিচালনা কৰা। এনে ক্ষেত্ৰত প্ৰযোজ্য মাধৱ দত্তৰ লগতে ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়াই ছাত্ৰ একতাসভাৰ বিভিন্ন কাম-কাজ আৰু মহাবিদ্যালয় সপ্তাহ সুন্দৰ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰ পৰাই সভাপতি হিচাপে মহাবিদ্যালয়ৰ উন্নতিৰ হকে কি সেৱা আগবঢ়ালো সেইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মই সুচাৰুৰূপে কৰিবলৈ চেষ্টা কৰিছিলো। নিৰ্বাচন চলাওঁতে মই দিয়া প্ৰতিশ্ৰুতি **'চেনেটেৰী নেপকিন ডেষ্ট্ৰয়াৰ মেচিন'**ৰ ব্যৱস্থা মাত্ৰ তিনিমাহৰ ভিতৰতে পূৰণ কৰি দিয়া হৈছিল। লগতে আন বিষয়ববীয়াও দিয়া নিজৰ প্ৰতিশ্ৰুতিবোৰ পূৰণ কৰিছিল। ইয়াৰ লগতে আমাৰ কাৰ্যকালত আন এটি মুখ্য সফলতা এইখিনিতে উল্লখ কৰিব খুজিছো। ডিব্ৰুগড়

বিশ্ববিদ্যালয় অন্তৰ্গত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ, আন্ত মহাবিদ্যালয় লঘু, গুৰু শৰীৰচৰ্চা ক্ৰীড়া বিভাগৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সৰ্বমুঠ ১৭ টা পুৰস্কাৰ লাভ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুকুত আমাৰ মহাবিদ্যালয়ৰ নাম উজ্বলাই ৰাখিলে। এইক্ষণত ডিব্ৰুগড় বিশ্ববিদ্যালয় অন্তৰ্গত আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন আৰু তেওঁলোকৰ উজ্বল ভৱিষ্যৎ কামনা কৰিছো।

আমাৰ কাৰ্যকালৰ অভিজ্ঞতাসমূহৰ ভিতৰত স্মৃতি হৈ ৰব ৫ আগষ্ট, ২০১৯ তাৰিখে হোৱা সোণালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠান, স্মৃতি হৈ ৰব ৫০ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০খন পতাকা উত্তোলন কৰা সেই ঐতিহাসিক মুহূৰ্ত। এইখিনিতে মই গৌৰৱেৰে কব বিচাৰো যে, এই ৫০খন পতাকা উত্তোলনকাৰী সকলৰ ভিতৰত ময়ো এজন। এই উদ্বোধনী অনুষ্ঠানতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ভৱনৰ লাই খুটা স্থাপন কৰা হয় লগতে নৱনিৰ্মিত কেণ্টিন, পুথিভঁৰালৰ নৱনিৰ্মিত বৰ্দ্ধিত গৃহৰ উদ্বোধন কৰা হয়। প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা আন্তৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন শিল্পীসকলৰ সাংস্কৃতিক সন্ধিয়াই উক্ত দিনটি অধিক জীপাল কৰি তুলিছিল। এই স্মৃতিবোৰে মোক সদায় পুলকিত কৰি ৰাখিব।

## আমাৰ কালছোৱাত পৰম্পৰাগত ভাৱে অনুষ্ঠিত হোৱা কাৰ্যসূচী -

প্ৰতিষ্ঠা দিৱস উদ্‌যাপন, বিশ্বকৰ্মা পূজা উদ্‌যাপন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান, সৰস্বতী পূজা উদ্‌যাপন, স্বচ্ছ ভাৰত অভিযান, নৱাগত আদৰণি সভা আৰু ২-২-২০১৯ ৰ পৰা ৮-২-২০১৯ লৈকে আয়োজিত মহাবিদ্যালয় সপ্তাহৰ সমূহ কাৰ্যসূচী সুকলমে অনুষ্ঠিত হোৱাত সমূহ ছাত্ৰ-ছাত্ৰীকে মুখ্যকৰি মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যৰ সহযোগিতা মনত থাকিব। মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত জ্যোতিপ্ৰসাদ ফুকন ছাৰ, শ্ৰীযুত ফনীন্দ্ৰ কুমাৰ বৰুৱা ছাৰ, শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ ছাৰ আৰু শ্ৰীযুত বিনোদ খনিকৰ ছাৰৰ আন্তৰিক সহযোগিতা আৰু পৰামৰ্শৰ কথা কেতিয়াও নাপাহৰো। এই আপাহতে তেখেতসকলক শলাগ ললো।

সভাপতিৰ দায়িত্ব চলাই নিওঁতে মোক বিভিন্ন ভুল ত্ৰুটি দেখুৱাই সু-পৰামৰ্শ তথা প্ৰত্যক্ষ সহায়েৰে এই দায়িত্ব চলাই নিয়াৰ বাট দেখুৱাই দিয়া মোৰ সতীৰ্থ ময়ূৰ বৰুৱা, নিহাল মহন, নয়নজ্যোতি বৰা, পিংকী বড়া, সৌৰভ দেৱ, কাশ্যপ বৰুৱা, ৰিতুমণি ফুকন, বিস্পী গগৈ, বিদ্যুতকে ধৰি গণিত বিভাগৰ মোৰ সহপাঠী আৰু অনুজৰ লগতে ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰিছো।

## বিশেষ কৃতজ্ঞতা ঃ-

আমাৰ কাৰ্যকালত বিভিন্ন কাম-কাজসমূহ সুচাৰুৰূপে পালন কৰি যাবলৈ পৰম শ্ৰদ্ধাৰ **ড° বিমল চন্দ্ৰ গগৈ** ছাৰ আৰু উপাধ্যক্ষ **শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা** ছাৰে বিদৰে বিভিন্ন সময়ত দিহা পৰামৰ্শ আগবঢ়াইছিল তাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোক সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মোৰ তত্বাৱধায়ক **ড° ৰাণা কোঁৱৰ** ছাৰকে মুখ্য কৰি অধ্যাপক **শ্ৰীযুত জ্যোতিপ্ৰসাদ ফুকন** ছাৰ, **শ্ৰীযুত ফনীন্দ্ৰ কুমাৰ বৰুৱা** ছাৰ, **শ্ৰীযুত বিনোদ খনিকৰ** ছাৰ, **শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ** ছাৰক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

ছাত্ৰ একতা সভাৰ প্ৰতিটো অনুষ্ঠানত সহায়-সহযোগিতা আগবঢ়োৱা সমূহ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা নিবেদিছো।

এই ব্যক্তিসকলৰ অবিহনে আমি এটা ডাঙৰ শূণ্য হৈ ৰলোহেঁতেন।

## সমবেদনা জ্ঞাপনঃ-

আমাৰ কাৰ্যকালত বিয়োগ ঘটা শ্ৰদ্ধাৰ শিক্ষাগুৰু স্বৰ্গীয় উৎপল কোঁৱৰ ছাৰ, মহাবিদ্যালয়ৰ কৰ্মচাৰী স্বৰ্গীয় মুহিবুল হকৰ লগতে মহাবিদ্যালয়ৰ লগত জড়িত থকা যি সকলৰ অকাল বিয়োগ ঘটিল তেখেতসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

সামৰণি ঃ-

আমাৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে মোৰ অথবা ছাত্ৰ একতা সভাৰ কোনো বিষয়ববীয়াৰ কিবা ভুল ক্ৰুটি যদি হৈছিল তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

প্ৰতিবেদনৰ সামৰণীতে অনাগত নৱ ছাত্ৰ একতা সভালৈ এটা অনুৰোধ যে, আমাৰ কাৰ্যকালত সফল নোহোৱা অথবা ভুল ক্ৰুটি থাকি যোৱা কাৰ্যসমূহ তোমালোকে বলিষ্ঠ তথা সুপদক্ষেপ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈ অনুৰোধ জনালো।

মহাবিদ্যালয়খনৰ সকলো দিশৰ উন্নতি কামনা কৰি, মহাবিদ্যালয়ৰ জ্ঞানৰ শিখা চিৰদিন জ্যোতিষ্মান হোৱাৰ আশাৰে সদৌ শেষত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা লগ্নৰে পৰা জড়িত সেইসকল মহানুভৱ জ্ঞান তপস্বী সমাজসেৱকৰ আত্মোৎসৰ্গৰ স্মৃতি সোঁৱৰণ কৰি মই প্ৰতিবেদন সামৰণি মাৰিছো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

শচীন দত্ত
সভাপতি, ২০১৮-১৯ বৰ্ষ



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ বিসৰ্জন দিয়া বীৰ শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো, লগতে সেই সকলৰ অজস্ৰ শ্ৰম আৰু সাধনাৰ বিনিময়ত ঐতিহ্যমণ্ডিত জ্ঞান মিলনৰ মহাক্ষেত্ৰ এই 'সোণাৰি মহাবিদ্যালয়ে' জন্মলাভ কৰিলে। স্কুলীয়া দিনবোৰৰ পৰাই সপোন আছিল সোণাৰি মহাবিদ্যালয়ত শিক্ষা লাভ কৰা। মহাবিদ্যালয়ত ভৰি দিয়াৰ পিছৰ পৰাই অগ্ৰজসকলৰ কলেজখনৰ প্ৰতি থকা ভালপোৱা আৰু কিবা এটা কৰা অদম্য বাসনাই মোকো অনুপ্ৰানিত কৰিছিল, যিহেতু এনে কিছুমান হেপাহ মযো পুহি ৰাখিছিলো। মহাবিদ্যালয়ত ভৰি দিয়া প্ৰথম বৰ্ষতেই মই মহাবিদ্যালয়ৰ দ্বাৰা আয়োজিত বিভিন্ন শৈক্ষিক, সামাজিক, সাহিত্যিক দিশৰ লগত জড়িত হৈ পৰিছিলো। লগতে এই অনুষ্ঠানসমূহ যুগুতোৱা ছাত্ৰ-একতা সভাৰ লগতো ওত-প্ৰোতভাৱে জড়িত হৈ পৰিছিলো আৰু বিভিন্ন কাম-কাজত নিজকে নিয়োজিত কৰিছিলো। মোৰ অগ্ৰজসকল মোৰ প্ৰতি যথেষ্ট সদয় আছিল। সকলোৱে বিশ্বাসেৰে যিকোনো কামৰ দায়িত্ব অৰ্পণ কৰিছিল আৰু মইও সাধ্য অনুসাৰে পালন কৰিবলৈ যত্ন কৰিছিলো। হয়তো কৰ্মস্পৃহা দেখিয়ে তেওঁলোকে মোক ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে এটা গুৰু দায়িত্ব পালন কৰিবলৈ উৎসাহিত কৰিছিল। এই ক্ষেত্ৰত বিশেষভাৱে কেইজনমান মানুহৰ ওচৰত কৃতজ্ঞ, তেওঁলোক ক্ৰমে মোৰ বন্ধু, বান্ধৱী শ্ৰী ময়ূৰ বৰুৱা, নিহাল মহন, অভিনাশ বৈশ্য আৰু শ্ৰীমতী পূজাশ্ৰী বৰা, ময়ূৰী বৰা, এপ্লি কোঁৱৰ- তেওঁলোকে মোক সকলো দিশতে উৎসাহিত কৰিছিল।

এই গুৰু পদটি মই সকলোৰে সহায়ৰ বাবে প্ৰায় পাঁচ শতাধিক ভোটত জয়লাভ কৰিছিলো। ইতিহাসৰ পাতনি মেলিলে দেখা যায় যে মই দ্বিতীয়জন পাঁচ শতাধিক ভোটত জয়লাভ কৰা ব্যক্তি। ই মোৰ বাবে গৌৰৱ। সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত গভীৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'বলগা হয়, কাৰণ মই দায়িত্ব লোৱাৰ সময়ত মহাবিদ্যালয়ত যথেষ্ট স্পৰ্শকতাৰ পৰিস্থিতি আছিল। কিয়নো পূৰ্বৰ ছাত্ৰ একতা সভা তথা সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ মাজত এক মতানৈক্য তথা ছাত্ৰ একতা সভাক লৈ হোৱা কুটিল ৰাজনীতিক এক বিবাদমান পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই দিশ পুংখানুপুংখভাৱে পৰীক্ষা-নিৰীক্ষা কৰি মহাবিদ্যালয়ক পূৰ্বৰ অৱস্থালৈ নিয়া আৰু শৈক্ষিক, সাংস্কৃতিক বিপ্লৱত যতি পৰিবলৈ নিদিয়া আছিল মোৰ লক্ষ্য আৰু উদ্দেশ্যে। এই ক্ষেত্ৰত মোৰ লগত আছিল মহাবিদ্যালয়ৰ শিক্ষক শ্ৰীযুত জ্যোতি ফুকন ছাৰ আৰু মোৰ তত্বাৱধায়ক শ্ৰীযুত ৰাণা কোঁৱৰ ছাৰ। প্ৰত্যেকজন শিক্ষাগুৰু প্ৰত্যেক মুহূৰ্ততে মোৰ লগত ছাঁৰ দৰে থাকি মোক নিষ্ঠা, একতা আৰু সততাৰে মোৰ কাৰ্যকাল আগবঢ়াই নিয়াত সহায় কৰিছিল।

৬-৯-২০১৮ তাৰিখে মই আৰু মোৰ সতীৰ্থসকলে শপত গ্ৰহণ কৰি দায়িত্ব গ্ৰহণ কৰিছিলো আৰু বৰ্ষটোৰ কাৰ্যসূচী ৰূপায়ণ আৰু পৰিকল্পনাৰ উদ্দেশ্যে আমি ১০-৯-২০১৮ তাৰিখে প্ৰথমখন কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰিছিলো। এই কাৰ্যনিৰ্বাহকৰ গুৰি ধৰিছিল ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰী শচীন দত্ত আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমলচন্দ্ৰ গগৈ ছাৰ লগতে উপস্থিত আছিল সকলো বিভাগীয় শিক্ষক তত্বাৱধায়কসকল আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া। কাৰ্যনিৰ্বাহকখনত বৰ্ষটোৰ সকলো পৰিকল্পনা কৰিছিলো।

এগৰাকী সাধাৰণ সম্পাদক হিচাপে হয়তো আপোনালোকে মোৰ পৰা বহুতো নতুনত্ব আশা কৰিছিল আৰু কিমান আপোনালোকৰ সেই সপোন বাস্তৱত পৰিণত কৰিব পাৰিলো সেইয়া মই নাজানো কিন্তু মই আপোনালোকৰ আশাবোৰ সফল ৰূপায়ন কৰাত আপ্ৰাণ চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ ইতিহাসৰ পাত

লুটিয়ালে দেখা পাব যে মোৰ কাৰ্যকালতে ছাত্ৰ-ছাত্ৰীসকলৰ জিৰণীৰ বাবে টাইলচৰ শ্লেপ বনাই দিয়াৰ ব্যৱস্থা কৰিছিলো। মোৰ কাৰ্যকালতে ছাত্ৰীসকলৰ সুবিধাৰ্থে মহাবিদ্যালয়ৰ জিৰণী কোঠাৰ লগতে ছাত্ৰী নিবাসত 'চেনিটেৰি নেফকিণ ডেষ্ট্ৰয়াৰ মেচিন' প্ৰথমবাৰৰ বাবে ব্যৱস্থা কৰি দিছিলো। নিজৰ মাতৃভাষা ৰক্ষা কৰিবলৈ তিনিদিনকৈ শ্ৰেণীবৰ্জন কাৰ্যসূচী হাতত লৈছিলো। মহাবিদ্যালয়ৰ বাবে সুখবৰ যে মোৰ কাৰ্যকালত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত সৰ্বমুঠ ১৭টা পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনিছিলো। মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত প্ৰথমবাৰৰ বাবে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী 'কুসুম কৈলাশ' ডাঙৰীয়াৰ গীতৰ শৰাই আগবঢ়াবলৈ সক্ষম হৈছিলো। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে মহাবিদ্যালয়ত নতুনকৈ প্ৰায় তেৰটা 'চিচি টিভি কেমেৰা' লগোৱা ব্যৱস্থা কৰিছিলো আৰু এই বছৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত যি ফলাফল দেখুৱালে তাক আমি ছাত্ৰ একতা সভাই গৌৰৱ কৰো। ভৱিষ্যতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অধিক সুনাম কঢ়িয়াই সোণাৰি মহাবিদ্যালয়ৰ নাম বিশ্ব দৰবাৰত তুলিব বুলি আশা কৰিলো।

মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা মুখ্য অনুষ্ঠানসমূহ আৰু কামসমূহ ঃ-

১। প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

২। সকলো ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত বিশ্বকৰ্মাপূজা উদ্‌যাপন।

৩। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান।

৪। মহাবিদ্যালয় সপ্তাহ (২-৮ ফেব্ৰুৱাৰী)।

৫। মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনত সাংস্কৃতিক অনুষ্ঠান।

৬। বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান।

৭। সৰস্বতীপূজা অনুষ্ঠিত কৰা হয়।

৮। নৱাগত আদৰণি সভা (কুসুম কৈলাশৰ গীতৰ শৰাই)

৯। স্বচ্ছ ভাৰত অভিযানৰ প্ৰশিক্ষণ। (১,২,৩ জুলাই)

১০। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ তোৰণ মেৰামতি কৰা হয় আৰু লগতে ৰং কৰা হয়।

১১। মহাবিদ্যালয়ৰ গেটসহ বেজ মেৰামতি আৰু ৰং কৰা হয়।

১২। মোৰ কাৰ্যকালত চাইকেল গেৰেজ মেৰামতি কৰা হয়।

১৩। মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণী কোঠাত পানীৰ সুব্যৱস্থাৰ বাবে দুটাকৈ নতুন একোৱা গাৰ্ড ফিল্টাৰৰ ব্যৱস্থা কৰা হয়।

১৪। নৱাগতা ছাত্ৰ-ছাত্ৰীসকলক ৰেগিং কৰাত কঠোৰ বাধা প্ৰদান কৰাৰ ব্যৱস্থা লোৱা হয়।

১৫। সভাপতি আৰু সাধাৰণ সম্পাদকৰ নাম ফলক কেইখন পুনঃ নিৰ্মাণৰ লগতে গত বৰ্ষৰ সমূহ বিষয়ববীয়াৰ নাম ফলক নিৰ্মাণ কৰা হয়।

১৬। মহাবিদ্যালয়ৰ স্মৃতিসমূহ সংৰক্ষণ কৰি ৰাখিবৰ বাবে ছাত্ৰ একতা সভাৰ কাৰ্যলয়ত এখন ফটো ফ্ৰেমৰ ব্যৱস্থা কৰি দিয়া হয়।

কৃতজ্ঞতা স্বীকাৰ ঃ-

মোৰ কাৰ্যকালতচ বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা গঠনমূলক পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰ আৰু শ্ৰদ্ধাৰ সকলো শিক্ষাগুৰু আৰু সকলো দিশতে সহায় কৰা মোৰ বন্ধুবৰ্গ তথা ভাইটি-ভণ্টীসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*

*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**প্ৰযোজ্য মাধৱ দত্ত**

সাধাৰণ সম্পাদক, ২০১৮-১৯ বৰ্ষ



# উপ-সভাপতিৰ প্ৰতিবেদন

আজি নিজকে মই সৌভাগ্যৱান বুলি জ্ঞান কৰোঁ এই কাৰণেই ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ মই এজন ছাত্ৰ হোৱাৰ লগতে ২০১৮-১৯ বৰ্ষত ছাত্ৰ একতা সভাক আনুষ্ঠানিক ভাৱে এটা বছৰ মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে দায়িত্ব গ্ৰহণৰ সুবিধা পালোঁ।

২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে শপত গ্ৰহণৰ দিনাৰে পৰা এই দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ বদ্ধপৰিপক্ক হোৱাৰ প্ৰতিজ্ঞা কৰিছিলো। ছাত্ৰ -ছাত্ৰীক কোঙা কৰি পেলোৱা ছেমিষ্টাৰ পদ্ধতিৰ লগত খোজ মিলাই আমি মহাবিদ্যালয় খনৰ উন্নতি সাফল্য আৰু গৰিমা অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ চেষ্টা অব্যাহত ৰাখিছিলোঁ। ছাত্ৰ একতা সভাৰ উপ-সভাপতি হৈ থকা সময়ত হোৱা কাৰ্যক্ৰমণিকাৰ কিছু খতিয়ান দাঙি ধৰা হ'ল-

(১) ছাত্ৰ-একতা সভা কাৰ্য্যালয়ৰ বাবে পানী ফিল্টাৰকে আদি কৰি বিভিন্ন সামগ্ৰীৰ যোগান ধৰা হয়।

(২) ছাত্ৰ প্ৰস্ৰাৱগাৰত নতুনকৈ ৰং কৰা হ'ল আৰু গছ-গছনিত চুণ মৰা হ'ল।

(৩) মহাবিদ্যালয়ৰ পৰম্পৰা ৰক্ষা কৰি ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী যোগদানেৰে বাৰ্ষিক সপ্তাহ অনুষ্ঠিত হয়

২০১৮-১৯ বৰ্ষটিত মহাবিদ্যালয়ৰ উপ-সভাপতি আৰু বৰ্ষৰ শেষৰফালে সভাপতিৰ অনুপস্থিতিত ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰিবলগীয়া হ'ল।

**কৃতজ্ঞতা জ্ঞাপন ঃ-**

ছাত্ৰ একতা সভাক উৎসাহ আৰু প্ৰেৰনা যোগাই অহা মাননীয় অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰ আৰু উপাধ্যক্ষ দিলীপ ৰঞ্জন বৰুৱা ছাৰক সহায় আৰু পৰামৰ্শ বাবে এই সুযোগতে যাঁচিছো মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা, লগতে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ প্ৰতিজন শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ সহপাঠী চাংকু, প্ৰীতম, টইদুৰ, উদ্দীপন, সুৰজিৎ, দেৱাশিষ, সোণাক্ষী, জাহ্নৱী, চিন্ময়ী, ময়ত্ৰী, স্মৃতি, হেমকান্ত, সুদৰ্শন, মনোৰঞ্জন মোৰ অগ্ৰজ ময়ুৰ দা, নিহাল দা, ধ্ৰুৱজ্যোতি দা, বিউটি বা, প্ৰিয়া বা আদিৰ লগতে আমাৰ কাৰ্যকালত প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে সহায় সহযোগিতা আগবঢ়োৱা প্ৰতিগৰাকীলৈ অশেষ ধন্যবাদ জনাইছোঁ।

সদৌ শেষত মহাবিদ্যালখন আৰু ছাত্ৰ একতা সভা আগবাঢ়ি যাওঁক প্ৰগতিশীল দিশত, তাৰে কামনাৰে একলম সামৰিছোঁ।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**ৰোহিত বৰুৱা**
উপ-সভাপতি, ২০১৮-১৯ বৰ্ষ



## Assistant General Secretary Annual report

" Sonari College has been one of the supreme institutions governing the discipline of education since its establishment. Sonari College broadly proclaims its student fraternity who have exhibited their excellence in various technical and socio-cultural platforms." Sonari College student union carries forward the vision of empowering its students in all possible ways to strengthen the discipline of the college. We aim to create a sustainable campus environment incorporating the elements of togetherness and unity

Representing the entire student community I along with my whole team take the vows to work for the betterment of our college. Finally, I would like to thank our respected teachers and our honorable Principal sir. Long live Sonari College. Long live Sonari Students Union.

*'Long live Sonari College'*

**Mousum Gogoi**
Assistant General Secretary, 2018-19



# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

চৰাইদেউ ঐতিহ্য গৰিমাৰে বিভূষিত প্ৰতিজন চৰাইদৈয়ানৰ অহংকাৰ, তথা উজনি অসমৰ উচ্চ শিক্ষাৰ অন্যতম কেন্দ্ৰস্থল সোণাৰি মহাবিদ্যালয় এমুঠি সপোন পিয়াসী প্ৰাণৰ সপোনৰ মূৰ্তৰূপে এইখনি জ্ঞানৰ আলয়।

প্ৰতিবেদনৰ আৰম্ভণিতেই যি সকল মহা মণিষীৰ শ্ৰম আৰু ত্যাগৰ বেদীত জ্ঞানৰ শলিতা জ্বলিল, যাৰ উদাৰতাই আমাৰ .পৰিচয়ৰ আধাৰ দিলে, সোণাৰি মহাবিদ্যালয়ৰ ৰূপকাৰ সেইসকলৰ পুণ্যাত্মক আমি নতশিৰে প্ৰণাম জনাইছো। আপোনালোকৰ ত্যাগ আৰু মহৎ চিন্তাৰ ফল এই জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়ৰ গৰিমা অক্ষুন্ন ৰাখিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ।

সোণাৰি মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সোণাৰি মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ জয়যুক্ত হৈছিলো, ক্ৰীড়াৰ জৰিয়তে নন প্ৰতিভা সমূহক আগবঢ়াই নিয়াটোৱেই মোৰ মূল লক্ষ্য হিচাপে লৈছিলো। কিমানখিনি সফল হৈছো সেয়া আপোনালোকৰ বিচাৰ্য, এইক্ষেত্ৰত মোক উপদেশ তথা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমলচন্দ্ৰ গগৈ ছাৰ আৰু মোৰ তত্বাৱধায়ক শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। তদুপৰি মোৰ প্ৰতিটো কামতে সু-পৰামৰ্শ সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত বিনোদ খনিকৰ ছাৰ, শ্ৰীযুত জ্যোতিপ্ৰসাদ ফুকন ছাৰ, শ্ৰীযুত ফনীন্দ্ৰ কুমাৰ বৰুৱা ছাৰ, শ্ৰীযুত মিণ্টু গগৈ ছাৰৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী বৃন্দ, বন্ধু-বান্ধৱী আৰু তিনি প্ৰাক্তন সম্পাদক ময়ুৰ বৰুৱা, বিদুৎ ফুকন আৰু নয়নজ্যোতি বড়া সকলোলৈকে এই প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ অজ্ঞাতে তথা অনিচ্ছাকৃতভাৱে হোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো অনাগত সময়ত মহাবিদ্যালয়খনিৰ সুদীৰ্ঘ আয়ুস কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**বিকল্প কোঁৱৰ**
গুৰু খেল বিভাগৰ সম্পাদক, ২০১৮-১৯ বৰ্ষ।



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

*" মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ*
*আমিও কৰিব পাৰো জীৱন গঢ়িত।*
*অভিনয় শেষ হ'লে জীৱনৰ অন্তকালে*
*থৈ যাব পাৰোঁ খোজ সময় বালিত।।"*

ঐতিহ্যমণ্ডিত সোণাৰি নগৰৰ গৌৰৱৰ প্ৰতীক সোণাৰি মহাবিদ্যালয়। সোণাৰি অঞ্চলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি যি সকল মহান ব্যক্তিয়ে তেওঁলোকৰ কঠোৰ পৰিশ্ৰম, ত্যাগ আৰু অশেষ চেষ্টাৰ ফলত এই জ্ঞানৰ মন্দিৰটো প্ৰতিষ্ঠা কৰিলে তেওঁলোকক মই এই আপাহতে সেৱা জনাইছো। লগতে মই মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ ল তে মহাবিদ্যালয়ৰ সমূহ বিষয়ববীয়াৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে মৰম চেনেহ, কৃতজ্ঞতা তথা শুভকামনা জ্ঞাপন কৰিছো।

মই ২০১৮-১৯ বৰ্ষৰ ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলো। সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মই গৌৰান্বিত। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ আৰু এজন লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোৰ কৰণীয় যিখিনি আছিল, মই সকলোবিলাক সুচাৰুৰূপে সম্পন্ন কৰিছিলো। বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোক সম্পূৰ্ণৰূপে সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ, মোৰ বন্ধুবৰ্গ, অগ্ৰজ তথা অনুজসকলক মই এই প্ৰতিবেদনৰ যোগেদি ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালত সম্পাদকীয় জীৱন সফল কৰি তুলিছিল মহাবিদ্যালয়ৰে পিংকী দোলাকাষৰীয়া, প্ৰণিতা চাংমাই, ৰোমা চাংমাই আৰু উষা মানকীয়ে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে সোণাৰি মহাবিদ্যালয়ৰ নাম জিলিকাই তোলা মহাবিদ্যালয়ৰ সকলো খেলুৱৈক মই অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেওঁলোকৰ উজ্বল ভৱিষ্যত কামনা কৰিছো যাতে এসময়ত তেওঁলোকে নিজকে একোজন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে ।

সোণাৰি অঞ্চলৰ জনসাধাৰণৰ আশাৰ ৰেঙনি, জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয় যাতে সকলো দিশতে আগবাঢ়ি যায় আৰু সমগ্ৰ অসমতে এক বিশেষ স্থান লাভ কৰে তাৰেই কামনা কৰিলো লগেতে এই পৰ্য্যায়ত উপনীত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলৰ যতপৰোনাস্তি চেষ্টা চলাবলৈ অনুৰোধ জনালো। শেষত সোণাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

অনুভৱ চাংমাই
লঘু ক্ৰীড়া বিভাগৰ সম্পাদক, ২০১৮-১৯ বৰ্ষ



# সাংস্কৃতি বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ আৰম্ভণীতে মই সেইসকল মহান ব্যক্তিক সোঁৱৰিব বিচাৰিছো, যিসকলৰ প্ৰতিটোপাল ঘামৰ বিনিময়ত আজি সোণাৰি মহাবিদ্যালয়ে ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখৰ পৰা একো একোজন প্ৰকৃত মানৱ সম্পদ গঢ় দিয়াৰ অৰিহণা আগবঢ়াইছে। যেতিয়া সোণাৰি অঞ্চলৰ প্ৰায় ওচৰ-চুবুৰীয়া অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰীসকলে দূৰণিবটীয়া মহাবিদ্যালয়সমূহত শিক্ষাদান কৰিছিলগৈ তেনে ক্ষেত্ৰত ওচৰ চুবুৰীয়া ছাত্ৰ-ছাত্ৰীৰ সামূহিক দিশৰ উন্নতিৰ বাবে এচাম বুদ্ধিজীৱিৰ পৰশত প্ৰাণ পাই উঠিছিল আমাৰ এই "মহাবিদ্যালয়"। মই নিজকে ধন্য মানিছো সোণাৰি মহাবিদ্যালয়ৰ একোজন ছাত্ৰ হিচাপে থাকিবলৈ পায়।

উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীণত্ৰ হৈ এই মহাবিদ্যালয়ৰ অংশীদাৰ হ'বলৈ মোৰ কোনো পৰিকল্পিত সিদ্ধান্ত নাছিল যদিও বৰ্তমান মই এই মহাবিদ্যালয়ৰে ছাত্ৰ। মহাবিদ্যালয়খনত প্ৰথম দিনকেইৰ পৰাই যেন মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত কিবা এটা কৰাৰ মনোভাৱ মনতে পুহি ৰাখিছিলোঁ। সেই মানসেৰে মই সোণাৰি মহাবিদ্যালয়ৰ 'ছাত্ৰ একতা সভা'ৰ সাধাৰণ নিৰ্বাচনত ২০১৮-১৯ বৰ্ষত সাংস্কৃতিক সম্পাদকৰ পদত প্ৰতিদ্বন্দি তা আগবঢ়াইছিলোঁ আৰু অৱশেষত বয়োজ্যেষ্ঠ, কনিষ্ঠ, সহপাঠী সকলোৰে সহায়ত মই ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ এজন সাংস্কৃতিক সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিলোঁ। শপত গ্ৰহণৰ দিনাৰ পৰা সময়ৰ গতিত আমাৰ একতা সভাৰ আন সম্পাদকসকলৰ লগত লগ লাগি মহাবিদ্যালয়ৰ উন্নতিৰ হকে বিভিন্ন কামৰ পৰিকল্পনা কৰি সকলোবোৰ সফল ৰূপায়নৰ বাবে যত্পৰোনাস্তি চেষ্টা চলাই গ'লো। আমাৰ একতা সভাৰ এটি কথা সকলোৰে আদৰণীয় আৰু আমি সেই ক্ষেত্ৰত গৌৰৱ অনুভৱ কৰো যে, আমাৰ চৈধ্যচজন সম্পাদকৰ মাজত ঐক্যবদ্ধতাৰে কাম কৰাৰ দৃঢ়তা আছিল। এনে সম্বন্ধই আমাৰ মহাবিদ্যালয়ৰ হকে যিকোনো কাম কৰাত সাহস আৰু উৎসাহ দিছিল।

এনেদৰে মহাবিদ্যালয়ৰ হকে বিভিন্ন কাম কৰাৰ পাছত এজন সাংস্কৃতিক সম্পাদক হিচাপে মোৰ এক গুৰু দায়িত্ব আছিল " ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্ত মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ ২০১৮-১৯" বৰ্ষ আমাৰ মহাবিদ্যালয়ৰ দলটিক অংশগ্ৰহণ কৰোৱা। আমাৰ এই দলটো গঠন কৰাত আমাক সহায় কৰিছিল আমাৰ শ্ৰদ্ধাৰ ড° ৰীতা দত্ত বাইদেউৱে, আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহোদয় শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা ছাৰ , শ্ৰীযুত ৰাজীৱ বৰকটকী ছাৰৰ লগতে মোৰ তত্বাৱধায়িকা ড° প্ৰণীতা কলিতা বাইদেউৱে সহায়ৰ হাত আগবঢ়াইছিল। 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ ২০১৮-১৯' বৰ্ষৰ প্ৰতিযোগিতাসমূহত অংশগ্ৰহণৰ বাবে আমি সৰুপথাৰ মহাবিদ্যালয়লৈ ৰাওনা হৈছিলোঁ। আমাৰ দলটিৰ তত্বাৱধানৰ বাবে শ্ৰীযুত নৱজ্যোতি দত্ত ছাৰ লগত গৈছিল। এই ছেগতে মই তেওঁলোকক অশেষ ধন্যবাদ জনাইছোঁ। আৰু সেৱা প্ৰাৰ্থনা মাগিছোঁ। 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ ২০১৮-১৯' বৰ্ষত আমাৰ মহাবিদ্যালয়ে পাঁচটাকৈ পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল।

সেই পুৰস্কাৰ সমূহ হ'ল ঃ-

১। আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ, দ্বিতীয় স্থান প্ৰাপ্ত প্ৰতিযোগীৰ নাম ঃ-

শ্ৰী হোমেন গগৈ

শ্ৰী অমল হাতীমূৰীয়া

২। আন্তঃ মহাবিদ্যালয় ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ, দ্বিতীয় স্থান প্ৰাপ্ত প্ৰতিযোগীৰ নাম ঃ-

শ্ৰীমতী পূবালী ফুকন

৩। আন্তঃ মহাবিদ্যালয় জ্যোতি সংগীত প্ৰতিযোগিতাৰ, দ্বিতীয় স্থান প্ৰাপ্ত প্ৰতিযোগীৰ নাম ঃ-

শ্ৰীমতী পূবালী ফুকন

৪। আন্তঃ মহাবিদ্যালয় ঢোলবাদন প্ৰতিযোগিতাৰ, প্ৰথম স্থান প্ৰাপ্ত প্ৰতিযোগীৰ নাম ঃ-

শ্ৰী ধীৰাজ গগৈ

৫। আন্তঃ মহাবিদ্যালয় দলীয় লোকনৃত্য প্ৰতিযোগিতাৰ, দ্বিতীয় স্থান প্ৰাপ্ত প্ৰতিযোগীসকলৰ নাম ঃ-

শ্ৰী অনুৰন বেজবৰুৱা

শ্ৰী ভদ্ৰকৃষ্ণ গগৈ

শ্ৰী ধীৰাজ গগৈ

শ্ৰী দ্বিপজ্যোতি গগৈ

শ্ৰী কিংশুক গগৈ

শ্ৰী বিপ্লৱ গগৈ

শ্ৰী কস্তুৰী বড়া

শ্ৰীমতী মুনমী গগৈ

শ্ৰীমতী পূবালী বুঢ়াগোঁহাই

শ্ৰীমতী চয়নিকা নেওঁগ

এইসমূহ প্ৰতিযোগীয়ে মহাবিদ্যালয়ৰ লগতে সোণাৰি অঞ্চলটোলৈ এক গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল।

মোৰ কাৰ্যকালত থকা এই গোটেই বছৰটো মোৰ কাৰণে এক অভিজ্ঞতাপূৰ্ণ সংগ্ৰহালয়ৰ দৰে আছিল। এই সময়খিনিতে মোৰ প্ৰতিটো কামতে উৎসাহ আৰু সঁহাৰি জনোৱা মাননীয় অধ্যক্ষ মহোদয়, সহকৰ্মী সম্পাদকসকল, বয়োজ্যেষ্ঠসকল আৰু মোৰ সতীৰ্থসকলৰ এই ক্ষণতে মই ধন্যবাদ নিবেদিছোঁ। সদৌ শেষত মোৰ অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি 'সোণাৰি মহাবিদ্যালয়'ৰ দীৰ্ঘায়ু আৰু মহাবিদ্যালয়খনিৰ সাংস্কৃতিক দিশৰ বিকাশৰ কামনাৰে মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*

*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**ধীৰাজ গগৈ**

সাংস্কৃতিক সম্পাদক ২০১৮-১৯



# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ, সৎচিন্তা, সৎ প্ৰচেষ্টা আৰু নিস্বাৰ্থ সেৱাৰ বিনিময়ত এই জ্ঞান মন্দিৰৰ প্ৰতিষ্ঠা হ'ল সেই সকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো। আৰু মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মাননীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী মোৰ শ্ৰদ্ধা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

''ভাৰপ্ৰাপ্ত সংগীত বিভাগৰ সম্পাদক' হিচাপে নিজৰ দায়িত্ব পালন কৰাৰ সময়ছোৱাত মই সন্মুখীন হোৱা বহুতো অভিজ্ঞতা মোৰ স্মৃতি হৈ ৰব। সেই সময়ছোৱাত সৰুপথাৰত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুব ক্ৰীড়া মহোৎসৱত ভূপেন্দ্ৰ আৰু জ্যোতি সংগীত প্ৰতিযোগিতাত শ্ৰীমতী পূবালী ফুকনে দুয়োটা শাখাতে দ্বিতীয় স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

ভাৰপ্ৰাপ্ত সংগীতৰ সম্পাদক হিচাপে মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কি সেৱা আগবঢ়ালো সেইয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। তথাপি মই প্ৰতিটো কামেই সুচাৰুৰূপে কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পালন কৰিবৰ বাবে বিভিন্ন দিশত মোক সেৱা আগবঢ়াইছিল সংগীত বিভাগৰ তত্বাৱধায়ক অমৃতা মেছ বাইদেউ শ্ৰদ্ধেয় শিক্ষাগুৰু ড° ৰীতা দত্ত বাইদেউ আৰু বিভিন্ন সময়ত সেৱা আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষকবৃন্দ, মৰমৰ ভাইটি-ভণ্টী, বন্ধু-বান্ধৱী, গৌৰৱ, পিংকী, কাশ্যপ, ধীৰাজ লগতে ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়াকে মোৰ হিয়া ভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত 'ভাৰপ্ৰাপ্ত সংগীত সম্পাদক' হিচাপে মোৰ কাৰ্যকালত বৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো আৰু অনাগত দিনত সোণাৰি মহাবিদ্যালয়ে উন্নতি জখলাত আগুৱাই যায় তাৰে কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**শচীন দত্ত**
ভাৰপ্ৰাপ্ত সংগীত সম্পাদক, ২০১৮-১৯

# সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে যিসকল স্বনামধন্য ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলস্বৰূপে এই জ্ঞানৰ মন্দিৰটি আলোকিত হৈ উঠিছিল সেইসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। লগতে বৰ্তমানৰ কৰ্মৰত মহাবিদ্যালয়ৰ অধ্যক্ষ উপাধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মোক এই মহাবিদ্যালয়খনিৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক এই আপাহতে ধন্যাবাদ জনাইছো। বিভাগীয় সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰিয়া সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। এই সপ্তাহত মই মোৰ বিভাগৰ অন্তৰ্গত সাহিত্যৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লগা হৈছিল। প্ৰতিযোগিতাসমূহত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। তথাপিও সাহিত্য বিভাগৰ কেইটামান প্ৰতিযোগিতাত তুলনামূলকভাৱে কম সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰা পৰিলক্ষিত হৈছিল। এই প্ৰতিবেদনৰ জৰিয়তে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক অনুৰোধ কৰিছো যে সকলো ছাত্ৰ-ছাত্ৰীয়ে যেন মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰে। কিয়নো এই প্ৰতিযোগিতাসমূহেই হৈছে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ স্থল।

সম্পাদকীয় কাৰ্যকালত মোক সকলো সময়তে দিহা-পৰামৰ্শ প্ৰদানেৰে সহায় আগবঢ়োৱা সাহিত্য বিভাগৰ শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক ড° অনিতা কোঁৱৰ বাইদেউলৈ আৰু বিচাৰকৰ দায়িত্ব লৈ সহায় কৰা মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। প্ৰতিটো কাৰ্যসূচী সফলভাৱে আগবঢ়াই লৈ যোৱাত সহায় কৰা মহাবিদ্যালয়ৰ দাদা-বাইদেউ, ভাইটি -ভন্টী আৰু সতীৰ্থসকলৈমোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। এই কালছোৱাত মই কিমান সফল হ'লো এয়া আপোনালোকৰ বিচাৰ্য বিষয়। এই সময়ছোৱাত নিজৰ অজানিতে যদি মোৰ দ্বাৰা ভুল হৈছিল তেন্তে মোক ক্ষমা কৰি দিব। শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**প্ৰজ্ঞা মহন**
সাহিত্য বিভাগ সম্পাদিকা,২০১৮-১৯



# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়তু সোণাৰি মহাবিদ্যালয়। তোমাক মোৰ শতকোটি প্ৰণাম। সম্পাদকীয় একলমৰ প্ৰাক্মুহূৰ্ত্বত ইতিহাসে গৰকা ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় সন্মানীয় সমূহ শিক্ষাগুৰুবৃন্দ কৰ্মচাৰীবৃন্দ তথা বন্ধুবৰ্গ ও মহাবিদ্যালয় পৰিয়ালৰ সমূহ অগ্ৰজ-অনুজলৈ মোৰ আন্তৰিক শ্ৰদ্ধা একাজলি মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে সেইসকল মহামণিষিৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছো যিসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলস্বৰূপে এই জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়খনি প্ৰতিষ্ঠিত হৈছিল, যিয়ে ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষক স্পৰ্শ কৰিবলৈ সক্ষম হৈছে।

যদিও অধ্যয়ন মোৰ প্ৰধান কৰ্তব্য তথাপি মই কেৱল অধ্যয়নতেই মোৰ সকলো সময় আৰু শক্তি খৰছ নকৰো। পাঠ্য পুথি শিক্ষাৰ সমান্তৰালভাৱে অনান্য দিশবোৰত ব্যস্ত থাকি ভাল পোৱাৰ বাবেই হয়টো ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত তৰ্ক বিভাগৰ সম্পাদক পদত প্ৰাথীত্ব আগবঢ়াইছিলো আৰু মহাবিদ্যালয়ৰ শ-শ ছাত্ৰ-ছাত্ৰীৰ বিচাৰ প্ৰক্ৰিয়াত এজন যোগ্য প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ তৰ্ক বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিলো। এবছৰীয়া কাৰ্যকালত ছাত্ৰ একতা সভাৰ এজন বিষয়ববীয়া হিচাপে মহাবিদ্যালয়ৰ উন্নতিৰ স্বাৰ্থত কি সেৱা আগবঢ়ালো বা কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিবেচনাৰ অধীন, তথাপিও মই ব্যক্তিগতভাৱে অনুভৱ কৰো যে সততা আৰু নিষ্ঠাৰে নিজৰ দায়িত্বভাৰ গ্ৰহৰ কৰি এবছৰীয়া কাৰ্যকালত নিঃস্বাৰ্থভাৱে মহাবিদ্যালয়ৰ উন্নতিৰ স্বাৰ্থত বিভাগীয় কৰ্মৰ লগতে ছাত্ৰ একতা সভাৰ প্ৰতিটো মহাবিদ্যালয়ৰ কাৰ্যতে আগভাগ লৈছিলো, সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰি গড়গাঁও মাৰ্ঘেৰিতা, সৰুপথাৰ, মৰাণ ইত্যাদিকে প্ৰমূখ্য কৰি বহু ঠাইলৈ বাচনিমূলক প্ৰক্ৰিয়াৰে সোণাৰি মহাবিদ্যালয়ৰ তাৰ্কিক, সুবক্তা তথা কুইজ প্ৰতিযোগীসকলক লৈ বিভিন্ন ঠাইলৈ অংশগ্ৰহণৰ বাবে ঢাপলি মেলিছিলো এইক্ষেত্ৰত সকলো সময়তে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল শ্ৰীযুত ৰাজীৱ কটকী ছাৰ দীপজ্যোতি বৰা ছাৰকে প্ৰমূখ্য কৰি মোৰ মৰমৰ ককাইদেউ বিদুৎ হাজৰিকা, অভিজিৎ গগৈ তথা দীপাঞ্জলী গগৈ যাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মোৰ বন্ধু বান্ধৱীসকললৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আশা কৰো অনাগত দিনত মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে দ্ৰুত সামাজিক পৰিবৰ্তনৰ ধামখুমিয়াত নিজকে বিলীন হবলৈ নিদি লক্ষ্য প্ৰাপ্তিৰ দীঘল বাটছোৱাত আগবাঢ়ি গৈ সফলতাৰ শীৰ্ষ অতিক্ৰম কৰক আৰু সোণাৰী মহাবিদ্যালয়ৰ সোণালী ঐতিহ্য চিৰদিন চিৰযুগমীয়া হৈ থাকক।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰটিবোৰৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি আগন্তুক বৰ্ষত উক্ত বিভাগত তথা বিশেষকৈ তৰ্কৰ বীজটি আৰু অধিক সজীৱ হৈ উঠাৰ কামনাৰে মোৰ সম্পাদকীয় চমু প্ৰতিবেদন সামৰিলো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*

*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**চিৰঞ্জীৱ বৰগোহাঁই**

তৰ্ক বিভাগৰ সম্পাদক, ২০১৮-১৯



# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

যি সকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ কষ্ট, নিঃস্বাৰ্থ ত্যাগৰ বিনিময়ত এসময়ত আমাৰ এই সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল সেইসকল মহান ব্যক্তিলৈ পোন প্ৰথমে মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো আৰু বৰ্তমান সময়তো যি সকল ব্যক্তিয়ে আমাৰ মহাবিদ্যালয়খনৰ উন্নতিৰ পথ আগুৱাই নিয়াৰ চেষ্টা অব্যাহত ৰাখিছে সেইসকল সন্মানীয় ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ আৰু সন্মানীয় শিক্ষাগুৰু সকলৰ লগতে মহাবিদ্যালয়ৰ সমূহ কৰ্মী বৃন্দলৈ সশ্ৰদ্ধা প্ৰণিপাত জনালো।

সোণাৰি মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক বাবে উপযুক্ত বুলি বিবেকযুক্ত ভোটেৰে মোক জয়যুক্ত কৰিলে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

২০১৮-১৯ বৰ্ষৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই প্ৰথম কাম হিচাপে ১৯/০৯/২০১৮ তাৰিখে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল, আৰু মহাবিদ্যালয়ৰ কিছু ছাত্ৰ-ছাত্ৰীৰ সহযোগত আমি মহাবিদ্যালয়ৰ গোটেই চৌহদটো চাফা কৰিছিলো। ইয়াৰ পাচতে মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ কাম হিচাপে খেলপথাৰ, মহাবিদ্যালয়ৰ চৌহদ আৰু প্ৰেক্ষাগৃহ চাফা কৰিছিলো, লগতে ক্ৰীড়া সপ্তাহত বৃক্ষৰোপন কাৰ্যসূচী হাতত লৈছিলো ইয়াৰ উপৰিও মই মহাবিদ্যালয়ৰ সকলো কাৰ্যসূচীত মই সহায় সহযোগিতা আগবঢ়াইছিলো।

মোৰ কাৰ্যকালত কিমানদূৰ সফল হ'লো নাজানো কিন্তু এই কাৰ্যকালটো মোৰ বাবে স্মৃতি হিচাপে ৰৈ যাব। মোৰ এই বছৰৰ কাৰ্যকালত যিসকলে মোক সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে তেওঁলোকৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ ৰ'ম। সদৌ শেষত মোৰ এই কাৰ্যকালত যদি কিবা ভুল - ক্ৰুটি ৰৈ গৈছে, তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো, লগতে মহাবিদ্যালয়ৰ সবাংগীন উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰণি মাৰিছোঁ।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

নৱদীপ বড়া
সমাজ সেৱা বিভাগৰ সম্পাদক, ২০১৮-১৯ বৰ্ষ



# Gymnasium Secretary Annual Report

In my annual report, I would like to extend my sincere honor to Dr.Bimal Chandra Gogoi, the respected principal And all the teachers in my college.

As I was selected as 'Gymnasium Secretary' by my loving friends, brothers, and sisters, I am greatly thankful to them for handling this respectable portfolio and for giving me an opportunity to serve for this college, but I don't know what I do to you. The commitments I have made have reached the limit of what I can achieve, but I believe that I have completed all the work in an appropriate and disciplined manner. During my session, I organized all competitions such as weightlifting, powerlifting, arm wrestling, and fitness performances in the gymnasium during college week.

At last, I request all of you to forgive me, for the mistakes I have done in my session. Also, I would like to give cordial thank to Paranan Konwar Sir for their valuable advice and co-operation. Again I would like to give special thanks to my brothers Tikendrajit Gogoi, Jayanta, Biswajit and all the students of our college for their help in holding the competitions. At last, I want to Apologize if I have done any mistake or forget to mention something in my annual Report.

"Long live Sonari College"

**Abhinab Borah**
Gymnasium Secretary, 2018-19



# ছাত্ৰ জিৰণী চ'ৰা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে যি সকল মহান ব্যক্তিয়ে অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল তেখেত সকললৈ মোৰ হিয়াভৰা একাজলি শ্ৰদ্ধা নিবেদিছো। বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমলচন্দ্ৰ গগৈ আৰু উপাধ্যক্ষ শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু আৰু কৰ্মচাৰীবৃন্দলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৮-২০১৯ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণী চৰা বিভাগৰ সম্পাদক হিচাপে প্ৰাৰ্থীত্ব আগবঢ়াই সুকলমে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ প্ৰতি মোক সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাঁচিছো।

মোৰ কাৰ্যকালত বিভিন্ন দিশৰ পৰা সুস্থ সবল আৰু সু-পৰামৰ্শৰে হাত আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰ ফণীন্দ্ৰ কুমাৰ বৰুৱা ছাৰৰ লগতে আন সকলো শিক্ষা গুৰুলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক মোৰ প্ৰতিটো ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী দাদা-বাইদেউ আৰু ভাইটি-ভণ্টি সকললৈ ধন্যবাদ যাঁচিলো। মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ত্ৰুটিসমূহৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিলো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**ধনঞ্জয় নায়ক**
ছাত্ৰ জিৰণী চ'ৰা সম্পাদক, **২০১৮-১৯**



# ছাত্ৰী জিৰণী চ'ৰা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ নিস্বাৰ্থ সেৱা, অশেষ শ্ৰম আৰু ত্যাগৰ অতুলনীয় অৱদানত জ্ঞানৰ মন্দিৰ আমাৰ মহাবিদ্যালয়খনি ঐতিহাসিক চৰাইদেউ জিলাৰ সোণাৰি নগৰৰ মাজমজিয়াত প্ৰাণ পাই উঠিল তেওঁলোকলৈ মই শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতাসভাৰ ছাত্ৰী জিৰণী চ'ৰা সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাত মই খুবেই আনন্দিত আৰু সমূহ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত চিৰ কৃতজ্ঞ।

ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা হিচাপে মই কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মোৰ সাধ্যানুসাৰে প্ৰতিটো দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিলো। এইক্ষেত্ৰত মোকদিহা পৰামৰ্শ আগবঢ়োৱা সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল আৰু অজানিতে বৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গিন উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিলো।

*'জয়তু সোণাৰি মহাবিদ্যালয়'*
*'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

সুনয়না বুঢ়াগোহাঁই
ছাত্ৰী জিৰণী চ'ৰা সম্পাদিকা, ২০১৮-১৯

# মহাবিদালয়ৰ গৌৰৱ

## ২০১৮-১৯ বৰ্ষত শেহতীয়াকৈ পি এইচ. ডি উপাধি লাভ কৰা অধ্যাপক-অধ্যাপিকা


ড° প্ৰণীতা কলিতা


ড° ৰঘুনাথ কাগয়ূং

## ২০১৮-১৯ বৰ্ষৰ আন্তঃ মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল


পূবালী ফুকন
ভূপেন্দ্ৰ আৰু জ্যোতি সংগীতত দ্বিতীয় স্থান


ধীৰাজ গগৈ
ঢোলবাদন প্ৰতিযোগিতাত প্ৰথম স্থান


হোমেন গগৈ আৰু অমল হাতীমূৰীয়া
কুইজ প্ৰতিযোগিতাত দ্বিতীয় স্থান


ৰুমা চাংমাই
কাৰাটেত
তৃতীয় স্থান


সঞ্জীৱ শইকীয়া
শ্ৰেষ্ঠ কেছাৰ
কাবাডী


প্ৰণীতা চাংমাই
কাৰাটেত
প্ৰথম স্থান


নিতুল মানকী
শৰীৰ চৰ্চা আৰু ভাৰউত্তলন প্ৰতিযোগিতাত দ্বিতীয় স্থান


আফজল বৰভূঞা
প্ৰথম আৰু দ্বিতয় স্থান ক্ৰমে ভাৰত্তোলন আৰু শক্তিউত্তোলন


সুকন্যা ফুকন
প্ৰথম স্থান
শক্তি উত্তোলক


ৰেণু উৰাং
শ্ৰেষ্ঠ কেছাৰ
কাবাডী


পিংকী দুলাকাষৰীয়া
টাইকোৱানডু
দ্বিতীয় স্থান


উষা মানকী
কাৰাটে প্ৰতিযোগিতাত
তৃতীয় স্থান



দলীয় লোকনৃত্য প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ বিহু দল



শ্ৰেষ্ঠ দল আন্তঃমহাবিদ্যালয় কাবাডী প্ৰতিযোগিতা

## ২০১৮-১৯ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল



প্ৰযোজ্য মাধৱ দত্ত
শ্ৰেষ্ঠ অভিনেতা



বৰষা ৰাজকুমাৰী
শ্ৰেষ্ঠ অভিনেত্ৰী



অনুৰণ বেজবৰুৱা
শ্ৰেষ্ঠ কৌতুক অভিনেতা



পূবালী ফুকন
শ্ৰেষ্ঠ গায়িকা



সঞ্জীৱ শইকীয়া
শ্ৰেষ্ঠ এথলেটিক



সুৰজিৎ ৰাজকোঁৱৰ
শ্ৰেষ্ঠ বহিঃবিভাগ খেল




নিতুল মানকী
মিষ্টাৰ সোণাৰি কলেজ



য়েহ্ম পাংয়ক
মিছ সোণাৰি কলেজ



সৌৰভ দেব
শ্ৰেষ্ঠ সমাজসেৱক



# নীলা খামৰ চিঠি

✍ পল্লৱী শৰ্মা
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

মোৰ মৰমৰ

'তুমি'

কেনে আছা তুমি? আজি বহু দিন হ'ল তোমাৰ কুশল বাতৰি নোপোৱা। হয়তো তোমাৰ দিনৰ দিনটো ব্যস্ততাৰ মাজত মোৰ খবৰ লোৱাত যতি পৰিছে। মৰম অভিমানৰ টুকুৰাবোৰে হিয়াৰ মৰমৰ একমাত্ৰ সঁকুৰাখন মেলি থৈছো মাথো তোমাৰ নামত। তুমি বাৰু কেতিয়াবা শুনিছানে মোৰ বুকুৰ ঢপঢপনি? মোৰ ঢপঢপনি শুনিবলৈ তোমাৰ ব্যস্ততাৰ অন্ত নাই নহয় জানো? বাৰে বাৰে খুন্দা মাৰি থকা ভাৱনাবোৰে মোক বৰকৈ কষ্ট দিছে অ'। কষ্টবোৰে কেতিয়াবা মোৰ দুচকুৰে চকুলো হৈ বাগৰি আহে। তেতিয়া মোৰ বুকুখন বৰ বেয়াকৈ বিন্ধে তোমাৰ মৰম, অভিমানে। কষ্ট ভাৱনাও অসুত কিন্তু তোমাৰ প্ৰতি ভালপোৱা আছিল তাতোতকৈও বহুত। চকুৰ আঁতৰ হ'লেহেনো মনৰো আঁতৰ হয় বুলি এষাৰ কথা আছে। কথাষাৰ যে সচাঁ তুমি আতৰি যাওঁতে হে মই উপলব্ধি কৰিলোঁ। তুমি মোৰ কাষত থাকোঁতে বহুত মৰম দিছিলা কিন্তু আঁতৰি গৈ খবৰ এটা ল'বলৈ তোমাৰ আহৰি নাই। আজিলৈ সামৰোঁ দেই। কামৰ ব্যস্ততাৰ মাজতো তুমি নিজৰ যত্ন ল'বলৈ নাপাহৰিবা।

ইতি

তোমাৰ মৰমী

# নীলা খামৰ চিঠি

✍ স্মৃতি গগৈ
স্নাতক তৃতীয় ষান্মাসিক
ইংৰাজী বিভাগ

মৰমৰ প্ৰিয়তম,

শব্দহীনতাৰ ৰাজকতাৰ পতন ঘটাই আমাৰ স্মৃতিৰ দলিচাত একলম লিখিবলৈ এয়া মোৰ সামান্য প্ৰয়াস। প্ৰোনপ্ৰথমেই আশা কৰিছো মোৰ এই ভাষাহীন দুৰণিবটীয়া মৰমবোৰ অনাদৰ নকৰি সাদৰেৰে গ্ৰহণ কৰিবা। হৃদয়ৰ মৰমবোৰ এইদৰেই বিলাই দিছোঁ, ভয় লাগে জানোছা ক'ৰবাত পৰি যায়। তুমি কুশলেই আছা হ্যাগে ন? তোমাৰ মৰমবোৰ বুটলি, সামৰি ময়ো কুশলেই আছোঁ। আশা কৰোঁ, মোৰ এই জেতুকাবুলীয়া মৰমবোৰে তোমাৰ সেউজবুলীয়া মৰমবোৰক ৰাঙলী কৰি তুলিব।

প্ৰিয়তম, এয়া যে ফাগুণ মাহ। প্ৰেমিক মাহ ফাগুণ। গুমৰাগৰ হেঁপ্ত ক'ৰবাত ৰিপিগাছে জিলিকিছে, দুষ্ট পচোৱাজাক উদভ্ৰান্ত হৈ বলিছে। মদগৰী ভেকাৰ দৰে আহে ফাগুণ। প্ৰিয়তম ফাগুণ আহিলে আমনি কৰে যৌৱনে, হিয়াৰ একোণৰ মৰমবোৰ দুগুণে বাঢ়ে, স্পন্দিত অনুৰণিত। পচোৱাজাকেই কঢ়িয়াই আনে প্ৰেমৰ বতৰা। মন যায় যেন আকাশে-বতাহে, পৰ্বতে-কন্দৰে, অলিয়ে-গলিয়ে তোমাক বিচাৰি ফুৰিম। নাই!!....তাত গৈলো বিচাৰি কি কৰিবা তুমি যে মোৰ সত্বাৰ মাজতে সোমাই আছা। তুমি জানানে? ... তুমি যেতিয়াই মোৰ কাষলৈ আহা, প্ৰতিবাৰেই মই নতুনকৈ তোমাৰ প্ৰেমত পৰোঁ। নতুন প্ৰেমত থাকে হেনো দুৰ্বাৰ আকৰ্ষণ, দুৰ্বাৰ হেঁপাহ। আহানা, আমি আকৌ এবাৰ নতুনকৈ প্ৰেমত পৰোঁ....

এতিয়া গভীৰ নিশা, বাহিৰত হ্যাগে শেঁতা জোনটোক হিমচেঁচা কুঁৱলীয়ে ঢাকি ৰাখিছে। চিপ্-চিপকৈ বৰষুণ এজাকো দিছে, মৰমৰ বৰষুণ। কিয় নাজানো মনটো খুব ভাল লাগিছে, কিয় নাজানো হঠাৎ তোমালৈ খুব মনত পৰিছে। আৰু... এনেকৈয়ে হয়তো নাজানো কেনেকৈ তোমাৰ প্ৰেমত পৰিলো, নাজানো কেনেকৈ মোৰ সমগ্ৰ সত্বা জুৰি 'তুমি তুমি' অনুভৱবোৰ বিয়পি পৰিল। মই নাজানো মই তোমাৰ দুচকুত চাৰুদৰ্শনা হ'ব পাৰিছোঁ নে নাই? কিন্তু... মন যায় তোমাৰ হৃদয়ত যেন মই অহৈতুকী অভিনিৱেশ কৰিম। মোৰো মন যায় যেন মই তোমাৰ 'এই হাঁহিৰ এই হাঁহিৰ যেন লগা দুটি ওঁঠৰ আহ্লাদক পান কৰিবলৈ, ডুবাবলৈ সৰগী সুখ। লাহে লাহে তোমাৰ মৰমৰ কাষত অকিঞ্চিত হ'ব ধৰিছো মই। নিগাজীকৈ বুলিবলৈ একো নাই, মাথোঁ বিচাৰো তোমাৰ এখানমানি হিয়াত মোৰ এটি নিগাজী স্থান। কোৱাচোন কোৱা... বিচাৰেনে তোমাৰ দুচকুৱে হাজাৰ ভিৰৰ মাজত মই নামৰ এই ছোৱালীজনী? বিচাৰানে কোৱা?

আৰু লিখিবলৈ অপাৰগ হৈছোঁ অ'। আচলতে হৃদয় যেতিয়া কথাৰে ভৰুণ হৈ থাকে, ভাষাৰ আঁতডাল হেৰাই যায়। মোৰো অৱস্থা তেনেকুৱাই হৈছে, মাথোঁ তুমি, মোৰ অনুৰাগ, তুমি মোৰ স্পন্দন । মৰমবোৰে বুকুৰ একোণত খুন্দিয়াইছে, প্ৰতিক্ৰিয়া সৃষ্টি হৈছে কিছু আৱেগেৰে ভৰা নেত্ৰযুগলৰ চাৱনিৰ মাধ্যমেৰে। মন মোৰ উৰি গুছি গৈছে তোমাৰ কাষলৈ, সুৰুযৰ মেলানি মগা পোহৰৰ এখানি আলোকৰ সন্ধানত। এই সাধনাৰ নাম দিলোঁ 'অপেক্ষা .... তোমালৈ .... তোমাৰ উত্তৰৰ প্ৰতীক্ষাত....।

ইতি
তোমাৰ প্ৰিয়া

# দেউতালৈ...

✍ বিপাশা গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান

২১-০৪-২০১৯
শিৱসাগৰ

মৰমৰ
দেউতা

পোনপ্ৰথমে তোমাৰ মৰমৰ মাজনীৰ শ্ৰদ্ধা আৰু মৰম গ্ৰহণ কৰিব। আশাকৰোঁ আপোনাৰ ভাল। ময়ো কুশলে আছো। আপুনি চিন্তা নকৰিব দেউতা আপোনাৰ অকৃত্ৰিম মৰমেৰে আপুনি যিদৰে মোৰ বন্ধুৰ দৰে হ'ল, তেনেদৰে আপোনাৰ শিক্ষা সংস্কাৰে মোক সবল কৰি তুলিছে।

দেউতা আপুনি কোৱাৰ দৰে মাঁলে যেতিয়া মনত পৰিলে আকাশখনলৈ চাওঁ, শান্তি পাওঁ তেওঁৰ প্ৰশান্তিৰে ভৰা মুখখন ভাৰি পাঠৰ নুবুজা বস্তুবোৰ বুজিবলৈ যত্ন কৰো। দেউতা কলেজৰ পাঠ্যক্ৰমবোৰ সচাঁই স্কুলৰ দৰে নহয়। বহুত বিশাল। ষাণ্মাসিক ব্যৱস্থাৰ বাবে মাত্ৰ পাঁচমাহে পঢ়িবলৈ পাওঁ। জিজ্ঞাসা পূৰ কৰা আৰু পৰীক্ষাত নম্বৰ পোৱা দুয়োটা কথাই এতিয়া বিপৰীত দিশে গতি কৰিছে। মনৰ জিজ্ঞাসা পূৰা কৰি হেঁপাহ পলুৱাই শিকাৰ সময় কম সেইবাবে উপযুক্ত নম্বৰ পাবৰ বাবে বুজা নুবুজাকৈ মুখস্থ কৰিবলগীয়া হৈছে।

কিন্তু দেউতা যি পঢ়িছো সেয়া যদি আনক শিকাব নোৱাৰো, কেৱল নম্বৰখিনি লাভ কৰিয়েই মই শিক্ষিত হৈছো বুলি ক'ব পাৰিমনে? দেউতা বৰ্তমান সময়ত এটা চাকৰিৰ বাবে বহুত প্ৰতিযোগিতা নম্বৰ লাগে মুঠতে নহ'লে চাকৰি নাপায়। তথাপিও কেতিয়াবা মনত ভাৱ হয় প্ৰকৃত শিক্ষাই জানো আমাক কেৱল চাকৰি কৰিয়েই জীৱন জীয়াৰ কথা কয়? 'মানুহ' জানো হ'ব নালাগিব আমি? আপুনি কোৱাৰ দৰেই মই শিক্ষাক জীৱনত প্ৰয়োগ কৰিব পৰাকৈ চেষ্টা কৰিছো।

আজিলৈ সামৰো দেউতা। আপুনি মোৰ চিন্তা নকৰিব। মোৰ স্বাস্থ্য আৰু পঢ়া শুনা দুয়োৰে যত্ন লৈছো। আপুনি কিন্তু সময়মতে প্ৰেছাৰৰ টেবলেট খাই থাকিবদেই। ঘৰলৈ বৰকৈ মনত পৰে। বহুত দিন হ'ল পুখুৰীটোৰ পানীত ভৰি জুবুৰিয়াই পানী খেলা নাই নহয়। পদুলি মুখৰ শেৱালিজোপা ফুলিছে নাই? এইবাৰ পূজাৰ বন্ধ দিলেই ঘৰলৈ যাম আৰু আপোনাৰ সৈতে পূজা চাবলৈ যাম। আৰু এষাৰ কথা সদায় মনত ৰাখিম Everything I can't do, but something I can do.

ইতি
আপোনাৰ মৰমৰ
মাজনী

মাৰফৎ
নাম: শ্ৰীযুত বুবুল গগৈ
স্থান: যোৰহাট
পিন ঃ ৭৮৫০০১

একাংকিকা নাটক

# প্ৰতিজ্ঞা

✍ ডিম্বেশ্বৰ কোঁৱৰ
প্ৰাক্তন ছাত্ৰ

নিদেৰ্শনা - এটা কোঠা। য'ত তিনিজন ছাত্ৰই ভাৰা লৈ থাকিব। এযোৰ চকী টেবুল, আলনা এডাল, দুই এখন চকী বা বেঞ্চ থাকিব।

| চৰিত্ৰ | বয়স | সম্বন্ধ |
|---|---|---|
| ১। ৰমেন | ২০—২২ | বন্ধু |
| ২। ৰজনী | ,, | ,, |
| ৩। ৰাজীৱ | ,, | ৰীমাৰ ভায়েক |
| ৪। আকাশ | ২৮-৩০ | ৰমেনৰ ককায়েক |
| ৫। বীনা | ২৪ | লগৰীয়া |
| ৬। ৰীমা | ২৫ | বন্ধু |
| ৭। কবিতা | ২০ | |
| ৮। ৰীতা | ২২ | |

ৰমেন Shirt ৰ বুটাম লগায় লগায় ভিতৰত চাই ৰজনীক চিঞৰিব।

ৰমেন - ঐ ৰজনী, আজি তই ভাত বনাবি দেই । মই চিনেমাখন চাই আহোগৈ।

ৰজনী- মোৰ কালিলৈ পৰা পৰীক্ষা আছে তই দেখোন জানৰে। আজিৰ কাৰণে তয়ে বনাবি।

ৰমেন - আৰে ভাই.....চলি আছে ৰে । যিহে Acting আৰু মাছুল কেনেকুৰা। একেবাৰে ফালি দিছে ৰে। পৰীক্ষা চৰীক্ষা বাদ দে বল নহলে চিনেমাখনকে চাই আহো

ৰজনী - মোৰ পৰীক্ষাটোতকৈ চিনেমাখন ডাঙৰ নহয় বুজিছ। তাতে আকৌ।

ৰমেন - কি তাতে আকৌ? অ তাৰমানে তই পইচাৰ কথা চিন্তা কৰিছ। একো চিন্তা নকৰিবি কালি দেউতাই মোলৈ টকা পঠায় দিছে।

ৰজনী- তোৰ দেউতাই কেনেকৈ কৰপৰা টকা পঠাইছে মই নজনা নহয়।

ৰমেন - যৰে পৰা নপঠাওক লাগিছে। বাৰু কছোন কৰপৰা পঠাইছে।

ৰজনী - সিদিনা মই তোৰ দেউতাৰক টাউনত শাক-পাছলি বিক্ৰী কৰি থকা নিজে দেখি আহিছে ইমান ৰ'দত শাক-পাছলি বিক্ৰী কৰি তোলৈ পঠাইছে চাছোন।

ৰমেন - তাতে কি হল? মুঠতে টকা পঠাইছেতো। পু ২০০০ টকা। ৫০০ টকা ৰিৰ্ছাজ কৰিলো। বাকী ১৫০০ মোৰ হাতত। (ৰাজীৱে ভিতৰত পৰা হেতা এখন লৈ ওলায় আহিব)

ৰাজীৱ - ঐ গাধ, যাৰ যদি ভাত খাই যা। মই কিন্তু বৈ থাকিব নোৱাৰো।

ৰমেন - ঝাকাছ - তই তাৰমানে ভাত বনায় আছিলি আজি ৰজনীৰ হে পাল আছিল।

ৰাজীৱ - ৰজনীৰ যে পৰীক্ষা আছে তই দেখোন জান। সি যেতিয়া পঢ়াত ভাল, ভালদৰে পঢ়ক। সি তোৰ মোৰ দৰে বুৰ্বক নহয়।

ৰমেন -অ তই তাৰমানে মোক বুৰ্বক বুলি কলি।

ৰাজীৱ - তই বুৰ্বকেই নহয়, তই বুৰ্বকৰ গাধ— অৰশ্যে ঘোৰা বুলি কলেও বেয়া নহয়। 1st Semester টো গেলিলিয়ে এইবাৰ বা কি চিগনেল দিঅ'

ৰজনী - হ'ব হ'ব ৰাজীৱ, তই ভাত ঠিক কৰগৈ যা।

ৰাজীৱ - ভাত হলেই মোৰ, ভাজিখন হলেই খাব পাৰিম। কণী-ছাৰিটা আছিলে তাৰে তিনিটা চেটেপ ইণ্ডিয়া লিমিটেড।

ৰজনী- কি কৰিলি কণী কেইটা।

ৰমেন - কেনেকৈ ভাগিলে?

ৰাজীৱ - টিউবেলত ধূবলৈ নিওঁতে চেটেপ।

ৰমেন - কুলক্ষণীয়া, বাপেৰে মাৰে যে তোক কি জন্ম দিলে।

ৰাজীৱ - তই হবপায় ধৰ্ম যুধিষ্ঠিৰ ঘৰত জন্ম হৈছিলি।

ৰমেন - যুধিষ্ঠিৰৰ ঘৰত জন্ম হলেও অন্তত্ব এজন ভাল ডাক্তৰৰ ওচৰত জন্ম হৈছিলো জান।

ৰাজীৱ - অ' সেইকাৰণে তোৰ ঘনে ঘনে বেমাৰ উকায়।

ৰমেন - মোৰ বেমাৰ?

ৰজনী- (নাকত ধৰি) উ..... ভিতৰত ভাজি দেই গ'ল যেন পাইছো। যাছোন চাই আহগৈ।

ৰাজীৱ - অ খা বাপেকে ভীমকলটো । (যায়)

ৰজনী - তহঁতে কামবোৰ কৰিলে অলপো শৃঙ্খলা নকৰ।

ৰমেন - শৃঙ্খলাৰে কৰিলেনো কিদাল হ'ব। তয়ে দেখোন মেট্ৰিক পৰীক্ষাত চাৰিখনত লেটাৰ লৈ পাছ কৰিছিলি। ৰাইজে তোক গামোছাও পিন্ধাইছিল। ৰাইজৰ আশা তই ভাল মানুহ হোৱা। কিন্তু এজন অফিচাৰ হোৱাৰ পাচত টকা পইচা নোখোৱাকৈ থাকিবি।

ৰজনী - মই এই সবত (চবত) নাই দেই।

ৰমেন - (হাত চাপৰি মাৰি) বাঃ বাঃ দেখিছো একেবাৰে ভাটৌ চৰাইৰ দৰে কথা কৈছ। তোক সময়ে বাধ্য কৰাব জান। বাৰু বাদ দে সেইবোৰ (ভিতৰৰ পৰা ৰাজীৱে হাতত কেৰাহী খন লৈ আহে)

ৰাজীৱ - ঐ ৰমেন, আজৰি বুইছ, আজৰি

ৰজনী - কি আজৰি?

ৰাজীৱ - বন্ধা কবি একেবাৰে...

ৰমেন - চেটেপ ইন্দিয়া লিমিটেড। মই গম পাইছো নহয় তই এইখন কৰিবি বুলি। যা এতিয়া এনেকৈয়ে ভাত ঠিক কৰগৈ। (Phone আহে) Hello অ' কবিতা কোৱা কোৱা oh really I am sorry কবিতা অ' ভাত খাই লওঁ ৰ'বা। ইচ কি চিন্তা কৰিছা 1st show নাপালে 2nd Show চাম। কি চিন্তা কৰিব লগা আছে। মই তোমাক থৈ আহিমগৈ। অ' কি ৰীতাও আছে। ok ok ঠিক আছে, bye bye

ৰজনী- তই কি life টো enjoy কৰি কটাম বুলি ভাবিছ নেকি? দেউতাই দিয়া পইচাৰে তই চিনেমা চাইছ চিগাৰেট খাইছ, মা দেউতাই ঘৰত কি খাইচে সেইয়া জানো খবৰ ৰাখিছ।

ৰমেন- মোৰ কাৰণে সেইচব ফাল্টু কথা। তই কি মোৰ দেউতাই নোখোৱাকৈ আছে বুলি ভাবিছ নেকি?

ৰজনী- নোখোৱাকৈ থকা নাই । কিন্তু তোৰ এই স্বভাৱটো কাৰণে চিন্তা নকৰাকৈও থকা নাই।

ৰাজীৱ - আৰে তহঁতে এই বাজে কথাবোৰ বাদদে না। এতিয়া মই কি কৰিব লাগে ক। বান্ধ কবি আকৌ ভাজিবি নে কালি থকা শাকেৰেই খাবি।

ৰজনী- হ'ব হ'ব যা। কালি থকা শাকেৰেই (ৰমেনে বাহিৰলৈ চাই দেখে)

ৰমেন- ঐ ৰছোন ৰ ৰ ৰ । ছোৱালী দুজনী দেখোন আমাৰ ৰুমৰ ফালে আহি আছে। বাঃ দেখিবলৈ মজা লাগিছে ৰে। ঐ মৰা, ভাজিৰ চৰুটো যা টেবুলৰ তলত থৈ দে।

ৰাজীৱ - চাবি কিন্তু, চেণ্ডেলৰ চৰ গালত পৰিব।

ৰমেন - আমুকাৰ দম আছে বুজিছ। চাওঁচোন পাখৰীহঁতে মোক কি কৰিব পাৰে।

ৰজনী - ঐ ছোৱালী দুজনীক একো নকবি কিন্তু।

ৰমেন - আৰে গুৰুজী, একেবাৰে নিমাখিত প্ৰাণী ওলাইছে। তুমি ভিতৰলৈ যোৱাটোহে উচিত হ'ব ডাঙৰীয়া।

ৰাজীৱ - যোৱা যোৱা ছোৱালী চোৱা কাম ইয়াৰ। তোমাৰ দৰে চোকা লৰাবোৰৰ কাম নহয়।

ৰজনী - চাবি কিন্তু বাটৰ কচু গাত ঘহি নলবি। (ৰজনী যায়)

ৰমেন - ধৰ্ম ভীৰু ওলাবলে আহিছে বে। .....ঐ ৰাজীৱ ৰাজীৱ..........চাহি না।

ৰাজীৱ - (চাই) Woow beautiful

ৰমেন - গীত কৰবাটৰুৱা চিনাকী যেন লাগিছে
মনৰে পুৰণি খোজত ধৰা পৰিছে
অ' বাপৰে এইজনী কবিতাহে দেখোন। লগত পাখৰি ৰীতা। কবিতা আৰু ৰীতা আহে।

ৰাজীৱ - ঐ কথা নাই বতৰা নাই পোনচাতেই আমাৰ ৰাজ্যত প্ৰৱেশ যে ।

ৰীতা- হেৰ কবিতা নামৰ ৰাজকুমাৰীয়ে পোনচাতেই ৰাজ্যত প্ৰৱেশৰ অনুমতি দিলে কিবা অপৰাধ।

ৰমেন - নাই নাই কোনো অপৰাধ হোৱা নাই। পিছে অজানিতে প্ৰৱেশিলা, কাহাৰ নন্দিনি।

ৰাজীৱ - বৈ বৈ আমানি লাগিলে চাগে ন কবিতা।

ৰীতা- আমানি মানে? অপেক্ষাৰো এটা সীমা থাকে।

ৰমেন - আৰে পিতলৰ মুৰ্তিটোৰ দৰে থিয়হে হ'লা, মাত বোল নাই যে।

ৰাজীৱ - তাৰমানে আমাৰ কৃষ্ণ গোসায়ে বৃন্দবনতে নোযোৱা বাবে ন।

কবিতা - হুঁ!

ৰমেন - কোৱাছোন কোৱা কথাটি কোৱা তোমাৰ কি হৈছে কোৱা ?

ৰাজীৱ - নকওঁ নকওঁ উহু নকয় নিজকে সুধিছোৱা।

ৰমেন - হে দেৱী, মোৰ অপৰাধ ক্ষমা কৰিবা। মেটেনি শ্ব নাপালে 1st show চাম 1st show নাপালে 2nd show চাম।

কবিতা - কথা দি কথা ৰাখিব নোৱাৰা। মই বাৰ বজাৰ পৰা তোমালৈ বৈ আছো জানা। কিমান ব'ৰ লাগিছে আমিহে জানো।

ৰীতা - কোনোবাই দেখি ঘৰত কয়গৈ বুলি কিমান ভয় লাগিছে তোমালোকে কি বুজিবা।

কবিতা - পাপাক ফাঁকি দি আহিছোঁ জানা কেনেবাকৈ ধৰা

পাৰিলে এৰি দিব বুলি ভাবিছা নেকি?
ৰীতা- আমাৰ দাদায়ে গম পালে যে পিঠি ফালিব।
ৰাজীৱ - তোমাৰ পাপাক মই কম।
কবিতা- কি কবা?
ৰাজীৱ - কম যে হে ভাবি শহুৰ আমাক ক্ষমা কৰি দিয়া।
কবিতা- প্ৰতিটো কথাতে পেংলাই কৰি নেথাকিবা।
ৰীতা - পিছে আমাৰ শহুৰে জোৰাৰেকক পিঠিত চামৰা তুলি দিব।
কবিতা - বলা যাওঁ।
ৰমেন - ৰবা মই কিবা এটা খাম আৰু আহিম। (যায়)
ৰাজীৱ - তোমালোকে খাবানেকি ?
কবিতা - নাই নাই এই মাত্ৰ খাই আহিছো।
ৰীতা - তোমালোকে খোৱাগৈ যোৱা।
ৰাজীৱ - কি খাবা আমাৰ ৰোমত। বন্ধা কবিয়ে ৰঙেই সলনি কৰিলে।
কবিতা - মানে ?
ৰাজীৱ - মানে আৰু কি? ভাজিৰ কেৰাহিৰ তলত যিমান জুই জ্বলিলে ওপৰতো সিমানে জ্বলিলে। মানে আলকেতেৰা (বাহিৰলৈ চাই) অ' মৰিলো মৰিলো।
কবিতা ঃ কি হ'ল।
ৰাজীৱ ঃ ঐ ৰমেন তোৰ ককায়েৰা আহিছে, কি হ'ব এতিয়া।
কবিতা ঃ কোন আহিছে?
ৰীতা ঃ ৰমেনৰ ককায়েক আহিছে!
কবিতা ঃ কি কৰো এতিয়া।
ৰীতা ঃ ক'ত লুকাও? (ৰমেন আহে)
ৰমেন ঃ এই কবিতা টেবুলৰ তলত সোমোৱা। সোমোৱা সোমোৱা। (দুজনীয়ে সোমাব লয়) দুইজনী নধৰে। ভিতৰলৈ যোৱা ৰীতা। এই পালেহিয়েই। (ৰীতা যায়) সিহঁতে ৰুমটো ঠিক কৰে। (আকাশ আহে)
আকাশ ঃ ৰমেন।
ৰাজীৱঃ অ' দাদা আহক আহক
আকাশ ঃ কি কৰিছ তঁহতে? ভালনে তহঁতৰ?
ৰাজীৱ ঃ আছো দাদা। (ভৰিমাৰে) আপুনি খবৰ এটা নিদিয়াকৈ আহিলে যে।
আকাশ ঃ টাউনলৈ আহিছিলো, ভাবিলো তোমালোকৰ খবৰ এটা কৰি যাওঁ।
ৰাজীৱ ঃ ভালেই কৰিলে দাদা।
ৰমেন ঃ আজি গাড়ী কমকৈ চলিছে। তুমি সোনকালে নগলে দেখোন গাড়ী নাপাবাগৈ।

আকাশ ঃ কোনে ক'লে। avalable গাড়ী। দেৰিকৈ গ'লেও হ'ব। ইয়াত থাকিও নাজান।
(ৰমেনে কবিতাক ইংগিত দিয়ে)
আকাশ - কিনো ফিচিঙা ফিচিং কৰি আছ? অ' তহঁতে বাৰু ভাত খালিনে ? মই একো খাবলে নহ'ল। ভাত আছে নেকি বাৰু?
ৰমেন - ই আমি ভাতেই বনোৱা নাই। হোটেলতে খাই লবা।
আকাশ - কিনো হোটেলত খাম, যোৱা যোৱা ৰাজীৱ ভাত বনোৱাগৈ (ৰান্ধাগৈ)।
ৰমেন - ঐ ৰাজীৱ চাউল আছে জানো। (ইংগিত)
ৰাজীৱ - চাব লাগিব দেই দাদা। থাকিলে খাব আৰু ।
আকাশ - কিবা ভাজি ভাজি গোন্ধ এটা পাইছো ন। কৰবাত পৰি আছে নেকি অ'।
ৰমেন -নাই নাই ক'ত ভাজি পৰি থাকিব।
আকাশ - উহু ক'ৰবাত পৰি আছে দেই। টেবুলৰ তলত পৰি আছে নেকি? চাছোন।
ৰাজীৱ - আ......টেবুলৰ তলত নাচাব দাদা। বৰলৰ বাহ আছে।
আকাশ - থাকক দে, ৰ মই চাওঁ।
ৰমেন-ৰাজীৱ - দাদা ........দাদা
আকাশ - (চাই) আৰে এইয়া আকৌ কি?
কবিতা- দাদা
আকাশ - তুমি ইয়াত কিয় সোমায় আছিলা?
কবিতা- মানে দাদা। মানে........(ভিতৰত ৰীতাৰ চিঞৰ) ঐ মৰিলো ঔ.....মৰিলো ঔ। পয়তাচ'ৰা। (ৰীতা দৌৰি আহে)
আকাশ - অ' তাৰমানে ল'ৰাৰ ৰোমত আড্ডা মাৰিবলৈ আহিছিলা। তোমালোকৰ লৰাৰ ৰোমত কি কাম আছে।
কবিতা- College ৰ note এটা নিবলৈ আহিছিলো।
ৰীতা- মই পানী খাবলৈহে গৈছিলো দাদা।
আকাশ - মিছা কথা নকবা, সঁচা কথা কোৱা। তুমিতো অপূৰ্বৰ ভনীয়েক।
ৰীতা- হয় দাদা।
আকাশ - কোৱা কিয় আহিছিলা।
ৰীতা- আমাক চিনেমা চাবলৈ মাতিছিল দাদা (ৰমেনৰ ইংগিত )
আকাশ - অ' তাৰমানে দেউতাৰ কষ্টৰ পইছা কেইটা চিনেমা চাইছহি। তাকো ছোৱালীৰ লগত। তোৰ কাৰণেই মোৰও College পঢ়া নহ'ল। এই জীৱনটো আকৌ

পাম বুলি ভাবিছ নেকি ?

কবিতা - আমাক ক্ষমা কৰিব দাদা। আজিৰ পৰা আমি কেতিয়াও ভুল নকৰো।

আকাশ - ভুল নকৰা।

ৰীতা- কেতিয়াও নকৰো দাদা।

আকাশ - তোমালোকে যদি সচাঁকৈ ভুল বুজি পাইছা। তেতিয়া হলে তোমালোকক ক্ষমা কৰি দিছো। যোৱা এতিয়া। ঘৰলৈ যোৱা ।

কবিতা- আহো দাদা ।

ৰীতা - দাদা আহো। (যায়)

আকাশ - এওঁলোকক চিনেমা চাবলৈ কোনে মাতিছিলা মুৰ্খ, কাম নাই। পঢ়াৰ নামত কলংক। ৰাজীৱ মা দেউতাৰাক ফাকি দিবলৈ আহিছা। এদিন কিন্তু প্ৰস্তাৱা। আজি কৰা ভুলৰ পৰিণাম গোটেই জীৱনটো ভুগিব লাগিব। মই আহো

ৰমেন-ৰাজীৱ -আমাক ক্ষমা কৰি দিবা দাদা।

আকাশ - নিজকে সংশোধন কৰ। ছাত্ৰ জীৱনৰ দৰে মধুৰ জীৱন দুনাই নাপাৱ। এইটোৱে জীৱন গঢ়াৰ সময়। জীৱনৰ মুকুতা বুতলিবলৈ এতিয়াই চেষ্টা কৰ। মই আহোঁ (যায়)

ৰাজীৱ- - দাদা.........(ৰমেনক) বুৰ্বক তই শেষ কৰি দিলি। প্ৰেমত পৰিবলৈ আহ।

ৰমেন- ধুৰ.....বাদ দে এইবোৰ । মই কোনো টেনচন লবলৈ নাই। আঃ তাকে বুলি চিনেমা নাচাম নেকি ?

ৰাজীৱ - মই কিন্তু আজিৰ পৰা প্ৰতিজ্ঞা কৰিলে মই আৰু দ্বিতীয় বাৰ ভুল নকৰো।

ৰমেন - মই কিন্তু প্ৰতিজ্ঞা চতিজ্ঞা কৰিবলৈ নাই দেই। খাৱ' পিৱ' ম'জ কৰ'। (ৰজনী আহে)

ৰজনী - আজি শিক্ষা এটা পালিনে ৰমেন। মইতো বহুত দিনৰপৰা কৈ আছিলো যে - এই ফাল্টু বোৰ বাদদে।

ৰমেন - কি ফাল্টু কৰিলো মই। থ থ ৰজনী তই ভাল হৈ থাকিলেই হব। মোক কৈ লাভ নাই।

ৰজনী - মই তোৰ ভালৰ কাৰনেহে চিন্তা কৰিছো। Result টো ভাল কৰিব নোৱাৰিলেও অন্তত ঃ মানুহটো ভালহৈ থাকছোন। ঐ ৰাজীৱ তই ভাতৰ দিহা কৰগৈ যা।

ৰাজীৱ - গৈছো বাৰু (যায়)

ৰজনী- ঐ ৰমেন তই অলপ কিতাপকে পঢ়ছোন।

ৰমেন - কিতাপ পঢ়ি কি লাভ হ'ব অ'.....(দুৰলৈ চাই) আৰু দুজনী আহিছ বে। পাখৰীহঁত ।

ৰজনী- বাটেদি যোৱা ছোৱালী জোকাই নলবি দেই।

ৰমেন - বাদ দে বে। (চিঞৰি) Hello

গীত - মৰম দিলো চেনেহ দিলো

বাটতে লগ পায

পিছে মই যোল্ল বছৰত

ভৰি দিয়া নাই।

ৰমেন - ঐ ৰজনী ছোৱালী কেইজনী কিন্তু এই ফালে আহি আছে দেই। ঐ বৰ খৰখেদাকে আহিছে দেখোন

ৰজনী- তই কিয় জোকাইছিলি। কিবা এটা হ'ব লাগিলে মই কিন্তু কৈফিয়ৎ দিব নোৱাৰো।

ৰমেন - ঐ পালেহিয়ে যে - মোৰ কিন্তু ভয়ে নলগা নহয়। এহ দেম কেয়াৰ (ৰীমা বীণা আহে)

ৰীমা - ঐ ল'ৰা, কাক জোকাবলৈ আহিছ।

ৰীমা- ঐ লৰা কাক জোকাবলৈ আহিছ। পঢ়িবলে আহিছনে ছোৱালী জোকাবলে আহিছ।

বীণা - ঘৰত বাই ভনী আছে নে নাই। ছোৱালী দেখিলেই জোকাব লাগে। মাৰে বাপেৰে তহঁতক এইবোৰ কৰিবলৈ পঠাইছে।

ৰীমা- তোমাৰ নাম ৰজনী নহয় জানো ?

বীণা - ৰজনী মানে মেট্ৰিক পৰীক্ষাত চাৰিখনৰ Letter marks পোৱা ল'ৰাটো নহয় জানো।

ৰীমা- Result ভাল কৰা বাবে তোমাকেই আমি ৰাজহুৱা ভাৱে সৰ্ম্বদ্ধনা জনোৱা নাছিলো জানো। তাৰ মানে ছোৱালী জোকাবৰ বাবেহে তোমাৰ গামোছা পিন্ধাইছিলো।

বীণা - আজিৰ পৰা যদি এনেকুৱা কৰা দেখো আমি কিন্তু সুদায় এৰাত নাই। (ভিতৰত ৰজনী - ৰমেন ভাত হ'ল)

ৰীমা- ভিতৰত কোন সেইটো।

ৰজনী- আমাৰ লগৰ এজন আছে।

বীণা - মাতা সেই জনক। ছোৱালী জোকৰা কেইটাক চিনি থব লাগিব।

ৰীমা - ঐ ওলায় আহ, নহলে ভিতৰৰ পৰা টানি লৈ আহিম গৈ।

বীণা - মাতি দিয়া।

ৰীমা - নালাগে দিয়া। মই নিজে যাম। (যায়)

ৰজনী - মোক ক্ষমা কৰি দিব বাইদেউ। আচলতে মই তেনেকুৱা ল'ৰা নহ'য়। এওঁলোকহে এনেবোৰ কৰিছে। মোক ভুল নুবুজিব।

বীণা - দুষ্টৰ সঙ্গত থাকিলে দুষ্টয়ে হ'ব। তুমি নিজকে ভাল বুলি কলেও তোমাৰ সঙবোৰৰ কাৰণে তোমাকো একেই বুলি ক'ব।

বীণা - এবস্তা আলুত যদি এটাও বেয়া আলু থাকে সিয়ে সকলো আলু গেলায় দিয়ে গতিকে বেয়া আলুবোৰ দূৰলৈ দলিয়াই পেলাব লাগে।

ৰাজীৱ - মোক ক্ষমা কৰি দিব বাইদেউ। (ভিতৰৰ পৰা ৰীমা ৰাজীৱ আহে)

ৰীমা- যা, চালা - মুৰ্খ।

বীণা - এইটো দেখোন তোৰ ভায়েৰা ৰীমা তাৰমানে তোৰ ভায়েৰাও ছোৱালী জোকাব পৰা হ'ল।

ৰীমা - শুনিলি ভাইটি, তোমালোকেও শুনা ৰাজীৱ মোৰ ভাই যেতিয়া তোমালোকও...

মোৰ ভাই। কিয় তোমালোক ইমান উশৃঙ্খল হৈছা। তোমালোক দেশৰ ধৰণী স্বৰূপ কিয় তোমালোকে নিজকে হেৰুৱাই দিছা।

ৰমেন - মোক ক্ষমা কৰক বাইদেউ। মই আজিৰ পৰা আৰু কেতিয়াও ভুল নকৰো। মোক যি শাস্তি দিলেও মানি লম বাইদেউ।

ৰীমা - তই তো ঘৰত থাকেতে তেনেকুৱা নাছিলি ভাইটি। কিন্তু তই আজি নিজৰ বাইদেউ জনীকো চিনি নোপোৱা হলি। এই কথা বোৰ যদি মা দেউতাই গম পায় কম দুখ পাবনে?

বীণা - আমাৰ ওচৰত ক্ষমা খুজিব নালাগে। তোমালোকে হাজাৰ জনী বাইভনীক নিজৰ বাইভনী বুলি লব পাৰিবানে? যদি তাকে কৰিব পাৰা তেতিয়া সকলো ভুল শুধৰণি হব।

ৰীমা- কোৱাছোন আমাৰ আগত। লব পাৰিবানে

ৰাজীৱ - পাৰিম বাইদেউ, আমি আজিৰ পৰা ভুল নকৰো।

ৰমেন - আজিৰ পৰা আমি নিজকে সংশোধন কৰিম।

ৰজনী - তেনেহ'লে আমি বাইদেউহঁতৰ আগত হাতত হাত ধৰি কওঁ আহা।

তিনিটাই কব - আজিপৰা আমি আমাৰ ভুল ভ্ৰান্তি শুধৰাই অধ্যয়নৰ প্ৰতি গুৰুত্ব দিম। সকলোঁকে ভাই ককাই, বাই-ভনী বুলি মানিলৈ জ্যেষ্ঠ জনক সন্মান কৰাৰ লগতে নিজকে মানুহ হিচাপে গঢ় দিয়াৰ মানসেৰে আপোনালোকৰ সন্মুখতেই প্ৰতিজ্ঞা বদ্ধ হ'লো।◆◆◆

-ঃ সমাপ্ত ঃ-



# সোণালী জয়ন্তীৰ সোণালী মুহূৰ্ত



সোণালী জয়ন্তীৰ পতাকা উত্তোলনৰ মুহূৰ্ত



পাখি মেলি উৰি যাওঁ শান্তিৰ পখী হৈ...



লাইখুটা স্থাপন (প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ কাৰ্যালয়)



আমি আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ



সেউজীয়া হওঁক আমাৰ পৃথিৱী



কেণ্টিনৰ উদ্বোধন




সাৰে আছো আমি হেজাৰ সেনানি...




ভাষণৰত অৱস্থাত বিশিষ্ট বক্তা শ্ৰীযুত দিপাংক কুমাৰ নাথ

# মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানৰ বিভিন্ন আলোকচিত্ৰ































# "সোণালী" ৰ স্বৰ্ণময় যাত্ৰা...




সোণাৰি মহাবিদ্যালয়
স্থাপিত : ১৯৭০ চন
SONARI
COLLEGE